# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/709 | Language of work: Assamese |
| Author (s) / Editor (s): Abdus Sattar (1st issue)<br>Pokeshmalla Borua (2nd and 3rd issue) | |
| Title: অসম সাহিত্য সভা পত্রিকা | |
| Transliterated Title: Asama Saāhaitaya Sabhaā Patarikaā | |
| Translated Title: Magazine of Asam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha. Jorhat |
| Year: 1972 | Edition: |
| Size: 23½ cms. 3+75+3+76+4+100 pages | Genre: Magazine |
| Volumes: 29 - 3 issue | Condition of the original: Not bad |
| Remarks: 1st. vol. was published in the year 1927 and has been continuing. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

# অসম সাহিত্য সভা
# পত্ৰিকা

নং. ২৩৮১-৮৩/সা
তাং. ৩/৩/২০০১



অসম সাহিত্য সভা

সম্পাদক : পৰেশমল্ল বৰুৱা

# অসম সাহিত্য সভা পত্ৰিকা

ঊনত্ৰিংশ বছৰ ১৮৯৪ শক ॥ ১৯৭৩ চন তৃতীয় সংখ্যা

সম্পাদক : পৰেশমল্ল বৰুৱা

অসম সাহিত্য সভা

প্ৰকাশক :
শ্ৰীযতীন্দ্ৰনাথ গোস্বামী
প্ৰধান সম্পাদক, অসম সাহিত্য সভা
যোৰহাট—অসম ।

বেটুপাতৰ শিল্পী : শ্ৰীকামাখ্যা দত্ত

মুদ্ৰনত : কামৰূপ প্ৰেছ,
গুৱাহাটী—১

মুদ্ৰক : শ্ৰীহৰিচন্দ্ৰ তালুকদাৰ

বেচ—২·০০

যোৰহাট

# সূচী-পত্ৰ

১। শ্বহীদ তৰ্পণ .... .... ১
২। চিৰ চেনেহী মোৰ ভাষা জননী
শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত .... .... ৩
৩। পদ্মনাথ গোহাঞিবৰুৱা অপ্ৰকাশিত ৰচনা
৺পণ্ডিত জয়দেৱ শৰ্মা .... .... ৬
৪। জৈন ৰামায়ণ আৰু তাৰ প্ৰভাৱ
ডক্টৰ সত্যেন্দ্ৰনাথ শৰ্মা .... .... ৯
৫। গমকৰ বিষয়ে আলোচনা
শ্ৰীগোলোক চন্দ্ৰ খাউণ্ড .... .... ২৬
৬। পৰমেশ্বৰ সূৰ্য্যৰ বিভিন্ন নাম
শ্ৰীভগবান মৰল .... .... ৩৬
৭। জীৱন-তত্ত্ব
শ্ৰীচিন্তাহৰণ পাটগিৰি .... .... ৪০
৮। সাহিত্য আলোচনাৰ মানদণ্ড
শ্ৰীঅৱনীন্দ্ৰ চন্দ্ৰ বৰা .... .... ৪৮
৯। শতবাৰ্ষিকী ৰচনা
ক) ৰায়বাহাদুৰ কণকলাল বৰুৱাৰ দৃষ্টিত অসমত বৈষ্ণৱ ধৰ্মৰ আন্দোলন
শ্ৰীভৱানন্দ ডেকা .... .... ৫৪
খ) কণকলাল ।। এটি সমীক্ষা
শ্ৰীশশী শৰ্ম্মা .... .... ৬৩
গ) বেণুধৰ ৰাজখোৱাৰ সাহিত্যৰ আভাষ
শ্ৰীদুৰ্গেশ্বৰ শৰ্ম্মা .... .... ৭১
১০। সম্পাদকীয় .... .... ৮৪

॥ অসম সাহিত্য সভা পত্ৰিকা ॥

: সম্পাদনা সমিতি :

শ্ৰীহেম বৰুৱা—সভাপতি, অসম সাহিত্য সভা
শ্ৰীযতীন্দ্ৰনাথ গোস্বামী—প্ৰধান সম্পাদক,
অসম সাহিত্য সভা।
শ্ৰীনৰকান্ত বৰুৱা। শ্ৰীনিৰ্মলপ্ৰভা বৰদলৈ।
শ্ৰীবীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য। শ্ৰীকেশৱ মহন্ত।
শ্ৰীপৰেশমল্ল বৰুৱা—পত্ৰিকা সম্পাদক (আহ্বায়ক)


# চায়েন্স ইণ্ডিয়া

স্কুল, কলেজ, টেকনিকেল শিক্ষানুষ্ঠান, বিশ্ববিদ্যালয় আৰু কৃষিকাৰ্য্যৰ বাবে প্ৰয়োজনীয় সৰ্বাধুনিক বিজ্ঞান সন্মত সা-সৰঞ্জাম যোগান ধৰিবলৈ হলে অনুগ্ৰহ কৰি খবৰ কৰক : মূল্য আৰু অন্যান্য ব্যৱস্থা সকলো সময়তে আপোনাৰ মনঃপূত।

সদৌ পূৰ্বাঞ্চলৰ একমাত্ৰ নিৰ্ভৰযোগ্য অনুষ্ঠান—

: শাখা কাৰ্য্যালয় :
চায়েন্স ইণ্ডিয়া
চাৰ্কিট হাউচ ৰোড,
যোৰহাট-১

: প্ৰধান কাৰ্য্যালয় :
চায়েন্স ইণ্ডিয়া
চি. কে. ৰোড,
পানবজাৰ, গুৱাহাটী-১


## ॥ শ্বহীদ তৰ্পণ ॥

সমগ্ৰ অসম জুৰি বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম সংক্ৰান্তৰ শান্তিপূৰ্ণ সত্যাগ্ৰহ আন্দোলনত মোজাম্মিল হক, অনিল বৰা, বলেন ৰাজখোৱা, নৰেন মহন্তৰ তেজাহুতিৰে অসম জননীৰ মাটি পবিত্ৰ হ'ল, অসমীয়া ভাষা মহীয়ান হ'ল। অসমৰ যুৱশক্তিৰ এই চৰম ত্যাগ অসমৰ ভাষা-সংস্কৃতিৰ ইতিহাসত জ্বলন্ত প্ৰদীপ হৈ জ্বলি ৰ'ব!

শ্বহীদসকলৰ বিদেহী আত্মাক স্মৰণ কৰি অসম সাহিত্য সভাৰ ভক্তি-অৰ্ঘ্য নিবেদন কৰিলোঁ।

সম্পাদক

# চীৰ চেনেহী মোৰ ভাষা জননী

[ শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত (অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি) ৰচিত গীতটি অসম সাহিত্য সভাই আৰম্ভণীৰ গীত হিছাপে গ্ৰহন কৰিছে। কিন্তু অনেক ঠাইত ইয়াৰ সুৰ বেলেগ বেলেগ ভাবে দিয়া হৈছে। এই বাবে তলত গীতটিৰ পুৰ্ণ-পাঠ আৰু স্বৰলিপি দিয়া হ'ল ]

কথা : শ্ৰীমিত্ৰদেৱ মহন্ত ** স্বৰলিপি : শ্ৰীইন্দ্ৰেশ্বৰ শৰ্ম্মা

চিৰ চেনেহী মোৰ ভাষা জননী
আই, ধন্যে পুণ্যে হৃৎ পাৱনী
প্ৰকৃতি পৰশ ৰসে অমল কমল
চঞ্চল হৃদি জলে ঢালে পৰিমল
কোমল চঁপাৰকলি
ঢৌৱে ঢৌৱে ঢৌ তুলি
ৰিণিকি ৰিণিকি কোনে তোলে ৰাগিনী।
সংসাৰ গুৰু ভাৰে অৱশ পৰাণ
হিয়াতে বিলীন হয় হিয়া ভৰা গান।
কাৰ নিচুকণি শুনা শুনি বাণী ব্যথা পমা
চকুত চকুৰ নীৰে লয় জিৰণি।
জীৱনে মৰণে ৰণে লহৰী সুধাৰ
ৰসনা শিতানে বহি সিঁচা শতধাৰ
হে মোৰ মধুৰাননা মাগিছো মাধুৰী কনা
দিয়া দিয়া দিয়া আই মধুৰ ভাষিণী॥

স্বৰলিপি :

| + | o | + | o |
|---|---|---|---|
| পা মা পা | গা মা ৰে— | ৰে গা নি সা | গা .... .... .... |
| চি S ৰ চে | নে হী মোৰ | ভা ষা জ ন | নী S S S |
| + | o | + | o |
| সা— ৰে— | ৰে — — — | ৰে গা পা মা | গা—সানি ধানি |
| ধ ৎ নো ৎ | পু S নো ৎ | হৃ ৎ পা ৰ | নী S আ ই |
| + | o | + | o |
| ঐ | ঐ | ঐ | গা — — — |
| | | | নী S S S |
| + | o | + | o |
| সা— ৰে— | ৰে — — — | ৰে গা পা মা | গা — — — |
| প্ৰ কৃ তি প | ৰ শ ৰ সে | অ ম ল ক | ম ল S S |
| + | o | + | o |
| গা— ধা ধা | পা মা পা— | ৰে গা পা মা | গা — — — |
| চ S ঞ্চ ল | হৃ দি জলে | ঢা লে প ৰি | ম S ল S |
| + | o | + | o |
| গা নি— নি | নি— নি নি | নি সা' নি ৰে' | সা' নি ধা ধা |
| কো ম ল চ | পা ৰ ক লি | চৌ ৰে চৌ ৰে | চৌ তুলি |
| + | o | + | o |
| নি ৰে' সা' নি | ধা পা মা পা | ৰে গা নি ৰে | গা — — — |
| ৰি নি কি ৰি | নি কি কো নে | তো লে ৰা গি | নী S S S |
| + | o | + | o |
| সা— সা সা | সা — — সা | পা ধা সা নি | ধা— — — |
| সং সা ৰ | শু ক ভা বে | অ' ৰ' শ প' | ৰা S S S |

"চিৰ চেনেহী মোৰ ভাষাজননী"

স্বৰলিপি : শ্ৰীইন্দ্ৰেশ্বৰ শৰ্ম্মা

| + | o | + | o |
|---|---|---|---|
| পা — মা পা | গা মা ৰে — | ৰে গা নি় সা | গা — — — |
| চি S ৰ চে | নে হী মো ৰ | ভা ষা জ ন | নী S S S |
| + | o | + | o |
| সা — ৰে — | ৰে — — — | ৰে গা পা মা | গা — সানি় ধানি় |
| ধ S নো S | পু S নো S | হৃ ৎ পা ৰ | নী S আ ই |
| + | o | + | |
| ঐ | ঐ | ঐ | গা — — — |
| | | | নী S S S |
| + | o | + | o |
| সা — ৰে — | ৰে — — — | ৰে গা পা মা | গা — — — |
| প্ৰ কৃ তি প | ৰ শে ৰ সে | অ ম ল ক | ম ল S S |
| + | o P | + | o |
| গা — ধা ধা | পা মা পা — | ৰে গা পা মা | গা — — — |
| চ S ঞ্চ ল | হৃ দি জ লে | ঢা লে প ৰি | ম S ল S |
| + | o | + | o |
| গা নি — নি | নি — নি নি | নি সা' নি ৰে' | সা' নি ধা ধা |
| কো ম ল চ | পা ৰ ক লি | চৌ ৰে চৌ ৰে | চৌ ৰে তু লি |
| + | o P | + | o |
| নি ৰে' সা' নি | ধা পা মা পা | ৰে গা নি় সা | গা — — — |
| ৰি নি কি ৰি | নি কি কো নে | তো লে ৰা গি | নী S S S |
| + | o | + | o |
| সা — সা সা | সা — — সা | পা় ধা় সা নি় | ধা — — — |
| সং সা ৰ | শু ক ভা বে | অ ৰ শ প | ৰা S ণ S |
| + | o | + | o |
| ধা় ৰে — ৰে | সা নি় সা — | পা় ধা় সা নি় | ধা় — — — |
| হি য়া তে ৰি | লী ন হ য় | হি য়া ভ ৰা | গা S ন S |
| + | o | + | o |
| ধা় — গা গা | গা — গা গা | গা মা গা পা | মা গা ৰে ৰে |
| ক্ষা ৰ নি চু | ক নি সা না | শু নি বা নী | বা থা প মা |
| + | o | + | o |
| গা পা মা গা | ৰে সা নি় সা | পা় ধা় সা নি় | ধা় — — — |
| চ কু তে চ | কু ৰ নী ৰে | ল য় জি ৰ | ণি S S S |
| + | o | + | o |
| সা সা ৰে ৰে | মা মা মা পা | পা ধা ধা পামা | ধা — — — |
| জী ৱ নে ম | ৰ ণে ৰ ণে | ল ক্ষ্মী S | সু ধা ৰ S |

স্বৰলিপি :

| | | | |
|---|---|---|---|
| + ধী ৰে - ৰে | ০ সা নি সা— | + পা ধা সা নি | ০ ধা — — — |
| হি য়া তে বি | লী ন হ য় | হি য়া ভ ৰা | গা S ন S |
| + ধা— গা গা | ০ গা — গা গা | + গা মা গা পা | ০ মা গা ৰে ৰে |
| কা ৰ নি চু | ক নি স না | শু নি বা ণী | ব্য থা প মা |
| + গা পা মা গা | ০ ৰে সা নি সা | + পা ধা সা নি | ০ ধা — — — |
| চ কু তে চ | কু ৰ নী ৰে | ল য় জি ৰ | নি S S S |
| + সা সা ৰে ৰে | ০ মা মা মা পা | + পা ধা ধা পামা | ০ ধা — — — |
| জী ৱ নে ম | ৰ নে ৰ নে | ল হ ৰী S | সু ধা ৰ S |
| + ধা সা˚ মা˚ সা˙ | ০ নি নি ধা পা | + পা পা গাৰে মা | ০ গা — — — |
| ৰ স না শি | তা নে ব হি | সি চাঁ শ ত | ধা S ৰ S |
| + গা নি— নি | ০ নি— নি নি | + নি সা˙ নি ৰে˙ | ০ সা˙ নি ধা ধা |
| হি' S মোৰ ম | ধু ৰা ন না | মা গি চোঁ মা | ধু ৰী ক ণা |
| + নি ৰে˙ সা˙ নি | ০ ধা পা মা পা | + ৰে গা নি ৰে | ০ গা — — — |
| দি য়া দি য়া | দি য়া আ ই | ম ধু ভা ষি | নী S S S |

# পদ্মনাথ গোহাঞিবৰুৱাৰ অপ্ৰকাশিত ৰচনা

# ৺পণ্ডিত জয়দেৱ শৰ্ম্মা

[ প্ৰবন্ধটি তেজপুৰ নিবাসী শ্ৰীতিলক চন্দ্ৰ কাকতিৰ পৰা পোৱা হৈছে ]

পণ্ডিত জয়দেৱ শৰ্ম্মা তেজপুৰৰ এটি চহা ৰত্ন। চহা মানে পছিমীয়া সভ্যতাৰ বা' নো-লোৱা লোক বুজাইছোঁ। 'জয়দেৱ' নামৰ লগত মোৰ পোন প্ৰথম চিনাকি ইং ১৮৯৭ চনত। এই চনৰ প্ৰথম মাহত মই যেতিয়া নগা পৰ্ব্বতৰ কহিমা গৱৰ্ণমেণ্ট ইংৰাজী স্কুলৰ হেড মাষ্টৰীৰ পৰা বদলি হৈ আহি, তেজপুৰ নৰ্ম্মাল স্কুলৰ হেড মাষ্টৰৰ বিষয়-বাব লওঁহি। তেতিয়া এই স্কুলৰ শিক্ষকৰ হাজিৰা বহিত দ্বিতীয় শিক্ষকৰ স্তম্ভত "জয়দেৱ" নাম লিখা পাওঁ। তাৰ পাচত, তেওঁক গা দেখাকৈ লগ পাও এদিন বৰগোলাত বহি থাকোতে ১৮৯৭ চনৰ আগ-ছমাহত, সিমানেই। তাৰে পৰা ১৮৯৮ চনৰ মাজ ভাগলৈকে মই তেজপুৰত নাই, মঙ্গলদৈত তহচিলদাৰ হৈ আছিলোঁগৈ। ১৮৯৯ চনত তেখেতৰ সৈতে মোৰ দ্বিতীয়বাৰ দেখা দেখি হয় তেজপুৰ টাউন হলত, এখন ৰায়ত সভাত। সেই সভাতে তেখেতৰ মুখৰ মাত শুনিবলৈ আৰু মনৰ ভাৱ বুজিবলৈ মই প্ৰথম ছেগ পাও।

তেজপুৰত মোৰ স্থিতি দীঘল হৈ যোৱাৰ লগে লগে ইয়াৰ স্থানীয় লোকসকলৰ



লগত মোৰ চিনাকি বহল হৈ যায়। চিনাকি অৰ্থত চকুৰ নহয়, অন্তৰৰ চিনাকি বুজিবলৈ কোৱা হৈছে। মোৰ স্বভাৱ অনুযায়ী মই দেশৰ হিত চিন্তা কৰা লোকৰ লগত, বিশেষকৈ সভা-সমিতি আৰু অন্যান্য ৰাজহুৱা কাৰ্য্যৰ প্ৰতি অনুৰাগ থকা লোকৰে সৈতে মোৰ মিল বেচি। সেই সূত্ৰতে "জয়দেউ পণ্ডিত" দেউৰ লগত মোৰ মিলন বান্ধ ক্ৰমাৎ আট্ খাই আহিল। ইতি অৱসৰতে ৺হৰিবিলাস আগৰৱালা ডাঙৰীয়াৰ মুখে মই 'পণ্ডিতদেউ'ৰ অন্তৰৰ উদাৰতা আৰু মনৰ প্ৰশস্ততা বিষয়ক অলপ গুনবাদ শুনিবলৈ পাও। তাৰ লগে লগে, তেওঁ ৰাইজৰ হৈ, দেশৰ হৈ কি কি হিতকৰ কাৰ্য্যত আগবাঢ়িল তাৰো অলপ বহুল সম্বেদ পাওঁ। ইয়াত বাদেও, সৰ্ব্বসাধাৰণৰ পৰা মই তেওঁৰ সুখ্যাতি শুনোঁ। তাৰ পাচৰ পৰা দেশ হিতকৰ ৰাজহুৱা অনুস্থানাদিৰ উদ্যোগত মই তেখেতৰ পৰা সততে সৰল আৰু সবল সহানুভূতি পোৱা হলো। এই খিনি ১৮৯৯ চনৰ সামৰণিলৈকে ৺পণ্ডিত জয়দেৱ শৰ্ম্মাদেৱৰ লগত মোৰ সম্প্ৰীতি সহযোগিতাৰ চিনাকি মাথোন দিয়া হল।

ইং ১৯০০ চনত অসমৰ বৰ্ত্তমান ৰজাঘৰীয়া শতাব্দী সলনিৰ লগে লগে তেজপুৰত ৰাইজৰ বাহ্যিক আৰু আন্তৰিক ভাৱ সলোৱা এটি আন অনুষ্ঠানৰ প্ৰস্তাবিত হয়। অৰ্থাৎ ৰাইজৰ ওজৰ আপত্তি ৰজা ঘৰত জনাবলৈ, ৰজা ঘৰৰ পৰা প্ৰজাৰ হক বিচাৰি চাবলৈ আৰু স্বদেশৰ সাহিত্যিক, সামাজিক, আধ্যাত্মিক আৰু ৰাজনৈতিক উন্নতি সাধন কৰিবৰ উদ্দেশ্য এখন সাতদিনীয়া বাতৰি কাকত প্ৰচাৰ কৰা বিষয়ক প্ৰস্তাৱ জনদিয়েক দেশহিতৈষীয়ে ৰাইজৰ আগলৈ আগবঢ়ায়। তাৰ মুলত দেখাকৈ মোৰ সহযোগী সাহিত্যিক শ্ৰীযুত কমলাকান্ত ভট্টাচাৰ্য্য আৰু আগত মোৰ প্ৰিয় বন্ধু ৺জয়দেৱ শৰ্মা পণ্ডিত প্ৰমুখ্যে জনদিয়েক মুকলিমূৰীয়া স্বাধীনচেতিয়া অ-চৰকাৰী উদ্যোগী পুৰুষ আৰু নেদেখাকৈ আমি জনচেৰেক চৰ্কাৰি চাকৰীয়া অসমীয়া।

এই সদানুষ্ঠানত সেই কালৰ তেজপুৰবাসী মাৰোৱাৰী সমাজৰো সহানুভূতি পোৱা গৈছিল আৰু সেই সহানুভূতি লাভ কৰাত "জয়দেউ পণ্ডিত"ৰ নামে আৰু কামে বৰ গুণ দিছিল। পিচে সেই মহৎ অনুষ্ঠান কাৰ্য্যত পৰিণত কৰাৰ উদ্দেশ্যে তেজপুৰৰ অসমীয়া আৰু মাৰোৱাৰী সমাজৰ পৰা বৰঙ্গণী তুলি ইয়াত এটা প্ৰেছ-কোম্পানী স্থাপন কৰোঁহক—শেহত সেই প্ৰেছৰ নাম হয় "অসম চেণ্ট্ৰাল প্ৰেচ," আৰু তাত ফল ধৰে "অসম বন্তি"—এখন সাদিনীয়া অসমীয়া—ইংৰাজী বাতৰি কাকত। এই কাৰ্য্যৰ গুৰিয়ালস্বৰূপে গা দেখাকৈ নিযুক্ত হোৱা ডিৰেক্টৰ কেজনৰ ভিতৰত ৺পণ্ডিত জয়দেৱ শৰ্মা এজন সোঁহতীয়া ডিৰেক্টৰ আছিল। সেই কাকতখনি

আৰু সেই প্ৰেছখন এতিয়াও কথমপি চলি আছে ; কিন্তু দুখৰ বিষয়, সেই কোম্পানী আৰু নাই, সেই সদানুষ্ঠানৰ জন্মদাতাসকলৰ ভিতৰৰ এজনত বাজে আনসকলৰ তাৰ লগত সম্পৰ্ক নাই । কেনেকৈ আছে ; আৰু কেনেকৈ নোহোৱা হ'ল, এই দুই প্ৰশ্নৰ সমিধান দিবলৈ গলেই ৺জয়দেৱ শৰ্মা পণ্ডিতৰ মহৎ জীৱনীৰ শেষ ছোৱাত স্বৰ্গীয় প্ৰভাৰ জেউতি বিৰিঙি উঠে ।

প্ৰেছ-কোম্পানীৰ পুজিত মূলধন ৫০০০, পাচ হাজাৰ মান টকা উঠিছিল । তাৰে নগদ ৩০০০, তিনি হাজাৰ টকা ভাঙ্গি কলিকতাৰ পৰা ছাপাযন্ত্ৰ বা প্ৰেছ এখন অনাই তেজপুৰত পাতি তাৰ পৰা "অসম-বন্তি" মহা সমাৰোহেৰে ইং ১৯০০ চনৰ আৰম্ভনতে, অৰ্থাৎ সেই চনৰ মাঘ ১লা তাৰিখে উলিওৱা হয় । সেইদিনা তেজপুৰীয়া অসমীয়া সমাজৰ মন-প্ৰাণত উলাহ নধৰা হৈছিল । তাৰ পাচৰ পৰা বাকী ২০০০ টকা পুজিৰ ধনেৰে বহু আৰম্বৰেৰে "বন্তি" প্ৰচাৰ কৰা হয় । তেতিয়া "বন্তি"ৰ কাৰ্য্য-কাৰক ভালেমান সম্পাদক, মেনেজাৰ, কেৰাণী ছাপৰাচী, প্ৰিণ্টাৰ, কম্পোজিটাৰ, প্ৰেছম্যান, জমাদাৰী ইত্যাদিৰ লেখ বহুত আৰু সিবিলাকৰ দৰ্মহাও মুঠি আজলিৰে ভৰা । অকল ইংৰাজী (সিকি ভাগ) দুপিঠি সম্পাদিত কৰিবৰ অৰ্থেই মথুৰামোহন বৰুৱাদেৱক ৫০ টকীয়া দৰ্ম্মহাত সম্পাদক নিয়োগ কৰা হৈছিল । সি যি হওক সেই আড়ম্বৰেৰেই ডেৰ বছৰ………… ফট-ফটীয়াকৈ জ্বলিল । তাৰ পাচত ক্ৰমাৎ বহ্বা-ড়ম্বৰ লঘু ক্ৰিয়াত পৰিণত হবলৈ ধৰিলে । গাদ্ধিত ২০০০ টকা তেনেই ভাঙ্গি পুজি উদং কৰা গল । তাৰো পাচত একেবাহে ঋণৰ ওপৰত "বন্তি" নুমাই টিমাই জ্বলিব লগাত পৰে । বৰঙ্গণীৰ আৰ্জ্জন নাই, ইফালে ভগনৰো নিবৃত্তি নাই । গতিকে ঋণ বাঢ়ি গৈ ২২০০ দুহেজাৰ দুশ টকাত উঠিগৈ । এতেকে, ব্যৱসায়ৰ ধাৰ বুজা মাৰোৱাৰী মেম্বৰ আৰু অংশীদাৰসকলৰ ভিতৰত ভাবনি চিন্তনি চকু-পিৰিকণি চলিল । তাৰ ফলত, সিবিলাকে স্ব-ইচ্ছাৰে নিজ নিজ অংশ পৰিত্যাগ কৰি প্ৰেছ কোম্পানীৰ পৰা ওলাই গল । মাৰোৱাৰী-মণ্ডল মুকলি হৈ যোৱাত অসমীয়া সমজুৱাৰ বান্ধ ঢিলা হৈ পৰিল । জনদিয়েক উৎপতীয়া নেতাই প্ৰেছ আৰু বন্তিৰ নিলাম বিক্ৰীৰ মন্ত্ৰণাত ধৰিলে । আন-হাতে সেই সময়ৰ বং সোৱা তেজপুৰ প্ৰব-সুৱা বঙ্গালী সমাজে ২২০০ টকা বৰঙ্গণী ধনেৰে ধাৰ মাৰি বন্তি প্ৰেছ কিনিবলৈ আগ-বাঢ়িলে । এনে সমস্যাত মাথোন চাৰিজন অসমীয়াই সাঁতুৰি পাৰ হবলৈ আহোপুৰুষাৰ্থ কৰিছিল ; তাৰ ভিতৰত আমি তিনিজন চৰ্কাৰী চাকৰিয়াল (যথা, ৺ৰবিচন্দ্ৰ শৰ্ম্মা বৰুৱা,

(৮০ পিঠিত চাওঁক)

# জৈন ৰামায়ণ আৰু তাৰ প্ৰভাৱ

ডক্টৰ সত্যেন্দ্ৰ নাথ শৰ্মা

বাল্মীকিকৃত আদি কাব্য ৰামায়ণৰ কাহিনী তথা ৰামচৰিত ইমান লোকপ্ৰিয় যে কেৱল ভাৰতবৰ্ষতেই নহয়, দক্ষিণ পূব এছিয়াৰ সব, বালি, মালয়, উপদ্বীপ, কম্বোদিয়া, থাইলেণ্ড, তিব্বত, খোটান, সিংহল আদি বহু দেশতে ইয়াৰ প্ৰচলন দেখা যায় । দক্ষিণ-পূব এছিয়াৰ কোনো কোনো প্ৰাচীন মন্দিৰৰ দেৱালয়ত ৰাম কথা খোদিত হোৱা দেখা যায় আৰু এইবোৰ দেশত পৰম্পৰাগত চলি অহা নৃত্যনাটৰ প্ৰধান বিষয় হ'ল ৰামকথা । ইন্দোনেছিয়াত 'ওয়াং' নৃত্যনাটৰ যোগেদি ৰামকথা ৰূপায়ণ কৰা হয় । সেই সেই দেশত লোক-পৰম্পৰা আৰু দেশদস্তুৰৰ লগত সংমিশ্ৰিত হৈ বাল্মীকিৰ কাহিনীয়েও মোট সলাইছে । ইন্দোনেছিয়া প্ৰচলিত ৰামায়ণৰ যি প্ৰাচীন সংস্কৰণ পোৱা যায়, বাল্মীকি ৰচিত ৰামায়ণ কথাৰ লগত তাৰ বহু ক্ষেত্ৰত পাৰ্থক্যও পৰিলক্ষিত হয় । যবদ্বীপীয় ভাষালৈ ৰামায়ণ খ্ৰিষ্টীয় ৮৬০ অব্দত ৰূপান্তৰিত হয়, কিন্তু ৰূপান্তৰ কৰোঁতে বাল্মীকি তথা ভাৰতীয় ৰামায়ণৰ হুবহু অনুবাদ কৰা নাই । ইচলাম ধৰ্ম গ্ৰহণ কৰাৰ পাছত ৰামকথাৰ লগত হজৰত মহম্মদৰ কথা জড়িত কৰি ৰামায়ণ ইচলাম ধৰ্মৰ গ্ৰহণীয় কৰি তোলা হয় । থাইলেণ্ডৰ অধিবাসীসকল হীনযান অৱলম্বী বৌদ্ধ তেওঁলোকে ৰামায়ণ ৰচনা কৰোঁতে সেই কাৰণে ৰামক ভৱিষ্য বুদ্ধৰূপে অঙ্কন কৰিছে । থাইলেণ্ডৰ ৰজা প্ৰথম ৰামে (১৭৮২ ১৮০৯) আৰু দ্বিতীয় ৰামে (১৮০৯-১৮২৪) থাই ভাষাত ৰামায়ণ ৰচনা কৰিছিল । তেওঁলোকৰ আগতেও থাই ভাষালৈ ৰামায়ণ ৰূপান্তৰিত হৈছিল । মালয়-উপদ্বীপৰ প্ৰাচীন ৰামায়ণ আৰবী আখৰত লিখা আৰু এই ৰামায়ণত থকা বিন্দু, ৰীতি-নীতি আৰু ধৰ্ম বিশ্বাস সলাই ইচলামৰ অনুকূল কৰি ৰামায়ণ ৰচনা কৰিছিল । এইদৰে চীন, তিব্বতী (খোটান) আদি বহিভাৰতীয় অঞ্চলতো ৰামায়ণে প্ৰতিষ্ঠা লাভ কৰিছিল আৰু সেই সেই আঞ্চলিক ভাষাত ৰামকথা ৰচিত হৈছিল ।

ভাৰতৰ বহিৰাঞ্চলৰ কথা বাদ দি যদি আমি কেৱল ভাৰতীয় ভাষাত ৰচিত ৰামায়ণসমূহলৈ চকু দিওঁ তেন্তে ৰামায়ণৰ অজস্ৰ প্ৰাচীন ৰূপান্তৰ দেখা পাওঁ। প্ৰত্যেক আধুনিক ভাৰতীয় ভাষাতে দ্বাদশ শতিকাৰ পাছত ৰচিত ৰামায়ণৰ অনেক ৰূপান্তৰ পোৱা যায়। কিন্তু নব্যভাৰতীয় ভাষা সমূহলৈ ৰাময়ণ ৰূপান্তৰ হোৱাৰ আগতে জৈন প্ৰকৃত আৰু জৈন সংস্কৃতত কেবাটাও ৰামায়ণৰ সংস্কৰণ পোৱা যায়। জৈন সম্প্ৰদায়ে তেওঁলোকৰ স্বকীয় দৃষ্টিৰে ৰামায়ণ ৰচনা কৰাৰ আগতে বৌদ্ধসকলেও জাতক কাহিনীত ৰামকথা সন্নিবিষ্ট কৰে। কোনো কোনো পণ্ডিতৰমতে জাতকত সন্নিবিষ্ট ৰামকথা বাল্মীকিৰ সংস্কৰণতকৈয়ো প্ৰাচীন। অৱশ্যে এই মত সৰ্বজনগ্ৰাহ্য নহয়। পালিজাকত বৰ্ণিত ৰামকথাত সীতাক ৰামৰ ভনীৰূপে দেখুৱাইছে আৰু প্ৰাচীন শাক্যসকলৰ মাজত প্ৰচলিত ভনীক বিয়া কৰাৰ পৰা প্ৰথা অনুসাৰে বনৰ পৰা উভতি অহাৰ পাছত ৰাম আৰু সীতাৰ বিয়া হোৱা দেখুৱাইছে। পালি সাহিত্যত ৰামকথা জাতক সাধুৰ মাজতে আবদ্ধ আছে, কাব্য বা মহাকাব্যৰ ৰূপলৈ পৰিণত হোৱা নাই। কিন্তু জৈন সাহিত্যত ৰামকথাই পুৰাণ বা মহাকাব্যৰ ৰূপ লৈছে আৰু কেবাটাও ৰূপান্তৰো পোৱা যায়। তলত জৈন সাহিত্যত পোৱা বিভিন্ন ৰামায়ণৰ চমু পৰিচয় দিয়া হ'ল।

জৈন সম্প্ৰদায়ৰ দুটা শাখা—শ্বেতাম্বৰ আৰু দিগাম্বৰ। দুয়োটা শাখাৰ সাহিত্যিক পৰম্পৰাও কিছু প্ৰভেদ। তেওঁলোকে জৈন পুৰাণসমূহত ত্ৰিষষ্টি মহাপুৰুষৰ চৰিতাৱলী বিশদভাৱে বৰ্ণনা কৰিছে। 'পউম' (পদ্ম) বা ৰামক (ৰামৰ আন নাম পদ্ম) জৈন সকলে ৬৩জন মহাপুৰুষৰ অন্যতম বুলি গণ্য কৰে। গতিকে ৰাম বা পদ্মৰ বিচিত্ৰ আৰু অলৌকিক কাৰ্য্যাৱলী জৈন পুৰাণত বৰ্ণনা কৰিছে। ৰাম সম্বন্ধীয় পুৰাণ জৈন প্ৰাকৃত আৰু সংস্কৃত দুয়ো ভাষাতে ৰচিত হৈছিল। বৌদ্ধসকলে যেনেকৈ পালি আৰু সংস্কৃত দুয়োটা ভাষাকে ধৰ্মগ্ৰন্থৰ মাধ্যমৰূপে গ্ৰহণ কৰিছিল তেনেকৈ জৈনসকলেও সংস্কৃত প্ৰাকৃত বা অৰ্দ্ধমাগধীক প্ৰকাশ মাধ্যমৰূপে গ্ৰহণ কৰিছিল। বৰ্ত্তমানলৈকে প্ৰকাশ পোৱা ৰাম চৰিত বা ৰামায়ণ সম্বন্ধী জৈন ৰচনাৰ ভিতৰত প্ৰাকৃতত ৰচিত বিমলসুৰিৰ 'পউম চৰিঅ' অপভ্ৰংশ ভাষাত ৰচিত স্বয়ম্ভুকৃত 'পউম চৰিঅ' সংস্কৃতত ৰচিত ৰবিষেণৰ 'পদ্মপুৰাণ' জিনসেন আৰু গুণভদ্ৰকৃত সংস্কৃত 'মহাপুৰাণ', অপভ্ৰংশত ৰচিত পুষ্পদন্তকৃত 'মহাপুৰাণ' আৰু হেমচন্দ্ৰসুৰি ৰচিত সংস্কৃত 'ত্ৰিষষ্টি শলাকাপুৰুষ ৰচিত বিশেষভাৱে উল্লেখযোগ্য। ইয়াৰ ভিতৰত বিমলসুৰিকৃত 'পউম চৰিঅ' সৰ্ব্ব প্ৰাচীন এই গ্ৰন্থৰ ৰচনাকাললৈ পণ্ডিতসকলৰ মাজত মতানৈক্য দেখা যায়। খ্ৰিষ্টীয় দ্বিতীয় শতিকাৰ পৰা সপ্তম শতাব্দীৰ ভিতৰত ই ৰচিত হয়। সংস্কৃতত ৰচিত ৰামকথাৰ ভিতৰত ৰবিষেণাচাৰ্য্যকৃত 'পদ্মপুৰাণ'কে প্ৰাচীন বুলি গণ্য কৰা হয়। এই গ্ৰন্থৰ ৰচনাকালো খ্ৰিষ্টীয় সপ্তম শতিকাৰ পাছৰ নহয় বুলি



পণ্ডিতসকলৰ ধাৰণা। গতিকে দুয়োখন গ্ৰন্থ সমসাময়িক নহলেও বেছি আগপিছা নহয়। দুয়োখন গ্ৰন্থৰ কাহিনীৰ সাম্য পৰিলক্ষিত হয়, এই কাৰণেই কোনো কোনোৱে ভাবে যে বিমলসুৰিৰ 'পউম চৰিঅ'ই ৰবিষেণাচাৰ্য্যৰ আধাৰ গ্ৰন্থ আন কোনোৱে আকৌ কয় যে যিহেতুকে ৰবিষেণৰ কোনো উল্লেখ কৰা নাই, অথচ অন্য উৎসৰহে উল্লেখ কৰিছে, গতিকে দুয়োজন একে পৰম্পৰাৰ উত্তৰাধিকাৰী, কোনো কাৰো ওচৰত ঋণী নহয়। হেমচন্দ্ৰসুৰিৰ 'ত্ৰিষষ্টি শলাকাপুৰুষ চৰিত্ৰ'ই বোধকৰো শেষৰ ৰচনা। এই গ্ৰন্থ দ্বাদশ শতিকাত ৰচিত হৈছিল।

কাহিনীৰ পৰাম্পৰালৈ লক্ষ্য কৰিলে ৰামকথাৰ দুটা পৰম্পৰা জৈন সাহিত্যত লক্ষ্য কৰা যায়। প্ৰথমটো হল বিমলসুৰি, ৰবিষেণাচাৰ্য্য আৰু হেমচন্দ্ৰসুৰিৰ পৰম্পৰা দ্বিতীয়টো হ'ল জৈনসেন গুণভদ্ৰ ৰচিত 'মহাপুৰাণৰ' অন্তৰ্গত উত্তৰপুৰাণৰ পৰম্পৰা। প্ৰথম পৰম্পৰাৰ কাহিনীৰ লগত দ্বিতীয় পৰম্পৰাৰ কোনো ক্ষেত্ৰত মৌলিক প্ৰভেদ লক্ষ্য কৰা যায়। বিমলসুৰিৰ 'পউম চৰিঅ' জৈন মহাৰাষ্ট্ৰী প্ৰাকৃতত ৰচিত আৰু ১১৮ উদ্দেশ বা পৰ্ব্বত বিভক্ত। এই ৰামায়ণৰ বক্তা গৌতম গণধৰ আৰু শ্ৰোতা ৰজা শ্ৰেণীক (বিম্বিসাৰ) ৰবিষেণৰ পদ্মপুৰাণৰো বক্তা আৰু শ্ৰোতা একে দুজনেই। দুয়োখনৰ মাজত বৰ্ণনাৰ প্ৰভেদ বা কম-বেছ থাকিলেও কাহিনীৰ ৰূপৰেখাত কোনো প্ৰভেদ নাই। ৰবিষেণৰ পদ্মপুৰাণৰ ১২৩ পৰ্ব্ব আছে। কলেবৰত বিমলসুৰিৰ কাব্যতকৈ ডাঙৰ। যিহেতুকে বিমলসুৰি আৰু ৰবিষেণাচাৰ্য্য ৰচিত কাহিনীৰ মৌলিক সাম্য আছে, সেই কাৰণে, 'পদ্মপুৰাণ'ৰ কাহিনীটো বৰ্ণনা কৰিলেই প্ৰথম পৰম্পৰাভুক্ত কাহিনীৰ এটা ধাৰণা কৰিব পৰা যায়।

ৰাক্ষস বংশৰ ৰজা ৰত্নশ্ৰবা আৰু ৰাণী কেকসীৰ চাৰিটি সন্তান আছিল। ৰাৱণ, কুম্ভকৰ্ণ, বিভীষণ আৰু কন্যা চন্দ্ৰনখা। কেচুৱা অৱস্থাতে এধাৰ মুক্তাৰ মালাত ৰাৱণৰ মূৰটোৰ দহটা প্ৰতিবিম্ব পৰাত পিতাকে তেওঁৰ দশগ্ৰীৱ বা দশানন নাম দিয়ে (১)। বৈমাত্ৰেয় ভাই বৈশ্ৰৱণৰ বৈভৱ দেখি তিনিও ভায়ে মহাবিদ্যা লাভ কৰিবৰ কাৰণে তপস্যা কৰে আৰু অচিৰেই তপস্যাত বিদ্যালাভ কৰি উভতি আহে। ইয়াৰ পাছত ৰাৱণে মন্দোদৰীকে আদি কৰি ৬০০০ ৰূপৱতী কন্যাক বিয়া কৰে আৰু দিগ্বিজয় কৰি বহু ৰজাক পৰাস্ত কৰি চক্ৰবৰ্ত্তী ৰজা হয়। ইন্দ্ৰ, যম, বৰুণ আদি বিদ্যাধৰ বা দেৱতাসকলকো যুদ্ধত পৰাস্ত কৰে। বৈশ্ৰৱনক্য পৰাজয় কৰি পুষ্পক বিমান কাঢ়ি লয়। দিগ্বিজয় প্ৰসঙ্গত নলকুবেৰৰ পত্নী উপৰম্ভাই ৰাৱণৰ ওচৰত প্ৰণয় ভিক্ষা কৰে। জৈন সাধুৰ উপদেশ অনুসাৰে ৰাৱণে সেই প্ৰসঙ্গত প্ৰতিজ্ঞা কৰে যে যি নাৰীয়ে উপযাচিকা হৈ তেওঁৰ ওচৰলৈ নাহে বা আত্মসমৰ্পণ নকৰে সেই নাৰীক জোৰ কৰি তেওঁ কেতিয়াও উপভোগ নকৰে। ইয়াৰ

(১) স্থূলস্বচ্ছেষু ৰত্নেষু নবাস্যানি মুখানি যৎ—
হাৰে দৃষ্টানি যাতোংসৌ তদ্দশাননসংজ্ঞিতাম ॥

সপ্তম পৰ্ব/২২২

পাছত বালিৰ লগত ৰাৱণৰ সংঘৰ্ষ হয়। ৰাৱণৰ হাতত পৰাজিত হৈ বালিয়ে জৈন ধৰ্ম্মত দীক্ষা লয় আৰু সুগ্ৰীৱক ৰজা পাতি দিয়ে। এই প্ৰসঙ্গত জৈন কবিয়ে বান্দৰ চিহ্নধাৰী বিদ্যাধৰসকলৰ উৎপত্তি বৰ্ণনা কৰে। সুগ্ৰীৱৰ পত্নী সুতাৰা, পুত্ৰ অঙ্গদ আৰু অঞ্জনাপুত্ৰ হনুমানৰ কীৰ্ত্তিকাহিনী বিশদভাৱে বৰ্ণনা কৰিছে। ৰাৱণে কৈলাশ পৰ্ব্বত উভালিবলৈ চেষ্টা কৰোঁতে জৈনসাধু বালিয়ে নিজ প্ৰভাৱৰ দ্বাৰা কেনেকৈ কৈলাশ অবিচলভাৱে ৰাখিলে তাৰ বৰ্ণনা দিছে। ৰাৱণৰ লগত সহস্ৰাৰ্জুনৰ যুদ্ধ আৰু সহস্ৰাৰ্জুনৰ পৰাভৱ দেখুৱাইছে। হনুমানৰ বাল্যকালৰ বীৰত্ব বৰ্ণনা কৰি কেনেকৈ ৰাৱণৰ সহায় হৈ বৰুণৰ বিৰুদ্ধে যুদ্ধত অৱতীৰ্ণ হৈছিল আৰু ৰাৱণৰ ভনী চন্দ্ৰনখাৰ পুত্ৰী অনঙ্গকুসুমাক হনুমানে বিয়া কৰালে তাৰ বিশদ বিৱৰণ দিছে। ৰাৱণৰ ভনী চন্দ্ৰনখাক খৰদূষণ নামে বিদ্যাধৰে বিয়া কৰাইছিল। এওঁলোকৰ শম্বুক নামে পুত্ৰ আৰু অনঙ্গকুসুমা নামে কন্যা জন্ম হয়। হনুমানৰ পিতৃ পৰিচয় আৰু অদ্ভুত কাৰ্য্যৰ কথা কেবাটা পৰ্ব্বত কবিয়ে বৰ্ণনা কৰিছে। দৰাচলতে 'পদ্মপুৰাণ'ৰ পঞ্চম পৰ্ব্বৰ বিংশ পৰ্ব্বলৈকে বিদ্যাধৰসকলৰ (ৰাৱণ, বালি, হনুমান এওঁলোক সকলোকে বিদ্যাধৰ বুলিছে) কথা বিস্তৃতভাৱে বৰ্ণিত হৈছে।

একবিংশতি পৰ্ব্বৰপৰা ৰামসীতাৰ কাহিনী আৰম্ভ হৈছে। ইক্ষাকু বংশৰ ৰজা দশৰথৰ চাৰি গৰাকী পত্নী, কৌশল্যা, কেকয়া, সুমিত্ৰা আৰু সুপ্ৰভা। কৌশল্যাৰ অপৰ নাম অপৰাজিতা। কৌশল্যা বা অপৰাজিতাৰ পুত্ৰৰ নাম পদ্ম বা ৰাম, সুমিত্ৰাৰ পুত্ৰৰ নাম লক্ষ্মণ আৰু কেকয়া নামৰ ৰাণীৰ সন্তানৰ নাম ভৰত আৰু সুপ্ৰভাৰ শত্ৰুঘ্ন। ইতিমধ্যে ৰাৱণে কোনো সাধুৰপৰা জানিব পাৰিলে যে জনক ৰজা আৰু দশৰথৰ সন্তান তেওঁৰ মৃত্যুৰ কাৰণ হব। ৰাৱণে ভায়েক বিভীষণক সন্তান কেইটা কেচুৱাতে বধ কৰিবলৈ নিয়োগ কৰে! কিন্তু বিভীষণে এই চেষ্টা লোৱাৰ আগতেই নাৰদে দুইজন ৰজাক সাৱধান কৰি দিয়ে। সেই সাৱধান বাণী অনুসাৰে সন্তান কেইটিৰ প্ৰতিকৃতি একোটি নিৰ্ম্মাণ কৰি গুৱাই থওঁতে বিভীষণে সেই পুতুলা কেইটাকে দাণ্ডি নি সমুদ্ৰত পেলাই দিয়ে আৰু সেইমতে ৰাৱণক খবৰ দিয়ে। এইখিনিতে আৰু এটা কথাৰ উল্লেখ কৰিছে। কেকয়ীৰ সয়ম্বৰত ৰজা দশৰথৰ বিৰুদ্ধে ৰজা কিছুমানে যুদ্ধ কৰিছিল। সেই যুদ্ধত কেকয়াই দশৰথক যুদ্ধ জিনাত সহায় কৰে আৰু তেওঁৰ কাৰ্য্যত সন্তুষ্ট হৈ দশৰথে বৰ দিবলৈ ইচ্ছা কৰাত প্ৰয়োজন অনুসৰি পাছত লব বুলি কৈ থয়।

ৰজা জনকৰ পত্নীৰ নাম বিদেহা। এই বিদেহাৰ গৰ্ভত সীতা আৰু ভামণ্ডল এটা পুত্ৰ ওপজে। ওপজাৰ পাছতে পূৰ্ব্বজন্মৰ শত্ৰুতা স্মৰণ কৰি এটা অসুৰে হৰণ কৰি পৰ্ব্বতৰ ওপৰৰ পৰা পেলাই দিওঁতে চন্দ্ৰগতি নামে এজন বিদ্যাধৰে সন্তানটো আলগতে ধৰি নিজ সন্তানৰূপে পালন কৰে। ভামণ্ডল ডাঙৰ হৈ চন্দ্ৰগতি বিদ্যাধৰৰ ৰাজ্যৰ যুৱৰাজ হ'ল। ইতিমধ্যে কন্দলপ্ৰিয় নাৰদে সীতাৰ এখন চিত্ৰপট ভামণ্ডলক প্ৰদৰ্শন কৰি সীতাৰ



প্ৰতি ভামণ্ডলৰ আকৰ্ষণ জন্মায়। ভামণ্ডলে তেওঁৰ অভিলাষ চন্দ্ৰগতিক জনোৱাত জনকলৈ সীতাক খুজি প্ৰস্তাৱ দিয়ে। জনকে প্ৰস্তাৱ অগ্ৰাহ্য কৰে। অগ্ৰাহ্য কৰাৰ কাৰণ হল যে এসময়ত জনকৰ ৰাজ্য ম্লেচ্ছ ৰজাই আক্ৰমণ কৰোঁতে দশৰথে তেওঁক সহায় কৰি ৰাজ্য ৰক্ষা কৰি দিছিল। প্ৰত্যুপকাৰ স্বৰূপে জনকে দশৰথৰ পুত্ৰ পদ্ম বা ৰামলৈ সীতাক দিবলৈ প্ৰতিজ্ঞাৱদ্ধ হৈছিল। জনকৰ দ্বাৰা প্ৰস্তাৱ অগ্ৰাহ্য হোৱা শুনি চন্দ্ৰগতিয়ে চপলবেগ নামৰ বিদ্যাধৰক নিয়োগ কৰি জনকক তেওঁৰ ৰাজ্যলৈ অপহৰণ কৰি নিয়ে। সীতাক ভামণ্ডললৈ বিয়া দিবলৈ চন্দ্ৰগতিয়ে জনকক জোৰ কৰাত জনকে দশৰথৰ আগত কৰা প্ৰতিজ্ঞাৰ কথা কয়। উপায় নেপাই চন্দ্ৰগতিয়ে তেতিয়া নিৰ্দ্দেশ দিয়ে যে যদি দশৰথ পুত্ৰ ৰামে (পদ্ম) বজ্ৰাৱৰ্ত্ত ধেনুত গুণ লগাব পাৰে তেন্তে সীতাক ৰামে পাব, অন্যথা ভামণ্ডলে সীতাক বিয়া কৰাব। এইমতে স্বয়ম্বৰ অনুষ্ঠিত হয় আৰু ৰামে বজ্ৰমাৱৰ্ত্ত ধনুত গুণ লগাই সীতাক লাভ কৰে। ৰাজ্যলৈ উভতি আহি দশৰথে জৈন ধৰ্ম্ম অৱলম্বন কৰিবলৈ মানস কৰি ৰামক সিংহাসনত বহুৱাবৰ আয়োজন কৰে। এই কথা শুনি ৰাণী কেকয়ীয়ে পূৰ্বৰ প্ৰতিজ্ঞা সোঁৱৰাই ভৰতকহে ৰাজ্য দিবলৈ দশৰথক অনুৰোধ কৰে। দশৰথে মনৰ দুখত ৰামক সকলো কথা কোৱাত ৰামে স্বেচ্ছাই বনলৈ যাবলৈ স্থিৰ কৰে। কিন্তু ভৰতে এই কথা শুনি সংসাৰৰ প্ৰতি বিৰক্ত হৈ জৈন দীক্ষা লবলৈ স্থিৰ কৰে। ৰামে বঢ়াই-বুজাই ভৰতক ৰাজ্য লবলৈ মান্তি কৰায়। সীতা আৰু লক্ষ্মণো ৰামৰ লগত বনলৈ ওলায়। ৰামৰ লগত সকলো প্ৰজা বনলৈ যায়। দশৰথে জৈন দীক্ষা গ্ৰহণ কৰে। অপৰাজিতা আৰু সুমিত্ৰা আৰু প্ৰজাসকলৰ দুখ দেখি কেকয়ীয়ে ভৰতৰসৈতে ৰামক বনৰপৰা ওভতাই আনিবলৈ যায় কিন্তু ৰাম ওভতি নাহে।

ইপিনে বিদ্যাধৰ চন্দ্ৰগতিক ভামণ্ডলে সীতাৰ পানিপ্ৰাৰ্থনা কৰি বাৰে বাৰে অভিলাষ জনোৱাত অৱশেষত চন্দ্ৰগতিয়ে ৰামৰ লগত যে সীতাৰ বিবাহ হৈ গ'ল এইকথা জনায়। এই সংবাদ শুনি খঙত অধীৰ হৈ ভামণ্ডলে সীতাক হৰণ কৰি আনিবলৈ বুলি যাত্ৰা কৰে। যাওঁতে বাটত মনোহৰ নগৰত যেতিয়া উপনীত হয় (এই নগৰত তেওঁ পূৰ্ব্বজন্মত বাস কৰিছিল) তেতিয়া তেওঁৰ পূৰ্বজন্মৰ সকলো কথা স্মৰণ হয় আৰু সীতাৰ লগত যে ভাই ভগ্নীৰ সম্বন্ধ এই কথাও স্মৰণ হয়। তাৰ পাছত তেওঁ সৰ্বভূতহিত নামৰ মুনিৰ আশ্ৰমত উপস্থিত হয় আৰু ইয়াতে ভাই-ভনীৰ মিলন হয়। জনক ৰজাই এই সংবাদ পাই অতিশয় আনন্দিত হয়।

বনত ৰাম লক্ষ্মণে বিচৰণ কৰোতে অনেক লোকক, সাধুপুৰুষক, নিৰাশ্ৰয়ক, উৎপীড়িত

অত্যাচাৰীৰ হাতৰ পৰা ৰক্ষা কৰে। বহুতো যুদ্ধত নামিব লগা হয়। এই বনত ভ্ৰমণ কৰোতে লক্ষ্মণে বহু ৰাজকন্যা আৰু সুন্দৰীৰ পাণি গ্ৰহণ কৰে। দ্বাত্ৰিংশত্তম (৩২) পৰ্বৰ পৰা আৰম্ভ কৰি পঞ্চত্বাৰিংশতম (৪৫) পৰ্ব-লৈকে ৰাম-লক্ষ্মণ সীতাৰ বনবিচৰণৰ বিশদ বিৱৰণ পোৱা যায়। সিংহোদৰ —ব্ৰজকৰ্ণৰ সংঘৰ্ষ আৰু ৰামৰ মধ্যস্থতাত মিত্ৰতা কল্যাণ মালাৰ আতিস্থ্য গ্ৰহণ, বালখিল্যাৰ বন্ধনমুক্তি, কপিল ব্ৰাহ্মণৰ লগত ৰাম-লক্ষ্মণৰ সংযোগ, বৈজয়ন্তপুৰৰ ৰজা পৃথিৱীধৰ ৰাণী ইন্দ্ৰানী আৰু কন্যা বনমালীৰ কাহিনী আৰু বনমালাৰ লগত লক্ষ্মণৰ বিবাহ, ৰজা অতিবীৰ্য্যৰ কথা আৰু অতিবীৰ্য্যৰ আক্ৰমণ পৰা ভৰতক ৰক্ষা, ক্ষেমাঞ্জলিপুৰৰ ৰজা শত্ৰুদমনৰ কন্যা জিনপদ্মাৰ প্ৰতি লক্ষণৰ আসক্তি আৰু বিবাহ ৰামলক্ষণৰ বংশস্থদ্যুতি নগৰলৈ গমণ আৰু দেশভূষণ আৰু কুলভূষণ মুনিৰ লগত দৰ্শন আৰু তেওঁলোকৰ পৰিচয়, ৰামলক্ষণৰ কৰ্ণৰ বা নদী তীৰলৈ গমণ, সুগুপ্তি আৰু গুপ্তি মুনিক আহাৰ দান, গৃধ্ৰৰাজ জটায়ুৰ দৰ্শন আৰু পৰিচয় আদি বহুতো কাহিনী আৰু উপকাহিনী ৰামলক্ষণৰ-বন-অভিজ্ঞতাৰ লগত সংযোজিত হৈছে।

ৰামলক্ষণ অৱশেষত দণ্ডকাৰণ্যত প্ৰৱেশ কৰে। দণ্ডকাৰণ্যত চন্দ্ৰনখাৰ পুত্ৰ শম্বুকে সূৰ্য্যহাস খড়্গ মন্ত্ৰপূত কৰিবৰ কাৰণে বাঁহৰ জোপাৰ মাজত ধ্যানত নিমগ্ন আছিল। লক্ষণে ওলমি থকা খড়্গখন লৈ তাৰ ধাৰ পৰীক্ষা কৰোতে বাঁহ জোপাৰ ভিতৰত ধ্যানস্থ শম্বুক কটা যায়। চন্দ্ৰনখাই ধ্যানস্থ পুতেকক আহাৰ দিবলৈ আহি পুতেকৰ দশা দেখি বিলাপ কৰিবলৈ ধৰে। কিছু সময়ৰ পাছত ৰামলক্ষণক দেখা পাই শোক পাহৰি গৈ তেওঁলোকৰ ৰূপত আকৃষ্ট হয় আৰু ভুবন-মোহিনী ৰূপ পৰিগ্ৰহ কৰি প্ৰণয় ভিক্ষা কৰে। কিন্তু সেই কাৰ্য্যত সফলকাম নহৈ পতি খৰদুষণক পুত্ৰ বধৰ খবৰ দিয়ে। খৰ-দুষণে পুতেকৰ মৃত্যুত ক্ৰোধান্বিত হৈ ৰাম লক্ষণক আক্ৰমণ কৰে আৰু লগে লগে সহায়ৰ নিমিত্তে ৰাৱণক খবৰ দিয়ে। খৰদূষণৰ সাহায্যাৰ্থে ৰাৱণ দণ্ডকাৰণ্যলৈ আহে আৰু সীতাক দেখি কামমোহিত হৈ হৰণ কৰিবলৈ ইচ্ছা কৰে। খৰদূষণৰ লগত যুদ্ধৰত ৰামৰ স্বৰ অনুকৰণ কৰি ৰাৱণে সিংহনাদ কৰি লক্ষণক আহ্বান কৰাত ৰামৰ কিবা বিপদ হৈছে বুলি অনুমান কৰি সীতাক এৰি লক্ষণ আঁতৰি যোৱাত ৰাৱণে সুবিধা পাই সীতাক হৰণ কৰে। জটায়ুৱে ৰাৱণক বাধা দিয়ে কিন্তু বিফল হয়। ৰণভূমিৰ পৰা উভতি আহি সীতাক দেখা নেপাই তেওঁলোকে বিলাপ কৰিবলৈ ধৰে। এনেতে বিৰাধিত বিদ্যাধৰৰ লগত তেওঁলোকৰ দেখা হয়। বিৰাধিত বিদ্যাধৰে ৰামক সহায় কৰিবলৈ আগবাঢ়ি



মন্ত্ৰীসকলক সীতা অন্বেষণত নিয়োগ কৰে। বিৰাধিতৰ মন্ত্ৰী অৰ্কজটীয়ে ৰাৱণক দেখা পাই অনুসৰণ কৰে, কিন্তু ৰাৱণে আকাশ গামিনী বিদ্যাৰ দ্বাৰা অৰ্কজটীক তললৈ পেলাই দিয়ে। বিৰাধিতৰ কথামতে ৰামলক্ষণ অলঙ্কাৰপুৰলৈ যায় আৰু তাতে বিৰহত কাল কটাবলৈ ধৰে।

ৰাৱণে সীতাক নি তেওঁৰ দেৱাৰণ্য নামৰ উদ্যানত সীতাক স্থাপন কৰে আৰু সীতাৰ প্ৰেম ভিক্ষা কৰে। মন্দোদৰীয়ে ৰাৱণক বহুত বুজায় কিন্তু কোনো ফল নহয়, ৰাৱণে সীতাক লাভ কৰিবৰ নিমিত্তে উন্মত্ত হৈ উঠে।

কিষ্কিন্ধাপুৰত বিট সুগ্ৰীৱৰ (কৃত্ৰিম সুগ্ৰীৱৰ) উৎপীড়নত দেশত্যাগী হৈ কিষ্কিন্ধাৰ ৰজা সুগ্ৰীৱ অনাই বনাই ফুৰি অৱশেষত বিৰা-ধিতৰ অলঙ্কাৰপুৰ পায়গৈ। তাতে ৰামলক্ষণ লগত তেওঁৰ দেখা হয় আৰু পৰস্পৰে পৰস্পৰক সহায় কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ হয়। সেইমতে ৰামে কিষ্কিন্ধাত নকল সুগ্ৰীৱ সাহস-গতি বিদ্যাধৰক বধ কৰে। সুগ্ৰীৱক কিষ্কি-ন্ধাৰ ৰাজপাটত বহুৱায়। ইতিমধ্যে ৰত্নজটী বিদ্যাধৰে খবৰ দিয়ে যে লঙ্কাপুৰৰ ৰাৱণে সীতাক হৰণ কৰি নিয়ে। ৰাৱণৰ কথা শুনি সুগ্ৰীৱৰ চিন্তা হয় কাৰণ ৰাৱণক যেয়ে সেয়ে বধ কৰিব নোৱাৰে। (১) যিজনে কোটিশিলা (এটা প্ৰকাণ্ড টিলা) উঠাই লব পাৰিব (১) তেওঁহে ৰাৱণক বধ কৰিব পাৰিব। লক্ষণে কোটিশিলা বা নিৰ্বান শিলা উৎখাত কৰে। সুগ্ৰীৱৰ অনুচৰবোৰৰ ৰামলক্ষণৰ শক্তি সম্বন্ধে প্ৰত্যয় জন্মে। সুগ্ৰীৱে হনুমানক সহায়ৰ অৰ্থে নিমন্ত্ৰণ কৰে। ৰামৰ দূতৰূপে হনুমানে পথত বহু বাধা বিঘিনি অতিক্ৰম কৰি লঙ্কালৈ যাত্ৰা কৰে। লঙ্কাত গৈ প্ৰথমতে বিভীষণক প্ৰথমতে লগ ধৰে আৰু ৰাৱণৰ দুস্কৃতিৰ কথা কৈ বিভীষণৰ সহায় প্ৰাৰ্থনা কৰে। তাৰ পাছত দেৱাৰণ্যলৈ গৈ অশোক বৃক্ষৰ তলত বহি থকা সীতাৰ কোলাত ৰামৰ স্মৃতি-চিহ্ন আঙঠি এটা পেলাই দিয়ে। সীতাই হনুমানক কাষলৈ মাতি নি পৰিচয় লয় আৰু ৰামৰ সন্দেহ প্ৰদান কৰে। তাৰ পাছত ৰাৱণৰ অনুচৰবৰ্গৰ লগত হনুমানৰ সংঘৰ্ষ হয় আৰু অৱশেষত হনুমানক বন্ধন কৰে। ৰাৱণে শেষত হনুমানক এৰি দিয়াত লঙ্কা নগৰী নষ্ট-ভ্ৰষ্ট কৰি হনুমান ৰামৰ ওচৰলৈ উভতি আহে আৰু সীতাৰ সমাচাৰ প্ৰদান কৰে। হনুমানৰ পৰা সংবাদ শুনি সকলো বিদ্যাধৰে (বান্দৰ ধ্বজা) ৰামৰ সহায়ৰ অৰ্থে লঙ্কালৈ যাত্ৰা কৰে। ৰামলক্ষণসহ বিদ্যাধৰ সৈন্যৰ উপস্থিতিত লঙ্কাত হুলস্থূল লাগে।

(১) যো নিৰ্বাণশিলাং পুণ্যামতুলামৰ্চ্চিতাং সুৰৈঃ সমুদ্যতাং স তে মৃত্যুঃ কাৰণত্বং ভবিষ্যতি ॥

বিভীষণৰ লগত ৰাৱণৰ সংঘৰ্ষ হয় আৰু বিভীষণে ৰাৱণক পৰিত্যাগ কৰি ৰামৰ লগ লাগে। ৰাৱণ আৰু ৰামসৈন্যৰ মাজত তুমুল যুদ্ধ হয়। ৰামলক্ষণৰ সিংহবাহিনী আৰু গড়ুৰ বাহিনী বিদ্যাপ্ৰাপ্তি, সুগ্ৰীৱ আৰু ভামণ্ডলৰ নাগপাশত বন্ধন আৰু ৰামলক্ষণৰ দ্বাৰা তেওঁলোকৰ পাশমুক্তি, ৰাৱণৰ শক্তিশেলত লক্ষণৰ মূৰ্চ্ছাপ্ৰাপ্তি আদি বৰ্ণিত হয়। প্ৰতিচন্দ্ৰ বিদ্যাধৰৰ নিৰ্দ্দেশমতে লক্ষণৰ শক্তিশেল উদ্ধাৰৰ কাৰণে দ্ৰোনমেঘ নামৰ প্ৰসিদ্ধ চিকিৎসকৰ কন্যা বিশল্যাক আনিবলৈ অঙ্গদ, হনুমান আৰু ভামণ্ডলক অযোধ্যালৈ প্ৰেৰণ কৰে। ভৰত আৰু কৈকেয়ীৰ সহায়ত বিশল্যাক লঙ্কালৈ পঠোৱাৰ দিহা কৰা হয়। আৰু বিশল্যাই লক্ষণক শুশ্ৰূষা কৰি সুস্থ কৰে। বিশল্যাৰ লগত লক্ষণৰ বিবাহ হয়।

শক্তিশেলৰ পৰা লক্ষণ উদ্ধাৰ হোৱা শুনি ৰাৱণ চিন্তিত হৈ পৰে। মন্ত্ৰীসকলৰ লগত পৰামৰ্শ কৰি তেওঁ ৰামৰ ওচৰলৈ সন্ধিৰ প্ৰস্তাৱ কৰি দূত প্ৰেৰণ কৰে। ৰামে সীতাক প্ৰত্যাৰ্পণ কৰিলেহে সন্ধি হব পাৰে বুলি কোৱাত ৰাৱণে মায়াৰ দ্বাৰা যুদ্ধত জয় হোৱাৰ কথা ভাবে। তেওঁ বহুৰূপিনী মায়া সিদ্ধ কৰিবলৈ জৈন মন্দিৰত উপসনাৰ আয়োজন কৰে। জিনালয়ত ৰাৱণ থকালৈকে মন্দোদৰীৰ আদেশ অনুসাৰে লঙ্কাত সকলোৱে ৰাৱণৰ হিতাৰ্থে সেৱা উপাসনা কৰে। ৰাৱণে বহুৰূপিনী বিদ্যা আয়ত্ব কৰিবলৈ লোৱা শুনি ৰাম চিন্তামগ্ন হয়। ৰামৰ ইচ্ছাৰ বিৰুদ্ধে তেওঁৰ অনুগামীসকলে জিন উপসনাত ব্যাঘাত জন্মাবলৈ উপদ্ৰৱ আৰম্ভ কৰে। কিন্তু উপদ্ৰৱ স্বত্বেও ৰাৱণে বহুৰূপিনী মায়া আয়ত্ব কৰে। ৰাৱণে আকৌ এবাৰ সীতাৰ মন ঘূৰাবলৈ চেষ্টা কৰি বিফল হয়। মন্দোদৰী আৰু মন্ত্ৰীসকলেও ৰাৱণক যুদ্ধৰ পৰা বিৰত কৰিবলৈ চেষ্টা কৰে আৰু সীতাক ঘূৰাই দি শান্তি স্থাপনৰ পৰামৰ্শ দিয়ে। কিন্তু ৰাৱণ অচল-অটল। ৰাৱণ যুদ্ধলৈ যাত্ৰা কৰে আৰু লক্ষণৰ লগত দহদিন একেৰাহে যুদ্ধ চলে। লক্ষণে সিদ্ধাৰ্থ অস্ত্ৰ প্ৰয়োগ কৰিবলৈ লোৱা দেখি ৰাৱণে বহুৰূপিনী বিদ্যা অৱলম্বন কৰি যুদ্ধ কৰিবলৈ ধৰে। লক্ষণে এজনৰ ওপৰত অস্ত্ৰ নিক্ষেপ কৰিলে আৰু দহজন ৰাৱণ তেওঁৰ সমুখত থিয় দিয়ে। লক্ষণক বধ কৰিবলৈ ৰাৱণে চক্ৰৰত্নৰ আয়ুধ প্ৰয়োগ কৰে, কিন্তু সেই চক্ৰৰত্নই লক্ষণক তিনিবাৰ প্ৰদক্ষিণ কৰি তেওঁৰ হাতত ধৰা দিয়ে। চক্ৰৰত্নৰ দ্বাৰা লক্ষণে বধ কৰে আৰু লঙ্কাবাসীক অভয় প্ৰদান কৰে। লঙ্কা শোকত ম্ৰিয়মান হয়, ৰাম আদিয়ে লঙ্কাবাসীক সান্ত্বনা দিয়ে। কুম্ভকৰ্ণ (ভানুকৰ্ণ), ইন্দ্ৰজিত, মেঘবাহন আদিৰ সংসাৰৰ প্ৰতি বিৰক্তি জন্মি জৈন ধৰ্ম্মত দীক্ষিত হয় আৰু মন্দোদৰী চন্দ্ৰনখাই আৰ্যিকা ব্ৰত ধাৰণ কৰে। ৰামৰ লগত সীতাৰ পুনৰ



মিলন হয়। তেওঁলোকে লঙ্কাত প্ৰৱেশ কৰি জিনালয়ত শান্তিনাথ ভগবানৰ স্তুতি কৰে। তাৰ পাছত বিভীষণৰ নিমন্ত্ৰণ গ্ৰহণ কৰি লঙ্কাত তেওঁলোক ৬ বছৰ থাকে আৰু বনবাসত বিয়া কৰোৱা পত্নীসমূহকো লঙ্কালৈ নি আনন্দত কাল কটাবলৈ ধৰে।

অযোধ্যাত কৌশল্যা আৰু সুমিত্ৰাই পুত্ৰ শোকত কাল কটোৱাৰ সংবাদ নাৰদৰ মুখে শুনিবলৈ পাই অযোধ্যালৈ উভতি যাবলৈ ৰামলক্ষণ আদিৰ কাৰণে অযোধ্যা নতুনকৈ নিৰ্ম্মাণ কৰাই দিয়ে। সসৈন্যে ৰামলক্ষ্মণ অযোধ্যালৈ উভতি আহে, ভৰতে সাদৰে অভ্যৰ্থনা কৰে। ভৰতে সংসাৰৰ প্ৰতি বিৰক্তি হৈ অনুচৰবৰ্গৰ সৈতে দিগম্বৰ জৈন ধৰ্ম্ম গ্ৰহণ কৰে, ভৰতৰ প্ৰশংসা আৰু গুণগান চৌদিশে বিয়পি পৰে। তাৰ পাছত ৰামৰ ৰাজ্যাভিষেক হয়। শত্ৰুঘ্নই মথুৰা নগৰ জয় কৰি ৰাজ্য স্থাপন কৰে। শত্ৰুঘ্নৰ মথুৰাবিজয় আৰু ৰাজ্য স্থাপন কেবাটাও পৰ্ব্বত বৰ্ণনা কৰিছে। ৰাজ্যাভিষেকৰ পাছত ৰামলক্ষণে আৰু বহু কন্যা বিবাহ কৰে। ইয়াৰ পাছত লোকাপবাদৰ ভেটিত সীতাক বনবাস দিয়াৰ বৰ্ণনা পোৱা যায়। সীতাক জিনমন্দিৰ দেখুৱাবলৈ নিয়াৰ ছলেৰে বনত এৰি অহা হয়। বনত অকলশৰীয়া সীতাক দেখা পুণ্ডৰীকপুৰৰ ৰজা বজ্ৰজংঘই সসন্মানে নিজ ৰাজ্যলৈ লৈ যায় আৰু নিজৰ ভনীৰদৰে তেওঁক প্ৰতিপালন কৰে। বজ্ৰজংঘৰ ৰাজপ্ৰাসাদত সীতাৰ যমজ পুত্ৰৰ জন্ম। তেওঁলোকৰ নামকৰণ হল অনঙ্গলৱণ আৰু লৱনাঙ্কুশ। ডাঙৰ হলত বজ্ৰজংঘই অনঙ্গলৱনক নিজৰ বত্ৰিশজনী কন্যা বিবাহ দিয়ে আৰু লৱনাঙ্কুশৰ কাৰণে ৰজা পৃথুৰ কন্যা কনকমালাক বিয়া কৰাই দিয়ে। দুয়ো ককাইভায়ে অনেক দেশ জয় কৰে। তেওঁলোকক নাৰদে লগ পাই ৰামৰ লগত তেওঁলোকৰ সাদৃশ্য থকা বুলি কোৱাত ৰামলক্ষণৰ পৰিচয় সোধে। দুই ভায়েকে ৰামৰ সীতাৰ প্ৰতি নিষ্ঠুৰ ব্যৱহাৰত অসন্তুষ্ট হৈ অযোধ্যা নগৰ আক্ৰমণ কৰে। যুদ্ধত ৰামলক্ষনে তেওঁলোকক পৰাজয় কৰিব নোৱাৰি চিন্তিত হয় এনেতে নাৰদে তেওঁলোকৰ পৰিচয় প্ৰদান কৰাত পিতাপুত্ৰৰ মিলন হয়। ৰামে অগ্নি পৰীক্ষা কৰিহে পুনৰ সীতাক গ্ৰহণ কৰিবলৈ মান্তি হয়। সমস্ত প্ৰজাৰ উপস্থিতিত সীতাই অগ্নি কুণ্ডত প্ৰৱেশ কৰিলে অগ্নিকুণ্ড শীতল জলকুণ্ডত পৰিণত হ'ল। জলকুণ্ডৰ মাজত পদ্ম কমলদলৰ ওপৰত সীতাক বহি থকা দেখা গ'ল। ৰামে সীতাৰ পবিত্ৰতা উপলব্ধি কৰি তেওঁৰ ওচৰত ক্ষমা খোজে। কিন্তু সীতাই পুনৰ ৰাজপুৰীলৈ উভতি নগৈ পৃথিবীমতী আৰ্যিকাৰ ওচৰত জৈন ধৰ্ম্মত দীক্ষিত হয়। সীতাই ৬২ বছৰ তপশ্চৰ্যাৰ দ্বাৰা স্বৰ্গ লাভ কৰে। ৰামৰ সেনাপতি কৃতান্তবক্ত্ৰই জৈন দীক্ষা গ্ৰহণ কৰে। ৰামৰ

দুই পুত্ৰই মন্দাকিনী আৰু চন্দ্ৰভাগা নামৰ দুই ৰাজপুত্ৰীক স্বয়ম্বৰত লাভ কৰে। সীতাৰ যমজ ভাই ভামণ্ডলৰ বজ্ৰপাত পৰি মৃত্যু হয়। হনুমানে সংসাৰত্যাগপূৰ্ব্বক নিৰ্ব্বান-গিৰিত মোক্ষ লাভ কৰে। দেৱতাসকলে ৰামলক্ষণৰ স্নেহ পৰীক্ষা কৰিবৰ নিমিত্তে লক্ষণক ছলনা কৰি ৰামৰ মিছা মৃত্যু সংবাদ দিয়ে। ৰামৰ আকস্মিক মৃত্যু শুনি লক্ষণ বিমূৰ্চ্ছিত হয় আৰু কিছু সময়ৰ পাছত প্ৰাণ ত্যাগ কৰে। লক্ষণৰ মৃত্যু সংবাদ পাই ৰামো অধৈৰ্য্য হৈ পৰে। ৰামৰ দুই পুত্ৰ লৱণ আৰু অঙ্কুশৰো সংসাৰৰ প্ৰতি বিৰক্তি জন্মে আৰু জৈন দীক্ষা গ্ৰহণ কৰে। ৰামলক্ষণৰ দুঃসংবাদ শুনি সুগ্ৰীৱ বিভীষণ আদি অযোধ্যাত উপস্থিত হয়। তেওঁলোকে ৰামক সান্ত্বনা দিবলৈ চেষ্টা কৰে। কিন্তু শোকসন্তপ্ত ৰামে লক্ষ্মণৰ মৃতদেহটো লৈ ঘূৰি ফুৰে। ৰামৰ এনে শোকাবহ অৱস্থাৰ সুবিধা লৈ শত্ৰুৱে অযোধ্যা আক্ৰমণ কৰে, কিন্তু স্বৰ্গৰ পৰা তেওঁৰ পূৰ্ব্ব সেনাপতি কৃতান্তবক্ত্ৰ আৰু বন্ধু জটায়ুৱে পৃথিৱীলৈ নামি আহি শত্ৰুৰ কবলৰ পৰা অযোধ্যা ৰক্ষা কৰে। কৃতান্তবক্ত্ৰ আৰু জটায়ুৰ অনুৰোধ ৰক্ষা কৰি ৰামে লক্ষ্মণৰ শৱ দাহ কৰিবলৈ এৰি দিয়ে। ইয়াৰ পাছত ৰামে শত্ৰুঘ্নক ৰাজ্যভাৰ সমৰ্পণ কৰিব খোজাত তেওঁ লবলৈ অস্বীকাৰ কৰি নিৰ্গ্ৰন্থমাৰ্গ অৱলম্বন কৰে। সীতাৰ পুতেক অনঙ্গলৱণৰ ৰাজ্যভাৰ গটাই ৰাম একান্তবাসী হয়। বনত জৈন তপস্যাত মগ্ন থাকি অৱশেষত কেৱল জ্ঞানী হৈ নিৰ্ব্বান লাভ লৰে।

ওপৰত ৰবিষেণাচাৰ্য্যকৃত পদ্মপুৰাণৰ এটি অতি চমু বিৱৰণ দিয়া হল। এই মহাকাব্য বা পুৰাণত বহুতো কাহিনী উপকাহিনীৰ উপৰিও বিভিন্ন ঋতুৰ শোভা, বন বনান্তৰৰ বৰ্ণনা, বিভিন্ন দেশৰ বিৱৰণ, জৈনাচাৰ জৈনাবিশ্বাস, জৈনাদৰ্শ আদি বহুতো কথাৰ ই আকাৰস্বৰূপ। কাব্যিক সৌন্দৰ্য্য বৰ্ণনাচাতুৰ্য্য, কল্পনাবৈভৱে এই পুৰাণক জৈন সাহিত্যত বিশিষ্টতা দান কৰিছে। গোটেই পুৰাণখনত কেবাহেজাৰো শ্লোক আছে, বিভিন্ন ছন্দৰ সুপ্ৰয়োগো মনকৰিব লগীয়া বিশেষত্ব।

**উত্তৰ পুৰাণৰ ৰামচৰিত :** ওপৰত জৈন-ৰামায়ণৰ এটা পৰম্পৰাগত কাহিনী বৰ্ণনা কৰা হল। দ্বিতীয় পৰম্পৰা অন্তৰ্ভুক্ত কাহিনীৰ নিদৰ্শন হৈছে গুণভদ্ৰকৃত উত্তৰপুৰাণৰ ২৩জন তীৰ্থঙ্কৰ, ১২জন চক্ৰবৰ্ত্তী, ৯জন নাৰায়ণ, ৯জন বলভদ্ৰ আৰু ৯জন প্ৰতিনাৰায়ণৰ বিৱৰণ সন্নিবিষ্ট হৈছে। ৰাম আৰু লক্ষ্মণক জৈনসকলে নাৰায়ণ আৰু বলভদ্ৰৰ অভিব্যক্তিৰূপে গণ্য কৰে। জৈন বিশ্বাসৰ নাৰায়ণ আৰু বলভদ্ৰ হিন্দুৰ নাৰায়ণ বলভদ্ৰ নহয়, জৈনমতে এওঁলোক মহাপুৰুষহে, ঈশ্বৰ বা ঈশ্বৰৰ অৱতাৰ নহয়। উত্তৰপুৰাণত সৰ্ব্বমুঠ ৮৮তম পৰ্ব বা অধ্যায়ত ৰামৰ কথা বৰ্নিত



হৈছে। তলত এই কাহিনীৰ চমু পৰিচয় দাঙি ধৰা হ'ল।

ৰজা দশৰথৰ পুত্ৰ ৰাম। লঙ্কা নগৰত সহস্ৰগ্ৰীৱ নামে এজন বিদ্যাধৰ ৰজা আছিল। শতগ্ৰীৱ, শতগ্ৰীৱৰ পুতেক পঞ্চাশাংগ্ৰীৱ, তেওঁৰ পুতেক পুলস্ত্য আৰু পুলস্ত্যৰ পুতেক ৰাৱণ। এদিন ৰাৱণে মৃগয়াবনলৈ যাওঁতে মনিমতী নামে এগৰাকী তপস্যাৰতা কন্যাক দেখি কামপৰবশ হৈ তপস্যাত ব্যাঘাত জন্মায়। ৰাৱণক মনিমতীয়ে শাও দি কয় যে ঘূৰি জন্মত ৰাৱণৰ কন্যা হৈ ৰাৱণৰ ধ্বংসসাধনত সহায় কৰিব। ইয়াৰ পাছত মনিমতীয়ে মত্যু বৰণ কৰে আৰু মন্দোদৰীৰ গৰ্ভত থিত লৈ ৰাৱণৰ কন্যাৰূপে জন্ম গ্ৰহণ কৰে। জন্মৰ পাছত জ্যোতিষীয়ে গণনা কৰি ছোৱালীজনী ৰাৱণ কুল ধ্বংসৰ কাৰণ হব বুলি কোৱাত ৰাৱণে মন্ত্ৰী মাৰীচক ছোৱালীজনীক বধ কৰিবলৈ হুকুম দিয়ে। ছোৱালীজনীৰ প্ৰতি মমতা জন্মি মাৰীচে তাইক জনক ৰজাৰ খেতিৰ মাটিত পেলাই থৈ আহি ৰাৱণক বধ কৰা বুলি সংবাদ দিয়ে। জনকে কন্যাটিক নি ৰাণী বসুধাক নিজৰ ছোৱালীৰ দৰে তুলিবলৈ গটাই দিয়ে। ৰাণী বসুধাই মাটিৰ তলত গৃহ নিৰ্ম্মাণ কৰাই গোপনে সীতাক লালন-পালন কৰিবলৈ ধৰে। সীতা বিবাহযোগ্যা হোৱাত জনকে ডাঙৰ যজ্ঞ পাতি তালৈ ৰাম লক্ষণক নিমন্ত্ৰণ কৰে আৰু ৰজাসকলৰ উপস্থিতিত ৰাম লক্ষণক সীতা আৰু অন্যতমা কন্যাক সমৰ্পণ কৰে। কিছুদিনৰ পাছত দশৰথে ৰামলক্ষ্মণক মাতি আনি তেওঁৰ অধীনস্থ বাৰাণসী ৰাজ্যত ৰজা হবলৈ উপদেশ দিয়ে। সেইমতেই বাৰাণসীত তেওঁলোকে প্ৰজাপালন কাৰ্য্যত ৰত থাকে।

ইফালে ৰাৱণে মহাপ্ৰতাপেৰে লঙ্কাত ৰাজত্ব কৰি থাকোতে এদিন নাৰদ ঋষি সভাত উপস্থিত হয়। নাৰদে বিবাদ লগাবৰ উদ্দেশ্যে ৰাৱণক কয় "হে পৰন্তপ, ৰজা দশৰথৰ দুই পুত্ৰ ৰামলক্ষণ বাৰাণসীত মহা প্ৰতাপী হৈ উঠিছে, আপোনাক নমনা হৈছে আৰু ৰাজ্যও কাঢ়ি লোৱাৰ অভিপ্ৰায় কৰিছে। ৰামৰ এগৰাকী অনিন্দ্যসুন্দৰী পত্নী আছে। তেওঁ জনকৰজাৰ কন্যা। সেই নাৰী আপোনাৰ অন্তঃপুৰতহে শোভা পায়। ৰামলক্ষ্মণৰ পৰাক্ৰম দেখি চৌদিশৰ ৰজাসকলে তেওঁলোকক কন্যাদান কৰি মিত্ৰতাসূত্ৰত আবদ্ধ হৈছে। আপুনি এতিয়া যেনে ভাল দেখে কৰক।" নাৰদৰ কথামতে ৰাৱণে সীতাক হৰণ কৰিবলৈ স্থিৰ কৰে। এই বিষয়ে মাৰীচক পৰামৰ্শ সোধাত তেওঁ বাধা দিয়ে। ৰাৱণৰ বাৰম্বাৰ অনুৰোধ উপেক্ষা কৰিব নোৱাৰি শেষত কয় "সীতা যদি তোমাৰ প্ৰতি অনুৰক্তা হয় বা সীতাক কিবা উপায়ে তোমাৰ অনুৰাগিনী কৰিব পাৰা তেন্তে সীতাক হৰণ কৰিবলৈ মই কব পাৰো" মাৰীচৰ

কথামতে ৰাৱণে সূৰ্পনখাক মাতি আনি সীতাক যেনেতেনে ৰাৱণৰ প্ৰতি অনুৰক্তা কৰিবলৈ আদেশ দিয়ে। সেইমতে ৰামলক্ষ্মণে এসময়ত সীতাসহ বনক্ৰীড়া কৰি থাকোতে শূৰ্পনখা উপস্থিত হয়গৈ আৰু ৰামলক্ষ্মণৰ ৰূপ দেখি বিমোহিত হয়। তেওঁ ক্ৰীড়া উদ্যানত এজনী বুঢ়ীৰ বেশ ধৰি সখীপৰিবৃতা সীতাক লগ ধৰে আৰু মধুৰ কথাৰে সীতাৰ মন বিচলিত কৰিবলৈ চেষ্টা কৰে। কিন্তু কোনো প্ৰকাৰেই সীতাৰ মন টলাব নোৱাৰি লঙ্কালৈ উভতি গৈ ৰাৱণক জনায় যে সীতা শীলমতী ৰমণী; গতিকে সীতাক লাভ কৰিবলৈ চেষ্টা কৰা বৃথা প্ৰয়াস মাত্ৰ। শূৰ্পনখাৰ কথাত ৰাৱণে খং কৰি তাইক খেদি দিয়ে আৰু নিজে পুষ্পক বিমানত উঠি মাৰীচৰসৈতে ৰাম-সীতাৰ ক্ৰীড়াবনত উপস্থিত হয়গৈ আৰু মাৰিচে চিত্ৰবিচিত্ৰ হৰিণৰ ৰূপ ধৰি বনস্থলীত বিচৰণ কৰিবলৈ ধৰে। সীতাৰ অনুৰোধ মতে ৰামে হৰিণৰ পাছ লয়। ৰাম আঁতৰি যোৱাৰ কিছু সময়ৰ পাছত ৰাৱণে ৰামৰ বেশ ধাৰণ কৰি সীতাক কয় যে তেওঁ হৰিণটো ধৰি ভৃত্যৰ হাতত ৰাজপ্ৰাসাদলৈ পঠাই দিছে। গতিকে ৰাজপ্ৰাসাদলৈ তেওঁলোক উভতি যোৱা ভাল। সীতাই ছদ্মৰামৰ কথাত বিশ্বাস কৰি ৰথত উঠাত ৰাৱণে লঙ্কাৰ ফালে ৰথ চলাই দিয়ে। সীতাক নি ৰাৱণে লঙ্কাপুৰীৰ বিদ্যাধৰী কিছুমানৰ হাতত গটাই দিয়ে আৰু তেওঁক শুশ্ৰূষা কৰি ৰাৱণৰ প্ৰতি মন ঘূৰাবলৈ যত্ন কৰিবলৈ কয়। ইফালে হৰিণাৰ পাছে পাছে ঘূৰি ৰামচন্দ্ৰই বাট হেৰুৱাই অৱশেষত গধূলি ৰাজধানীলৈ আহি সীতাক নেদেখি ব্যাকুল হৈ পৰে। বনৰ চাৰিওফালে বিচাৰ-খোচাৰ কৰাত সীতাৰ আঁচলৰ এডোখৰ বনৰ মাজত পৰি থকা দেখি সীতাক কোনোবাই অপহৰণ কৰা বুলি অনুমান কৰে। এনেতে দশৰথৰ চিঠি এখন লৈ এজন দূত উপস্থিত হয়। দশৰথে স্বপ্নত সীতাক ৰাৱণে হৰণ কৰি নিয়া দেখা পাই পাছদিনা সেই সংবাদ পত্ৰৰ যোগেদি ৰামক সেই দুঃসংবাদ প্ৰদান কৰে। দশৰথ, জনক, শত্ৰুঘ্ন আদিয়ে ৰামক সান্ত্বনা দি ৰাৱণৰ ৰাজ্যৰ সংবাদ ৰামক প্ৰদান কৰে।

এনে সময়তে দুজন বিদ্যাধৰে ৰামক দেখা কৰিবলৈ আহে। তাৰে এজন সুগ্ৰীৱ, আৰু আনজন অনুমান। সুগ্ৰীৱে নিজৰ আৰু অনুমানৰ পৰিচয় দি অনুমানৰ অলৌকিক বীৰত্ব আৰু মায়া শক্তিৰ কথাও উল্লেখ কৰে আৰু বালীয়ে যে তেওঁক ৰাজ্যৰ পৰা খেদি দিয়ে এই কথাও জনায়। নাৰদৰ উপদেশ অনুসৰি ৰামৰ সহায়ৰ অৰ্থে তেওঁ, লোক দুজন অহা বুলিও জনায়। ৰামচন্দ্ৰই অনুমানৰ শক্তি আৰু বিশ্বাস্যতা বুজিব পাৰি সীতাৰ সন্ধেদ লবলৈ তেওঁক লঙ্কালৈ পঠায়।



অনুমানে লঙ্কা নগৰত ভ্ৰমৰ বেশেৰে সীতাক অন্বেষণ কৰি অৱশেষত নন্দনবনৰ শিংশপা গছৰ তলত বিদ্যাধৰীসকলৰ দ্বাৰা পৰিবৃত হৈ আমনজিমনকৈ বহি থকা দেখা পায়। এনেতে সূৰ্য্য অস্ত যায়, পূব দিশত চন্দ্ৰ উদয় হয়। ৰাৱণে স্ত্ৰী পৰিবৃত হৈ সীতাক দৰ্শন কৰিবলৈ আহি অনেক প্ৰলোভন আৰু ভীতি প্ৰদৰ্শন কৰে। অৱশেষত মন্দোদৰীৰ কাকুতি আৰু অনুৰোধ ৰক্ষা কৰি উভতি যায়। সীতাৰ প্ৰতি মাতৃসুলভ স্নেহৰ বশবৰ্ত্তী হৈ মন্দোদৰীয়ে সীতাক মধুৰ কথাৰে পতিব্ৰতা ধৰ্ম্মৰক্ষা কৰিবলৈ উৎসাহ দিয়ে আৰু সীতাক নিজৰ কন্যাৰ দৰে মৰম কৰে। মন্দোদৰী যোৱাৰ পাছত অনুমানে গছৰপৰা নামি বানৰ ৰূপত সীতাক দেখা কৰি ৰামৰ সংবাদ দি স্মৃতিচিহ্ন স্বৰূপ আঙঠিটো দিয়ে। সীতাক সান্ত্বনা প্ৰদান কৰি পুনৰ তেওঁ ৰামৰ ওচৰলৈ উভতি আহে। অনুমানৰ মুখৰপৰা সকলো সংবাদ শুনি ৰামে সুগ্ৰীৱ আৰু অঙ্গদৰ লগত পৰামৰ্শ কৰি ৰাৱণৰ ওচৰলৈ অনুমানক পুনৰ পঠাবলৈ স্থিৰ কৰে, যাতে ক্ষয়ঙ্কাৰী যুদ্ধত নমাকৈ কাৰ্য্য সিদ্ধি হয়। অনুমানে লঙ্কালৈ গৈ প্ৰথমতে বিভীষণক লগ ধৰে আৰু ৰামৰ সকলো কথা কৈ ৰাৱণক ভেটাই দিবলৈ অনুৰোধ কৰে। বিভীষণে অনুমানক ৰাৱণৰ ওচৰলৈ লৈ যায় আৰু সীতাক প্ৰত্যাৰ্পণ কৰি ৰামৰ লগত সন্ধি কৰিবলৈ অনুৰোধ কৰে। অনুমানেও ৰাৱণক নীতিপূৰ্ণ উপদেশ দি সীতাক প্ৰত্যাৰ্পণ কৰিবলৈ কয়। কিন্তু ৰাৱণে বিভীষণক অপমান আৰু অনুমানক তিৰস্কাৰ কৰি সীতাক ঘূৰাই নিদিবলৈ দৃঢ় প্ৰতিজ্ঞ হয়। বিভীষণ অপমানিত আৰু লঙ্কাৰপৰা বহিস্কৃত হৈ ৰামৰ লগ লাগেহি। অনুমান বিফল মনোৰথ হৈ ৰামৰ কাষলৈ উভতি আহে। ইতিমধ্যে ৰাৱণে অলৌকিক শক্তি লাভ কৰিবলৈ পুতেক ইন্দ্ৰজিতক নগৰ ৰক্ষাৰ ভাৰ দি আদিত্যপাদ নামৰ পৰ্ব্বতত তপস্যা কৰিবলৈ লয়। বিভীষণৰ মুখৰ পৰা ৰাৱণৰ এই চেষ্টাৰ কথা শুনি ৰামে ৰাৱণৰ তপস্যাত বিঘ্নি জন্মাবলৈ সদলবলে লঙ্কা ঘেৰি পেলায় আৰু ৰাৱণক তপস্যাসিদ্ধিত ব্যাঘাত জন্মায়। ইন্দ্ৰজিতে বিদ্যা দেৱতাসকলক ৰামৰ বিৰুদ্ধে সহায় কৰিবলৈ আদেশ কৰাত তেওঁলোকে অস্বীকাৰ কৰি কয় যে ৰাৱণৰ পাপ কৰ্ম্ম বৃদ্ধি আৰু পুণ্যক্ষয় হোৱাত তেওঁলোকে ৰাৱণৰ পক্ষ গ্ৰহণ কৰিব নোৱাৰে। তপস্যাত সিদ্ধি লাভ নকৰাকৈ ৰাৱণে ৰাম সৈন্যৰ বিৰুদ্ধে যুদ্ধ যাত্ৰা কৰে। দুয়োদলৰ মাজত ঘোৰ যুদ্ধ হয়। ৰাৱণে সম্মুখসমৰত ৰামক বলে নোৱাৰি মায়া যুদ্ধৰ আশ্ৰয় লয়। কিন্তু ৰামলক্ষ্মণে সিংহবাহিনী আৰু গৰুড়বাহিনী বিদ্যাৰ দ্বাৰা ৰাৱণ আৰু ইন্দ্ৰজিতৰ মায়া চূৰ্ণ কৰে। ৰামৰ লগত ৰাৱণ, লক্ষ্মণৰ লগত ইন্দ্ৰজিত, ইন্দ্ৰকেতুৰ লগত অঙ্গদৰ, সেনাপতি

ৰবিকীৰ্ত্তিৰ লগত অনুমান, কুম্ভকৰ্ণনৰ লগত সুগ্ৰীৱৰ—এইদৰে দুয়োপক্ষৰ বিভিন্ন বীৰৰ লগত তয়াময়া যুদ্ধ হয়। অৱশেষত ৰাৱণে ৰামক এৰি লক্ষণক আক্ৰমণ কৰে। লক্ষ্মণৰ হাতত অৱশেষত ৰাৱণে প্ৰাণ এৰে। ৰাৱণক বধ কৰি বিভীষণক লঙ্কাত ৰজা পাতে। সীতা উদ্ধাৰ কৰি ৰামলক্ষ্মণ উভতি আহোঁতে বিভিন্ন দেশৰ ৰজাসকলক যুদ্ধত পৰাস্ত কৰি নানা উপঢৌকন লাভ কৰে। এই বিজয়-যাত্ৰাত লক্ষণে আগভাগ লয়, সকলোতে লক্ষণৰে জয় হয়, ৰাম কেৱল তেওঁৰ লগৰীয়া ৰূপেহে থাকে। এইদৰে নিজ শক্তি আৰু প্ৰভাৱ দেখুৱাই লক্ষ্মণে ষোল হেজাৰ আৰু ৰামে আঠ হেজাৰ ৰাজকন্যা বিয়া কৰায়। এই প্ৰসঙ্গত লক্ষণে সুদৰ্শন চক্ৰ, কৌমুদী গদা, সৌনন্দক খড়্গ, মমোঘমুখী শক্তি শাৰ্ঙ্গ ধনু আৰু পাঞ্চজন্য শঙ্খ লাভ কৰে। ৰামচন্দ্ৰই অপৰাজিত নামৰ আয়ুধ, অমোঘ বাণ, কৌমুদী গদা আৰু ৰত্নাৱতংসিকা নামৰ মালা লাভ কৰে। ৰামচন্দ্ৰৰ বিজয়ৰাজ আৰু লক্ষণৰ পৃথিবীচন্দ্ৰ নামৰ পুত্ৰ জন্ম হয়। বহুকাল ৰাজ্যভোগ কৰাৰ পাছত ভৰত আৰু শত্ৰুঘ্নক ৰাজ্যভাৰ সমৰ্পণ কৰি বাৰাণসীলৈ যায়। তাতে লক্ষণৰ দুৰাৰোগ্য ব্যাধিত মৃত্যু হয়। লক্ষণৰ বিয়োগ শোকত সন্তপ্ত ৰামে লক্ষণৰ বৰপুতেকক বাৰাণসীত ৰজা পাতে আৰু নিজৰ অষ্টম পুত্ৰ অজিতঞ্জয়ক মিথিলাৰ ৰজা পাতি জৈন ধৰ্মত দীক্ষিত হৈ ৰাজ্য পৰিত্যাগ কৰি সিদ্ধাৰ্থবনত প্ৰৱেশ কৰে।

উত্তৰ পুৰাণৰ চমু বিৱৰণটো দিয়া হ'ল। এই গোটেই কাহিনীটো ৭৬২টা শ্লোকত বৰ্ণনা কৰিছে। বৰ্ণনা কাব্যধৰ্ম্মী, নৈসৰ্গিক শোভা, মনৰ বিভিন্ন অৱস্থাত হোৱা ভাৱান্তৰ, যুদ্ধৰ ভয়াবহ ৰূপ, অলৌকিক কাৰ্য্য বীৰত্ব উদাৰতা, জৈনধৰ্ম্মীয় নীতি আচাৰ আদি অনেক প্ৰাসঙ্গিক বিৱৰণৰ দ্বাৰা কাব্যখন সমৃদ্ধ।

পদ্মপুৰাণ আৰু উত্তৰপুৰাণৰ কাহিনী দুটা মিলাই চালে কিছুমান প্ৰভেদ চকুত পৰে। প্ৰভেদবোৰ তলত উল্লেখ কৰা গ'ল।

(১) উত্তৰ পুৰাণমতে সীতা ৰাৱণ আৰু মন্দোদৰীৰ কন্যা। কিন্তু পদ্মপুৰাণ মতে সীতা জনক ৰজাৰ ঔৰসত মহিষীৰ গৰ্ভত জন্ম যমজ সন্তান, এই যমজ সন্তানদ্বয় হ'ল ভামণ্ডল আৰু সীতা। ভামণ্ডলক সৰুতে অপহৰণ কৰি নিয়াত সীতাৰ প্ৰকৃত পৰিচয় নেপাই ককায়েকে ভনীয়েকক বিয়াৰ প্ৰস্তাৱ দিছিল।

(২) উত্তৰ পুৰাণমতে নাৰদে ৰাৱণক সীতাহৰণ কৰিবলৈ উচতাই দিয়ে ? আৰু ৰাৱণেও সীতাৰ ৰূপবৰ্ণনাত মুগ্ধ হৈ ৰামৰ ৰূপ ধৰি সীতাক হৰণ কৰে। পদ্মপুৰাণমতে ৰাৱণৰ ভনী চন্দ্ৰনখাৰ পুত্ৰ শম্বুকক ৰামলক্ষণে অজ্ঞাতসাৰে বধ কৰাত চন্দ্ৰনখাই স্বামী খৰদূষণক লগাই ৰামলক্ষণৰ লগত বিৰোধ ঘটায় আৰু খৰদূষণৰ সাহায্যাৰ্থে ৰাৱণে



দণ্ডকাৰণ্যলৈ আহি সীতাক হৰণ কৰে।

(৩) উত্তৰপুৰাণমতে দশৰথে কৈকেয়ী বা আন কোনো ৰাণীৰ সন্তুষ্টিবিধানাৰ্থে ৰাম লক্ষণক বনলৈ খেদা নাই, কিন্তু পদ্মপুৰাণে এই বিষয়ত বাল্মীকিক অনুসৰণ কৰিছে।

(৪) পদ্মপুৰাণমতে সুগ্ৰীৱে ৰামৰ সহায় প্ৰাৰ্থনা কৰে বিট-সুগ্ৰীৱক পৰাজয় ঘটাই ৰাজ্য উদ্ধাৰ কৰাৰ মানসে। উক্ত পুৰাণমতে বালীৰ লগত বিদ্যাধৰ ৰাৱণৰ সংঘৰ্ষ হোৱাত বালী পৰাজয় হয় আৰু তপস্যা কৰিবলৈ ৰাজ্য পৰিত্যাগ কৰি গুচি যায়। সেই সুবিধাতে বিট সুগ্ৰীৱে কিষ্কিন্ধ্যা অধিকাৰ কৰে। উত্তৰপুৰাণে মোটামুটিভাৱে বাল্মীকিক অনুসৰণ কৰিছে যদিও ৰামে বালীক বধ কৰা দেখুৱা নাই। বালীক অৱশ্যে ৰাৱণৰ মিত্ৰ বুলি এঠাইত বৰ্ণনা কৰিছে।

(৫) কোনো এখন পুৰাণতে সাগৰ বন্ধনৰ উল্লেখ নাই, বৰং ৰামলক্ষণ আৰু বিদ্যাধৰসকলে (বান্দৰ বুলি কোৱা নাই, বিদ্যাধৰহে বুলিছে, ৰাৱণো নৰখাদক ৰাক্ষস নহয়, বিদ্যাধৰ ৰাজহে) বিদ্যাৰ বলত (মায়া শক্তিৰ বলত) সাগৰ অতিক্ৰম কৰিছে।

(৬) পদ্মপুৰাণমতে চন্দ্ৰনখা আৰু খৰ-দূখন স্বামী-স্ত্ৰী; চন্দ্ৰনখা ৰাৱণৰ ভগ্নী। তেওঁলোকৰ পুতেক শম্বুকক বধ কৰা কাৰণে ৰামলক্ষণৰ লগত বিবাদ ঘটা নাই, শূৰ্পনখাই ৰাৱণৰ অনুৰোধ অনুসাৰে সীতাৰ পাতিব্ৰত্য পৰীক্ষা কৰি চাইছিল।

(৭) পদ্মপুৰাণ আৰু উত্তৰপুৰাণ কতো ৰামে বালীবধ কৰাৰ উল্লেখ নাই, কিন্তু পদ্ম-পুৰাণত বালীয়ে ৰাৱণৰ লগত যুদ্ধত পৰাজয় হৈ জৈন দীক্ষা লোৱাৰ কথা আছে।

(৮) দুয়োখন পুৰাণত লক্ষণেহে ৰাৱণক বধ কৰাৰ উল্লেখ আছে আৰু ৰামতকৈয়ো লক্ষ্মণক অধিক প্ৰাধান্য দিছে।

(৯) দুয়োখন পুৰাণত ৰাম-লক্ষ্মণে অনেক ৰাজকন্যাক বিবাহ কৰোৱাৰ কথা উল্লেখ আছে। ৰামতকৈয়ো লক্ষণৰ পত্নীৰ সংখ্যা বেছি।

(১০) পদ্মপুৰাণত বিদ্যাধৰসকলৰ উৎপত্তি (ৰাৱণ বিদ্যাধৰ বংশীয়), বান্দৰসকলৰ উৎপত্তি (এওঁলোকো ভিন্ন বংশীয় বিদ্যাধৰ), ৰাৱণৰ দিগ্বিজয় আৰু বিভিন্ন ৰজাৰ লগত যুদ্ধ, হনুমানৰ উৎপত্তি পৰাক্ৰম আৰু মাহাত্ম্য আৰু ৰামলক্ষণৰ বনবিচৰণত ঘটা অলেখ ঘটনা আৰু কাহিনীয়ে প্ৰথমৰ পৰা ৫০তম পৰ্ব্বলৈকে আগুৰিছে উত্তৰপুৰাণ ইমান বিশদ বিৱৰণ নাই।

(১১) পদ্মপুৰাণত ৰামলক্ষণে ৰাৱণক বধ কৰি অনেক কন্যাসহ আনন্দত কেবা বছৰো অতিবাহিত কৰি নাৰদৰ মুখে মাতৃসকলৰ শোকসন্তপ্ত অৱস্থাৰ কথা শুনিহে লঙ্কালৈ উভতি আহে।

(১২) অযোধ্যালৈ উভতি অহাৰ পাছত সীতাৰ বনবাস, বনত যমজ সন্তান জন্ম, ৰামৰ লগত বিৰোধ, শত্ৰুঘ্নৰ মথুৰা ৰাজ্য লাভ, লক্ষণৰ মৃত্যুত ৰামে তেওঁৰ মৰাশটো লৈ ঘূৰি ফুৰা—এইবোৰ কথা উত্তৰ পুৰাণত নাই। শেষৰ ঘটনাটোৰ বাহিৰে বাকীখিনি অলপ ইফাল-সিফালভাবে বাল্মীকিতো পোৱা যায়।

ওপৰত দেখুৱা প্ৰভেদখিনিৰ উপৰিও সৰুসুৰা বহুতো প্ৰভেদ দুয়োটা ৰামায়ণ-পৰম্পৰাৰ মাজত লক্ষ্য কৰা যায়। স্থানাভাবত সেইবোৰ প্ৰদৰ্শন কৰা নহল। পদ্মপুৰাণ আৰু উত্তৰ পুৰাণৰ মাজত সবাতোকৈ জাজ্বল্যমান প্ৰভেদ হল সীতাৰ জন্ম বৃত্তান্ত লৈ। উত্তৰ পুৰাণৰ বৃত্তান্তটোৰ লগত অদ্ভুত ৰামায়ণ'ৰ সাদৃশ্য পৰিলক্ষিত হয়। 'অদ্ভুত ৰামায়ণ'ৰ কাহিনীটো চমুকৈ এনে।

দণ্ডকাৰণ্যত গৃৎসমদ নামে এজন ঋষি আছিল। তেওঁৰ পত্নীয়ে লক্ষ্মীক কন্যাৰূপে পাবৰ কাৰণে উপাসনা কৰিছিল। ঋষিয়ে পত্নীৰ অভিলাষ পূৰাণৰ অৰ্থে প্ৰতিদিনে এটা ঘটত অভিমন্ত্ৰিত বা মন্ত্ৰপূত গাখীৰ ভৰাই থৈছিল। এনেতে এদিন ৰাৱণ আহি তাত উপস্থিত হ'ল। ৰাৱণে ঋষিৰ উদ্দেশ্য ব্যৰ্থ কৰিবৰ মানসে নিজৰ শৰীৰ ক্ষত কৰি তেজ উলিয়াই ঘটটোত ভৰাই থলে আৰু সেই ঘটটো লঙ্কালৈ নি মন্দোদৰীক বিষৰ ঘট বুলি থবলৈ দিলে। পৰস্ত্ৰীত আসক্ত, কামাতুৰ ৰাৱণৰ প্ৰতি বিৰক্ত হৈ বিষ খাই আত্মহত্যাৰ চেষ্টা কৰিবলৈ সেই ঘটটোৰ ৰক্তমিশ্ৰিত গাখীৰখিনি খাই পেলায়। কিন্তু মৃত্যু নহৈ মন্দোদৰীৰ গৰ্ভসঞ্চাৰহে হয়। পতিৰ সংযোগ নোহোৱাকৈ গৰ্ভ হোৱা বুলি জানিলে ৰাৱণ ক্ৰোধান্বিত হয় বুলি সন্দেহ কৰি মন্দোদৰীয়ে পতিৰ অজ্ঞাতে এদিন কুৰুক্ষেত্ৰলৈ গৈ তাতে কন্যা প্ৰসৱ কৰি এৰি থৈ আহে। ৰজা জনকে সেই ঠাইত হলকৰ্ষণ কৰোঁতে কন্যাটি পাই তুলিতালি ডাঙৰ কৰি সীতা নামেৰে অভিহিত কৰে।

'অদ্ভুত ৰামায়ণ'ৰ কাহিনীটো জৈন উত্তৰ পুৰাণতকৈ প্ৰাচীন নহয় বুলি অনুমান কৰা হয়। ইয়াৰ প্ৰভাৱ পৰৱৰ্তী ভাষা ৰামায়ণবোৰৰ ওপৰতো পৰিছে। আমাৰ দুৰ্গাবৰৰ গীতি-ৰামায়ণত সীতাক মন্দোদৰীৰ কন্যাৰূপে বৰ্ণনা কৰিছে। বঙ্গদেশত প্ৰচলিত ৰামায়ণৰ কোনো কোনো সংস্কৰণত সীতা মন্দোদৰীৰ দুহিতাৰূপে বৰ্ণিত হোৱাও লক্ষ্য কৰা যায়। জৈন ৰামায়ণৰ প্ৰভাৱতে এনে কথা ৰামায়ণত সোমোৱা বুলি ডক্টৰ দীনেশ সেনে অভিমত ডাঙি ধৰিছে। এই প্ৰসঙ্গত উল্লেখযোগ্য যে যব-বালি দ্বীপত প্ৰচলিত স্থানীয় ৰামায়ণতো সীতাক ৰাৱণৰ কন্যাৰূপে চিত্ৰিত কৰিছে। অসমীয়া কবি ৰঘুনাথ মহন্তৰ "শত্ৰুঞ্জয়" নামে এখন কাব্য আছে। এই কাব্যত ৰাম-লক্ষ্মণতকৈ বালি, হনুমান, নল-নীল আদি বান্দৰসকলৰ বীৰত্ব আৰু মাহাত্ম্য পৰিকীৰ্তিত হৈছে। জৈন 'পদ্মপুৰাণ' আৰু 'হৰিবংশত' বান্দৰধ্বজ বিদ্যাধৰসকলৰ মাহাত্ম্যৰ বৰ্ণনাই যথেষ্ট ঠাই আগুৰিছে। সম্ভৱতঃ সংস্কৃতত ৰচিত জৈন কাব্য বা পুৰাণৰ দ্বাৰা প্ৰভাবিত হৈছিল। 'গণক চৰিত্ৰ'ৰ গণক হনুমানৰ চৰিত্ৰও জৈন ৰামায়ণৰ অনুমানৰ কাৰ্য্যৰ ওপৰত প্ৰতিষ্ঠিত।

জৈন কবিসকলে ৰামৰ তথা ৰামায়ণক জৈন গঢ় দিবলৈ বাল্মীকিৰ কাব্যত বহু পৰিবৰ্তন সাধন কৰি লয়। বাল্মীকিৰ লগত পৰিচয় নথকা পাঠকে পোনে পোনে জৈন ৰামায়ণ পাঠ কৰিলে এখন স্বতন্ত্ৰ সাম্প্ৰদায়িক মহাপুৰাণ বা মহাকাব্য বুলিয়ে কব, কাৰণ বাল্মীকিৰ শ্লোকৰ প্ৰভাৱ জৈন সংস্কৰণত বিশেষ দেখা নেযায়, কেৱল মোটামুটিভাৱে কাহিনীৰ সাদৃশ্যহে পৰিলক্ষিত হয়।

# গমকৰ বিষয়ে আলোচনা

শ্ৰীগোলোক চন্দ্ৰ খাওণ্ড

সঙ্গীত শাস্ত্ৰত গমক বা সঙ্গীতৰ গাম্ভীৰ্য্যতাই সঙ্গীতৰ এটা প্ৰধান অঙ্গ। শাস্ত্ৰীয় সঙ্গীততো য'ত দৰকাৰ হয় তাতো এই গমক ব্যৱহাৰ কৰা হয়, কিয়নো ই সদায় সঙ্গীতৰ গাম্ভীৰ্য্যতা ৰাখি শুনিবলৈ শুৱলা কৰে। সঙ্গীত ৰত্নাকৰত কৈছে যে এই গমক কণ্ঠত সঙ্গীতৰ এটা অলঙ্কাৰ স্বৰূপ, প্ৰমাণ স্বৰূপে যদি এটা স্বৰ গোৱা হয় গমকৰ দ্বাৰা সেই স্বৰৰ ৰূপ বদলাই দিব পাৰি। The music ot Hindustanত কৈছে যে তাঁৰৰ যন্ত্ৰত এই গমক ব্যৱহাৰ কৰিলে দুটা ৰূপ লয়, এটা অতি সোণকালে ইটোৰ পৰা সিটোলৈ যাব পাৰে আৰু আনটোৱে স্বৰৰ ৰূপ বদলাই দিব পাৰে। The slide and the deflect অকল যন্ত্ৰত আবদ্ধ নেথাকি যদি নিজৰ কণ্ঠ স্বৰত এই গমক ব্যৱহাৰ কৰা হয়, তেন্তে সিও সেইদৰে আন স্বৰলৈ যাওতে সুবিধা দিয়ে। আৰু কণ্ঠস্বৰৰ ৰূপো বদলাই দিয়ে। পৌৰাণিক সামবেদত এই গমকৰ ব্যৱহাৰ পোৱা যায়। কিন্তু আন দুখন বেদত স্বৰিতা বুলি ব্যাখ্যা পোৱা যায়। সামবেদত এই গমক কেৱল ধৰ্ম্ম সম্বন্ধীয় স্তোত্ৰবিলাকতহে বিশেষকৈ ব্যৱহাৰ কৰিছে। সামবেদত এই গমক এনেদৰে ব্যাখ্যা কৰিছে যেনে—নমান, প্ৰণট, বিনটা, যুক্তকৰ্ম, সম্প্ৰসাৰণ, অভিগিতা, উদ্ঘাট, নিঘাট বৃদ্ধি ইত্যাদি। এইবিলাক গমকৰ দ্বাৰা বেদৰ স্তোত্ৰবিলাক উচ্চাৰণ কৰে। আমি পাও উদ্ঘাট (ওপৰলৈ উঠি যোৱা) নিঘাট (ক্ৰমান্বয়ে তললৈ যোৱা) বৃদ্ধি (এটা স্বৰত জোৰ দিয়া) ইত্যাদি। বেদৰ স্তোত্ৰবিলাক উচ্চাৰণ কৰোতে শাৰঙ্গদেৱে ঠিক গমকৰ নিচিনাকৈ স্থায়ী ভাগ বুলি এক আধ্যা ব্যাখ্যা কৰিছে। তেওঁ ইয়াক কৃষ্ণবামী শ্ৰুতিন বুলি কৈছে যাক পুৱা-



বেদৰ স্তোত্ৰৰূপে হৃদয়ৰ পৰা উচ্চাৰণ কৰিব লাগে। যেনেকৈ বাঘে গুঁজৰে তাক দুপৰীয়া ভিঙ্গিৰ পৰা উচ্চাৰণ কৰিব লাগে যেনেকৈ চাক্ৰ চৰায়ে মাতে তাক তৃতীয় বাৰ উচ্চাৰণ কৰোতে মূৰৰ পৰা তুলি তাৰ সন্তক বোলা হয়। এনে উচ্চাৰণ মৰা চৰাই, ৰাজহাঁহ বা কুলিচৰাইৰ দৰে। সামবেদৰ এই গমক বা স্থায়ী ভাগ "শিক্ষা" নামে অভিহিত। জ্ঞানবল্ক্য শিক্ষাই বেদৰ স্তোত্ৰবিলাক হৃদয়ৰ পৰা কেনেদৰে উচ্চাৰণ কৰিব লাগে সেই বিষয় বিশদভাৱে আলোচনা কৰিছে। তাত কৈছে যে মন্ত্ৰ উচ্চাৰণ কৰোতে সিংহই গোঁজৰা বা মেঘৰ গৰ্জ্জন বা কুৰাত বজোৱা দুন্দভিৰ যেনে শব্দ হব ঠিক তেনে হব লাগে। কেতিয়াবা এই মন্ত্ৰৰ উচ্চাৰণ বান্দৰে ইজোপাৰ পৰা সিজোপা গছলৈ জপিয়াওতে যি শব্দ হয় ঠিক তেনে হব লাগে, কেতিয়াবা মাকে কোলাৰ কেচুৱাক চুমা খোৱাৰ দৰে হব লাগে আৰু কেতিয়াবা পাহাৰৰ ওপৰত বতাহত গছবিলাকৰ পাতে যি শব্দ কৰে ঠিক তেনেকুৱা হব লাগে। কিছুমান স্তোত্ৰ চিলাই উৰন্ত বায়ুৰ মাজ ভাগত যি শব্দ কৰে বা বাঘিনিয়ে মুখত পোৱালীটো লৈ যাওঁতে যি শব্দ কৰে বা মাতাল হাতীয়ে যি শব্দ উচ্চাৰণ কৰে তেনেকুৱা হব লাগে। প্ৰত্যেকটো শব্দ শুৱলা, আৰু স্পষ্ট হব লাগে। নাৰদীয় শিক্ষাত এই গমক বা স্থায়ী ভাগক ১০ প্ৰকাৰে ব্যাখ্যা কৰিছে। প্ৰথম ৰক্ত অৰ্থাৎ বীণা বা প্লুৰ শব্দ, কিন্তু সমালোচনাত কৈছে যে বাজনা আৰু গায়কৰ লগত সম্বন্ধ, পূৰ্ণ—অৰ্থাৎ শ্ৰুতি আৰু স্বৰ সম্পূৰ্ণৰূপে দেখুৱা, অলঙ্কত—স্বৰবিলাক কণ্ঠৰ পৰা হৃদয় আৰু মূযলি নিয়া অৰ্থাৎ স্বৰবিলাকক অলঙ্কাৰ দিয়া, প্ৰচন্ন—স্পষ্টভাৱে সঙ্গীতক পৰিচালনা কৰা। বাক্ত প্ৰচন্নৰসৈতে একে, ৰান্স—সঙ্গীতৰ নিয়ম প্ৰণালী, যেনে বিলম্ব, প্লুত ইত্যাদি, বৃক্কৃষ্ট—স্বৰৰ উচ্চাৰণ বেছি কৰা, যম—শ্লাকম্মাৰ লগত মিল, সুকুমাৰ—অতি সুমধুৰ স্বৰৰ উচ্চাৰণ।

ভৰত নাট্য শাস্ত্ৰত গমক শব্দ ব্যৱহাৰ কৰা নাই, তাত কৈছে "পাঠ্যগুণ"। এই পাঠ্যগুণত ৭ স্বৰ, ৩ স্থান, ৪ বৰ্ণ ১ শকু আৰু ৬ অলঙ্কাৰ। নাট্য শাস্ত্ৰত কৈছে "শকু" দুই প্ৰকাৰ, শাকাংশ্চ আৰু নিৰাকাংশ্চ। পুণৰ নাট্য শাস্ত্ৰত অলঙ্কাৰ ৬ প্ৰকাৰৰ বুলি উল্লেখ কৰিছে, যেনে—উকা, দীপ্তি মন্ত্ৰ, নিকা, দ্ৰুচ্ছ আৰু বিলম্বিত। দতিলা মুনিৰমতে বিন্দুক এটা অলঙ্কাৰ বুলি ব্যাখ্যা কৰিছে। তেওঁৰ মতে যিটো স্বৰ হৃদয়ত, কণ্ঠত আৰু মুখত তিনি শ্ৰুতিৰে কম্পিত হয় তাক কম্পিতা, হাৰিতা আৰু বিকিতা বোলা হয়। ভৰত নাট্য শাস্ত্ৰৰ পাছত সঙ্গীত মকৰন্দ, বৃহদ্দেশীত এই গমকৰ কথা যথেষ্ট ৰূপে পোৱা যায়। মাতঙ্গই এই গমক ৰাগ আৰু গীতিৰ যথেষ্ট

ব্যৱহাৰ হয় বুলি কৈছে। তেওঁৰমতে ৰাগ গীতিত যথেষ্ট স্বৰৰ সুন্দৰ সামঞ্জস্য গমকৰ দ্বাৰা হয়। সি সুৰলা, অথচ হৃদয়ৰ পৰা উচ্চাৰিত।

ভৰত নাট্য শাস্ত্ৰৰ সমালোচক নান্যদেৱে এই গমকক ৭ প্ৰকাৰেৰে বিভক্ত কৰিছে:

গমকাগমেতো বক্ষ্যে নাম লক্ষণসংযুতম্ ।
স্ফুৰিতং কম্পিতং লীনং তিৰিপান্দোলিতমতথা ।
আহতং এ ত্ৰিভিন্নং চ গমকাপ্ৰাম সপ্তধা ।
( নান্যদেব )

স্ফুৰিতা—প্ৰত্যেক স্বৰ যেন স্পষ্টভাৱে দেখুৱাই দিয়ে।

কম্পিতা—তিনিও সপ্তকত কম্পনি দিয়ে।

লীনা—এটা স্বৰ এৰি দি আনটো স্বৰ সংযুক্ত কৰে।

আন্দোলিত—এটা স্থায়ী স্বৰত অহা যোৱা কৰে

তিৰিপ - বৰ দ্ৰুত গতি আৰু সমবাদীত ব্যৱহাৰ হয়।

আহত—প্ৰায় সকোলা স্বৰত ঘূৰাই ঘূৰাই ছুই যায়।

ত্ৰিভিন্না—মন্দ্ৰ আৰু তাৰ সপ্তকত সুন্দৰভাৱে দেখুৱাই দিয়ে।

পাৰ্শ্বদেবৰ মতে যেতিয়া স্বৰৰ নিজ শ্ৰুতিত থকা স্বত্বেও আন ৰূপ দেখুৱায় তাকেহে গমক বুলি কৈছে।

স্বশ্ৰুতিস্থান সম্ভূতা কায়ং শ্ৰুত্যন্তৰাশ্ৰয়াম্
স্বৰো যদ্গামযে গীতো গমকোংসৌ নিৰূপিতঃ ।
(পাৰ্শ্বদেব)

পাৰ্শ্বদেবেও নান্যদেৱৰ দৰে ৭ প্ৰকাৰ গমকৰ কথা উল্লেখ কৰিছে। তেওঁ কৈছে যে ৰাগ ব্যাখ্যা কৰোতে এই গমকে অনেক সহায় কৰে।

ৰাগব্যক্ত্যনুকূলা হি গমকা ৰাগোংপি সংচাৰিনঃ। সাৰঙ্গদেৱে এটা স্বৰক কণ্ঠত বা বীণাত কঁপাই তোলাকে গমক বুলি কৈছে। সাৰঙ্গদেৱে এই গমকক ১৫ ভাগত ভাগ কৰিছে।

লঘিষ্টড়মৰুধ্বানকম্পানুকৃতি সুন্দৰঃ ।
দ্ৰুততুয্যাশবেগেন তিৰিপঃ পৰিকীৰ্তিতঃ ॥
বেগে দ্ৰুততুৰীয়াংশসম্বিত গমকঃ বিন্দুঃ ।
লীনস্তু ঞ্ৰুত বেগেনান্দোলিতো লঘুবেগতঃ ॥
বলিবিবিধবক্ৰস্বযুক্ত বেগৱশান্তবেত ।
ত্ৰিভিন্নস্তু ত্ৰিষু স্থানেষ বিশ্ৰান্তঘনস্বৰঃ ॥
কুৰুকো বলিৰেব স্বাদ্গ্ৰস্থিলঃ কণ্ঠ্য কোমলঃ ।
স্বৰমগ্ৰমমাহুত্য নিবৃত্তস্ত্বাহতো মতঃ ॥
উল্লাসিতঃ স তু প্ৰোক্তা যঃ স্বৰান্নুত্তৰোত্তৰান্ ।
ক্ৰমাস্তবেদত্ প্লাবিতস্তু দ্ৰূতমানেন কম্পণম্ ॥
হৃদয়ঙ্গনামহুঙ্কাৰ গম্ভীৰ স্তুম্ভিতো ভবেত ।
মুখমুদ্ৰণ সম্ভুতো মুদ্ৰিতো গমকো মতঃ ॥
স্বৰাণাং গমনাযুক্তো নামিতো ধ্বনিবেদিভিঃ ।
এতেষাং মিশ্ৰণম্মি শ্ৰস্তস্য স্বৎভুঁৰয়োমিদাং ॥
তেসাং তু স্থায়ৰাগেষু বিবৃতিঃ সংবিধাস্যতে ॥
( সঃ ৰত্নাকৰ )

তিৰিপ—৬ মেৰুৰ শব্দক কপাই তোলাকে কয়; চাৰি এভাগ দ্ৰুতলয়ৰ।



স্ফুৰিতা—ই দ্ৰূতলয়ৰ তিনি ভাগৰ এভাগ, ই কিন্তু স্বৰৰ কঁপনি।

কম্পিত—ই দ্ৰুতগতিৰ প্ৰায় আধা, স্বৰক জোকাৰি দিয়ে।

লীন—ই দ্ৰুতগতি দেখুৱায়

আন্দোলিত—ইয়াৰ চলন অনেক লঘু।

বলি—ইয়াৰ চলন অস্থায়ী।

ত্ৰিভিন্ন—ই তিনিও স্থানত গম্ভীৰ স্বৰ উৎপাদন কৰে।

কুৰুক- ই প্ৰায় বলি গমকৰ দৰে কিন্তু কণ্ঠত কোমল স্বৰক সহায় কৰে।

আহুত—ই আগৰ স্বৰক ছুই পুনৰ নিজৰ স্বৰলৈ ঘূৰি আহে।

উল্লাসিত—ইটো স্বৰৰ পাছত সিটো স্বৰৰ লগত স্থায়ীভাৱে সম্বন্ধ ৰাখে।

প্লাবিত—ই কেৱল প্লূত গতিত কম্পন দিয়ে।

গুমকিত—ই গম্ভীৰ আৰু হুঙ্কাৰত বৰ গুৱলা হয়।

মুদ্ৰিত—এই গমকে মুখ বন্ধ কৰিহে উচ্চাৰিত হয়।

নামিত—ই স্বৰক তললৈ নমাই দিয়ে।

মিশ্চ—এই গমকে সকলোবিলাক উল্লেখিত স্বৰকেই সামৰি লয়।

কল্লিনাথে কৈছে যে দুই বা তিনিটা গমকৰ সংমিশ্ৰনেই গমক আটাইবোৰ নহয়।

ওপৰত উল্লেখ কৰা গমক পুনৰ এনেদৰে ভাগ কৰিছে যে সিবোৰ সকলোতে ব্যৱহাৰ কৰিব পাৰে অৰ্থাৎ কণ্ঠত আৰু বীণাত কম্পিতা আন্দোলিতা, বলি, লীন আৰু ত্ৰিভিন্ন। কেৱল কণ্ঠস্বৰত ব্যৱহাৰ হয় গুমকিতা, মুদ্ৰিতা আৰু কুৰুলা। বীণা আদি যন্ত্ৰত কোন কেইটা গমক ব্যৱহাৰ হব সেইটোৰ কোনো উল্লেখ নাই। আহুত, উল্লাসিত আৰু ত্ৰিভিন্ন এই কেইটাই কেৱল স্বৰক শাসন কৰে। সাৰঙ্গদেৱে সকলো গমকৰ প্ৰতি সময় বান্ধি দিয়া নাই।

সাৰঙ্গদেৱে উল্লেখ কৰা মিশ্ৰ গমকক স্থায় ভাগত অতি সুন্দৰ ভাৱে দেখা যায়। "স্থায়" অৰ্থ দোৰা বা ৰাগৰ এটা অংশ বা ভাগ, অৰ্থ গমক। "ৰাগস্যা বয়বং স্থায়ো ৰাগো গমক উচ্যতে" (সঃ ৰঃ) সাৰঙ্গদেৱে পুনৰ কৈছে যে শ্ৰোতাৰ মনত আনন্দ দিব পৰাকৈ গমক ব্যবহাৰ কৰিব লাগে বা স্বৰত কম্পন দিব লাগে। "স্বৰস্য কম্পো গমকঃ শ্ৰোতৃচিত্তসুখাবহঃ"

( সঃ ৰঃ )

এই স্থায় ভাগ ৯৬ ভাগত বৰ্ণনা কৰা আছে আৰু ইয়াক চাৰি ভাগত ভাগ কৰা কৈছে—এই চাৰি ভাগ প্ৰথম ভাগ ১০ স্থায় ভাগৰ ব্যাখ্যা কৰিছে। "অসংকীৰ্ণ লক্ষণা প্ৰসিদ্ধা দশ স্থায়" ১। স্থায়া শব্দ—এইটোৱে স্থায় ভাগত ঘূৰি আহে আৰু পূৰ্ব্বৰ স্বৰ শেষ হোৱাৰ পাছত আৰম্ভ হয়।

২। দাকসং—ই ক্ষুদ্ৰতৰ স্বৰেৰে কম্পন দিয়ে।

৩। লাবণ্যা—এই স্বৰ অতি কোমলভাবে সঙ্গীতত ব্যৱহাৰ হয়।

৪। বহনে—এই উঠি যায় বা তললৈ নামে বা সঞ্চাৰি কয়। এই বহনত গমকৰ ছটা ভাগ পোৱা যায়।

১। যুক্ত বা সুপ্তা—যিটো স্থায়ী ভাগত সোমাই যায়।

২। উৎফুল্ল—এইটোৱে স্বৰক বৰ বেগেৰে ওপৰলৈ তুলি দিয়ে।

৫। বাদ্য শব্দ—এই স্থায় বাদ্য যন্ত্ৰৰ সহায়ত বৰকৈ বৃদ্ধি পায়।

৬। যন্ত্ৰ—এই স্থায় কেৱল যন্ত্ৰত পোৱা যায়।

৭। ছায়া—সাৰঙ্গদেবে এই ছায়া স্থায়ক কাকু বুলি কৈছে। এই কাকুৰ ৬টা বেলেগ বেলেগ ভাগ পোৱা যায়। যেনে—

১) স্বৰ কাকু—এই কাকু ৰাগত অন্য ৰাগ সোমায় কাৰণে ইয়াত শ্ৰুতিৰ সংখ্যা অতি কম হয়।

২) ৰাগ কাকু—ই ৰাগৰ আচল ৰূপ দেখুৱায়।

৩) অন্য ৰাগ কাকু—ই আন আন ৰাগৰ পৰা কিছু অংশ ধাৰ কৰে।

৪। দেশ কাকু—দেশীয় ৰাগত ব্যৱহাৰ দেখুৱায়।

৫) ক্ষেত্ৰ কাকু—শৰীৰক ক্ষেত্ৰ কয়; ই বিশেষ ধৰণেৰে উঠি যায় আৰু অনেক ধৰণৰ ৰাগৰ সৃষ্টি কৰে।

৬) যন্ত্ৰকাকু—ই কেৱল যন্ত্ৰত ব্যৱহাৰ হয়, যেনে বীণা আদি।

৮) স্বৰ লংঘিত—ই অনেক স্বৰ মাজত ৰাখি সঘনে ব্যৱহাৰ হয়।

৯। প্ৰেৰিত—এই স্থায় ভাগত স্বৰক ওপৰলৈ আৰু তললৈ ঠেলি দিয়ে।

১০। তীক্ষ্ণ—ই তাৰা সপ্তকত বৰ চোকা ধৰণেৰে ব্যৱহাৰ হয় নিজা শ্ৰুতিৰ তীব্ৰতাত।

দ্বিতীয় মেলত সাৰঙ্গদেবৰ মতে এই স্থায় ভাগত ৩৩টা ভাগ আছে—

ত্ৰয়স্ত্ৰিশদ্‌গুণকৃতভেদা প্ৰসিদ্ধাঃ স্থায়া।

(সঃ ঙ্গ)

১। ভজনস্য ২। স্থাপনায়াঃ ৩। গতেঃ ৪। নাদস্য ৫। ধনে ৬। ছবেঃ ৭। ৰক্তে ৮। ধৃতস্য ৯। ভূতস্য ১০। অংশস্য ১১। অৱধানস্য ১২। অপস্থানস্য ১৩। নিকুতেঃ ১৪। বিবিধত্বস্য ১৫। করুণায়াঃ ১৬। গাত্ৰস্য ১৭। উপশখস্য ১৮। কাণ্ডাৰণায়াঃ ১৯। নিজ্বনাম্নিত ২০। গাভ ২১। ললিত গাভ ২২। ললিত ২৩। লুলিত ২৪। সম ২৫। কোমল ২৬। প্ৰসৃত ২৭। স্নিগ্ধ ২৮। উশ ২৯। উচিত ৩০। সুদেশিক ৩১। অপেক্ষিত ৩২। ঘোষ ৩৩। স্বৰ।



তৃতীয় মেলত পুনৰ ২০টা ভাগ স্থায় পোৱা যায়।

"ইযং প্ৰসিদ্ধ বিংশতিং সকীৰ্ণ কক্ষণাঃ"

১। বহস্য ২। অক্ষৰাডম্বৰস্য ৩। উল্লাসিত ৪। প্ৰলম্বিত ৫। অবস্খলিত ৬। ত্ৰাটিত ৭। তৰঙ্গিত ৮। সম্প্ৰবিষ্ট ৯। উত্তপ্ৰবিষ্ট ১০। নিঃসাবণ ১১। ভ্ৰামিত ১২। দীঘকম্পিত ১৩। প্ৰতিগ্ৰাহ্যোল্লাসিত ১৪। আলস্যবিলম্বক ১৫। ত্ৰোটিত প্ৰতীষ্ট ১৬। প্ৰস্তাকুক্ষি ১৭। স্থায়ুক ১৮। স্থিৰ ১৯। ক্ষিপ্ত ২০। সুক্ষ্মান্তে।

চতুৰ্থ ভাগ স্থায়ত পুনৰ ৩৩টা ভাগ পোৱা যায়।

১। প্ৰকৃতিস্মসং ২। কলাযাঃ ৩। আক্ৰমণস্য ৪। ঘটনায়াঃ ৫। সুখস্য ৬। বাহুলে ৭। জীব স্বৰস্য ৮। বেদধ্বনেঃ ৯। ঘনত্বস্য ১০। শিথিল ১১। অবঘট ১২। স্ফুত ১৩। ৰাগেষ্ট ১৪। অপস্বৰাভাস ১৫। বন্ধ ১৬। কলৰব ১৭। ছন্দেস ১৮। সুকৰাভাস ১৯। সংক্ষিত ২০। লঘু ২১। অস্তুৰ ২২। বক্ৰ ২৩। দীপ্ত প্ৰসন্ন ২৪। প্ৰসন্ন মৃদু ২৫। শুক ২৬। হ্ৰস্ব ২৭। শিথিলগাদ ২৮। দীৰ্ঘ ২৯। অসাধাৰণ ৩০। সাধাৰণ ৩১। নিবাধাৰ ৩২। হ্ৰস্ব ৰাগস্য ৩৩। মিশ্ৰক।

সাৰঙ্গধৰ পদ্ধতিত এই গমকক ৭ ভাগে বিভক্ত কৰিছে।

স্ফুৰিতং কম্পিতং লীনং স্তিমিতান্দোলিতাবপি।
আহুতং ত্ৰিভিন্ন এ গমকং সপ্তধা স্মৃতম্॥

(সাৰঙ্গধৰ পদ্ধতি)

হৰিপালৰ সঙ্গীত সুধাকৰত এই গমকৰ ৭টা ভাগ আছে বুলি ব্যাখ্যা কৰিছে:

১। কম্পিত ২। স্ফুৰিত ৩। লীন ৪। ত্ৰিভিন্ন ৫। তিৰূপ ৬। আন্দোলিত ৭। আহুত। সঙ্গীত সুধাকৰত ঠিক পৰ্বদেবৰ অনুকৰণেৰে ইয়াৰ অৰ্থ ব্যাখ্যা কৰিছে।

লক্ষ্মীনাৰায়ণৰ সঙ্গীত সূৰ্যোদয়ত ব্যাখ্যা কৰিছে যে স্বৰত কম্পন দিয়ে গতিকে গমক, শুনিবলৈ শুৱলা হয়। এই গমকৰ সাৰঙ্গদেবৰ দৰে এও ১৫টা ভাগ আছে বুলি কয় আৰু সেই গমকৰ সকলো ব্যাখ্যা সাৰঙ্গদেবৰ দৰেই একে।

ৰামামাত্যৰ স্বৰ অলকানিধিত এই গমকৰ সম্পৰ্কে একো পোৱা নেযায়, কেৱল সঙ্গীতৰ স্বৰূপ বৰ্ণনাহে পোৱা যায়।

পুণ্ডৰিকা ভিঠলাই এই গমকৰ বিষয় সঙ্গীত ৰত্নাকৰৰ দৰেই ব্যাখ্যা কৰিছে, কেৱল ৰত্নাকৰৰ গুমফিতাৰ সললি হুমফিতা নাম পোৱা যায়।

সোমনাথে বীণাত বেলেগ বেলেগ ৰাগ বজাওতে বেলেগ বেলেগ গমক কেনেকৈ ব্যৱহাৰ কৰিব লাগে তাক দেখুৱাইছে। এওঁৱেই একমাত্ৰ লেখক যোৱে স্বৰৰ ওপৰত কেনেকৈ মমক ব্যৱহাৰ কৰিব লাগে তাক বহুত ভাগত দেখুৱাইছে; বীণাত কেনেকৈ গমক ব্যৱহাৰ কৰিব লাগে তাকো দেখুৱাইছে আৰু সেইবিলাক নাম উল্লেখ কৰিছে:

প্ৰতিহাতি—বীণাৰ ছুডাল তাঁৰ আঙ্গুলিৰে টেপা দি ধৰিলে একেটা শব্দ উচ্চাৰিত হব আৰু অতি দ্ৰুত গতিত আঙ্গুলি বুলাই প্ৰথম স্বৰত লাহেকৈ আঙ্গুলি দি দ্বিতীয় স্বৰত আঙ্গুলি দিলে যিটো ধ্বনি সেইটো হুঙ্কাৰ বা প্ৰতিহাতি। কিন্তু ইয়াত কোনো সময় নিদ্ধাৰিত নাই।

আহুতি—এইটো ঠিক প্ৰতিহাতিৰ দৰেই, কিন্তু ইয়াত হুংকাৰ নাই, এটা স্বৰৰ শব্দ বজোৱাৰ পাছত ইটো স্বৰ স্পষ্ট হব লাগে। কোনো বীণাত টোকৰ নিদি-য়াকৈ এই নিয়ম আৰোহা আৰু অবৰোহাত ব্যৱহাৰ হব লাগে।

অনুহতি—ই প্ৰতিহাতিৰ লগত ব্যৱহাৰ হৈ কিছু বেলেগ এটা স্বৰ এটা আঙ্গুলিৰ টোকৰত উঠে আৰু দ্ৰুত আঙ্গুলি চলনত পূৰ্ব্বৰ স্বৰৰ শব্দ বাজি হুঙ্কাৰ শব্দ উঠে।

আকৃতি—ই অনুহতিৰ দৰেই কেৱল নখৰ দ্বাৰা ঘাত নিদিয়াকৈ শব্দ উঠিব লাগে বৰ গম্ভীৰ শব্দ হয় বাবেই বৰ বিশেষ গমক।

পিড়া—আঙ্গুলিৰ পেতেৰে বৰ জোৰকৈ তাঁৰত টিপিলে পূৰ্বৰ স্বৰ সৌহাতৰ চলনত স্পষ্ট হয়।

দোলন- ইয়াত আকৰ্ষণ বিকৰ্ষণ, আগমণং আৰু নিবেত্তন মাত্ৰা থাকে। ই এটা নিৰ্দ্দিষ্ট স্বৰলৈ টানি নিয়ে। আৰু এটা গ্ৰামলৈ টানি নি শ্ৰুতিকো আগলৈ টানি নি পূৰ্ব্বৰ স্বৰ নিজৰ ঠাইত থয়।

আকৰ্ষণ—ই দোলনৰ সৈতে একেই কেৱল প্ৰাৰ্থক্য যে আৰম্ভণিৰ ঠাইলৈ ই ঘূৰি নেযায়।

গমক—দোলনত ঘূৰাই ঘূৰাই দিয়াকে গমক কয়। এটা আঙ্গুলিৰ টোকৰত দোলনে লাহে লাহে তিনি চাৰিবাৰ শব্দ কৰে।

কম্প—ই স্বৰত ছুই-তিনিবাৰ জোকাৰি দিলে, দোলনৰ চাৰি ভাগৰ এভাগ সময়ত শব্দ হয়, কিন্তু এটা টোকৰত শব্দ হয়।

ঘৰ্ষণ—ই এটা ঘাটত আন স্বৰ স্পষ্ট কৰে, ঘাট দিয়াৰ পাছত ঘৰ্ষণে আগৰ স্বৰ বা পাছৰ স্বৰ প্ৰকাশ কৰে।

মুদ্ৰা—এটা ঘাত দিয়াৰ পাছত সেই ঘাতত জোৰত পূৰ্বৰ স্বৰ স্পষ্ট কৰে পাৰু পূৰ্বৰ স্থায়ী স্বৰত আঙ্গুলিৰ চালনত ই লুকাই যায়। ই অনুহতিৰ পৰা বেলেগ, কিয়নো ইয়াৰ শব্দৰ উচ্চা-ৰণ বৰ মধুৰ আৰু অতি শীঘ্ৰে আঙ্গুলি চালন কৰাৰ ফল।

নৈয্যং - ইয়াত অতি জোৰেৰে আঘাত দিয়া হয়, আৰু তাঁৰত নখৰ আঘাতত তললৈ যায়।



প্লুতি—এটা আঙ্গুলিৰ আঘাতত আৰু তাঁৰত হাত দিলে আৰু এটা স্বৰ পোৱাটোকে প্লুতি বোলা হয়।

দ্ৰুতি—দ্ৰুতগতিত কোনো এটা নিৰ্দ্দিষ্ট স্বৰ পাবলৈ যোৱাটোকে দ্ৰুতি বোলা হয়।

পৰতা—এইটোৱে পাকৰ স্বৰ, পূৰ্ব্বৰ নিজৰ স্বৰৰ পৰা ফুটাই তোলে। যদি আঙ্গুলি 'সা' তাঁৰৰ ওপৰত ৰখা হয় যেতিয়াই "ৰে" ৰ শব্দ হব।

উচ্চতা—ই পূৰ্ব্বৰ স্বৰৰ পৰা তৃতীয় স্বৰ উচ্চাৰণ কৰে (প্ৰায় পৰতাৰ নিচিনা)

নিজ্জতে—ই ছুই প্ৰকাৰ (১) পৰতা নিজ্জতে (২) উঘাট নিজ্জতে।

পৰত নিজ্জতে—ই ক্ৰমান্বয়ে তললৈ যায় প্ৰথম আৰম্ভ কৰা স্বৰলৈ। যেনে "ৰে"ৰ পৰা "মা"

উঘাট নিজ্জতে—ই ক্ৰমাত গান্ধাৰৰ পৰা ষড়-জলৈ নামি আহে। এই ছুয়োটা নিজ্জতে এডাল তাঁৰতে এটা আঘাততে শব্দ হয়।

সম—ইয়াৰ চলন অতি ধীৰ।

গোবিন্দ দীক্ষিতৰ সঙ্গীত সুধাত এই গমক সাৰঙ্গদেবৰ দৰেই একে কিন্তু পাৰ্শ্ব-দেবৰ দৰে ই ব্যাখ্যা সমৰ্থন কৰিছে।

বেংকট মূখীয়ে কৈছে স্বৰত আন্দোলন দিলে অতি মনোহৰ হয়। গতিকে ইয়াক গমক কোৱা হয় কিন্তু পাৰ্শ্বদেবৰ দৰেই ব্যাখ্যা কৈছে—

স্বৰস্য কম্পো গমকঃ শ্ৰোতৃচিত্তসুখাবহঃ।
স্বোয় স্থান শ্ৰুতিগতস্থায়া মন্যা শ্ৰঃামপি।
ছায়াং সময়তোভ্যেষ গমকঃ পৰিকীৰ্তিতঃ॥
(বেংকটমূখী)

বেংকটমূখীয়েও সঙ্গীত ৰত্নাকৰৰ মতে ১৫টা গমক ব্যাখ্যা কৰিছে, কিন্তু বাকী গমক যেতিয়া পোন হয় তেতিয়া ইয়াক কুৰুলা আখ্যা দিয়া হয়।

অহোবলে সঙ্গীত পাৰিজাতত সঙ্গীত ৰত্নাকৰৰ দৰে ১৭টা গমক আছে বুলি ব্যাখ্যা কৰিছে আৰু প্ৰায় ৰত্নাকৰৰ দৰে ২-১ নাম হে সলনি হৈছে;

১। কম্পিতা ২। প্ৰত্যাহত ৩। দ্বিৰাহট ৪। স্ফুৰিতা ৫। অনাহত ৬। তিৰিপ ৭। ঘৰচনা ৮। অৱঘৰচনা ৯। বিকৰচনা ১০। স্বস্মনা ১১। স্বগ্ৰস্বস্মনা ১২। কৰ্ত্তাৰি ১৩। বাহী ১৪, স্ফুট ১৫। নৈমন্য ১৬। ধলা ১৭। মুদ্ৰা।

শিৱতত্ত্ব ৰত্নাকৰতো ১৫ গমকৰ কথা পোৱা যায়। তাত কেৱল অলঙ্কাৰৰ ব্যাখ্যা পোৱা যায়, কিন্তু স্থায় ভাগৰ কথা বিশেষ নাই।

সংগীত চাৰণিত কেৱল ৭ প্ৰকাৰৰ গমক পোৱা যায়। ১। কম্পিত ২। স্ফুৰিত ৩। লীন ৪। ত্ৰিভিন্ন ৫। তিৰিপ ৬। আহট ৭। আন্দোলিত। তেওঁৰ মতে কম্পিতত

অতি দ্রুতগতিত কম্পন দিব লাগে । স্ফুৰিতত তিনি ভাগৰ এভাগ দ্রুত কম্পন দিব লাগে, লীনত অতি দ্রুতগতি, ত্রিভিন্নত নাভি হৃদয় আৰু কণ্ঠত জিৰণি নোহোৱাকৈ থাকে। তিৰিপত এটা সাধাৰণ ভাবে ঢোলৰ শব্দৰ নিচিনা ই দ্রুতগতিৰ চাৰি ভাগৰ এভাগ আহোতে পূৰ্ব্বৰ স্বৰ আঘাত কৰি পুনৰ ঘূৰি আহি আন্দোলিত লঘুগতিত জিৰণি লয় ।

সংগীত নাৰায়ণতও ৰত্নাকৰৰ দৰেই ব্যাখ্যা দিয়া হৈছে কিন্তু তাত ৭ স্বৰৰ প্রত্যেক স্বৰৰ এটা বেলেগ বেলেগ গমক আছে বুলি কৈছে। এই পুথিত কৈছে যে এই ভাগবিলাক নাৰদ সংহিতাত পোৱা যায় ।

কিঞ্চিতু স্বৰস্য কম্পো গমকঃ স্বৰভেদাত্
সপ্তধা ইতি সপ্তস্বৰ ভেদেন সপ্তপ্রকাৰো
ভৱতীত্যৰ্থঃ । ইদং তু নাৰদসংহিতায়াং দৃষ্টম্ ।
(সংগীত নাৰায়ণ)

গীত প্রকাশত ৭ প্রকাৰ গমক ৭টা স্বৰৰ ওপৰত নিৰ্ভৰ কৰে ।

১। ত্রিপঞ্চকা—দ্রুতলয়ৰ তিনিগুণ গতি ।
২। স্ফুৰিতা—সমান গতি ।
৩। কম্পিতা—দ্রুতলয়ৰ দুগুণ ।
৪। লীন—দ্রুতগতি ।
৫। আন্দোলিত - লঘু ।
৬। ত্রিভিন্না—তিনিও স্থানত দ্রুতলয় ।
৭। আহত—ই পূৰ্ব্বৰ স্বৰত আঘাত দিয়ে ।

এই পুথিৰমতে গমক অতি প্রত্যুষতে গীত গোৱাৰ সময়ত সাধনা কৰিব লাগে বা পানীত ঠিয় হৈ সাধনা কৰিব লাগে ।

স্বৰস্য কম্পো গমকঃ শ্রোতৃচিত্তসুখাবহঃ
সপ্তস্বৰসমাযোগাং সপ্তভেদা ভৱন্তি চ ॥
স্ফুৰিতং কম্পিতং লীনং তথা চান্দোলিতাভিধম্
ত্রিপঞ্চকাখ্যাং গীতক্ষেত্রিভিন্নং জেতি কীৰ্তিতম ॥
.... .... .... .... .... ...
শৰীৰস্মোংপি গমকঃ সাধনীয়ঃ প্রযত্নতঃ ।
প্রত্যুষে গীত সময়ে জলেংস্থস্তশ্চ সিদ্ধিদঃ ॥
(গীত প্রকাশ)

শ্রীনিবাস পণ্ডিতে তেওঁৰ ৰাগ তত্ব বিৰোধত তাকঅতি সুন্দৰকৈ আলোচনা কৰিছে তেওঁ কৈছে যে এখন বীণাৰ দ্বাৰা দেখুৱাব পাৰি। এই গমক অতি সুন্দৰ আৰু সুললিত হয় গুণে ইয়াক গমক কোৱা হয় ।

ক্রিয়াবিশেষজন্মো যস্তদ্ধমো গসকো ভবেত ।
গময়ন্তি হি তদ্রক্তি তস্মাত্তে গমকাঃ মতাঃ ॥
(ৰাগ তত্ব বিবোধ)

এটা স্বৰ যেতিয়া বীণাত ধপধপনি বা আঙ্গুলিৰ কম্পন আৰু মাজত বাদী কিম্বা বিবাদীৰ স্বৰত ধ্বনিত হয়, বীণাৰ সোঁ-মাজত বা থোতোৰা বজুৱা হয়, তেতিয়া তাৰ



শব্দ "হুম" হয় । আৰোহাত আৰু অবৰোহাত দুই প্রকাৰৰ গমক ব্যৱহাৰ হয় । অনাহতত তাঁৰৰ আঘাতত দেখুৱাই স্ফুৰিত গমক অতি কোমল সেই কাৰণে ইয়াক সান্তসমজ্ঞ বোলে ।

কাশীনাথৰ সংগীত সুধাকৰত ১০ প্রকাৰৰ গমকৰ উল্লেখ কৰিছে—

১। তিকপ ২। স্ফুৰিতা ৩। লীনা ৪। আন্দোলিতা ৫। বালি ৬। আহত ৭। উল্লাসিত ৮। হুমফিতা ৯। ঘৰচনা ১০। মিশ্রিত । এই সকলোবিলাক কসংগীত ৰত্নাকৰৰ দৰেই ব্যাখ্যা কৰিছে কেৱল "ঘৰচনা"ত কৈছে যে এটা সামান্য আঘাতত কেইবাটাও স্বৰৰ শব্দ হয় ।

সঙ্গীত কৌমুদীত কেৱল ১০ প্রকাৰৰ গমকৰ কথা উল্লেখ কৰিছে ।

১। আজোহা ২। অবৰোহা ৩। দালু ৪। স্ফুৰিতা ৫। আহত ৬। কম্পিতা ৭। প্রত্যাহত ৮। ত্রিপুচ্ছা ৯। আন্দোলিত ১০। মুচ্ছ না ।

ব্ৰহ্মপুত্ৰ মহাপ্ৰাজ্ঞ যথোক্তং হৰিণাপুৰা ।
দশাণাং গমকাণাং হি লক্ষণং শৃণুতত্ত্বতঃ ॥
আৰোহাশ্চাবৰোহশ্চ দালুস্ফুৰিতকম্পিতঃ ।
আহত প্রত্যাহতে চ ত্রিপুচ্ছান্দোল মুৰ্ছনাঃ ॥
ইত্যাদি । (সংগীত কৌমুদী)

# পৰমেশ্বৰ সূৰ্য্যৰ বিভিন্ন নাম

শ্ৰীভগবান মৰল

প্ৰাচীন কালৰ আদিম মানুহে প্ৰাকৃতিক সমৃদ্ধিৰ মাজত জৈৱিক সকলো প্ৰয়োজনীয় সামগ্ৰীৰ উদ্ভৈনদীত পৰিতুষ্ট হৈ জীৱন আৰু জগতৰ আৱশ্যকতা উদ্দেশ্য আদিৰ চিন্তা কৰে; জীৱ ঈশ্বৰৰ স্বৰূপে সন্ধান কৰে, বিস্ময়-বিমূঢ় হৈ সৃষ্টিকৰ্ত্তাৰ ৰহস্য সন্ধান কৰে আৰু প্ৰাকৃতিক ভীতিৰ পৰা অব্যাহতি পাবলৈ উপায় হীন হৈ পৰমকৰ্ত্তাৰ সাহায্য বিচাৰে। এনেকৈ বিস্ময়-বিমূঢ় হৈ, প্ৰাকৃতিক ভীতি আক্ৰান্ত হৈ উপায়ৰ সন্ধান কৰোতে সাময়িক ভাৱে একোটি পথৰ নিৰ্দ্দেশ যোৱাত মানৱ মন শান্ত হয়। তেনে পথৰ আলমত কিছুমান নীতি নিয়ম মানি চলাৰ ফলত কৰ্ম্মৰ পোছাক পিন্ধায়। সময়ত কাহিনী উপকাহিনীৰ মেৰঘৰ সাজি সহজ বিশ্বাসী জনসমাজক কৰ্ত্তব্য-অকৰ্ত্তব্য কামৰ চিনাকী কৰি দিয়ে; স্বৰ্গ-মৰ্ত্ত্য-নৰক নাইবা পাপ-পুণ্যৰ বিচাৰৰ দ্বাৰা সমাজ বান্ধোন দৃঢ় কৰি ৰাখিবলৈ চেষ্টা চলে। সম্মুখত এজন ঈশ্বৰ ৰাখি ভয়-ভক্তিত অৰ্চনা-উপসনা কৰোতে নিজ নিজ বিভিন্ন মাত কথাৰে প্ৰাৰ্থনা নীতি আৰু ঈশ্বৰৰ নাম ৰচনা কৰে। উপসনা কৰাৰ পদ্ধতি, ভৌগলিক পৰিবেশে ভেদে সামাজিক আচাৰ নীতি দেশভেদে বেলেগ হোৱা বাবে ঈশ্বৰৰ নাম আৰু উপসনা পদ্ধতিও বেলেগ বেলেগ হোৱাটোও স্বাভাৱিক। অথচ ধৰ্ম্মৰ এই বাহ্যিক থকাৰ নীতিকেই অন্ধভৱে প্ৰকৃত ধৰ্ম্মজ্ঞান কৰা কাৰণে আৰু কিছুমান অলীক বিশ্বাস মানি চলা বাবেই বিশ্বত ইমানবোৰ দুৰ্য্যোগ, ইমানবোৰ বুৰঞ্জীৰ উত্থানপতনৰ ঘটনা।

প্ৰাক্ আৰ্য বা ভূমধ্য সাগৰীয় মহাজাতিয়ে



যি ধ্যান ধাৰণা লৈ জীয়াই থকাৰ সপোন দেখিছিল, যি কল্পনাৰ আবেগত ধৰ্মৰ সপোন ৰচিছিল—পৰবৰ্ত্তী আৰ্য্যসকলেও একেই প্ৰবাহত চিন্তা কৰিছিল। সেই আৰ্য্যঋষি সকল পুৰাণ উপ-পুৰাণত বৰ্ণনা কৰাৰ ধৰণে সঁচাকৈ ঈশ্বৰ নাছিল; পৰবৰ্ত্তী লোক সমাজে তেওঁলোকৰ ওপৰত ঈশ্বৰত্ব আৰোপ কৰিলেও প্ৰকৃততে তেওঁলোক তেজ মঙহৰ মানুহহে আছিল, অনাৰ্য্যসকলৰ দৰেই মানৱ প্ৰকৃতিৰ মানুহ আছিল। কিন্তু স্বীকাৰ কৰিব লাগিব তেওঁলোকৰ মনন শক্তি, প্ৰতিভা উচ্চস্তৰৰ মানৱীয়।

কাল বাগৰি যোৱাৰ লগে লগে আৰ্য্যসকলে বৈদিক হোম যজ্ঞৰ উপৰিও অনাৰ্য্য পূজা পদ্ধতি গ্ৰহণ কৰিছে। প্ৰাক্ আৰ্য্য ধ্যান ধাৰণাই আৰ্য্যসকলক আকৃষ্ট কৰিছে। আৰ্য্যসকলৰ দেৱ-দেৱীৰ স্বৰূপ সন্ধান কৰিলে, পৌৰাণিক দেৱ-দেৱীৰ মূল বিচাৰ কৰিলে—প্ৰাক্-আৰ্যসকলৰ চিন্তা বিশ্বাস বা দেৱ-দেৱীৰ প্ৰভাৱ পৰিলক্ষিত হয়। এই প্ৰৱন্ধত ধৰ্ম্মবিশ্বাসৰ অন্ধতা আঁতৰ কৰি কৰ্ম্মৰ গোড়ামি এৰি ভাষা-তত্ত্বৰ বিশ্লেষণেৰে কথাবোৰ জুকিয়াই আলোচনাৰ দিশ দাঙি ধৰিছোঁ মাথোন।

আৰ্য্যসকলে গ্ৰহণ কৰা 'পূজা' শব্দটো দ্ৰাবিড়ী শব্দ। 'পূ' মানে ফুল; 'জা' মানে কৰা, অৰ্থাৎ আৰাধ্য দেৱতাৰ অৰ্থে ফুল আগবঢ়োৱা কাৰ্য্যই হৈছে 'পূজা'। প্ৰাক্ আৰ্য্য সভ্যতাৰ বিশ্বাস, আচাৰ-নীতি আৰু আৰাধ্য দেৱ-দেৱীৰ অৰ্চনা পদ্ধতি পৰবৰ্তী আৰ্য্যসমাজে গ্ৰহণ কৰিছে।

প্ৰাক্ আৰ্য্য অৰ্থাৎ ভূমধ্য সাগৰীয় মহাজাতি বা দ্ৰাবিড়ীসকলৰ প্ৰথম উপাস্যদেৱতা হৈছে—"দেৱ'। 'দেৱ'—শব্দৰ প্ৰকৃত অৰ্থ হৈছে—সূৰ্য্য পিচলৈ অৰ্থ পৰিবৰ্ত্তনৰ ফলত দেৱতা বা Gods বুজাবলৈ ধৰে। ইউৰোপৰ বিভিন্ন দেশত অঘৰী নাচনী জাতিৰূপে পৰিচিত জিপ্‌চিসকলৰ উপাস্য দেৱতা 'দেও' অৰ্থাৎ সূৰ্য্য। 'দেও' অৰ্চনা তেওঁলোকৰ সংস্কৃতিৰ বাহক। অসমতো দেৱ শব্দৰ অৰ্থ সূৰ্য্য। যেনে দেওবাৰ অৰ্থাৎ Sunday. ব্ৰাপুই ভাষাত দে' মানে সূৰ্য্য। প্ৰাচীন ভূমধ্য সাগৰীয় মহাজাতিৰ অংশীদাৰ আৰৱী সকলৰ মাজত প্ৰচলিত dw' মানে জ্যোতি (light) or to shine.

প্ৰাক্ আৰ্যসকলে পৃথিৱীৰ জীৱ জগতৰ প্ৰাণস্বৰূপ সূৰ্য্যকেই বিস্ময় বিমূঢ় হৈ লক্ষ্য কৰি শক্তি আৰু দৃষ্টিৰ মূল উৎস বুলি বৰণ কৰিছিল। আজিও বিজ্ঞানে শক্তি আৰু সৃষ্টিৰ গুৰি বুলি সূৰ্য্যকেই প্ৰাধান্য দিছে। সূৰ্য্যৰ অসীম শক্তিৰ ক্ষুদ্ৰ কণিকা আহৰণ কৰি জগতৰ জীৱ সমাজ, উদ্ভিদ জগত সচল আৰু সজীৱ হৈ আছে। সেইবাবেই আদিম মানুহে সূৰ্য্যকেই একমাত্ৰ ঈশ্বৰ জ্ঞান কৰা-

টোও স্বাভাৱিক। প্ৰাক্ আৰ্য্যসকলৰ সূৰ্য্য পূজাই পৰৱৰ্তী কালৰ আৰ্য্য সংস্কৃতিৰ মাজত খোপনি পুতি সোমাল।

বৈদিক আৰ্য্যসকলৰ মুখ্যদেৱতা বৰুণ আৰু অগ্নি, পিচলৈ ইন্দ্ৰ দেৱতাৰ কল্পনা বৈজ্ঞানিক দৃষ্টিৰে নিৰীক্ষণ কৰিলে স্বাভাৱিক বুলিয়েই কব লাগিব। পানী জীৱৰ অপৰিহাৰ্য্য,—পানীৰ দেৱতা কল্পনা কৰাটোও স্বাভাৱিক; আদিম আৰ্য্যসকলে বৰুণকেই অৰ্চনা কৰিছিল। ঠিক তেনেকৈ তাপ শক্তিৰ আধাৰ, জীৱৰ জীৱনস্বৰূপ। শীতৰ পৰা ৰক্ষা কৰিবলৈ 'জুই'ৰ আৱশ্যক হোৱাত 'অগ্নি' দেৱতাৰ অৰ্চনা চলিছিল, যজ্ঞৰ কুণ্ডৰ উত্তাপত আৰ্য্যসকলে 'অগ্নি'কেই অৰ্চনা কৰিছিল। তাৰ পিচত এই দুয়ো শক্তিৰ মূল এজন জ্ঞান কৰি এজন দেৱতাৰ কল্পনা কৰিলে—সেই প্ৰধান দেৱতাজন 'ইন্দ্ৰ'। বেদৰ ইন্দ্ৰ-বৃত্ৰৰ কাহিনীৰ মাজত এই কল্পনাৰ সাৰ্থকতা বুজিব পাৰি।

তাপ আৰু জ্যোতিৰ উৎস "অগ্নি" প্ৰাণীজগতৰ অপৰিহাৰ্য্য। সেই অগ্নি কৃষি-প্ৰধান সমাজে চন্দ্ৰক সূৰুয আৰু সূৰ্য্যক মাতৃজ্ঞান কৰিছিল; কাৰণ সূৰ্য্য সকলোৰে উৎপত্তিৰ উৎস স্বৰূপ। সেইবাবেই অগ্নিৰ উৎস স্বৰূপ সূৰ্য্যকেই আদিম কালৰ লোক সমাজে ঈশ্বৰ জ্ঞান কৰিছিল। বিভিন্ন ভাষাৰ বিশেষকৈ ভূ-মধ্যসাগৰীয় মহাজাতিৰ লোক-সকলে আদিম কালৰে পৰা বাস কৰা দেশ-সমূহৰ ঈশ্বৰ বাচক শব্দবোৰৰ তাৎপৰ্য্য বিচাৰ কৰিলে ঈশ্বৰৰূপে সূৰ্য্যকেই জনা যায়।

ভাৰতৰ দক্ষিণে দ্ৰাবিড়ী তামিল ভাষাত এল্ মানে সূৰ্য্য, পোহৰ বা দিন বুজায়। তেনেকৈ আৰবীয় ভাষাত বিল্-অল্ মানে ন-জোন, হিব্ৰু ইল্ল-অল্ মানে জোন, গ্ৰীক ভাষাত 'এইলে' মানে সূৰ্য্যৰ উত্তাপ।

ভাৰতৰ বৈদেশিক সাহিত্যতো 'জঙ্গম তথা স্থাবৰ সমস্ত বিশ্বৰ আত্মা সূৰ্য্য" (সূৰ্য্য আত্মা জগতস্তস্থুষশ্চ) বুলি উল্লেখ আছে। প্ৰাণী জগতৰ বা জগতৰ জীৱ-উদ্ভিদ আদিৰ বাবে সূৰ্য্যৰ উত্তাপ, পোহৰ অত্যাৱশ্যক কাৰণে তাপ আৰু পোহৰৰ গৰাকী সূৰ্য্যকেই ঈশ্বৰত্বৰ শাৰীত বহুত্ৰাই অৰ্চনা কৰিছিল। এঠাইৰ দ্ৰাবিড়ীসকলে সূৰ্য্যক বুজোৱা শব্দবোৰ আন ঠাইৰ বিশেষকৈ পশ্চিম দেশৰ ভাষাত্ সূৰ্য্যৰ সলনি বৰ্তমান ঈশ্বৰ বুজায়। তলত ঈশ্বৰ বাচক শব্দবোৰ উল্লেখ কৰা হ'ল।

হিব্ৰু এলি অৰ্থাৎ ঈশ্বৰ, কিন্তু তামিল এল্ সূৰ্য্য চোমালি ইল ঈশ্বৰ।

অকাদিয়ান ইলু ঈশ্বৰ।

বাণ্টু, বেলজিয়াম কঙ্গো ইলু স্বৰ্গ

আৰবীয় ঈশ্বৰবাচক অল্লাহ্ শব্দটো অল্-ইল্-হ অৰ্থাৎ কেৱল ঈশ্বৰ শব্দ সমষ্টিৰ পৰা উদ্ভৱ হৈছে। দক্ষিণ ভাৰতীয় তামিল ভাষাত আলি ruler,

অল্-ৰৱ্ The supreme ruler,



তামিল, কানাৰী—আল্ to rule

তেলেগু —এ'লিক ঈশ্বৰ Lord.

এ'লু to rule.

চুমেৰীয় ইল অৰ্চনা কৰা

কনান এল্ ঈশ্বৰ

গতিকে ভূমধ্য সাগৰীয় মহাজাতিয়ে বাস কৰা দেশসমূহত ঈশ্বৰ বাচক শব্দটো ভাৰতত বিশেষকৈ দ্ৰাবিড়ী ভাষাত ঈশ্বৰ আৰু সূৰ্য্য উভয়কে বুজায়। প্ৰাক্ আৰ্য্যসকলে সূৰ্য্যকেই ঈশ্বৰ জ্ঞান কৰি পূজা অৰ্চনা কৰিছিল আৰু আজিকোপতি বিভিন্ন নামৰ মাজেদি অৰ্চিত হৈছে। শক্তি, তাপ আৰু জ্যোতিৰ মূল উৎস ৰূপে সূৰ্য্যকেই আৰ্য্যসকলেও ঈশ্বৰ জ্ঞান কৰি উপসনা কৰি আহিছে। সূৰ্য্যক বিভিন্ন নামেৰে জনা যায়।

প্ৰাচীন পাৰ্চীয় সাহিত্য আৱেস্তাত মুখ্য দেৱতা হিচাপে 'মিথ্ৰ'ৰ নাম পোৱা যায়। এইজন দেৱতাই বেদত "মিত্ৰ"। সূৰ্য্য আৰু মিথ্ৰ অভিন্ন। বেদত মিত্ৰ সূৰ্য্যৰ ৰক্ষণ শক্তিৰ প্ৰতিনিধি হিচাপে উল্লিখিত হৈছে।

দক্ষিণ ভাৰতীয় কানাৰী মিক উজ্জ্বল Sparkling,

চেমিতিক 'অমিৰ দিন

বাণ্টু—মিলু উজ্জ্বল স্পষ্ট

তেলেগু মেৰুগু

to shine, glitter, bright.

বাস্ক—মৰ্গো উজ্জ্বল

হিব্ৰু—মেৰে উজ্জ্বল হোৱা, দেখা

to shine to see.

বেদত হিৰণ্ময়, সৰ্বদ্ৰষ্টা, ৰক্ষাকৰ্তা শোষণকৰ্তা সূৰ্য্যক মিত্ৰ, সৱিতা (প্ৰসৱ কৰোঁতা, স্ফুৰ্ত্তি দিয়োঁতা অৰ্থত), উষা, অশ্বিন আদি শব্দেৰে জনা যায়। এই শব্দবোৰৰ লগত সাদৃশ্য থকা বিভিন্ন ভাষাত বহুতো শব্দ লক্ষ্য কৰিব পাৰি।

মিছৰীয় ভাষাত স্ব অৰ্থ হৈছে পোহৰ জ্যোতি light;

চুমেৰীয়—সু জুই fire,

সুদ্; সি, সিৰ, পোহৰ

সু-কচ্ছ পোৱা

সিন্ পোহৰ।

বুৰুশ—স সূৰ্য্য।

জৰ্জিয়ান—চৱ্ৰ পোৱা।

নাইজাৰ—বান্তু দজো জুই।

চাহাৰাণ—সে, সু, সি সূৰ্য্য।

মধ্য দ্ৰাবিড়ী—কোণ্ড সিসু আৰু কুই সিসো জুই।

আৰবী—সি-ৰজ্ জ্যোতি

হিব্ৰু—যহ্ মানে উজ্জ্বল হোৱা

বেৰবে—সি জুই

ইটালীৰ উত্তৰাংশৰ কথিত ভাষাত সিজ্জ আৰু সিম্‌ক মানে চিকমিকনি সিগ আৰু চেগ ধোৱা

হিব্ৰু ভাষাত জুইৰ প্ৰতীক হিচাপে লিপিচিনটো ব্যৱহাৰ কৰা শব্দটো ষিন্ আৰু প্ৰাচীন চেমিতিক সিন্ মানে জোন। হিব্ৰু এস্থ দিন day.

চেমিতিক—ইস্ জুই—fire

টোড—অস্ তাপ, জুই—fire

মালয়ালম্ – চয় পোহৰ light

লেটিন—অস্ ণ্ উস্ পোৰা burnt

সংস্কৃত—ৱস্ ধাতুৰ পৰা দীপ্তি অৰ্থাৎ উদ্ভৱ হোৱা উষা শব্দটিৰো অৰ্থ প্ৰকাশমান, দীপ্তিমান। বেদত সৌৰ দেৱতা বুজোৱা সূৰ্য্য, সৱিতা, উষা, অশ্বিন আদি শব্দৰ এনে সাদৃশ্য প্ৰনিধান যোগ্য।

বেদৰ সৱিতা আৰু উষাৰ নামত পৰবৰ্তী কালত প্ৰকাশিত কাহিনী সঁচাকৈ চমকপ্ৰদ। এনে কাল্পনিক কাহিনীবোৰৰ ওপৰত ধৰ্মৰ বিশ্বাস আৰোপ কৰিলেও বাস্তৱ দৃষ্টিত তেনে ধৰ্মৰ ভেটি সোলোক-ঢোলোক হয়।

ঋক্ বেদত ৰব প্ৰাধান্য নিদিলেও যজুৰ্বেদ আৰু অথৰ্ববেদত 'ৰুদ্ৰ'ত ৰব প্ৰাধান্য আৰোপ কৰা হৈছে। উপনিষদৰ কালত ৰুদ্ৰ আৰু শিৱক অভেদ কল্পনা কৰা হৈছে। শ্বেতাশ্বেতৰ উপনিষদত ৰুদ্ৰই একমাত্ৰ অদ্বিতীয় কল্পনা কৰা হৈছে। সাধাৰণ অৰ্থত ৰুদ্ৰক শিৱ অৰ্থাৎ মহাদেৱ বুলি পৌৰাণিক ভাৱত চিন্তা কৰিলেও বেদত অগ্নি, ৰুদ্ৰ আৰু সূৰ্য্য একেজনেই, অৱস্থা আৰু গুণভেদে তুফান দেৱতা, গ্ৰীষ্মকালৰ দেৱতা—অগ্নিৰ প্ৰতীক দেৱতা আদি ভাৱত বিভিন্ন নামেৰে স্তুত হৈছে। যজুৰ্বেদত তিনিচকুৱা ত্ৰম্বক ৰুদ্ৰ নীলগ্ৰীৱ, বিলোহিত; উপনিষদত ৰুদ্ৰই ভৱ, সৰ্ব, পশুপতি, উগ্ৰ, ভীম, অম্বিকাপতি। ইয়াৰ পৰা ৰুদ্ৰ আৰু শিৱ অভেদ বুলি জানিব পাৰি। অথৰ্ববেদৰ "তস্মৈ ৰুদ্ৰায় নমো অস্তগ্নয়ে" মন্ত্ৰত আৰু শতপথ ব্ৰাহ্মণৰ 'অগ্নিবৈ ৰুদ্ৰঃ' অগ্নি আৰু ৰুদ্ৰৰ এককৰণৰ কথাকেই সূচায়।

স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ আদেশত নৱগ্ৰহৰ মন্দিৰৰ সম্মুখত যি শিলালিপি ৰখা হৈছে তাত গ্ৰহেশ্বৰ শিৱৰ কথা উল্লেখ আছে।

"নৱগ্ৰহাত্মক-শিৰোপৰি নৱৰত্নাখ্য

মঠমিমচীকৰদ্বেদাদ্ৰিৰসেন্দু শাকে।"

"(স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ আদেশত তৰুণ দুৱৰা বৰফুকনে) নৱ গ্ৰহাত্মক শিৱৰ ওপৰত এই মঠ সাজি দিলে—শক ১৬৭৪।" ইয়াত শিৱক গ্ৰহেশ্বৰ অৰ্থাৎ সূৰ্য্য বুলি কোৱা হৈছে। নৱগ্ৰহৰ অধিপতি হিচাপে শিৱৰ কল্পনা অতি প্ৰাচীন। ইন্দোনেচীয়াৰ বলি দ্বীপত পোৱা স্তোত্ৰ সংগ্ৰহ * এখনত শিৱ-স্তোত্ৰ এটা আছে; তাত শিৱক গ্ৰহেশ্বৰ বুলি স্তুতি কৰা হৈছে। বৰ্ত্তমান ভাৰতৰ অন্যান্য ঠাইত গ্ৰহেশ্বৰ শিৱক পাহৰি গৈছে। অথচ অসমত গ্ৰহাত্মক শিৱক পাহৰি নোযোৱাকৈ নৱগ্ৰহৰ মজিয়াত শিৱ সংৰক্ষিত হৈ



আছিছে। বহুতো শিৱ দেৱালয়ত সূৰ্য্যৰ মূৰ্ত্তি পৰিলক্ষিত হয়। গুৱাহাটীৰ সিদ্ধেশ্বৰ দেৱালয়ত উপেক্ষিতভাৱে দুৱাৰ মুখত সূৰ্য্য-মূৰ্ত্তি এটি পৰি থকাৰ উপৰিও দেৱালয়ৰ বেৰত সূৰ্য্যমূৰ্ত্তি খোদিত হৈ আছে। অসমৰ কিয় ভাৰতৰ বিভিন্ন ঠাইৰ মন্দিৰবোৰৰ সূৰ্য্য-মূৰ্ত্তিবোৰে একালত সূৰ্য্যপূজাৰ বহুত প্ৰচলনৰ সত্ত্বেদ দাঙি ধৰে। পিচলৈ তান্ত্ৰিক প্ৰভাৱত পৰি পৌৰাণিক শিৱই বা অৰ্ধনাৰীশ্বৰ শিৱই সূৰ্য্যৰ অৰ্চনাৰ স্থান অনা ফালে পোনাই নিয়াত সূৰ্য্যপূজা পাহৰি যোৱা হ'ল।

গতিকে গ্ৰহেশ্বৰ শিৱৰ কল্পনা প্ৰাচীন। বৈদিক ৰুদ্ৰ আৰু সূৰ্য্যৰ অভেদতাৰ দৰে শিৱ আৰু সূৰ্য্য অভেদ। শিৱ প্ৰাক্ আৰ্য্য অৰ্থাৎ দ্ৰাবিড়সকলৰ দান। শিৱ শব্দটো দ্ৰাবিড়ী ভাষাৰ পৰা ধাৰ কৰা শব্দ।

বৰ্ত্তমানেও তামিল ভাষাত অৰ্থ-পৰিবৰ্ত্তনৰ ফলত 'শিৱপ্পু' মানে লোহিত, ৰঙা। ৰঙা বৰ্ণ সূৰ্য্যৰ প্ৰতীক। বিলোহিত সূৰ্য্যই শিৱ। সূৰ্য্য বা শিৱ মঙ্গলদায়ক, জগতৰ প্ৰাণস্বৰূপ শক্তিৰ আধাৰ।

ভাৰতীয় ত্ৰিমূৰ্ত্তিৰ 'শিৱ' যিদৰে সূৰ্য্য-কেই বুজায়—আন দুটি দেৱতা বেদত উল্লেখ কৰা মতেই 'বিষ্ণু' সৌৰ দেৱতাৰূপে জনাজাত। শব্দটোও প্ৰাক্ আৰ্য্য ভাষাৰ পৰা ধাৰ কৰা শব্দ।

তামিল ভাষাত—ৱে—সূৰ্য্য

কুই—পিন্থু আৰু

গোন্দ—পেন—divinity,

কানাৰী—বান—আকাশ sky আৰু

বিসি, বিসু, বিসুপু—তাপ

টোড—পিষ্—সূৰ্য্য the sun.

গঠনকাৰী প্ৰত্যয় 'নু' সংযোগত বিষ্ণু উদ্ভৱ হব পাৰে। দ্ৰাবিড়ী পি-ষ্, বিসি বা বিসু অৰ্থাৎ সূৰ্য্যই বেদৰ আৰাধ্য দেৱতা বিষ্ণু, সকলো জীৱ উদ্ভিদ জগতৰ ত্ৰাণকৰ্ত্তা পালনকাৰী।

ভাৰতীয় ত্ৰিমূৰ্ত্তিৰ অন্যতম ব্ৰহ্মা পুৰাণে সৃষ্টিকৰ্ত্তাৰ প্ৰতীকৰূপে উচ্চাসনত প্ৰতিষ্ঠা কৰি ৰাখিছে। দেৱতাজনৰ কায়িক বৰ্ণনা, কাৰ্য্যাৱলী আলচ কৰিলে বিষ্ণু শিৱৰ স্বৰূপকেই দেখা পোৱা যায়। নামটিৰ লগত সাদৃশ্য থকা ভূমধ্য সাগৰীয় জাতিৰ ভাষাৰ কেইটি-মান শব্দ অৰ্থসহ দাঙি ধৰা হ'ল।

কেন্দ্ৰীয় দ্ৰাবিড়ী—বেৰ্ উথ্—সূৰ্য্য

হিব্ৰু—বাৰাক্—সূৰ্য্য, বিজুলি

ক্লাছিকেল আৰবীয়—বৰাহু—সূৰ্য্য

মাল্টো—বেৰু সূৰ্য্য

কোণ্ড—ৱেৰ—সূৰ্য্য
চুমেৰীয়—বৰ্—পোহৰ, সূৰ্য্য
আৰিচ্—বেৰহনে পোহৰ
মালায়লম্—ৱেনল—তাপ, গ্ৰীষ্মকাল
ৱেম্পল, ৱেম্ম - তাপ,
ৱেম্মিল—সূৰ্য্যৰ তাপ
তামিল—ৱেম্মই তাপ, খং।

গতিকে পৰবৰ্তী কালৰ পুৰাণৰ ত্ৰিমূৰ্তিৰ ব্ৰহ্ম-বিষ্ণু-শিৱ অভেদ ; এক ঈশ্বৰ সূৰ্য্যৰ নামান্তৰ মাথোন। পিচতহে সূৰ্য্যকৈও শক্তিশালী অব্যক্ত ঈশ্বৰৰ বিচাৰ কৰিলে।

---

* কামৰূপা প্ৰথম সংখ্যা ১৯৭২—শ্ৰদ্ধেয় শ্ৰীযুত তীৰ্থনাথ শৰ্মাৰ "কামৰূপৰ কেইটিমান শিৱ মন্দিৰ"

# ॥ জীৱন-তত্ত্ব ॥

॥ শ্ৰীচিন্তাহৰণ পাটগিৰি ॥

'জীৱ' শব্দৰ পৰা 'জীৱন' শব্দৰ উৎপত্তি। জীৱৰ প্ৰকট-অৱস্থাৰ স্থিতি কালকে জীৱন বোলা যায়। জীৱনৰ আদি আৰু অন্ত আছে। দেহাশ্ৰয় কৰি প্ৰকট হলেই জীৱৰ জীৱন আৰম্ভ হয় ; সেয়েই জীৱৰ জন্ম। জীৱৰ দেহাশ্ৰিত স্থিতিকাল শেষ হলে জীৱে দেহত্যাগ কৰে ; সেয়েই জীৱৰ মৃত্যু। জীৱৰ জন্ম আৰু মৃত্যু কালীন অৱস্থাৰ পাৰ্থক্য বুজি দেহাশ্ৰিত প্ৰাকট্যৰ অৱস্থাক জন্ম নাম দি হৰ্ষ, আৰু দেহত্যাগৰ পাচৰ অপ্ৰাকট্যৰ অৱস্থাক মৃত্যু নাম দি বিষাদ প্ৰকাশ কৰা হয়। প্ৰকৃততঃ জীৱৰ জন্ম আৰু মৃত্যু বুলি হৰ্ষ-বিষাদৰ কোনো কাৰণ নাই।

জীৱ চিৎ বা চৈতন্যময় বস্তু। অগ্নিৰ জ্বলন্ত স্ফুলিঙ্গ বা ফিৰিঙটি অগ্নিৰ শক্তি লৈ জ্বলন্ত কাষ্ঠৰ পৰা ফাটি ওলাই অহা বস্তু। তাৰ শক্তিৰ অৱসান হলে অৰ্থাৎ তাৰ অগ্নি নিৰ্বাপিত হলে, অৱশিষ্ট থাকে অঙ্গাৰ। তেতিয়া তাক ফিৰিঙটি বোলা নাযায়, যিহেতু তাৰ দাহিকা শক্তি তাৰপৰা ওলাই গৈ মূল শক্তিৰ লগত মিলিত হয়। এতেকে বুজিব লাগিব অগ্নি স্ফুলিঙ্গ মূল বস্তু নহয় ; ই আন কোনো এটা মূল বস্তুৰ অংশহে। জীৱো ঠিক তেনেকুৱা বস্তু। ইয়ো কোনো মূল বস্তুৰপৰা অহা বস্তু।

দাৰ্শনিক পণ্ডিতসকলৰ এক শ্ৰেণীয়ে মাত্ৰ এটা বস্তুৰ সত্তাহে স্বীকাৰ কৰে ; তেওঁবিলাকৰ এই বিচাৰ ধাৰাৰ নাম 'অদ্বৈতবাদ'। এই বিচাৰমতে একমাত্ৰ বস্তু হৈছে ব্ৰহ্ম। ব্ৰহ্ম পৰমাত্মা আৰু ভগৱান ৰূপেও প্ৰতীত হয়। তেৱেঁই শ্ৰীকৃষ্ণ। তেওঁত বাহিৰে আৰু আন কাৰো সত্তা বা অস্তিত্ব নাই। দ্বিতীয় এক শ্ৰেণীৰ দাৰ্শনিক পণ্ডিতৰ মতে সত্তাৱান বস্তু মাত্ৰ দুটা,—ব্ৰহ্ম আৰু জগত ; এই বিচাৰ ধাৰাক 'দ্বৈতবাদ' বোলা হৈছে।

পিচৰ এক শ্ৰেণীৰ দাৰ্শনিক পণ্ডিতে এই দুয়োটা বিচাৰধাৰাৰ সমন্বয় সাধন কৰি 'অচিন্ত্য-ভেদাভেদ দ্বৈতবাদ' নাম দি নতুন বিচাৰ ধাৰা এটা স্থাপন কৰিছে। এই ক্ষেত্ৰত এইটোৱেই শেষ বিচাৰ ধাৰা। ইয়াৰ পিচত নতুন বিচাৰধাৰা উদ্ভাৱিত হোৱা নাই।

ওপৰোক্ত অচিন্ত্য ভেদাভেদ দ্বৈতবাদ অনুসাৰে অগ্নিৰ পৰা স্ফুলিঙ্গৰ উৎপত্তিৰদৰে জীৱৰ উৎপত্তি বা প্ৰাকট্য হয় ব্ৰহ্ম, অথবা পৰমাত্মা, কিম্বা ভগৱান, অৰ্থাৎ শ্ৰীকৃষ্ণৰ পৰা। সেই কাৰণে ভগৱান শ্ৰীকৃষ্ণ বা পৰমেশ্বৰৰ লগত জীৱৰ অচ্ছেদ্য সম্বন্ধ। এই সম্বন্ধ জ্ঞান নোহোৱাৰ ফলত জীৱে সংসাৰত ত্ৰিতাপ জ্বলাত কষ্ট ভোগ কৰে। সম্বন্ধ-জ্ঞান জন্মিলে জীৱৰ মুক্তি হয়।

ভগৱৎ-বস্তু চিৎ। তেওঁ স্বতন্ত্ৰ, অৰ্থাৎ নিজ ইচ্ছাত পৰিচালিত। তেওঁ পূৰ্ণ বস্তু; তেওঁৰ কোনো অভাৱ নাই। তেওঁ অব্যয়; তেওঁৰ অংশ বিশেষ তেওঁৰপৰা বিচ্ছিন্ন হলেও সেই অংশ তেওঁতে অপূৰ্ণ হৈ নাথাকে। তেওঁ বিভু, অৰ্থাৎ তেওঁ সবাতোকৈ বৃহৎ। লগতে তেওঁ স্বয়ংক্ৰিয়, অৰ্থাৎ তেওঁ নিজেই নিজকে খুচি অনুসাৰে ৰূপান্তৰিত কৰিব পাৰে। তেওঁ সৰ্ব্বশক্তিমান, তেওঁৰ শক্তিৰ অন্ত নাই।

ভগৱন্তৰ অলেখ শক্তিৰ ভিতৰত তিনিটা শক্তি মুখ্য আৰু শ্ৰেষ্ঠ। সেই তিনিটা—অন্তৰঙ্গা শক্তি, বহিৰঙ্গা শক্তি আৰু জীৱ শক্তি। অন্তৰঙ্গা শক্তিক চিৎ শক্তি, মায়া শক্তি, মহামায়া বা যোগমায়া নামেও অভি-হিত কৰা যায়। বহিৰঙ্গা শক্তিক জড়া শক্তি বা জড়ামায়া বোলা হয়। জীৱ শক্তিক তটস্থা শক্তিও বোলে। পৰমেশ্বৰ শ্ৰীকৃষ্ণৰ ইচ্ছাত তেওঁৰ যোগমায়াৰ প্ৰভাৱত জীৱ তেওঁৰপৰা বিক্ষিপ্ত হয়,—সূৰ্য্যৰ পৰা সূৰ্য্যৰ কিৰণকণা বিক্ষিপ্ত হোৱাৰ দৰে। সেই অৱস্থাত জীৱৰ পূৰ্ব্বৰ স্বতন্ত্ৰতা ৰহিত হয়। জীৱ তেতিয়া দুটা আকৰ্ষণৰ অধীন হৈ মূল বস্তু পৰমেশ্বৰ শ্ৰীকৃষ্ণৰ প্ৰতি উন্মুখ আৰু বিমুখ হোৱাৰ স্বভাৱপ্ৰাপ্ত হব পাৰে; সেই কাৰণেই জীৱক তটস্থা শক্তি বোলা হয়; ভগৱানৰ পৰা বিক্ষিপ্ত হলেই জড়াশক্তি বা জড়ামায়াই জীৱৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। জীৱে তেতিয়া ভগৱদ্বিমুখ হৈ সম্বন্ধ জ্ঞান বিস্মৃত হোৱাত সংসাৰত জন্ম মৃত্যুৰ দুখ ভোগ কৰে। এই প্ৰপঞ্চ বা বিশ্ব-জগত ভগৱন্তৰ পৰা বিক্ষিপ্ত হোৱা জীৱসমূহৰ ৰূপ; ই পৰমেশ্বৰ শ্ৰীকৃষ্ণৰ বিৰাট ৰূপ। গীতাত অৰ্জ্জুনক তেওঁ ইয়াকেই দেখুৱাইছিল।

জড় জগতৰ সকলো বস্তু বা প্ৰাণীতকৈ মানুহ উন্নত আৰু শ্ৰেষ্ঠ বস্তু। জীৱে মানৱ দেহ গ্ৰহণ কৰাত মানুহ নাম পায়। মানৱদেহত যি জীৱ আছে সি অণুচিৎ; বিক্ষিপ্ত হোৱাৰ পূৰ্ব্বে জীৱ যি মূলীভূত বস্তুত



লীন আছিল তেওঁ হল বিভুচিৎ, ভগৱান বা পৰমেশ্বৰ। ইয়াত ভেদ হল—পৰমেশ্বৰ বিভুচিৎ, আৰু মানুহ অণুচিৎ; কাৰণ, মানু-হৰ জীৱাত্মাত যি চৈতন্যৰ সত্বা পোৱা যায় সি অণু পৰিমাণৰ। পৰমেশ্বৰ অব্যক্ত মানুহ, ব্যক্ত জীৱ। পৰমেশ্বৰ অব্যয় বা অক্ষয়, মানুহ ক্ষয়শীল বা মৰণশীল। পৰমেশ্বৰ স্বতন্ত্ৰ বা স্বাধীন, মানুহ পৰতন্ত্ৰ, অৰ্থাৎ পৰা-ধীন। মানুহৰ ওপৰত পৰমেশ্বৰ আৰু জড়া-মায়াৰ প্ৰভাৱ আছে; কিন্তু, পৰমেশ্বৰ মায়া-ধীশ হোৱাত তেওঁৰ ওপৰত কাৰো প্ৰভাৱ নাই। আনহাতে মানুহ জড়ামায়াৰ অধীন হোৱাত মায়াৰ গুণত্ৰয় সত্ব, ৰজঃ আৰু তমই মানুহৰ ওপৰত ক্ৰিয়া কৰে। পৰমেশ্বৰ আৰু মানুহৰ ভিতৰত অভেদ এইখিনিতে যে পৰ-মেশ্বৰ চিদ্বস্তু, আৰু জীৱাত্মাযুক্ত মানৱ দেহো দেখাত চিদ্বস্তু। কিন্তু, দেহৰপৰা জীৱটো ওলাই গলে দেহটো মৰা-শত পৰিণত হয়।

এইখিনিতে কব লাগিব যে, মানুহে এটা ডাঙৰ ভুল কৰে,—দেহটোকে মানুহ জ্ঞান কৰে। দেহটো মানুহ নহয়; দেহৰ ভিতৰৰ জীৱ বা দেহীয়েহে মানুহ। নৰহত্যাৰ অপ-ৰাধত অপৰাধী হয় জীৱটোৱেহে। তেতিয়া স্থূলদেহধাৰী জীৱে ন্যায়াধীশৰ বিহিত দণ্ড সেই দেহেৰেই ভোগ কৰে; কিন্তু, সেই জীৱেই মৃত্যুৰ পিচত সূক্ষ্ম দেহটোক লৈ যম-দণ্ড ভোগ কৰে। এনে অৱস্থাত দেহটো ৰাম নহয়, জীৱাত্মাটোৱে হে ৰাম। মানুহৰ নামটো দেহৰ নহয়, দেহীৰ হে।

প্ৰপঞ্চিত হলে জীৱৰ সংসাৰ ভ্ৰমণেই কৰ্ম্ম হৈ পৰে। সংসাৰত জীৱে নানা যোনি ভ্ৰমণ কৰে। লক্ষ লক্ষ যোনি ভ্ৰমণৰ পিচত জীৱে মানুহ যোনিত উঠে। মানৱ দেহ গ্ৰহণ কৰি জীৱে, অৰ্থাৎ মানুহে, নিজকে কৰ্ত্তা বোধ কৰি সংসাৰত অবাধ গতিত আগবাঢ়ে। তেতিয়া নিজৰ গুণানমোদিত কৰ্ম্মৰ ফলানুযায়ী সেই জীৱনত, আৰু পৰ জীৱনতো, জীৱে সুখ-দুখ ভোগ কৰে। সংসাৰী সাত্বিক ভাবাপন্ন কোনো লোকৰ মনত কেতিয়াবা খেলায়,—'মই কি বস্তু, মই আহিলোঁ কৰপৰা, মই যাব লাগিব কলৈ।' তেতিয়া বুজিব লাগিব তেওঁৰ সম্বন্ধ জ্ঞান জন্মিল। এই সম্বন্ধ জ্ঞানেই জীৱক ভগৱদু-ন্মুখ কৰে।

সাত্বিক জীৱন যাপন কৰা জীৱ বা মানুহৰ ক্ৰমোন্নতিৰ লগে লগে ভগৱদুন্মুখতা আহি পৰে। তেতিয়া সম্বন্ধ জ্ঞান মনলৈ অহাত জীৱ ভগৱৎ-প্ৰাপ্তিৰ বাটত ক্ৰমে আগ-বাঢ়ে। অগ্নিৰ স্ফুলিঙ্গৰ দৰে ভগৱৎ-প্ৰাপ্তি-য়েই জীৱৰ জীৱনৰ লক্ষ্য।

ইয়াৰপৰা দেখা যায় সংসাৰত মানুহৰ মাত্ৰ দুবিধ কৰ্ম্মহে কৰ্ত্তব্য হৈ পৰে:—ভগৱদ্বি-মুখতাৰ কৰ্ম্ম আৰু ভগৱদুন্মুখতাৰ কৰ্ম্ম। ভগৱদ্বিমুখতাৰ বাটত চলি মানুহে ৰজঃ তম

গুণৰ উত্তেজনাত সংসাৰত প্ৰায় উচ্ছৃঙ্খল জীৱন যাপন কৰে। খাই-লৈ বাঁচি থকা, ধন-বিৎ আৰ্জি ধনৱন্ত হৈ গৰীৱক শোষণ কৰা, শান্তি প্ৰবৰ্ত্তনৰ ভুৱা দি সমাজৰ আৰু ৰাষ্ট্ৰৰ নেতা হৈ ক্ষমতা দেখুৱাই ফুৰা, প্ৰভৃতি ভগৱদ্বিমুখ লোকৰ কাৰ্য্য। এই শ্ৰেণীৰ লোকৰ কোনোবাই কেতিয়াবা সত্বগুণৰ প্ৰভাৱত কোনো সময়ত ভগৱদুন্মুখ হব খুজিলেও তেওঁৰ গাত ৰজঃ আৰু তম গুণৰ প্ৰাধান্য থকাত সেই বাটত আগ বাঢ়িব নোৱাৰে। বিশেষতঃ সমাজত এই শ্ৰেণীৰ লোকৰ সংখ্যা বেচি হোৱাত সংখ্যালঘু শ্ৰেণীৰ লোকে ভগৱদুন্মুখতাৰ বাটত আগবাঢ়িব খুজিলেও নানা প্ৰকাৰে বাধা পায়। ভগৱদ্বিমুখ শ্ৰেণীৰ লোকৰ কোনোবাই খাই-লৈ সুখেৰে বৰ্ত্তি থাকে যদিও তেওঁৰ সেই সুখ নিত্য বা অস্থায়ী। ধনৱন্ত লোকৰ ধনমদৰ ৰাগী দুদিনীয়া; মৰণ কালত সেই ধনৰ লগত তেওঁৰ বিচ্ছেদ ঘটে। সমাজৰ নেতা বা ৰাষ্ট্ৰৰ গুৰি ধৰোতাসকলৰ ক্ষমতাও তাৎকালিক; ক্ষমতাৰ পৰা চ্যুত হলেই তেওঁবিলাকৰ অস্তিত্ব বিপন্ন হৈ পৰে। জীৱনৰ মূল্য বুজা লোকে ভগৱদ্বিমুখতাৰ বাটতো অতি সাৱধানে আগবাঢ়ে; তেওঁ পদে পদে বাধা বিঘিনি অতিক্ৰম কৰিও ভগৱদুন্মুখ হব খোজে। কাৰণ, তেওঁ জানে যে ভগৱৎ-প্ৰাপ্তিয়েই তেওঁৰ জীৱনৰ পৰমাৰ্থ।

তিনিওটা গুণৰ প্ৰভাৱ মানুহৰ গাত থাকিলেও জীৱনৰ কল্যাণৰ নিমিত্তে মানুহ সত্বগুণী হোৱা বাঞ্ছনীয়। সত্বগুণী হব লাগিলে ৰজঃ আৰু তম গুণক আঁতৰাব লাগিব; সেই গুণ দুটাক আঁতৰাব নোৱাৰিও দমাই থব লাগিব। ৰজঃ তমক দমাই থৈ সত্বগুণী হোৱাৰ অনুশীলন কৰিব লাগে; তেতিয়া সত্বগুণৰ মাত্ৰা বৃদ্ধি হোৱাত ৰজঃ তমৰ মাত্ৰা হ্ৰাস হব। তেনেহলে বিপন্ন হোৱাৰ আশঙ্কা নাথাকিব।

সত্বগুণী হোৱাৰ অনুশীলনৰ ভিতৰত প্ৰধানতঃ আহাৰ নিয়ন্ত্ৰণ। নিৰামিষ আহাৰ সত্বগুণ বৰ্দ্ধক, আৰু সামিষ আহাৰ ৰজোগুণ বৰ্দ্ধক: সেইকাৰণে বিবেকী পুৰুষে নিৰামিষ ভোজন কৰে। আতপ তণ্ডুল, মুগৰ ডালি, গাইৰ দুধ, গৰুৰ ঘিউ প্ৰভৃতি সাত্বিক আহাৰ; মাছ-মাংস, কণি, মচুৰ ডালি প্ৰভৃতি ৰাজসিক খাদ্য। সুৰাপান, বিড়ী চিগাৰেট ধপাত সেৱন প্ৰভৃতি তমোগুণ বৰ্দ্ধক। পাশা, জুৱা প্ৰভৃতি খেলো সেই শ্ৰেণীৰ। এইদৰে সত্বগুণী হোৱাৰ অনুশীলন বহুত আছে; বিবেকীলোকে সেইবোৰ বাচি লৈ অনুশীলন কৰে।

সত্বগুণী হৈ ভগৱদুন্মুখতাৰ বাটত আগবাঢ়োটেই জীৱনৰ প্ৰকৃত উদ্দেশ্য বা পৰমাৰ্থ। অগ্নি স্ফুলিঙ্গৰ শক্তি অগ্নিত লীন হোৱাৰ দৰে, নাইবা সূৰ্য্যৰ কিৰণকণা সূৰ্য্যতে মিলি যোৱাৰ দৰে, মানুহৰ জীৱাত্মাও পৰমাত্মা বা পৰমেশ্বৰত লীন নোহোৱালৈকে থাকিব নোৱাৰে। এতেকে সংসাৰত থাকি যোনি ভ্ৰমণ কৰি ত্ৰিতাপ জ্বালা ভোগ কৰাতকৈ যিমান সোনকালে পাৰি ভগৱৎ-প্ৰাপ্তিৰ যত্ন কৰাটো বুদ্ধিমান ব্যক্তিৰ কাৰ্য্য।

সংসাৰত কোনো বিষয়ৰ শিক্ষা লাভ কৰিবলৈ হলে শিক্ষক নাইবা ওস্তাদ, কিম্বা গুৰুক আশ্ৰয় কৰিব লাগে। ভগৱৎ-প্ৰাপ্তিৰ কাৰণে ভগৱদুন্মুখতাৰ বাটতো গুৰুক আশ্ৰয় নকৰি খোজ ললে জীৱনৰ উদ্দেশ্য সুসিদ্ধ নহয়। এই ক্ষেত্ৰত ভগৱৎৰ তত্বদৰ্শী সদ্‌গুৰুৰ সঙ্গ লোৱাটো বাঞ্ছনীয়। গীতাত ভগৱান শ্ৰীকৃষ্ণে অৰ্জ্জুনকো এই উপদেশ দিছিল। অসদ্‌গুৰুক আশ্ৰয় কৰি, নাইবা নিজেই নিজৰ গুৰু হৈ এই বাটত আগবাঢ়িব খুজিলে উদ্দেশ্য সুসিদ্ধ নহয়; এই সম্পৰ্কে গুৰু যণ্ডামৰ্ক আৰু শিক্ষাৰ্থী প্ৰহ্লাদৰ আখ্যান স্মৰণীয়।

কৃষ্ণ-তত্ববেত্তা জ্ঞানী সদ্‌গুৰু বা আচাৰ্য্য ভগৱান শ্ৰীকৃষ্ণৰ প্ৰতিনিধি; এই কথাকো ভগৱান শ্ৰীকৃষ্ণে অৰ্জ্জুনৰ আগত কৈছে। সদ্‌গুৰুৱে বৰ্ণাশ্ৰমাতিৰিক্ত হৰিভক্তিৰ উপদেশ কৰে। ভক্তি কৰ্ম্মমিশ্ৰা, জ্ঞানমিশ্ৰা আৰু শুদ্ধা হব পাৰে। তেওঁ কৰ্ম্মমিশ্ৰা আৰু জ্ঞানমিশ্ৰাক এৰি থৈ মাত্ৰ শুদ্ধাভক্তিৰ সাধন প্ৰণালীৰ উপদেশ দিয়ে। তেওঁ সম্বন্ধ-জ্ঞান, প্ৰয়োজন আৰু অভিধেয়ৰ শিক্ষা দিয়ে। পৰমাৰ্থই প্ৰয়োজন, আৰু সাধন প্ৰণালীয়েই অভিধেয়।

আচাৰ্য্যে দেখুৱাই দিয়া প্ৰণালী অনুসৰি শিক্ষাৰ্থী বা শিষ্যে সাধনত আগ বাঢ়িলে, সূৰ্য্যৰপৰা কিৰণকণা নামি অহাৰ দৰে, শিষ্যৰ প্ৰতি ভগৱৎ কৃপা আহে। সেই কৃপাৰেই ভগৱন্ত পুৰুষে শিষ্যক সামৰি লয়। তেতিয়া সেই মানৱ দেহধাৰী শিষ্যৰ জন্ম-মৃত্যুৰূপ সংসাৰ মোচন হয়; তেওঁৰ আৰু পুনঃ সংসৃতি নহয়। তেওঁৰ জীৱনৰ তেতিয়া স্থায়ী অৱসান ঘটে।

# : সাহিত্য সমালোচনাৰ মানদণ্ড :

শ্ৰীঅৱনীন্দ্ৰ চন্দ্ৰ বৰা :

ৰবীন্দ্ৰনাথে সাহিত্যৰ স্বৰূপ নামৰ আলোচনা গ্ৰন্থত কৈছে—"সাহিত্য বিচাৰৰ মাপকাঠি এটা সজীৱ পদাৰ্থ।" কালক্ৰমে সি বাঢ়ে আৰু কমে, কৃশ হয় আৰু স্থূলো হৈ থাকে। তাৰ সেই নিত্য পৰিবৰ্ত্তনমান পৰিমান বৈচিত্ৰ্য-দিয়েই সি সাহিত্যিক বিচাৰ কৰিবলৈ বাধ্য, আৰু কোনো উপায় নাই।" ৰবীন্দ্ৰনাথে যথাৰ্থ কথাই কৈছে। মানুহৰ ভাৱ, অনুভূতিলৈয়ে সাহিত্যৰ সৌধ গঢ়ি উঠিছে। মানুহে আত্মবিকাশৰ জয়যাত্ৰাৰ পথত আদি কালৰে পৰা আজিলৈকে যি অভিজ্ঞতা লাভ কৰি আহিছে, সেই অভিজ্ঞতাৰ ৰহঘৰাই হল মানুহৰ সংস্কৃতি। এই সংস্কৃতি পৰিবৰ্ত্তনশীল ৰূপান্তৰশীল। কালৰ অনন্ত প্ৰবাহৰ লগে লগে মানৱ সংস্কৃতিৰো পৰিবৰ্ত্তন, পৰিবৰ্দ্ধন আৰু বিবৰ্ত্তন ঘটি আহিছে। এই বিবৰ্ত্তন এই পৰিবৰ্ত্তনৰ মাজ-মজিয়াতে মানুহে নিজৰ জীৱনৰ জয়যাত্ৰাৰ কঠিয়া সিচিছে। মানুহৰ ব্যক্তিত্বৰ নিৰ্ম্মাণত পৰিস্থিতিৰ প্ৰভাৱ অস্বীকাৰ কৰিবৰ উপায় নাই। পৰিস্থিতি, পৰিবেশ সময়ে মানুহক প্ৰভাৱিত কৰিলেও মানুহ পৰিস্থিতিৰ হাতৰ পুতলামাত্ৰ নহয়; পৰিস্থিতিয়ে মানুহক যন্ত্ৰবদৰে ইচ্ছামতে চলাই নিব নোৱাৰে। কাৰণ প্ৰত্যেকজন মানুহৰ অন্তৰত চেতনাৰ যি শক্তি সুপ্ত হৈ আছে, সেই শক্তিয়ে পৰিস্থিতিৰ প্ৰতিকূলতাৰ মাজতো আত্ম-মুক্তিৰ কথানুসন্ধান কৰিব পাৰে। অনুকূল পৰিস্থিতিয়ো সৃষ্টি কৰিবলৈ মানুহ সক্ষম। মানুহে নিজৰ বিপুল সম্ভাৱনাপূৰ্ণ জীৱনত ইতিহাসৰ অবিচ্ছিন্ন প্ৰবাহত এটি টোপাল হৈ থাকিব নোখোজে। ঐতিহাসিক পৰিবেষ্টনে মানুহৰ ব্যক্তিত্ব গঠনত বহুখিনি সমল যোগায় সঁচা, কিন্তু সেই পৰিবেষ্টনক নিজৰ অনুকূল কৰি লোৱাৰ ক্ষমতাও মানুহৰ আছে। যদি এইটো মিছা হয়, তেতিয়া মানুহৰ ব্যক্তিত্বৰ কাৰণে কোনো স্থানেই নোহোৱা হৈ পৰে। কিন্তু প্ৰকৃত বিচাৰত এইটো সত্য নহয় যে ব্যক্তিত্বৰ বশতেই মানুহে সাহিত্য, কলা, ধৰ্ম্ম, দৰ্শন, আদি ক্ষেত্ৰত নিজৰ সৃজন প্ৰতিভাৰ পৰিচয় দি আহিছে।

আমি যেতিয়া কওঁ, কোনো এক যুগৰ কোনো এজন মহানপুৰুষৰ চিন্তা প্ৰবাহে ইতিহাসৰ ধাৰা সলাই পেলালে আৰু সংস্কৃতিক এক নতুন ৰূপ দিলে, তেতিয়া এইটো ভাবি ললে ভুল হব যে সেই মহানপুৰুষজনৰ আৱিভাৱ আকস্মিক ভাবে হৈছে আৰু সেই আৱিভাৱৰ কাৰণে আগৰ পৰা কোনো ঐতিহাসিক পৃষ্ঠভূমি নিৰ্ম্মাণ হৈ থকা নাই। আপাতদৃষ্টিত এনে আবিৰ্ভাৱ আকস্মিক যেন লাগিলেও ইয়াৰ মূলত এক সুদীৰ্ঘ সময়ৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ স্বাক্ষৰ জড়িত হৈ আছে। ধৰ্ম্ম সমাজ আৰু ৰাজনীতি ক্ষেত্ৰত আজিলৈকে যিমানবোৰ উল্লেখযোগ্য আন্দোলন আৰু বিপ্লৱ হৈছে সেই আটাইবোৰকে যদি ঐতিহাসিক পৃষ্ঠভূমিত বিশ্লেষণ কৰি চোৱা যায়, তেন্তে এইটো স্পষ্ট হৈ পৰে যে, এই বিপ্লৱ বা আন্দোলনবোৰৰ কাৰণে আগৰে পৰা ঐতিহাসিক পৃষ্ঠভূমি নিৰ্ম্মান হৈ আছিল। পৰস্পৰ বিৰোধী শক্তিৰ সংঘৰ্ষত যি শক্তিৰ উদ্ভৱ হৈ আহিছে, সেই শক্তিৰ দ্বাৰাই পৃষ্ঠভূমি নিৰ্মাণ হৈছে। এনে পৃষ্ঠভূমিত যেতিয়া কোনো ব্যক্তিত্বসম্পন্ন পুৰুষৰ আৱিৰ্ভাৱ হয়; তেতিয়া তেওঁ নিজ প্ৰতিভাবলত ইতিহাসৰ প্ৰতিকূলধাৰাক নিজৰ অনুকূল কৰি লবলৈ সক্ষম হয়। মানুহৰ এই যে প্ৰতিভাশক্তি, তাৰ স্ফুৰণতেই উজ্জ্বল হৈ উঠে মানুহৰ ব্যক্তিত্ব। ব্যক্তিত্বই মানুহৰ আটাইতকৈ ডাঙৰ শক্তি। এই শক্তি মানুহে প্ৰকৃতিৰ দান স্বৰূপে পাইছে। এই শক্তি যদি মানুহত নাথাকে আৰু কালৰ প্ৰতিকূল প্ৰবাহৰ বিপৰীতে যদি চলিবলৈ মানুহ অক্ষম হয়, তেন্তে সভ্যতাৰ ইতিহাসত মানুহৰ প্ৰযত্নৰ কোনো মহত্বই নোহোৱা হৈ পৰে। মানুহৰ এই সৃজন প্ৰতিভাৰ পৰিচয় সাহিত্য আৰু শিল্পক্ষেত্ৰত আমি নতুন ৰূপত লবই লাগিছোঁ। পৰিস্থিতি আৰু পৰিবেশৰ পৰা উপাদান সংগ্ৰহ কৰি মানুহৰ প্ৰতিভাই নিত্য-নতুন সৃষ্টিৰ গৌৰৱ অৰ্জ্জন কৰিবই লাগিছে।

এই প্ৰতিভা শক্তিকেই আলঙ্কৰিক অভিনৱ গুপ্তই "অপূৰ্ব্ব বস্তু নিৰ্ম্মাণ ক্ষমা প্ৰজ্ঞা" বুলিছে। কিন্তু এই প্ৰজ্ঞা বা প্ৰতিভাৰ দ্বাৰা যি "অপূৰ্ব্ব বস্তু" নিৰ্ম্মিত হয়, সি সমসাময়িক ইতিহাসৰ পৰা বিচ্ছিন্ন কল্পলোকৰ বস্তু নহয়। মানুহৰ যি প্ৰজ্ঞাই "অপূৰ্ব্ব বস্তু" সৃষ্টিকৰি চমৎকাৰিত্ব দেখুৱালে, সেই প্ৰজ্ঞাও ইতিহাসৰ দ্বাৰা নিয়ন্ত্ৰিত হয়। ঐতিহাসিক পৰি-

বেশৰ লগত ঘনিষ্ঠভাৱে জড়িত হৈ কবি বা কলাকাৰৰ প্ৰতিভাই যেতিয়া সৃষ্টি কাৰ্য্যত লাগে, তেতিয়া স্ৰষ্টাৰ অন্তৰত ভাব বা অনুভূতিৰ যি আলোড়ন উঠে, সেই আলোড়নো সমসাময়িক পৰিবেশত সমতা এই কাৰণেই যেতিয়া আমি কওঁ—কবিৰ সৃষ্টিও কবিৰ সময়ৰ সামাজিক আবেষ্টনৰ প্ৰভাৱ পৰিছে, তেতিয়া আমি তাৰ অৰ্থ এইটোৱেই ধৰি লওঁ যে সেই আবেষ্টনীৰ পৰা কবিয়ে নিজৰ সৃষ্টিৰ উপাদান সংগ্ৰহ কৰিয়েই ক্ষান্ত থকা নাই, তাৰ দ্বাৰা "অপূৰ্ব্ব বস্তু"ৰ সৃজন কৰিবলৈও সক্ষম হৈছে। ব্যাস, বাল্মীকি, কালিদাস, ভৱভূতি, ডান্টে, চেক্সপীয়াৰ, মিলৰিনৰ পৰা ৰবীন্দ্ৰনাথ, শৰৎচন্দ্ৰ, প্ৰেমচন্দলৈকে বিশ্ববৰেণ্য কবি, কলাকাৰসকলৰ সৃষ্টিৰ মূল প্ৰেৰণা উৎস যদি আমি পমখেদি চাওঁ তেন্তে এইটো বুজিবলৈ আমাৰ বেছি সময় নালাগিব যে এই কলাকাৰ কেইজনৰ সৃজন প্ৰতিভা তেওঁবিলাকৰ নিজ নিজ সময়ৰ সাংস্কৃতিক আৰু ধাৰ্মিক পৰিস্থিতিৰে প্ৰভাৱিত হৈ হে বিকশিত হৈছে।

যেতিয়া আমি কালিদাস, চেক্সপীয়েৰ বা ৰবীন্দ্ৰনাথৰ প্ৰত্যাৰ আলোচনা সমালোচনাত প্ৰবৃত্ত হও, তেকিয়া আমি তিনিও গৰাকী কবিৰ সময়ৰ প্ৰবাহটোক পাহৰি যাব নালাগিব। কালিদাস, চেক্সপীয়েৰ, ৰবীন্দ্ৰনাথ তিনিও গৰাকী যুগদ্ৰষ্টা কবি। বিশ্ব-সাহিত্যত তিনিওগৰাকীয়েই আসন লাভ কৰিছে। কিন্তু শ্ৰেষ্ঠতাৰ এই স্বীকৃতি লৈয়ে যদি আমি তিনিওগৰাকীকে একে দৃষ্টিভঙ্গী আৰু একে আলোচনা পদ্ধতিৰে বিচাৰ কৰিবলৈ যাওঁ, তেন্তে সেই বিচাৰ নিৰৰ্থক নহৈ নাথাকে। কাৰণ তিনিওগৰাকী কবি একে পৰিবেশত জন্মা নাই। তিনিওগৰাকী কবিৰ সৃজন প্ৰতিভাৰ পৃষ্ঠভূমি সুকীয়া সুকীয়া। কবীৰো এজন প্ৰতিভাসন্ধান কবি। তথাপি তেওঁ বিদ্যাপতিৰ দৰে ৰসমধুৰ গীত ৰচনা কৰিব পৰা নাই। সূৰদাসৰ গীতৰ সমীক্ষা কবীৰৰ সমীক্ষাৰ আধাৰত কৰিবলৈ যোৱাটোও বিপদজনক। মহাকাব্য ৰচনাৰ কাৰণে যি সামাজিক পৰিস্থিতি অপেক্ষিত, তেনে সামাজিক পৰিস্থিতি কবীৰ বা সূৰদাসৰ সময়ত নাছিল। গতিকে কবীৰ বা সূৰদাসৰ প্ৰতিভাৰ মূল্যাঙ্কন মহাকাব্যৰ লক্ষ্যৰে কৰিব নোৱাৰি। গীতি কাব্যৰ কাৰণে যি নিবিড় ভাবানুভূতি, হৃদয়াবেগ আৰু গীতি ময়তাৰ প্ৰয়োজন, সি মহাকাব্যৰ কাৰণে নহয়। আজিৰ পৰিস্থিতিত তুলসীদাস বা মিলটনে মহাকাব্য ৰচিব পাৰিলেহেঁতেন, সন্দেহ। তুলসীদাসে ৰামচৰিত মানস ৰচনা কৰিলে সূৰদাসে কৰা নাই। মহাকাব্য ৰচনা নকৰিলে কাৰণে কবি ৰূপত সূৰদাসৰ হীনতা প্ৰতিপন্ন নহয় বা মহাকাব্য ৰচাৰ কাৰণে তুলসীদাসৰ শ্ৰেষ্ঠতাও নহয়। প্ৰকৃত বিচাৰত,



নিজ নিজ ক্ষেত্ৰত দুয়োজনেই শ্ৰেষ্ঠ কবি। মহাকাব্যসমূহ যেতিয়া ৰচিত হৈছিল, তেতিয়াৰ পৰা আজিলৈকে ইতিহাসৰ ধাৰা একে ভাৱেই থকা নাই। ইতিহাসৰ বিৱৰ্ত্তনৰ লগে লগে মানুহৰ ভাবজগতত্তো বিৱৰ্ত্তন ঘটি মানুহৰ দৃষ্টিভঙ্গী বহুখিনি বেলেগ হৈ পৰিছে। আজি আগৰ সেই মহাকাব্যৰ যুগ নাই। আজি আমাৰ মাজৰ কোনোৱা কবিয়ে ৰামায়ণ, মহাভাৰত ইলিয়াত বা ওডিচিৰদৰে মহাকাব্য ৰচনা কৰিব নোৱাৰে। কিন্তু ইয়াৰ দ্বাৰা এইটো প্ৰতিপন্ন নহয় যে আজিৰ যুগত কোনো মহাকবি ওপজাই নাই। ৰবীন্দ্ৰনাথ মহাকাব্য ৰচনা কৰা নাই, গীতি কবিতাহে লিখিছে। কিন্তু তেওঁক মহাকবি বুলিব নোৱাৰি জানো ? চেক্সপীয়েৰ আৰু বাৰ্নাড শ্ব দুয়ো জনেই নাট্য-সাহিত্যত জগত জোৰা খ্যাতি লাভ কৰিছে। কিন্তু দুয়োৰে নাট্যকলাৰ আলোচনা একে মানদণ্ডৰে হব নোৱাৰে। চেক্সপীয়াৰৰ নাটকৰ ভাষা, ভাব, দেমালী, শ্ব'ৰ নাটকৰ পৰা বেলেগ। শ্ব'ই ইচ্ছা কৰা হলেও চেক্সপীয়াৰৰ দৰে নাটক ৰচনা কৰিব নোৱাৰিলেহেঁতেন।

প্ৰত্যেক কালৰ সাহিত্য-সমালোচনাৰ কাৰণে একে সিদ্ধান্ত প্ৰযোজ্য হব নোৱাৰে। যি যুগত মহাকাব্য ৰচনা হৈছিল আৰু তাৰ আধাৰত সমালোচনাৰ মানদণ্ড নিৰ্দ্ধাৰিত হৈছিল, সেই যুগ বৰ্ত্তমান যুগতকৈ বেলেগ। সেই যুগত মানুহৰ জীৱনবোৰ আছিল আশাভিমুখী। আজি আদৰ্শৰপ্ৰতি মানুহৰ শ্ৰদ্ধা টুটি আহিছে। সেই যুগত সাহিত্যৰ ক্ষেত্ৰ আছিল মূলতঃ হৃদয়ৰ ক্ষেত্ৰ। ৰসিক পাঠকে সাহিত্যত তেতিয়া অন্বেষণ কৰিছিল ভাববিলাস আৰু আদৰ্শ স্বপ্ন। আজিৰ সাহিত্যত ভাববিলাস আৰু অলীক আদৰ্শৰ স্থান নাই। আজিৰ সাহিত্য বুদ্ধি প্ৰনোদিত। বুদ্ধি আৰু যুক্তি বিচাৰৰ প্ৰৱণতাই আজিৰ সাহিত্যত বাদৰ সৃষ্টি কৰিছে। এইটো স্বাভাৱিকো। ই আজিৰ সাহিত্যৰ বিপুল সম্ভাৱনাৰে ইঙ্গিত দিছে। কিন্তু বিপদ এইখিনিতেই যে নিজ নিজ মতবাদৰ শ্ৰেষ্ঠত্ব ঘোষণা কৰিবৰ কাৰণে আমি পঞ্চমুখ হৈ পৰোঁ আৰু এটা মতবাদ মহত্ব প্ৰমাণ কৰিবলৈ যাওতে আমি ভাবো বাকী মতবাদবোৰ তেনেই ভুল। তেতিয়া অভীষ্ট মতবাদৰ বাহিৰে অন্যান্য মতবাদসমূহ আমাৰ দৃষ্টিত সাৰশূন্য হৈ পৰে। কিন্তু কালৰ পৰিবৰ্ত্তনশীল প্ৰবাহত স্বীকৃত মতবাদ যেতিয়া পুৰণি হৈ পৰে, আৰু নতুন মতবাদে তাৰ ঠাই পূৰায়, তেতিয়া সেই মতবাদৰ আধাৰত প্ৰতিষ্ঠিত আলোচনা সমালোচনাৰ ত্ৰুটি ধৰা পৰি যায়। কোনো মতবাদেই ইতিহাসৰ ধাৰাক ৰুদ্ধ কৰি ৰাখিব নোৱাৰে। যদি সমাজ জীৱনৰ গতিধাৰাক কোনো মতবাদেই বিশেষৰ শৃঙ্খলাত আৱদ্ধ কৰিবৰ চেষ্টা কৰা যায়, তেন্তে সেই গতিধাৰা পঙ্কিল আৰু

কলুষিত হবই আৰু তাৰ "প্ৰাণ ধৰ্ম্মও" অক্ষুণ্ণ হৈ থাকিব নোৱাৰে। সাহিত্যকো যদি কোনো মতবাদবিশেষত সীমিত কৰি তাৰ প্ৰগতিক পঙ্গু কৰি দিয়া হয়, তেন্তে তাৰ পৰিণামো নিশ্চয় প্ৰীতিপদ নহয়।

সৃজন প্ৰতিভাৰ পোহৰতে যি সাহিত্যকাৰ সৃষ্টিকাৰ্য্যতো প্ৰবৃত্ত হয়, তেওঁৰ প্ৰতিভাই ন-ন ক্ষেত্ৰত আত্ম-বিকাশৰ সহাযুসন্ধান কৰিবই। সাহিত্যই যেতিয়া কোনো মতবাদৰ প্ৰতিপাদনত প্ৰচাৰকৰ ভূমিকা লয়, তেতিয়া সেই সাহিত্যত জকাঁটো থাকিব পাৰে, কিন্তু প্ৰাণৰ স্পন্দন নাথাকে। গতিকে সাহিত্যালোচনাৰ ক্ষেত্ৰত এনে প্ৰশ্নও আবান্তৰ – মহাকাব্য লিখা ভাল নে গীতিকাব্য লিখা ভাল? নিজ নিজ যুগৰ কাৰণে দুয়োটাই সত্য। কালিদাসৰ সময়ত যি কবিতা লিখা হৈছিল, সি সেই যুগৰ সত্য আছিল—যিদৰে আজিৰ যুগৰ কাৰণে আজিৰ কবিতা। ইচ্ছা কৰিলেও আমি কালিদাস বা তুলসীদাসৰ যুগ সৃষ্টি কৰিব নোৱাৰোঁ। সেইদৰে মহাকাব্য যিমানেই শ্ৰেষ্ঠ নহওক, তাৰ ৰচনা ব্যক্তি-প্ৰধান যুগৰ কাৰণে উপযুক্ত হব নোৱাৰে। এনে ভাবেই বিভিন্ন যুগৰ কাব্যধাৰা বিভিন্ন সৃতিত প্ৰবাহিত হৈছে আৰু এক এক যুগৰ ৰূপৰেখা লৈ আগবাঢ়িছে, সেইদৰে কাব্যৰ লক্ষণাদি সম্বন্ধেও কাব্য শাস্ত্ৰৰ ৰচয়িতাই সময়ে সময়ে বেলেগ বেলেগ সিদ্ধান্ত নিৰূপণ কৰিছে। সংস্কৃত কাব্যশাস্ত্ৰৰ আচাৰ্য্যসকলে আলোচনাৰ যি সিদ্ধান্ত দাঙি ধৰিছে, সি সেই যুগৰ কাব্যতহে পূৰ্ণৰূপে প্ৰযুক্ত হব পাৰে। আজিৰ যুগৰ কাব্য বিচাৰৰ কাৰণে সি পূৰ্ণাংশই অপৰিহাৰ্য্য নহয়। কাৰণ, যি সাহিত্যৰ সমীক্ষা-নিৰীক্ষাৰ আধাৰত কাব্যশাস্ত্ৰৰ সিদ্ধান্ত স্থিৰ কৰা হৈছিল, সেই সাহিত্যই যেতিয়া নাথাকিল বা পুৰণি হৈ গ'ল, তেন্তে তাৰ আশ্ৰয় অৱলম্বিত সিদ্ধান্ত বৰ্ত্তমান যুগৰ সাহিত্যৰ কাৰণে পূৰ্ণৰূপে প্ৰযুক্ত হব কেনেকৈ? বিংশ শতাব্দীৰ সাহিত্যৰ লগত যেতিয়া এশ বছৰৰ আগৰ সাহিত্যৰ পাৰ্থক্য স্পষ্ট, তেন্তে চাৰিশ পাঁচশ বছৰৰ আগৰ সাহিত্যৰ লগত তুলনাৰ কোনো প্ৰশ্নই উঠিব নোৱাৰে। প্ৰাচীন আচাৰ্য্যসকলৰ সিদ্ধান্তত দৃষ্টিকোণৰ বিভিন্নতা অনুসৰি অমিল দেখা গৈছে। কোনোৱে ধ্বনিক, কোনোৱে বক্ৰোক্তিক, কোনোৱে ৰীতিক, কোনোৱে ৰসক, কোনোৱে অলঙ্কাৰক কাব্য আত্মা বুলিছে। কিন্তু সাহিত্যক কোনো এটাৰ ভিতৰতেই আৱদ্ধ কৰি থব নোৱাৰি। গতিকে যি সাহিত্যালোচনাই কোনো বিশেষ মতবাদ বা দৃষ্টিভঙ্গী প্ৰতিপন্ন কৰিবলৈ উঠি-পৰি লাগে বা জ্যামিতিৰ উপপাদ্যৰ দৰে পাৰম্ভতেই সিদ্ধান্ত একোটা লৈ তাক প্ৰমান কৰিবলৈ সংকল্পবদ্ধ হয় বা য'ত আলোচকৰ প্ৰকৃত সাহিত্যবোধ, উন্মুক্তমন আৰু সমস্যা অনুধাবনৰ সবিনয় প্ৰচেষ্টাৰ



নিদৰ্শন নাথাকে, সেই সাহিত্য সমীক্ষা একাঙ্গী, দোষদুষ্ট আৰু ভ্ৰমাত্মক; এনে সাহিত্য সমালোচনা প্ৰশংসাবাদ কটূক্তিবাদ বা 'প্ৰদৰ্শনবাদ'ৰে নামান্তৰ মাথোন।

আজিৰ সাহিত্যত সমালোচনাৰ যি চানেকী পোৱা গৈছে, তাৰ সৰহভাগতেই আলোচকৰ হৃদয়াবেগ থাকিব পাৰে, কিন্তু চিন্তাৰ গভীৰতা আৰু অনুভূতিৰ প্ৰশান্তি নাই। সমালোচনা ক্ষেত্ৰত চিন্তাৰ তৰলতা আৰু সাৰশূন্যতাই আজিৰ সাহিত্যভূমিত এক অস্থিৰ আৰু বিকল অৱস্থাৰ যে সৃষ্টি কৰিছে তাক লুই কৰিবৰ উপায় নাই। এই দৈন্য সমগ্ৰ ভাৰতীয় সাহিত্যতেই কম বেছি দেখা গৈছে। অসমীয়া সাহিত্যৰ ক্ষেত্ৰত ই অধিক প্ৰকট আৰু স্পষ্ট। কৃষ্ণকান্ত সন্দিকৈ, বাণীকান্ত কাকতী প্ৰমুখ্যে আঙুলিৰ মূৰত লেখিব পৰা দুই চাৰিজন সমালোচকৰ প্ৰতিভাই অৱশ্যে আদৰ্শ সমালোচনাৰ নিদৰ্শন দাঙি ধৰিছে। কিন্তু এই পোহৰে সমগ্ৰ অসমীয়া সাহিত্য আকাশখন জানো পোহৰাই তুলিব পাৰে? গল্প, উপন্যাস আদিৰ ক্ষেত্ৰত অসমীয়া সাহিত্য আগবাঢ়িছে সঁচা, কিন্তু সমালোচনা সাহিত্যৰ ক্ষেত্ৰত ই এতিয়াও অকিঞ্চন। অধ্যয়নৰ অভাৱ, চিন্তাধাৰাৰ বিক্ষিপ্ততা, আত্ম-সমালোচনাৰ প্ৰতি বিমুখতা আৰু সমসাময়িক সাহিত্য প্ৰবাহৰ লগত পৰিচয়হীনতাই আমাৰ সমালোচনা সাহিত্যৰ দৈন্যৰ বোধকৰো প্ৰধান কাৰণ।

শতবাৰ্ষিকী ৰচনা

# ৰায়বাহাদুৰ কণকলাল বৰুৱাৰ দৃষ্টিত অসমত বৈষ্ণৱ ধৰ্মৰ আন্দোলন

শ্ৰীভৱানন্দ ডেকা

"কামৰূপৰ প্ৰাচীন বুৰঞ্জী" নামৰ মহা মূল্যৱান গ্ৰন্থত ৰায়বাহাদুৰ কনকলাল বৰুৱাই সুক্ষ্ম দৃষ্টিৰে অসমীয়া বৈষ্ণৱ ধৰ্মৰ এখনি ছবি আমাৰ আগত দাঙি ধৰিছে। তেওঁ প্ৰথমতে মহাপুৰুষ শঙ্কৰদেৱৰ আবিৰ্ভাৱৰ পূৰ্বে অসমৰ সামাজিক আৰু ধৰ্মীয় কথা এইদৰে বৰ্ণাইছে— "পিছৰ কালৰ উদ্ভৱ বজ্ৰযান পন্থী নাইবা সহজীয়া পন্থী বৌদ্ধ ধৰ্মৰ প্ৰচলন কেবা শতিকা ধৰি কামৰূপত আছিল। কামৰূপৰ কামাখ্যা, কপিলী উপত্যকাৰ লঙ্কা, জয়ন্তীয়া বা ত্ৰিপুৰা ৰজাৰ তলত থকা শ্ৰীহট্ট এই বিধ বৌদ্ধধৰ্মৰ কেন্দ্ৰ হৈ পৰিছিল। এই ধৰ্মৰ নামত যি পাশৱিকতাৰ প্ৰাদুৰ্ভাৱ আছিল, সি অবৰ্ণনীয়। বৰ্ত্তমানলৈ চলি থকা ৰাতিখোৱা বা পূৰ্ণধৰীয়া সম্প্ৰদায়ৰ গুৰি হ'ল তান্ত্ৰিক বৌদ্ধধৰ্ম আৰু জনজাতীয় ৰীতিৰ সংমিশ্ৰণত গঢ়ি উঠা এটা সম্প্ৰদায়। এই সম্প্ৰদায়ৰ অনুগামীসকলক ৰাতিখোৱা সম্প্ৰদায় বুলি জনা যায়। এই সম্প্ৰদায়ৰ অনুগামী এজনে মাংস, মদ আৰু উলঙ্গ নাৰীৰ মাজত নিজৰ ৰিপু দমন কৰিব লাগিছিল। সাধাৰণ শ্ৰেণীৰ মানুহ এই সম্প্ৰদায়ৰ পক্ষপাতী নাছিল। শঙ্কৰ চৰিত লেখক দ্বিজ ৰামানন্দৰমতে তেওঁলোক ভৈৰৱ, উপদেৱতা, গছ, শিল আদিৰ পূজা কৰা লোক আছিল। দেৱতাৰ সন্তুষ্টিৰ বাবে ছাগলী, মহ, কাছ, পাৰ আদি বলি দিয়া হৈছিল। নৰবলিৰ উল্লেখ পোৱা নেযায়। মুছলমান লেখকৰ বিৱৰণীৰ কথা গেইট চাহাবে আঙুলিয়াই দি কৈছে যে সেই সময়ত কামৰূপত ভোগী বুলি এক শ্ৰেণীৰ মানুহ বাস কৰিছিল। এওঁলোকে দুৰ্গাৰ আগত বলি যাবলৈ নিজে আগবাঢ়ি আহে। তাৰবাবে এই লোক-



সকলে বলিৰ আগৰ এবছৰ কাল স্বকীয় মনোবাঞ্ছা পূৰণৰ সকলো প্ৰকাৰৰ স্বাধীনতা পায়। এনেকুৱা কাহিনী সম্পূৰ্ণ সঁচা বুলি মানি লব নোৱাৰি। অৱশ্যে এইটো স্বীকাৰ কৰিবই লাগিব যে শঙ্কৰদেৱৰ প্ৰচাৰিত নৱ, বৈষ্ণৱ ধৰ্মৰ আগতে দেশত তান্ত্ৰিকধৰ্মৰ প্ৰচলন আছিল আৰু নৰবলিৰো প্ৰচলন আছিল। কালিকাপুৰাণত এই কথাৰ উল্লেখ আছে।"

## শঙ্কৰদেৱৰ জন্ম আৰু বাল্যকাল :

শঙ্কৰদেৱৰ জন্ম আৰু বাল্যকাল সম্বন্ধে তেওঁ এইদৰে বৰ্ণাইছে—"চতুৰ্দ্দশ শতিকাৰ কামৰূপত শিৰোমণি ভূঞা চণ্ডিবৰৰ বংশৰেই এজন লোক শ্ৰীশঙ্কৰদেৱ। চণ্ডিবৰক কমতা ৰাজ্যৰ ৰজা দুৰ্লভনাৰায়ণে কামৰূপলৈ আনে। চতুৰ্দ্দশ শতিকাৰ মধ্যভাগত এওঁ কামৰূপলৈ আহে। কামৰূপত অদ্বিতীয় আধিপত্য লাভ কৰাৰ বাবে বিশ্বসিংহই ভূঞাসকলৰ ওপৰত অত্যাচাৰ কৰা সময়ত কুসুম্বৰে আহোমৰ ৰাজ্যৰ অন্তৰ্গত বৰদোৱালৈ আহে। কুসুম্বৰ শিৱভক্ত আছিল। এওঁ পুত্ৰলাভৰ বাবে শিৱক পূজা কৰিছিল। ১৪৪৯ খৃঃত শঙ্কৰদেৱৰ জন্ম হলত বাপেকে ল'ৰাৰ নাম থলে শঙ্কৰ। জন্মৰ কিছু বছৰ পিছতেই মাক-বাপেকৰ মৃত্যু হয় আৰু শঙ্কৰদেৱক বুঢ়ীমাক খেৰসূতীয়ে ডাঙৰ দীঘল কৰে। তেওঁ অলপতে এজন সুদক্ষ লোক হৈ উঠিছিল। শাৰীৰিক বল আৰু বুদ্ধিৰ উৎকৰ্ষতা লাভ কৰিছিল। পঢ়া-শুনা, খেল-ধেমালি আদিত সকলো ব্ৰাহ্মণ আৰু কায়স্থৰ ল'ৰাতকৈ তেওঁ আগবঢ়া আছিল। ডাঙৰ হোৱাৰ লগে লগে তেওঁ এজন সুন্দৰ সুঠাম ডেকা হৈ পৰিছিল আৰু এজন পণ্ডিতো হৈছিল। তেওঁৰ বংশৰ পুৰোহিৰ ল'ৰা ৰামৰাম তেওঁৰ অতি আদৰৰ সঙ্গী আছিল। তেওঁলোক দুয়োজনে ব্ৰহ্মপুত্ৰ সাঁতুৰি পাৰ হব পাৰিছিল। ডাঙৰ হলত শঙ্কৰদেৱে বিয়া কৰাই গৃহস্থালী কামত লাগে। এটি কন্যা তেওঁৰ জন্মিছিল আৰু উপযুক্ত বয়সত তেওঁক হৰি নামৰ এজন ল'ৰাত বিয়া দিছিল। তাৰ পিছত তেওঁৰ ঘৈণীয়েকৰ মৃত্যু হয়।"

## তীৰ্থ ভ্ৰমণ :

নৱ বৈষ্ণৱ ধৰ্ম অসমত প্ৰচাৰ কৰোঁতে তেওঁ তীৰ্থ ভ্ৰমণৰ পৰা কি শিক্ষা পাইছিল তাক বৰুৱাদেৱে এইদৰে বৰ্ণাইছে—"শঙ্কৰদেৱৰ আগৰে পৰা ধৰ্ম বিষয়ৰ প্ৰতি স্পৃহা আছিল। তেওঁ সংসাৰ ত্যাগ কৰি ধৰ্মতেই লগাৰ ইচ্ছা কৰিছিল। এদিনাখন তেওঁ ভাৰতৰ পবিত্ৰ স্থানবোৰ দৰ্শন কৰাৰ বাবে যাত্ৰা কৰিছিল। বাৰ বছৰকাল ভাৰতৰ বিভিন্ন ঠাইত ঘূৰি ফুৰা ঠাইবোৰৰ সম্পূৰ্ণ বিৱৰণ ঠিকমতে পোৱা নেযায়। তেওঁৰ জীৱন চৰিতৰ পৰা জনা যায় যে তেওঁ এই

সময়ৰ ভিতৰতে বিখ্যাত সন্তপুৰুষ কবিৰক লগ পায়। কবিৰৰ লগত তেওঁৰ পৰম বন্ধুত্ব গঢ়ি উঠে। পুৰীৰ মন্দিৰো তেওঁ দৰ্শন কৰিছিল। আৰু দক্ষিণৰ ফালেও সম্ভৱ গৈছিল। কাৰণ দেখা যায় যে তেওঁ দক্ষিণ ভাৰতৰ ৰামনুজ স্বামীৰ দৰে 'বিশিষ্টাদ্বৈতবাদ' গ্ৰহণ কৰিছিল। তেওঁ বাৰ বছৰ কাল ভ্ৰমণত বহুতো পণ্ডিত, সাধু, ধৰ্ম্মগুৰুক লগ পাইছিল আৰু তাৰপৰা এই সিদ্ধান্তলৈ আহিছিল যে নিজৰ আধ্যাত্মিক উন্নতিৰ বিকাশৰ বাবে আৰু মানৱৰ সেৱা কৰাৰ উপযুক্ত হোৱাৰ বাবে কোনেও সংসাৰ ত্যাগ কৰিব নেলাগে। তীৰ্থ ভ্ৰমণৰ পৰা ঘূৰি অহাৰ পিছত তেওঁ আকৌ এবাৰ বিয়া কৰাইছিল। তেওঁ গীতা ভাগৱতৰ পৰা অনা বস্তুৰে সজোৱা তেওঁৰ ধৰ্ম প্ৰচাৰ কৰিবলৈ ধৰিলে।"

## শঙ্কৰদেৱৰ ধৰ্ম চৈতন্যৰ ধৰ্মৰ পৰা বেলেগ :

অসমৰ বৈষ্ণৱ ধৰ্ম চৈতন্যৰ ধৰ্মৰ পৰা যে বেলেগ তাক বৰুৱাদেৱে ভালকৈ ব্যাখ্যা কৰিছে। শঙ্কৰদেৱ চৈতন্যৰ অনুগামীও নহয় আৰু প্ৰয়োজনাৰ ধৰ্মমতো বেলেগ। বৰুৱাদেৱে কৈছে : "(১) শঙ্কৰদেৱৰ জন্ম হয় ১৪৪৯ খৃঃত; কিন্তু চৈতন্যৰ জন্ম হয় ১৪৮৬ খৃঃত। শঙ্কৰদেৱে প্ৰথমবাৰ তীৰ্থ ভ্ৰমণলৈ যোৱা কালত হয়তো চৈতন্যৰ জন্মই হোৱা নাছিল। তাৰ উপৰি ২৪ বছৰ বয়সৰ আগতে অৰ্থাৎ ১৫১০ খৃঃৰ আগেয়ে চৈতন্যই সংসাৰ ত্যাগ কৰা নাছিল। (২) শঙ্কৰদেৱে পঞ্চদশ শতিকা শেষ হোৱাৰ বহু পূৰ্বেই তেওঁৰ মত প্ৰচাৰ কৰিছিল। (৩) প্ৰথম তীৰ্থ ভ্ৰমণৰ কালত শঙ্কৰে চৈতন্যক লগ পোৱা নাছিল। অৱশ্যে বৰপেটাৰ পৰা যাত্ৰা কৰা তেওঁৰ দ্বিতীয় তীৰ্থ ভ্ৰমণৰ বেলিকা তেওঁ চৈতন্যক লগ পাইছিল পুৰীত—প্ৰায় ১৫৩০ খৃঃত। এই সময়ত শঙ্কৰ বুঢ়া হৈছিল—প্ৰায় ৮১ বছৰ বয়সীয়া। (৪) চৈতন্য বা অদ্বৈতাচাৰ্য্য পূৰ্ণ দ্বৈতবাদত বিশ্বাসী। আনহাতে শঙ্কৰৰ মত হ'ল বিশিষ্টাদ্বৈতবাদ।"

## নৱ বৈষ্ণৱ ধৰ্মৰ ধাৰা :

নৱ বৈষ্ণৱ আন্দোলনে সেই সময়ত গোটেই ভাৰততে এক নতুন চিন্তাৰ সোঁত বোৱাইছিল। সেই কথা ব্যাখ্যা কৰি বৰুৱাদেৱে কৈছে—"নৱ বৈষ্ণৱ ধাৰাই য'ত এক পৰম ঈশ্বৰৰ প্ৰতি আনুগত্য জনোৱা হয়, পশুবলিক য'ত ঘৃণা কৰা হয়, য'ত দৈনিক ক্ৰিয়া কৰ্মৰ স্থান নাই আৰু য'ত আছে কেৱল ঈশ্বৰৰ নাম আৰু প্ৰাৰ্থনাৰ ৰীতি-তেনে বৈষ্ণৱ ধৰ্মই শঙ্কৰৰ মন আকৰ্ষিত কৰিছিল। এই হিন্দু ধৰ্মৰ ধাৰা প্ৰথমতে ৰামনুজে প্ৰচাৰ কৰে। ৰামনুজ আছিল বেদান্ত সূত্ৰ আৰু ভাগৱত গীতাৰ এজন মহান ব্যাখ্যা কৰোঁতা ব্যক্তি। তেওঁ খৃষ্টাব্দ দ্বাদশ শতিকাৰ



মানুহ আছিল। বেদান্ত ব্যাখ্যাত তেওঁ তেওঁৰ পূৰ্ব্ববৰ্ত্তী শঙ্কৰাচাৰ্য্যতকৈ বেলেগ অৰ্থ ডাঙি ধৰিছিল। তেওঁৰমতে ব্ৰহ্মৰ লগত একত্বই ঈশ্বৰৰ অধীন হোৱাকে বুজায়। তেওঁৰমতে সেয়ে সগুণ আত্মা নিৰ্গুণ আত্মাৰ অধীন আৰু ইয়াৰ অস্তিত্ব নিৰ্গুণ আত্মাৰ ওপৰতহে নিৰ্ভৰ কৰে। সগুণ আত্মা সূৰ্য্যৰ ৰশ্মিৰ দৰে। সূৰ্য্য অবিহনে ৰশ্মি থাকিব নোৱাৰে। প্ৰতিটো ৰশ্মিকণা সূৰ্য্যৰ অংশ আৰু সেই একে সৃষ্টিৰ পৰা ই আহে। কিন্তু ৰশ্মিকণাই সূৰ্য্য নহয়। যদিও ৰামনুজে নিৰ্গুণৰ লগত একত্বৰ কথা কৈছে—তেওঁ সগুণ আত্মা আৰু ব্ৰহ্মৰ মাজৰ পাৰ্থক্যৰ ওপৰত গুৰুত্ব দিছিল। ইয়াৰ ফলতেই অদ্বৈতবাদ আৰু দ্বৈতবাদ এই দুটা বিপৰীতমুখী পন্থৰ মাজত সংহতি আহিছিল। এই দৰ্শনত বিশ্বাস আৰু ভক্তিৰ ঠাই আছে। আনহাতে চৰম অদ্বৈতবাদে সকলো বস্তুতে নিৰ্গুণ আত্মাৰ চৰম বিকাশৰ ৰূপ দেখে; যিটো কথা বহুতো মানুহৰ ধাৰণাৰ অতীত। ইয়াক বৌদ্ধধৰ্মৰ শূন্যবাদৰ পৰা বেলেগ বুলি কব নোৱাৰি, যিটো কথাৰ শঙ্কৰাচাৰ্য্যই দুৰূহ ব্যাখ্যা দিবলৈ যত্ন কৰিছিল।

বিশিষ্টাদ্বৈতবাদে দ্বৈতবাদৰ সগুণ আত্মা ভগৱৎ আত্মাৰ পৰা মূলতেই বেলেগ বুলি কোৱা কথা মানি নলয়। ভগৱান আৰু মানুহৰ সম্বন্ধ—পিতা-পুত্ৰ নাইবা গৰাকী আৰু কালৰ সম্বন্ধৰ দৰে বুলি বিশিষ্টাদ্বৈতবাদে কয়। স্বামী আৰু স্ত্ৰীৰ সম্বন্ধ, যিয়ে জীৱ আৰু ব্ৰহ্মৰ কিছু পৰিমাণে সমানত্বৰ আৰু মৌলিক ভাৱে পাৰ্থক্যৰ কথা কয়, তাক পোৱা যায় দ্বৈতবাদী দৰ্শনতহে। দাস্যভাৱ বা গৰাকী আৰু দাসৰ সম্বন্ধৰ ভাৱধাৰা শঙ্কৰদেৱে গ্ৰহণ কৰিছে। তেওঁ তেওঁৰ প্ৰায়বোৰ লিখনিতে নিজকে 'কৃষ্ণৰ কিঙ্কৰ' বুলি বৰ্ণাইছে। আনহাতে, মধুৰ বা শৃঙ্গাৰ ভাব চৈতন্যৰ মতবাদৰ মূল আদৰ্শ।"

## শঙ্কৰদেৱৰ ভক্তি তত্ব :

"শঙ্কৰদেৱৰ মতে অব্যক্ত আৰু নিৰ্গুণ ব্ৰহ্মক পাব পাৰি কেৱল এজন ব্যক্ত ভগৱানৰ প্ৰতি ভক্তিৰ মাজেৰেহে। এই ব্যক্ত ভগৱান সকলো বিশিষ্ট গুণৰ দ্বাৰা ভূষিত তেওঁৰ মাধৱদেৱে শঙ্কৰদেৱক তলত দিয়া দৰে বৰ্ণাইছে : "নিৰ্গুণ কৃষ্ণৰ, গুণক প্ৰকাশ, কৰিলা শ্ৰীশঙ্কৰ"। ইয়াৰ অৰ্থ এয়ে যে যদিও ভগবান সকলো গুণৰ অতীত অৰ্থাৎ নিৰ্গুণ, তথাপি ভক্তৰ বাবে, তেওঁ ব্যক্ত হয়। গীতাত এনে ব্যক্ত ভগবানেই অৰ্জ্জুনক কৈছিল—"হে অৰ্জ্জুন, তুমি সকলো ধৰ্ম পৰিহাৰ কৰি মোতেই মাত্ৰ আশ্ৰয় লোৱা আৰু মোকেই ভজনা কৰা; তুমি ভয় নকৰিবা,—তোমাক মই সকলো পাপৰ পৰা উদ্ধাৰ কৰিম।" ভাগৱতত একে ব্যক্ত ভগবানেই উদ্ধৱকো

একে বুদ্ধি প্ৰদান কৰিছিল। শঙ্কৰৰ ধৰ্ম সেয়েহে গীতা আৰু ভাগৱতৰ ভিত্তিত প্ৰতিষ্ঠিত।

**শঙ্কৰদেৱৰ ধৰ্ম প্ৰচাৰ :**

মহাপুৰুষ শঙ্কৰদেৱে ধৰ্ম প্ৰচাৰৰ ক্ষেত্ৰত কিবোৰ বাধাৰ সন্মুখীন হৈছিল আৰু আটাইবোৰ বাধা নিৰ্মূল কৰি কেনেদৰে নিৰ্মল ভাগৱতী ভক্তিৰ ধাৰা বোৱাইছিল তাক এইদৰে বৰ্ণোৱা হৈছে—"শঙ্কৰদেৱে (শঙ্কৰে) তেওঁৰ এই ধৰ্ম তেওঁৰ অঞ্চলৰ লোকৰ মাজত প্ৰচাৰ কৰিবলৈ ধৰিলে। প্ৰথমে ব্ৰাহ্মণসকলে এই প্ৰচাৰ কাৰ্যত বাধা জন্মাইছিল। কিন্তু তেওঁৰ (শঙ্কৰদেৱৰ) এজন লোকৰ ঘৰৰ এটা উৎসৱত গোট খোৱা পণ্ডিতসকলক পৰাজয় কৰাৰ পিছৰ পৰা ব্ৰাহ্মণসকলে খোলা-খুলিভাৱে আৰু সাহসেৰে তেওঁক বিৰোধ কৰা নাছিল। তেওঁৰ পুৰণি বন্ধু ৰামৰামৰ বাহিৰেও তেওঁৰ ৰত্নাকৰ কন্দলি, ব্যাসকলাই আদি লোকসকল তেওঁৰ পুৰণি শিষ্য। মাধৱদেৱৰ বৈনায়েক গয়াপাণিয়ে শঙ্কৰদেৱৰ শিষ্যত্ব গ্ৰহণ কৰিছিল আৰু এই গয়াপাণিয়েহে (ৰামদাস) মাধৱদেৱক শঙ্কৰদেৱৰ লগত লগলগাই দিয়ে। যেতিয়া দুয়োজনৰ দেখা-দেখি হয়, তেতিয়া তেওঁলোকৰ মাজত মহা তৰ্কযুদ্ধ হয়। মাধৱদেৱ শাক্ত আছিল—এজন সুদক্ষ পণ্ডিত আৰু শাস্ত্ৰজ্ঞ আছিল। তেওঁ পূজাত বলি দিয়াৰ বাবে এটা পাঠা ছাগলী কিনি থৈছিলেই। শঙ্কৰে তেওঁৰ লগত তৰ্ক কৰে আৰু তেওঁক বলি উছৰ্গা কৰাৰ পৰা বাধা দিবলৈ যত্ন কৰে। অৱশেষত তেওঁ এটা শ্লোক মাতিছিল—তাৰ অৰ্থ হ'ল এনে—

> "গছৰ গুৰিত পানী দিলে ডাল, পাত, ফুল বিকশিত হৈ উঠে; কিন্তু তুমি যদি পাত আৰু ডালত পানী ঢালি দিয়া তাৰদ্বাৰা গছৰ কোনো অংশ বিকশিত নহয়। তোমাৰ শৰীৰক অঙ্গ-প্ৰত্যঙ্গবোৰৰ পুষ্টিসাধনৰ বাবে তুমি আহাৰ খাই ভোক গুচাব লাগিব; কিন্তু তুমি যদি অনাহাৰে থাকা আৰু প্ৰত্যেক অঙ্গতেই কেৱল অলঙ্কাৰ পৰিধান কৰা, তুমি সন্তুষ্ট লাভ নকৰিবা। এইদৰে যিজনে পৰমদেৱতাক পূজা কৰে তেওঁ সকলো সৰু সৰু দেৱতাকো সন্তুষ্ট কৰিব পাৰে। কিন্তু তেওঁ যদি যিকোনো এটা সৰু দেৱতাক পূজা কৰে, তাৰ দ্বাৰা কোনো সন্তুষ্ট নহয়।"

মাধৱদেৱ পৰাজিত হৈছিল আৰু তৎক্ষণাত বলি উছৰ্গা কৰা কথা ত্যাগ কৰিছিল আৰু শঙ্কৰৰ এজন পৰম ভক্ত হৈ পৰে। শঙ্কৰ মাধৱৰ যুক্ত প্ৰচেষ্টাই নতুন ধৰ্মৰ তীব্ৰ বিকাশ সাধন কৰিছিল। ব্ৰাহ্মণসকলে তেতিয়া ভয় খাইছিল আৰু আহোম



ৰজাৰ আগত শঙ্কৰদেৱৰ বিৰুদ্ধে কথা লগাইছিল। আহোম ৰজাৰ আগত কথা লগাইছিল যে শঙ্কৰে সাধাৰণ ধৰ্ম-ৰীতিবোৰ মানুহক পালন কৰিবলৈ মানা কৰি ধৰ্মৰ বিনাশ সাধন কৰিছিল। আহোম ৰজাই শঙ্কৰদেৱক ৰাজ সভালৈ বিচাৰৰ বাবে মাতি আনি শ্ৰাদ্ধ মানে কি সুধিছিল। ইয়াৰ অৰ্থ ৰজাক ব্যাখ্যা কৰি কোৱা হৈছিল। যেতিয়া এজন মানুহৰ মৃত্যু হয়, তেওঁৰ আত্মীয়বোৰে পিণ্ড আৰু কাপোৰ, সাজ বাচন, অলঙ্কাৰ আদি দান দিয়ে। এইবোৰ এজন ব্ৰাহ্মণ পুৰোহিতৰ জৰিয়তে দিয়ে। কিন্তু প্ৰকৃততে এই দানৰ সামগ্ৰীবোৰ পুৰোহিতজনে নিজে নিয়ে। ৰজাই মানুহত এনে সহজে বিশ্বাস কৰা কথা আৰু মানুহক যে ইমান সহজে প্ৰভাবান্বিত কৰিব পাৰি, তাকে দেখি তবধ মানিছিল। তেওঁ তৎক্ষণাত ধৰ্ম লৈছিল যে শঙ্কৰে একো ভুল কৰা নাই আৰু তেওঁক যাবলৈ নিৰ্দ্দেশ দিলে। ব্ৰাহ্মণসকলে কিন্তু তেওঁৰ বিৰুদ্ধে কাম কৰিয়েই আছিল আৰু অৱশেষত তেওঁ আহোমৰ ৰাজ্যত থকাটো অসম্ভৱ বুলি ভাবিছিল। কোচ ৰজাৰ সাধু চৰিত্ৰ আৰু বুদ্ধিদীপ্ত শাসনৰ কথা তেওঁ শুনিছিল। সেয়ে তেওঁ তেওঁৰ অনুগামী সকলৰ লগত প্ৰায় ১৫৩৭ খৃঃত কোচ ৰাজ্যলৈ গৈছিল। বোধকৰোঁ সেই সময়ত নৰনাৰায়ণ ৰাজপাটত উঠা নাছিল। কিছু সময়ৰ বাবে কাপলা, চুনপোৰা ভেটি আৰু কুমাৰকুছিত থকাৰ পিছত পাটবাউসীত বাস কৰাৰ সময়ত শঙ্কৰ (দেৱ) বাৰ্দ্ধক্য প্ৰাপ্ত হৈছিল। পাটবাউসীটো তেওঁৰ প্ৰখ্যাত সহযোগী ব্ৰাহ্মণ দামোদৰদেৱে তেওঁৰ লগ লাগে। তাত থকা সময়ত ব্ৰাহ্মণসকলে তেওঁৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰিছিল আৰু কোচ ৰজা নৰনাৰায়ণৰ আগত কথা লগাইছিল। শঙ্কৰদেৱ কোচ ৰজাৰ ৰাজ সভালৈ গৈছিল আৰু তৰ্কত তাত গোট খোৱা ব্ৰাহ্মণ পণ্ডিতসকলক পৰাজিত কৰিছিল। নৰনাৰায়ণ শঙ্কৰৰ ওপৰত বৰ সন্তুষ্ট হৈছিল আৰু বৰপেটাৰ তাঁতিকুছিৰ গোমস্তা বা মেজিষ্ট্ৰেট পাতিছিল। তেওঁ এই পদবী সোনকালে এৰি দিছিল আৰু মাধৱদেৱৰ সৈতে দ্বিতীয়বাৰৰ বাবে তীৰ্থ ভ্ৰমণৰ বাবে ওলাইছিল। তেওঁ তেওঁৰ পুৰণি সুহৃদ কবীৰৰ বিচাৰ কৰিছিল, কিন্তু ইতিমধ্যে কবীৰৰ মৃত্যু হোৱা বুলি জানিছিল। তেওঁ পুৰীলৈ গৈছিল আৰু সেই সময়ত মৌনব্ৰত অৱলম্বন কৰি থকা চৈতন্যক লগ পাইছিল। দুয়োজন ধৰ্ম-গুৰুৰ মাজত কোনো কথা বতৰা হোৱা নাছিল। কিন্তু নিজৰ কমণ্ডলুৰ পানী পেলাই বুজাই দিছিল যে বেগৱতী পানীৰ ধাৰৰ দৰে তেওঁৰ ধৰ্ম হ'ল এটা সুঁতিৰে অনন্ত সোঁতত বৈ যোৱা ভগৱৎ ভক্তি। দ্বিতীয় তীৰ্থ ভ্ৰমণৰ পিছত শঙ্কৰদেৱ বেছি দিন জীয়াই নাছিল। সুদীৰ্ঘ ১১৮ বছৰ বয়স

লাভ কৰাৰ পিছত তেওঁ ১৫৬৮ খৃঃত কোচবিহাৰত ইহলীলা সম্বৰণ কৰে। মাধৱদেৱ আৰু দামোদৰদেৱ দুয়োজনে ইয়াৰ পিছত তেওঁৰ ধৰ্মৰ বিস্তৃতি ঘটাইছিল। ইংৰাজ ভ্ৰমণকাৰী ৰাল্‌ফ ফিট্‌চে কোচবিহাৰ ভ্ৰমণ কৰাৰ আগেয়ে শঙ্কৰী ধৰ্মই গোজপুতি লৈছিল।"

## শঙ্কৰী ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰ

ৰায়বাহাদুৰ কণকলাল বৰুৱাদেৱে দেখুৱাইছিল যে শঙ্কৰদেৱৰ প্ৰকৃত অনুগামী দামোদৰদেৱ আৰু মাধৱদেৱে তেৰাৰ ধৰ্মৰ বিকাশ সাধন কৰিছিল। ধৰ্মগুৰু নিয়োগ আৰু সত্ৰ স্থাপনৰ দ্বাৰা এওঁলোক দুজনে অসমীয়া সমাজৰ মহান্ হিতসাধন কৰি গৈছে। বৰুৱাদেৱে কৈছিল—"মাধৱদেৱ আৰু দামোদৰদেৱ দুয়োজনে এই নতুন ধৰ্মৰ বিকাশৰ বাবে ধৰ্ম প্ৰচাৰক আৰু সত্ৰ স্থাপন কৰিছিল। মাধৱদেৱৰ পৰা বঢ়া আৰু তেওঁ নিয়োগ কৰা ধৰ্ম-গুৰুসকলক লৈ মহাপুৰুষীয়া সত্ৰ স্থাপন হৈছিল আৰু দামোদৰদেৱ আৰু তেওঁৰ শিষ্যৰ পৰা বঢ়া সত্ৰবোৰ হ'ল দামোদৰীয়া সত্ৰ। বৰ্ত্তমানো এইবোৰ অসমৰ উল্লেখযোগ্য ধৰ্ম্ম অনুষ্ঠান। সমূহীয়া প্ৰাৰ্থনাৰ বাবে নতুন ধৰ্ম্মৰ বিস্তাৰৰ লগে লগে নামঘৰৰ সৃষ্টি হৈছিল। অসম উপত্যকাৰ প্ৰত্যেক হিন্দু গাওঁতেই নামঘৰ আছে।

আগতেই কোৱা হৈছে শঙ্কৰদেৱ এজন বিদগ্ধ লেখক আছিল। ভাগৱত পদ্যভাৱে লিখাত বাহিৰেও তেওঁ অসমীয়াত কেবাখনো নাটক লিখে। মাধৱদেৱে দুখন অমূল্য গ্ৰন্থ ৰচনা কৰে—নামঘোষা আৰু ভক্তি ৰত্নাৱলী। দামোদৰদেৱ কোনো বিষয়ৰ লেখক আছিল নে নাই জনা নেযায়, কিন্তু তেওঁৰ প্ৰিয়তম শিষ্য ভট্টদেৱে গীতাখন অসমীয়া গদ্যলৈ অনুবাদ কৰিছিল আৰু এইখন অসমীয়া গদ্য সাহিত্যৰ প্ৰথম গ্ৰন্থ বুলি বিশ্বাস কৰা হয়। শঙ্কৰ-মাধৱ দুয়োজনা সঙ্গীতৰ পুৰুষ আছিল আৰু দুয়োজনে বৰগীত নামৰ বহুতো ভক্তি-মূলক গীত ৰচনা কৰিছিল।

এই নতুন ধৰ্ম্মৰ প্ৰধান বৈশিষ্ট্য হ'ল সৰু সুৰা দেৱ-দেৱীৰ পূজা আৰু প্ৰাণীৰ বলিৰ বিৰোধিতা কৰা। উপনিষদক ভিত্তি কৰি কোৱা হৈছিল যে পৰমেশ্বৰ ভগবান হ'ল সনাতন আৰু চিৰন্তন পৰম সত্বা; ব্যক্তি আত্মা ইয়াৰ এটা অংশ মাথোঁ; কিন্তু আন সকলো হ'ল পৰিবৰ্ত্তনশীল আৰু ক্ষয়কাৰী পদাৰ্থ। সৰ্বসত্বা ভগবানক নেজানি যিবোৰে পদাৰ্থক পূজা কৰে, তেওঁলোক হ'ল মূৰ্খ। এই বিষয়ে শঙ্কৰদেৱ এনে কঢ়া আছিল যে তেওঁ তেওঁৰ বিশ্বাসী শিষ্য ব্যাসকলায়ে বসন্তৰোগৰ বাবে পুত্ৰৰ ৰক্ষাৰ্থে শিতলা দেৱীক পূজা কৰা বুলি জানি তেওঁক বাহিৰ কৰি



দিছিল। আনহাতে, এইটো দেখা যায়, চৈতন্যই বিভিন্ন দেৱ-দেৱীৰ পূজা বন্ধ কৰা নাছিল আৰু নিজে বৈষ্ণৱ থকা সত্বেও তেওঁ শিৱক পূজা কৰা বুলি কোৱা হয়।

পশুবলি সম্পূৰ্ণভাৱে বাধা কৰা হৈছিল, তাত সন্দেহ নাই। কিন্তু আহাৰৰ বাবে পশু বধ মানা কৰা নাছিল। এতিয়াও অসমীয়া বৈষ্ণৱ পন্থী লোকে মাছ আৰু মাংস খায়।

মিঃ আৰ. ডি. বেনাৰ্জীয়ে তেওঁৰ "উৰিষ্যাৰ ইতিহাস" নামৰ গ্ৰন্থত কৈছে যে উৰিষ্যাৰ শক্তি আৰু সন্মান হ্ৰাসৰ মূলতেই হ'ল চৈতন্যৰ ভক্তিমাৰ্গক জাতীয় ধৰ্ম হিচাপে গ্ৰহণ কৰা। এইটো এটা অতিৰঞ্জিত বিৱৰণ বুলি ভাবিব পাৰি, কিন্তু মিঃ বেনাৰ্জীয়ে দেখুৱাইছে যে যেতিয়া প্ৰতাপৰুদ্ৰৰ তলত এখন লেখত লবলগীয়া প্ৰদেশৰ গবৰ্ণৰ ৰামানন্দ ৰায়ে চৈতন্যৰ মত গ্ৰহণ কৰিছিল, তেওঁ তেওঁৰ পদ ত্যাগ কৰিছিল আৰু এজন ধাৰ্মিক মানুহ হৈ পৰিছিল। প্ৰতাপৰুদ্ৰই এইদৰে উৰিষ্যা মুছলমানসকলে জয় কৰাৰ বাবে যত্ন কৰি থকা সময়ত এজন সুদক্ষ শাসক আৰু সৈন্যাধ্যক্ষৰ সহায়ৰ পৰা বঞ্চিত হৈছিল। চৈতন্যৰ প্ৰতাপৰুদ্ৰৰ ওপৰত অসীম প্ৰভাৱ আছিল আৰু তেওঁক বঙ্গ আক্ৰমণ কৰাৰ পৰা বিৰত কৰি ৰখাত কৃতকাৰ্য্যতা লাভ কৰিছিল,—যদিও তেওঁৰ ৰাজ্যৰ নিৰাপত্তাৰ বাবে এই আক্ৰমণৰ দৰ্কাৰ আছিল। আমি দ্বিধাহীনভাৱে কব পাৰোঁ যে শঙ্কৰদেৱৰ নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰে এনে বেয়া ৰাজনৈতিক ফল অনা নাছিল। কাৰণ শঙ্কৰদেৱে ৰজা, সম্ভ্ৰান্তলোক আৰু আন উচ্চ ব্যক্তিক এৰি সাধাৰণ মানুহৰ ওচৰ চাপি তেওঁলোকক ধাৰ্মিক কৰাৰ কথাহে ভাবিছিল। অসমীয়া এটা ফকৰা আছে—"বাৰহাত জালৰ তেৰহাত ফটা, ভাল মাৰিলে বাপৰ বেটা, বৌ-বৰালি সৰকি গ'ল, পুঠি খলিহনা ৰই ৰই গ'ল। এই ফকৰাৰ অৰ্থ এয়ে যে শঙ্কৰদেৱে তেৰশ শ্লোক থকা বাৰ অধ্যায়ৰ ভাগৱত ভিত্তিক নতুন ধৰ্মৰ জালখন এৰি দিছিল। তেওঁ বৰ বৰ মানুহক ধৰিব নোৱাৰিলে, সাধাৰণ লোককহে তেওঁ আকৰ্ষিত কৰি আনিছিল। ঘটনাটো হ'ল এয়ে যে পূজা-হোম বলি থকা বিস্তৃত আৰু জকমকীয়া উৎসৱ ভাল পোৱা আৰু দুখীয়া লোক আৰু ব্ৰাহ্মণক দক্ষিণা আদিৰ কথা শঙ্কৰদেৱৰ সৰল-ধৰ্মৰ লগত বৰ্জিতা নেখাইছিল। সেয়ে এই ধৰ্মই সৰ্বসাধাৰণৰ মনহে টানি আনিছিল। কোৱা হয় যে শঙ্কৰদেৱে—জোৰ কৰা স্বত্বেও নৰনাৰায়ণৰ ৰজাক শৰণ দিবলৈ অস্বীকাৰ কৰিছিল। তেওঁ জানিছিল যে সকলোৰে ভিতৰত ৰজাই তেওঁৰ সৰল ৰীতি-নীতি পালন কৰিব নোৱাৰিব। সোতৰশ শতিকাত তেওঁৰ ধৰ্ম কামৰূপ আৰু উজনি অসমৰ জিলাবোৰত অসমীয়া মানুহৰ জাতীয়

ধৰ্ম হিচাপে গ্ৰহণ কৰা হৈছিল। কিন্তু পেই-টৰমতে আহোমৰ শক্তি হ্ৰাস পাই অহা কালতহে এইটো হৈছিল। এই সময়তে আহোম শক্তি একেবাৰে হ্ৰাস পাইছিল। জাতীয়ৰূপে গ্ৰহণ কৰাতকৈ ধৰ্মানুষ্ঠান সত্ৰইহে, কিছু পৰিমাণে ওঠৰ শতিকাৰ আহোম ৰজাৰ ক্ষমতাত প্ৰভাৱ পেলাইছিল।

শঙ্কৰদেৱৰ মহাপ্ৰয়াণৰ পিছত সত্ৰবোৰ গঢ়ি উঠিছিল। সেই সত্ৰবোৰ বৌদ্ধ বিহাৰৰ আৰ্হিত গঢ় লৈছিল। এই সত্ৰবোৰৰ বহু-ততে অধিকাৰজন বা ধৰ্মৰ মুৰব্বীজন সাধাৰণতে বিয়া-বাৰু নকৰোৱা মানুহ। আৰু সত্ৰত থকা ভকতবোৰো অবিবাহিত ভিক্ষুৰ দৰে লোক। বৌদ্ধ ভিক্ষুবোৰৰ দৰে তেওঁলোকেও ভিক্ষা খুজি ফুৰে। বৌদ্ধ ধৰ্মৰ ভিক্ষু সংঘ এটা বিশেষত্ব। সপ্তম আৰু নবম শতিকাৰ ভিতৰত ব্ৰাহ্মণসৱে ইয়াক বৌদ্ধৰ অনুকৰণত গ্ৰহণ কৰিছিল আৰু শঙ্কৰদেৱৰ বৈকুণ্ঠ প্ৰয়াসৰ পিছত কামৰূপৰ বৈষ্ণৱ ধৰ্ম প্ৰচাৰক সকলেও ইয়াক অনুকৰণ কৰিছিল। এইদৰে দেখা যায় যে ষোল্ল শতিকাৰ আগেয়ে কামৰূপত বহলভাৱে চলি থকা বৌদ্ধধৰ্ম আৰু ৰীতি শঙ্কৰৰ ধৰ্ম বিস্তাৰভাৱে প্ৰচাৰ হোৱাৰ পিছতো চলি আছিল। আজিলৈকেও অসমীয়া বৈষ্ণৱ নামঘৰৰ এটা অংশ য'ত ঘূৰণীয়া চাল থাকে তাক স্তূপ কোৱা হয়। সম্ভৱতঃ ইয়াৰ দ্বাৰা প্ৰাচীন বৌদ্ধ স্তূপকেই স্মৃতিপটত ৰখা হৈছে। অসমীয়া বৈষ্ণৱ ধৰ্মত নতুনকৈ দীক্ষা দিয়া প্ৰথাক 'শৰণ' বোলে। বৌদ্ধ ধৰ্মতো শৰণ শব্দৰ ব্যৱহাৰ আছে। বুদ্ধম্ শৰণম্ গচ্ছামি। শঙ্কৰদেৱৰ আবিৰ্ভাৱৰ আগেয়ে কামৰূপত বৌদ্ধধৰ্মৰ ব্যাপকতা থকাৰ উদাহৰণ বহুত দিব পাৰি।



# কণকলাল বৰুৱা ॥ ভি সমীক্ষা

॥ শ্ৰীশশী শৰ্মা ॥

কণকলাল বৰুৱাৰ কথা ভাবিলে স্বাভাৱিকতে 'জোনাকী' যুগৰ কথা মনলৈ আহে। যিসকলৰ অশেষ চেষ্টা শ্ৰমৰ গুণত অসমীয়া সাহিত্যত 'জোনাকী যুগ' বোলা এটা গৌৰবোজ্জ্বল যুগৰ সূচনা হ'ল আৰু যিটো যুগে অসমীয়া ভাষা সাহিত্য আৰু সংস্কৃতিক আপোন ৰৰঘৰৰ মজিয়াত পুনঃ প্ৰতিষ্ঠা কৰিলে, এই যুগৰ প্ৰদান প্ৰধান সাৰথিসকলৰ প্ৰায় প্ৰতিজনেই উচ্চ মধ্যবিত্ত পৰিয়ালৰ সন্তান আছিল। শিক্ষা সাং কৰি কৰ্ম্ম-জীৱনত প্ৰৱেশ কৰাতো চৰকাৰী চাকৰিয়েই কৰক বা ব্যৱসায়-বাণিজ্যতেই হাত নিদিয়ক, প্ৰতিজনেই ধনৰ ওপৰত বাগৰি ফুৰিছিল বুলিব পাৰি। কিন্তু ছাত্ৰ জীৱনতে 'জোনাকী'ৰ পাতত অসমত জোনাকৰ ঢল নমাবলৈ যি প্ৰতিজ্ঞাবদ্ধ হৈছিল, জীৱনৰ শেষ ক্ষণলৈ কোনো এজনেও এই কথা পাহৰা নাছিল বুলিব পাৰি। "কণকলাল বৰুৱাৰ উচ্চতম বিষয়া আছিল আৰু সেইদিনত (পৰাধীন ভাৰতত) মন্ত্ৰীও হৈছিল। তথাপি কামৰূপৰ বুৰঞ্জীৰ তথ্য আহৰণ কৰি, সেইবোৰ যুকিয়াই সিদ্ধান্ত কৰোঁতে বাতিক দিনকৈ অধ্যয়ণ কৰিছিল। কামৰূপৰ গৌৰৱ বাঢ়ক বুলি জেপৰ পইচা খৰচ কৰি অনুসন্ধান পত্ৰিকা এখনো উলিয়াইছিল। মহকুমাই মহকুমাই একোখন অনুসন্ধান সমিতিও পতাইছিল।" আৰু "ঐতিহাসিক সম্পদ আহৰণ কৰোঁতে তেওঁ সদায় সপোন পাহৰা হৈছিল।" —(বেণুধৰ শৰ্মা : অৰ্ঘ্যাৱলী : কণকলাল বৰুৱাৰ কথা ছুযাৰমান)

এনে নিষ্ঠাৰ বলতে তেওঁলোক প্ৰতিজনে নিজকো বিশিষ্টৰূপে গঢ়িব পাৰিলে আৰু জাতীয় জীৱনতো ৰূপান্তৰ সাধিবলৈ সমৰ্থ হব পাৰিলে। সঁচাকৈয়ে তেওঁলোকৰ যুগটো আছিল এটা বিশিষ্ট যুগ। "তেওঁবিলাকৰ দিনত, কলিকতাত থকা প্ৰত্যেকটি অসমীয়া ল'ৰায়েই অসমৰ উন্নতিৰ অৰ্থে চিন্তা কৰিছিল। যাৰ যি বিষয়ত ৰাপ আছিল, তেওঁ সেই বিষয়ৰ কিতাপ-পত্ৰ পঢ়ি জ্ঞানৰ সীমা বঢ়াইছিল। পালমাৰি কাম কৰোতাজন নিন্দাৰ পাত্ৰ হৈছিল।"

(বেণুধৰ শৰ্ম্মা)

১৮৭২ চনৰ ১৮ ডিচেম্বৰত মুন্সিফ লক্ষ্মীলাল বৰুৱাৰ ঔৰষত কণকলালে জন্ম লাভ কৰাৰ সময়তো অসমীয়া শিশুই মদনমোহন তৰ্কালংকাৰৰ বঙলা 'শিশু শিক্ষা'ৰেহে বিদ্যা আৰম্ভ কৰিব লগাত পৰিছিল। কিন্তু সৰুৰে পৰা অসমীয়া ভাষা, সাহিত্য, সংস্কৃতিক ডাঙৰ পৰা ভাবমণ্ডলত ডাঙৰ দীঘল হোৱা হেতুকে হাইস্কুলীয়া জীৱনতেই তেওঁ হেমচন্দ্ৰ বৰুৱাৰ 'আসাম নিউজ'লৈ কবিতা লেখি স্বয়ং হেমচন্দ্ৰ বৰুৱাৰ প্ৰশংসাৰ পাত্ৰ হব পাৰিছিল (হেমচন্দ্ৰ বৰুৱা : বঁহী ; ৭ম বছৰ, : ৩য় সংখ্যা : কণকলাল বৰুৱাৰ নিজৰ ৰচনা)। কিন্তু কবি হেমচন্দ্ৰ গোস্বামীক 'জোনাকী'য়ে ঐতিহাসিক, পুৰাতাত্বিক আৰু গৱেষক পণ্ডিতৰূপে গঢ়ি তোলাৰ দৰে কণকলাল বৰুৱাকো 'জোনাকী'য়েই ঐতিহাসিক, পুৰাতাত্বিক আৰু গবেষকৰূপে গঢ়ি তুলিলে। 'জোনাকী'ৰ বুকুত তেওঁ কবিতা নেলেখি লেখিলে 'আমাৰ দেশৰ বুৰঞ্জী' "অসমীয়া হিলৈ' 'আমাৰ দেশৰ উৎপন্ন বস্তু' প্ৰভৃতি পুৰাতাত্বিক আলোচনাবোৰহে। ছাত্ৰ অৱস্থাতে অ. ভা. উ. সা. সভাৰ সদস্য হেম গোস্বামীয়ে যিখন 'অসমীয়া পুথিৰ বিৱৰণমূলক তালিকা' প্ৰস্তুত কৰিবলৈ লৈছিল, হেম গোস্বামীয়ে কলিকতা এৰি অহাৰ পিছত সেইখন সম্পূৰ্ণ কৰাত ৰমাকান্ত বৰকাকতীক সহায় কৰিছিল কণকলাল বৰুৱাইহে।

বিশ্ববিদ্যালয়ৰ শিক্ষা সাং কৰি বি-এল উপাধিধাৰী কণকলালে পোনতে গুৱাহাটীত ওকালতি কৰিবলৈ লৈছিল যদিও শেষলৈ চৰকাৰী দণ্ডাধীশ (ই. এ. চি) পদপীত অধিষ্ঠিত হ'ল। লগে লগে দক্ষতাৰ গুণত পদোন্নতি হবলৈ ধৰে ; মহকুমাধিপতি, জিলাধিপতি, কৃষি উদ্যোগ বিভাগৰ সঞ্চালক, সমবায় বিভাগৰ পঞ্জীয়ক প্ৰভৃতি পদপীতো তেওঁ কৃতিত্বৰে দায়িত্ব পালন কৰিবলৈ সমৰ্থ হয়। তেতিয়াৰ দিনত আই-চি-এচ্ পদপীত সাধাৰণতে ইংৰাজ বিষয়াসকলহে অধিষ্ঠিত হৈছিল। তেনে ক্ষেত্ৰত এ. চি. এচ. বিষয়া কণকলালক আই-চি-এচ্ পদপীলৈ উন্নিত কৰাৰ পৰা বুজিব পাৰি তেওঁৰ নিষ্ঠাৰ কথা। ১৯১৯ চনত তেওঁ চৰকাৰী কামৰ পৰা অৱসৰ লৈছিল।



কিন্তু সেই বছৰতে অসম বিধান পৰিষদলৈ তেওঁ নিৰ্ব্বাচিত হয় আৰু শেষত মন্ত্ৰীত্বতো অধিষ্ঠিত হয়। ১৯৩৭ চনত নতুন সংবিধান অনুসৰি অনুষ্ঠিত নিৰ্ব্বাচনৰ ফলস্বৰূপে স্বায়ত্ব শাসনৰ ভেঁটিত গোপীনাথ বৰদলৈৰ নেতৃত্বত নতুন মন্ত্ৰীসভা গঢ়াত হে কণকলাল বৰুৱাই মন্ত্ৰীত্বৰ পৰা অব্যাহতি লৈছিল। কিন্তু জীৱনৰ শেষ ক্ষণলৈ তেওঁ কৰ্ম্ম জীৱনৰ পৰা আঁতৰি অহা নাছিল। মন্ত্ৰীত্বত অধিষ্ঠিত হৈ থাকোঁতেই ১৯২৪ চনত তেৱেঁই অসম ৰাজিক সংগ্ৰহালয়' প্ৰতিষ্ঠা কৰাৰ দৃঢ়তাৰে সমিতি গঠন কৰি কামত আগবাঢ়ে। মন্ত্ৰীত্বৰ পৰা অব্যাহতি লোৱাৰ পিছত সংগ্ৰহালয় প্ৰতিষ্ঠাৰ কামতে আত্মনিয়োগ কৰে। শেষত ১৯২০ চনৰ জানুৱাৰীত সংগ্ৰহালয়টি আনুষ্ঠানিক ভাৱে ৰাইজৰ কাৰণে মুকলি কৰি দিয়াৰ সিদ্ধান্ত কৰি উদ্বোধনী উৎসৱৰ যোজা কৰিবলৈ দি ১৯৩৯ চনৰ ডিচেম্বৰত কলিকতাত অনুষ্ঠিত ভাৰত বুৰঞ্জী কংগ্ৰেছত যোগ দিবলৈ গৈ তাতেই তেওঁ আকস্মিকভাৱে মৃত্যুৰ মুখত পৰে। এনে দৰেই তেওঁৰ কৰ্ম্মময় জীৱনৰ নাটকীয়ভাৱে পৰিসমাপ্তি ঘটিল।

আগতে কৈ অহাৰদৰে "জোনাকী" যুগৰ অন্যান্য সাৰথিসকলৰ দৰে কণকলাল বৰুৱাৰ বৈশিষ্টাও এয়ে যে চাকৰি জীৱনত পদোন্নতি লভাৰ লগে লগে জ্ঞানৰ জগততো ক্ৰম বিকাশ লাভ কৰে। মহকুমাধিপতি বা জিলাধিপতি কণকলালে নিয়াৰিকৈ মহকুমা বা জিলাৰ সকলো কাম পৰিচালনা কৰাৰ লগতে বুৰঞ্জী আৰু পুৰাতত্বৰ গবেষণা আৰু উদ্ধাৰৰ অৰ্থে অন্যান্য সকলৰ লগত লগলাগি ১৯১২ চনত প্ৰতিষ্ঠা কৰিলে কামৰূপ অনুসন্ধান সমিতি। বুৰঞ্জী আৰু পুৰাতত্বৰ উদ্ধাৰৰ অৰ্থে তেওঁ মহকুমাই মহকুমাই অনুসন্ধান সমিতি গঢ়াত আত্মনিয়োগ কৰিলে। কিন্তু এই বয়সত তেওঁ চৰ্চা কৰিছিল ভাৰতীয় দৰ্শনহে। কাৰণ ৪ৰ্থ বছৰৰ 'বাঁহী'ত তেওঁ 'ব্ৰহ্ম ঈশ্বৰ আৰু শক্তি' স্থূল আৰু সূক্ষ্ম, 'পুৰণি ভাৰতত যুক্তিবাদ' আদি কৰি কেবাটাও দৰ্শন বিষয়ক গধুৰ আৰু মধুৰ আলোচনাহে লেখিছিল।

বেণুধৰ শৰ্ম্মাই কবৰদৰে এই দাৰ্শনিক চিন্তাৰ আলোচনাবোৰ কিন্তু পালমৰা বিধৰ নাছিল। প্ৰতিটো আলোচনাই তেওঁৰ বিপুল অধ্যয়ণ, চিন্তন আৰু মৌলিক বিচাৰৰ পৰিচয় দিয়ে। শ্ৰুতিৰ সহায়ত ব্ৰহ্ম বা ঈশ্বৰ তত্ব প্ৰতিষ্ঠা কৰি তেওঁ কৈছে যে 'নেতি'ৰ সহায়তহে ব্ৰহ্মৰ অসীম অনন্ত ৰূপৰ কথা উপলব্ধি কৰিব পাৰি। 'শক্তি' ব্ৰহ্ম বা ঈশ্বৰৰ পৰাই উদ্ভুত ; মণিৰ জেউতি যেনেকৈ মণিৰ পৰা ভিন্ন নহয়, তেনেকৈ শক্তিও ব্ৰহ্মৰ পৰা ভিন্ন নহয়। শক্তি সম্বলিত ব্ৰহ্ম সগুণ আৰু সিয়েই ভক্তৰ উপাস্য। আলোচনাটো এনেদৰে দাঙি ধৰি শেষত ভক্তিযোগ, জ্ঞান

যোগ, আৰু কৰ্ম্মযোগৰ বিষয়ে চমুকৈ আলোচনা কৰি ভক্তিযোগেই যে ব্ৰহ্মজ্ঞান লাভৰ প্ৰকৃষ্ট উপাই তাৰ কথাত সংযোগ কৰিছে। "নামে ৰুচি জীৱে দয়া" এইষাৰ শ্ৰীচৈতন্যদেৱৰ পদৰ উদ্ধৃতি দি ভক্তিলাভৰ কাৰণে যে শুদ্ধ চিত্তৰ আৱশ্যক তাৰো স্পষ্ট ইঙ্গিত দাঙি ধৰিছে। 'স্থূল আৰু সূক্ষ্ম' বোলা আলোচনাটিতো শ্ৰুতি আৰু বেদান্তৰ ভেঁটিত স্থূল আৰু সূক্ষ্ম জগতৰ পাৰ্থক্য স্পষ্টৰূপে দাঙি ধৰি (কোনো কোনো ক্ষেত্ৰত প্ৰাকৃতিক বিজ্ঞানৰ মত দাঙি ধৰিও) স্থূল দেহ আৰু ইন্দ্ৰিয় ভেদ কৰি সূক্ষ্ম অতীন্দ্ৰিয় জগতত বিচৰণ কৰিব পাৰিলেহে যে জীৱৰ মুক্তি অৱশ্যম্ভাৱী তাক বিশ্লেষণ কৰি দেখুৱাইছে। 'পুৰণি ভাৰতত যুক্তিবাদ' বোলা আলোচনাটিও বেচ উপাদেয় হৈছিল। এই আলোচনাটোই কণকলাল বৰুৱাৰ উদাৰ দৃষ্টিৰো পৰিচয় দিয়ে। তেওঁ 'মনুসংহিতা', 'যোগবশিষ্ঠ' আদি কৰি পুৰণি ভাৰতৰ ধৰ্মশাস্ত্ৰ সমূহৰ পৰা আৱশ্যক অনুসৰি শ্লোক উদ্ধৃত কৰি দেখুৱাইছে যে পুৰণি ভাৰতত ধৰ্মতত্ত্বসম্বন্ধক কেতিয়াও অভ্ৰান্ত বুলি মানি লোৱা হোৱা নাছিল। তেতিয়া সকলো কথাকে গ্ৰহণ কৰা হৈছিল যুক্তিৰ ভেঁটিতহে। "যুক্তিযুক্ত উপদেশ বাক্য বালকৰ পৰাও গ্ৰহণ কৰিবা, কিন্তু অযুক্তিকৰ কথা ব্ৰহ্মাৰ মুখৰপৰা ওলালেও তৃণৰ নিচিনা ভাবি ত্যাগ কৰিবা"ৰ দৰে আদৰ্শৰ প্ৰচলন যে বশিষ্ঠ ঋষিৰ দিনৰে পৰা আছে তাৰ কথা উল্লেখ কৰি যুক্তিবাদী ভাৰতৰ কাৰণে গৌৰৱবোধ কৰিছে। একেটা প্ৰবন্ধতে তেওঁ উল্লেখ কৰিছে যে ভাৰতত এনে কথাৰো প্ৰচলন আছে যে "শ্ৰুতি আৰু স্মৃতিৰ য'ত বিৰোধ তাত শ্ৰুতিকেই মানিব লাগিব, কিন্তু য'ত শ্ৰুতি আৰু যুক্তিৰ বিৰোধ তাত যুক্তিকে মানিব লাগিব।"

কণকলাল বৰুৱা দাৰ্শনিক পণ্ডিত নাছিল, কিন্তু দাৰ্শনিক শাস্ত্ৰ অধ্যায়ণ কৰিছিল আৰু নিজে উপলব্ধি কৰা সত্য জনসাধাৰণৰ জ্ঞাতাৰ্থে প্ৰচাৰো কৰিছিল। কণকলাল বৰুৱা আছিল যথাৰ্থ ঐতিহাসিক আৰু পুৰাতাত্ত্বিকহে।

কণকলাল বৰুৱাৰ লগতে হলিৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা আৰু এডোৱাৰ্ড গেইটে সম্পূৰ্ণাঙ্গ অসম বুৰঞ্জী ৰচনা কৰিবলৈ চেষ্টা কৰিছিল। কণকলাল বৰুৱাৰ 'প্ৰাচীন কামৰূপৰ বুৰঞ্জী' (Early History of Kamrup) প্ৰকাশ হোৱাৰ লগে লগে গেইটৰ 'অসম বুৰঞ্জী'ৰ দ্বিতীয় সংস্কৰণো ওলাইছিল। কিন্তু এই বুৰঞ্জীবোৰক লৈ কণকলাল বৰুৱা সন্তুষ্ট হব পৰা নাছিল। কণকলাল বৰুৱাই অনুভৱ কৰিলে যে গেইটে প্ৰাচীন অসম (কামৰূপ)ৰ বুৰঞ্জীৰ তথ্য আৰু সত্য উদ্‌ঘাটনত যিমান পৰিমাণে গুৰুত্ব আৰোপ কৰিব লাগিছিল, সিমান কৰা নাই। খৃষ্টীয় চতুৰ্থ শতিকাৰ পৰা দ্বাদশ শতিকালৈ প্ৰাচীন অসমত



কেবাটাও শক্তিশালী ৰাজবংশই পৰম পৰাক্ৰমেৰে ৰাজত্ব কৰিছে। ভাস্কৰ বৰ্মাৰ দৰে পৰম যশস্বী ৰজাজনো এই কালৰে। অথচ গেইটে মুঠে চৈধ্য পিঠিতেই এই কালছোৱাৰ ইতিহাস সামৰি থৈছে। যাৰ ফলত সকলো কথা অস্পষ্ট হৈ ৰৈছে আৰু ইয়ে সামাজিকৰ চিত্তত আঠশ বছৰীয়া প্ৰাচীন অসমৰ কীৰ্ত্তি কাহিনীয়ে প্ৰভাৱ পেলাব নোৱাৰে। কণকলাল বৰুৱাই গেইটৰ 'অসম বুৰঞ্জী'ক আহোম ৰাজত্বকালৰ বুৰঞ্জী বুলিহে অভিহিত কৰিছে। সেয়ে গেইটে অৱহেলা কৰা কালছোৱাৰ প্ৰাচীন অসমৰ বুৰঞ্জী সত্য তথ্য আৰু যুক্তিৰ ভেঁটিত পোহৰলৈ আনিবলৈ তেওঁ ওথ চৰকাৰী বিষয়া হৈ থাকোঁতেই জীৱন পাৰি দিলে। দিনক ৰাতি আৰু ৰাতিক দিন কৰা একান্ত শ্ৰম আৰু অধ্যৱসায়ৰ ফলত কণকলাল বৰুৱাৰ জীৱনৰ কীৰ্তিস্তম্ভ স্বৰূপ 'প্ৰাচীন কামৰূপৰ বুৰঞ্জী' পোহৰলৈ ওলায় ১০২৭ চনত।

এই বুৰঞ্জীখনত প্ৰাক্ ঐতিহাসিক যুগৰ পৰা কোচ ৰজা নৰনাৰায়ণৰ দিনলৈ অসমৰ ভিন ভিন ৰাজবংশ, সমাজ, সভ্যতা, সংস্কৃতি, সাহিত্য আৰু ব্যৱসায় বাণিজ্য আদিৰ কথা যথাযথভাৱে বৰ্ণনা কৰা হৈছে। পুথিখনত পৰিশিষ্টত বাহিৰেও মূল পোন্ধৰটা অধ্যায় সংযুক্ত হৈছে। প্ৰতিটো অধ্যায়েই তেওঁৰ বিপুল অধ্যয়ণ, মনন আৰু চিন্তা শক্তিৰ পৰিচয় দিয়ে। তেওঁ অন্ধভাৱে কোনো কথাকে সমৰ্থন কৰা নাই, গেইট প্ৰমুখ্যে ইংৰাজ ঐতিহাসিক আৰু আৰ, দি, বেনাৰ্জী প্ৰমুখ্যে ভাৰতীয় ঐতিহাসিকসকলক আৱশ্যক অনুসৰি কঠোৰভাৱে সমালোচনা কৰি নিজস্ব অভিমত প্ৰতিষ্ঠা কৰিছে আৰু ই আজিলৈ প্ৰায় অভ্ৰান্তৰূপে স্বীকৃতি হৈছে।

কণকলাল বৰুৱাৰ বুৰঞ্জীখনৰ বৈশিষ্ট্য এয়ে যে সৰ্বপ্ৰথম এইখনতেই প্ৰাক্ ঐতিহাসিক যুগৰপৰা মধ্য যুগলৈকে অসমৰ নিৰ্ভৰ যোগ্য ধাৰাবাহিক বুৰঞ্জী। এই বুৰঞ্জীখনৰ দ্বিতীয় আকৰ্ষণ এয়ে যে ইয়াত উপকুৱা আৰু পতগুৱা মন্তব্য ক'তো দাঙি ধৰা হোৱা নাই। মহাকাব্য পুৰাণ, ভূগোল, ভ্ৰমণ বৃত্তান্ত, জীৱনী, চৰিতপুথি আৰু অন্যান্য বুৰঞ্জী আৰু বুৰঞ্জীমূলক আলোচনাৰ ভেঁটিত হৈ ইয়াৰ সকলো তথ্য প্ৰতিষ্ঠা কৰা হৈছে। প্ৰাচীন অসমৰ বিস্তৃতি, শক্তি প্ৰতিভা আদিৰ সত্য তথ্য উদ্‌ঘাটন কৰিবলৈ বিশেষকৈ ভাস্কৰ বৰ্মাৰ দিনৰ কামৰূপৰ স্পষ্ট নিদৰ্শন তুলি ধৰিবলৈ, তেওঁ অসংখ্য গ্ৰন্থ আৰু আলোচনাৰ আশ্ৰয় লৈছে। যাৰ ফলত ভাস্কৰ বৰ্মাৰ দিনৰ অসমৰ খ্যাতিয়ে প্ৰতি গৰাকী ইতিহাস প্ৰিয় লোকক আনন্দত উৎফুল্ল কৰাৰ দৰে কণকলাল বৰুৱাৰ তথ্য অনুসন্ধিৎসায়ো সামাজিকক মুগ্ধ কৰে।

নেপাল আৰু তিব্বতত প্ৰচলিত বিশ্বাস মতে প্ৰাচীন কামৰূপৰ কুশীনাৰ বা কুশী নগৰতেই বুদ্ধৰ মহাপৰিনিধান ঘটিছিল । ওৱাডেল চাহাবে বৰ্ত্তমান কামৰূপৰ শুৱালকুছিকেই কুশীনাৰ বা কুশীনগৰ বুলি অভিহিত কৰিছে । কিন্তু কণকলাল বৰুৱাই এই মত সমৰ্থন কৰা নাই । কাৰণ ৭ম শতিকাৰ ভাস্কৰ বৰ্মাৰ সময়তো যিহেতু বুদ্ধধৰ্মৰ প্ৰভাৱ ইয়াত স্পষ্টৰূপে পৰিলক্ষিত হোৱা নাছিল, গতিকে এই ৰাজ্যৰ শুৱালকুছিত বুদ্ধৰ মহাপৰিনিধান ঘটা কেৱল কল্পনাহে । তেওঁ কিন্তু নেপাল আৰু তিব্বতৰ জনবিশ্বাস উলাই কৰা নাই । তেওঁৰমতে শালস্তম্ভবংশীয় ৰজা সকলৰ দিনতহে প্ৰাচীন কামৰূপত বৌদ্ধধৰ্মৰ প্ৰভাৱ বাঢ়ে । এই ৰজাসকলৰ দিনতো প্ৰাচীন কামৰূপ উত্তৰ বিহাৰলৈকে বিস্তৃত আছিল । উত্তৰ বিহাৰৰ পূৰ্ণিয়া জিলাৰ কুশীনগৰ হিমালয়ৰ পাদদেশত অৱস্থিত । কণকলাল বৰুৱাই প্ৰাচীন কামৰূপৰ অন্তৰ্গত পূৰ্ণিয়া জিলাৰ কুশীনগৰতহে বুদ্ধৰ মহাপৰিনিধান ঘটা ঠাই বুলি অভিমত দাঙি ধৰিছে । এই যুক্তি পতনুৱা নহয়, ই যুক্তিযুক্ত আৰু বিশ্বাযোগ্যও ।

এই বুৰঞ্জীখনতেই কনকলাল বৰুৱাই হৰপ্ৰসাদ শাস্ত্ৰীয়ে নেপাল ৰাজদৰবাৰৰ পৰা উদ্ধাৰ কৰি হাজাৰ বছৰৰ পূৰ্বৰ বঙলা ভাষা সাহিত্যৰ নিদৰ্শন বুলি প্ৰচাৰ কৰা চৰ্য্যাগীতিবিলাকৰ বিষয়েও আলোচনা তুলি ধৰিছে । চৰ্য্যাগীতিক অসমীয়া বুলি যুক্তিৰ ভেঁটিত দাবী কৰা কণকলাল বৰুৱাই সম্ভৱতঃ প্ৰথম অসমীয়া হ'ব । নেপাল আৰু তিব্বত উদ্ধাৰ হোৱা পুথিৰ ইউৰোপীয়সকলে কৰা ইংৰাজী অনুবাদৰ ভেঁটিত দাবী কৰিছে যে চৰ্য্যাগীতিকাৰ সিদ্ধ আচাৰ্য্যসকলৰ ভিতৰত মীননাথ ৰাহুল, নাগাৰ্জ্জুন, মহীধৰ, ডাৰিক প্ৰভৃতি পণ্ডিত প্ৰাচীন কামৰূপৰ অধিবাসী আছিল । মীননাথক তেওঁ কপোলিক সিদ্ধপুৰুষ বুলিছে আৰু তেওঁকেই 'শবৰতন্ত্ৰ'ত উল্লেখিত 'অকুলবীৰতন্ত্ৰ'ৰ ৰচক বুলিও দাবী কৰিছে । প্ৰসঙ্গক্ৰমে ৯ম শতিকাৰ ভাৰত বিখ্যাত তান্ত্ৰিক পণ্ডিত অভিনৱ গুপ্তকো তেওঁ প্ৰাচীন কামৰূপৰ পণ্ডিত বুলি অভিহিত কৰিছে । তন্ত্ৰ মন্ত্ৰৰ দেশ কামৰূপতেই অভিনৱ গুপ্তই 'তন্ত্ৰসাৰ' আৰু 'তন্ত্ৰালোক' বোলা গ্ৰন্থ দুখনো ৰচনা কৰিছিল বুলি তেওঁ অভিমত দাঙি ধৰিছে ।

এনেদৰে অসংখ্য নতুন তথ্য আৰু সত্যৰ সন্ধেদ দিছে কণকলাল বৰুৱাৰ 'প্ৰাচীন কামৰূপৰ বুৰঞ্জী'য়ে । আজিও অসমত তথাকথিত এচাম পণ্ডিত আছে যিসকলে প্ৰাচীন কামৰূও তথা অসমক হাবি অৰণ্যেৰে ভৰা বৰ্বৰলোকৰ আবাস ভূমি আছিল বুলিহে বিবেচনা কৰে । কিন্তু কণকলাল বৰুৱাই প্ৰাক্ ঐতিহাসিক যুগৰ মহীৰঙ্গ দানৱৰ দিনৰ পৰা প্ৰাচীন প্ৰাগজ্যোতিষপুৰ কামৰূপৰ বিস্তৃত



ইতিহাস দাঙি ধৰি স্পষ্টকৈ দেখুৱাইছে যে আৰ্য্যবসতিৰ আগতেই অসমত সুসভ্য অষ্ট্ৰিক আৰু দ্ৰাবিড় আদিৰ বংশধৰে ৰাজত্ব কৰি সভ্যতা সংস্কৃতি বিস্তাৰ কৰিছিল । তেওঁ ইয়াকো দেখুৱাইছে যে দানৱ-অসুৰ আদি শব্দ আজি যেনেকৈ অমৰ্য্যাদকৰ অৰ্থত ব্যৱহাৰ হয় তেতিয়াৰ দিনত তেনে নাছিল । কাৰণ বহুতে দানৱ আৰু অসুৰৰ কাৰ্য্য আৰ্য্যতকৈও ওখ খাপৰহে আছিল । জগতৰ ভিতৰত সৰ্বপ্ৰথম আৰু সৰ্ব্বশ্ৰেষ্ঠ সত্যাগ্ৰহী ভক্ত প্ৰহ্লাদ অসুৰ বংশতহে উপজিছিল ।

পিছৰ কালত অসম 'অনুসন্ধান সমিতিৰ পত্ৰিকা'ত প্ৰকাশ কৰা এটা আলোচনাত (৭ম বছৰ, ৩য় সংখ্যা) তেওঁ ইয়াকো পদে প্ৰমাণ দেখুৱাবলৈ যত্ন কৰিছে যে বিচক্ষণ ৰাজনীতিজ্ঞ পণ্ডিত কৌটিল্যয়ো সম্ভৱতঃ প্ৰাচীন কামৰূপতেই জন্ম লাভ কৰিছিল । ৭ম বছৰৰ ১ম সংখ্যা অনুসন্ধান সমিতিৰ পত্ৰিকাত তেওঁ প্ৰাচীন 'সুবৰ্ণকুভ্যা,ৰ বিষয়ে আলোচনা কৰি কৈছে যে এই সুবৰ্ণকুভ্যা বৰ্ত্তমান নলবাৰী মহকুমাৰ সোনকুৰিহা । ভাষা তত্বৰ ফালৰ পৰাও ইয়াৰ সুন্দৰ মিল আছে । কিন্তু তথাকথিত এচাম অসমীয়া পণ্ডিতে এতিয়াও কবলৈ লাজ নকৰে যে 'সুবৰ্ণকুভ্য' শশাংকৰ ৰাজধানী 'কৰ্ণসুবৰ্ণ'ৰ ৰূপান্তৰ মাথোন । 'হৰ্ষচৰিত্ৰত আছে যে 'হৰ্ষবৰ্দ্ধনে শশাংকৰ বিৰুদ্ধে অভিযান চলাবলৈ আয়োজন কৰাৰ সময়তে ভাস্কৰ বৰ্মাৰ দূত হংসবেগ গৈ মিত্ৰতাৰ প্ৰস্তাৱেৰে হৰ্ষবৰ্দ্ধনৰ ওচৰত উপস্থিত হৈছিল আৰু হৰ্ষবৰ্দ্ধনে ভাস্কৰ বৰ্মাই পঠিয়াই দিয়া সুবৰ্ণকুভ্যাৰ সোন, পাতৰ কাপোৰ জুলীয়া মিঠৈ, প্ৰভৃতি উপহাৰ স্বৰূপে পাই আহ্লাদিত হৈছিল । তেতিয়াও শশাংক ভাস্কৰ বৰ্মা আৰু হৰ্ষবৰ্দ্ধন উভয়ৰে পৰম শত্ৰু, তেতিয়াও কৰ্ণসুবৰ্ণ ভাস্কৰবৰ্ম্মাৰ অধীন হোৱা নাই । তেনে ক্ষেত্ৰত ভাস্কৰবৰ্ম্মাই হৰ্ষবৰ্দ্ধনলৈ কৰ্ণসুবৰ্ণৰ বস্ত্ৰ উপঢৌকন স্বৰূপে পঠালে কেনেকৈ । অথচ সোনকুৰিহা আছিল ভাস্কৰ বৰ্মাৰ ৰাজ্যৰ হৃতপিণ্ড স্বৰূপ । গতিকে সোনকুৰিহা অৰ্থাৎ প্ৰাচীন সুবৰ্ণকুভ্যাৰ পৰাহে উপঢৌকন পঠিওৱা স্বাভাৱিক ।

এয়েই আছিল কণকলাল বৰুৱাৰ সত্য তথ্য উদ্ধাৰৰ পদ্ধতি । বেজবৰুৱাৰ ৰচনা" আমি অসমীয়া নহও দুখীয়া, কিহৰ দুখীয়া হ'ব" বুলি কলে ভেঙুচালি দিয়া অসমীয়া সমালোচক সাহিত্যিকৰ আজিও অভাৱ নাই । এওঁলোকে আজিও আমাৰ কি আছিল বা কি আছে তাৰ গম গতি লয় বুলি ভাবিবৰ উপায় নাই । কণকলাল বৰুৱাইতে জীৱন জোৰা শ্ৰম আৰু অধ্যৱসায়ৰ ফলত এই আত্ম-বিস্মৃত সকলৰ আগত অতীতৰ গৌৰবোজ্জ্বল ছবি দাঙি ধৰি চেতনা দান কৰিবলৈ প্ৰয়াস কৰিছিল আৰু বিদেশীবিলাকো ঐতিহ্যপূৰ্ণ অসমৰ সত্য ইতিহাসেৰে আকৃষ্ট

কৰিছিল। ইয়াৰ কাৰণেই তেওঁ 'প্ৰাচীন কামৰূপৰ বুৰঞ্জী' ৰচনাৰ পিছতো 'অনুসন্ধান সমিতিৰ পত্ৰিকা' আৰু 'ভাৰতীয় সংস্কৃতি প্ৰভৃতি আলোচনীৰ বুকুত নিৰবচ্ছিন্ন ভাবে নতুন নতুন সত্য তথ্য জীৱনৰ শেষ ক্ষণলৈ তুলি ধৰিয়ে আছিল। বুৰঞ্জী কংগ্ৰেছত যোগ দিবলৈ গৈ কলিকতাত শেষ নিশ্বাস এৰা কথায়ো প্ৰমাণ কৰে তেওঁৰ তথ্য অনুসন্ধিৎসা আৰু বুৰঞ্জী-প্ৰীতিৰ কথা।

এইজন কণকলাল বৰুৱা বুৰঞ্জী আৰু পুৰাতত্বপ্ৰেমী মানুহ মাত্ৰৰে চিৰশ্ৰদ্ধা, আদৰ আৰু অনুকৰণ পাত্ৰ। কণকলাল বৰুৱাৰ আদৰ্শেৰে অনুপ্ৰাণিত হবলৈ অভ্যস্ত হলে যে জাতিৰ জীৱন জকমকাই তুলিব পৰা যাব ই ধ্ৰুব নিশ্চিত।

---



# বেণুধৰ ৰাজখোৱাৰ সাহিত্যৰ আভাস

শ্ৰীদুৰ্গেশ্বৰ শৰ্মা

বিজুলী আলোচনীক কেন্দ্ৰ কৰি যিসকল লোকে অসমীয়া সাহিত্যৰ সমৃদ্ধিৰ কাৰণে যত্ন কৰিছিল তেওঁলোকৰ ভিতৰত বেণুধৰ ৰাজখোৱা অগ্ৰনী। ১৮৯০ চনত জোনাকী কাকতৰ সমান্তৰালভাৱে কলিকতাৰ পৰা বিজুলী কাকত প্ৰকাশিত হৈছিল। ১৮৮৯ চনত প্ৰথম প্ৰথম পোহৰৰ মুখ দেখা জোনাকী কাকতৰ প্ৰথম সম্পাদনা কৰিছিল চন্দ্ৰকুমাৰ আগৰৱালাই আৰু তেওঁক সকলো প্ৰকাৰে সহায় কৰিছিল হেমচন্দ্ৰ গোস্বামী, লক্ষ্মীনাথ বেজবৰুৱা আদি ব্যক্তিসকলে। জোনাকীৰ প্ৰতিদ্বন্দী আলোচনী বিজুলীৰ প্ৰথম সম্পাদক কৃষ্ণপ্ৰসাদ দুৱৰা আৰু তেওঁৰ শক্তিৰ মূল আধাৰ আছিল পদ্মনাথ গোহাঞিও বৰুৱা আৰু বেণুধৰ ৰাজখোৱা। এই সময়ত এই কেইজন ব্যক্তি আছিল প্ৰতিভাশালী কলেজীয়া ছাত্ৰ। দেখাত তেওঁলোকৰ মাজত অৰিয়া-অৰিৰ ভাব থাকিলেও উদ্দেশ্য আছিল মাথোন এটা—অসমীয়া সাহিত্যৰ সৰ্বাঙ্গীন আৰু পৰিপূৰ্ণ বিকাশ সাধন কৰা। জোনাকী আৰু বিজুলীৰ লগত জড়িত দুয়োটা পক্ষই যে অসমীয়া সাহিত্যৰ মহৎ উপকাৰ সাধন কৰিছে তাত অকনো সন্দেহ নাই।

১৮৭২ চনৰ ১১ ডিচেম্বৰ তাৰিখে ডিব্ৰুগড় জিলাৰ খোৱাঙত বেণুধৰ ৰাজখোৱা দেৱৰ জন্ম। তেওঁৰ দেউতাকৰ নাম সুচান্দ ৰাম। স্বৰ্গীয় সুচান্দৰাম জয়পুৰ মৌজাৰ মৌজাদাৰ আছিল; গতিকে বেণুধৰেও ল'ৰা কালত জয়পুৰত থাকিব লগাত পৰিছিল। তেওঁ জয়পুৰৰ মজলীয়া ইংৰাজী স্কুলত পঢ়িছিল আৰু ১৮৮৬ চনত মজলীয়া স্কুল পাচ কৰি সেই বছৰৰে জানুৱাৰী মাহত

ডিব্রুগড়ৰ চৰকাৰী উচ্চ ইংৰাজী স্কুলত ভৰ্ত্তি হয়। ১৮৮৯ চনত প্ৰবেশিকা পৰীক্ষা পাচ কৰি কলিকতাৰ প্ৰেচিডেন্সী কলেজত ভৰ্ত্তি হয়। ১৮৯২ চনত কলিকতাৰ চিটী কলেজৰ পৰা এফ, এ, পাচ কৰে। বিজুলী সম্পাদনাৰ কামত গাচালি লগাৰ বাবে তেওঁ এবাৰ এবাৰকৈ দুবাৰো বি, এ, পৰীক্ষাত অপাৰগ হব লগীয়াত পৰিছিল আৰু তৃতীয়বাৰ বি, এ, পঢ়িবলৈ কলিকতালৈ যোৱাৰ আগতে জোনাকী, বিজুলীৰ কামত নালাগো বুলি সৰু ককাইদেৱকৰ আগত শপত লব লগাত পৰিছিল। তৃতীয়বাৰ যত্নত ১৮৯৬ চনত তেওঁ বি. এ, পৰীক্ষা পাচ কৰিলে। তেওঁ এম, এ, আৰু আইন পঢ়িছিল যদিও নানা আহুকালৰ কাৰণে কৃতকাৰ্য্য হব নোৱাৰিলে। ১৮৯৮ চনত কটন চাহাবে তেওঁ উপ প্ৰতি সমাহৰ্ত্তাৰ পদত নিযুক্ত কৰে আৰু তেওঁ ১৮৯৯ চনৰ জানুৱাৰী মাহত শিৱসাগৰত উক্ত পদত চাকৰী জীৱনৰ পাতনি মেলে। এই চনৰে মাজ ভাগত ডিব্ৰুগড়ৰ ছুতিৰাম বৰুৱাৰ জীয়েক ৰত্নকুমাৰী বৰুৱাক বিয়া কৰায়।

অসমৰ বিভিন্ন ঠাইত উপ-প্ৰতিসমাহৰ্ত্তা, বিচাৰ হাকিম হিচাবে কাম কৰি শেষত শিৱসাগৰ জিলাৰ উপায়ুক্তৰ পদবী তেওঁ লাভ কৰিছিল। সেই চাকৰীৰ পৰা তেওঁ ১৯৩২ চনৰ জানুৱাৰী মাহত অৱসৰ গ্ৰহণ কৰে।

সমাজ সেৱক হিচাপেও বেজবৰুৱাদেৱৰ পৰিচয় আছে। কানিংহাম অসমৰ শিক্ষাধিকাৰ থকা সময়ত তেওঁ ডিব্ৰুগড়ত হাকিম আছিল। বাকী শিক্ষাৰ অগ্ৰগতিৰ কাৰণে এই সময়তে তেওঁ ডিব্ৰুগড়ত ছোৱালী হাইস্কুল স্থাপনত আগভাগ লয়। চৰকাৰী চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পিছত তেওঁ ডিব্ৰুগড়ত উচ্চ শিক্ষাৰ প্ৰশ্ন আগত ৰাখি ডিব্ৰুগড় কানৈ কলেজ স্থাপনত অংশ গ্ৰহণ কৰে। এই কলেজৰ পৰিচালনা সমিতিৰ তেওঁ প্ৰথম সভাপতি আছিল আৰু কলেজত তেওঁ অসমীয়া ভাষা আৰু সাহিত্যৰ অধ্যাপক ৰূপেও কাম কৰিছিল। তেওঁ নিজে গান নাচ নাজানিছিল যদিও সঙ্গীতৰ প্ৰতি তেওঁৰ বিশেষ ধৰণৰ ৰাপ আছিল। প্ৰায়ে তেওঁৰ ঘৰত সন্ধিয়া সঙ্গীতৰ আসৰ বহিছিল। সেই আসৰত তেওঁৰ ল'ৰা-ছোৱালীৰ উপৰিও আন আন সঙ্গীতজ্ঞ লোকে গীত গাই তেওঁক আনন্দ দিছিল। মঙ্গলদৈত চাকৰী কৰোতে তেওঁ ১৯০৬ চনত "মঙ্গলদৈ মজলিছ" নামেৰে এটি আলোচনা চক্ৰ প্ৰতিষ্ঠা কৰিছিল। সেই চক্ৰৰ তেওঁ স্থায়ী সভাপতি আছিল। মঙ্গলদৈ মজলিছৰ উদ্দেশ্য আছিল অসমৰ সৰ্বপ্ৰকাৰ জাতীয় উন্নতি সাধন কৰা। এই মজলিছৰ লগত সম্পৰ্ক ৰক্ষা কৰাৰ কাৰণে মঙ্গলদৈৰ মহকুমাধিপতিৰ ওচৰত অসমীয়াৰ শত্ৰুসকলে নানা কথা লগাই তেওঁক বিপাঙত



পেলাইছিল। কলিকতাৰ কলেজত পঢ়ি থাকোতে তেওঁ এ, এচ, এল ক্লাৱ আৰু অ ভা উ সাৰ সভ্য আছিল আৰু দুয়োটা অনুষ্ঠানৰ উন্নতিৰ কাৰণে তেওঁ দেহে-কেহে লাগিছিল।

তেওঁৰ মহত্বপূৰ্ণ পৰিচয় হ'ল সাহিত্যিক হিচাপেহে। ঔপন্যাসিক ৰজনীকান্ত বৰদলৈ ডাঙৰীয়াই তেওঁৰ এই মহত্বৰ কথা এনেভাৱে লিপিবদ্ধ কৰিছে—"আমাৰ সুযোগ্য বন্ধু বেণুধৰ ৰাজখোৱা ডাঙৰীয়াই নিজ দুখেৰে অৰ্জ্জা গাঠিৰ ধন ভগন কৰি লাভলৈ আনকি মূললৈকো একো আশা নাৰাখি কিতাপৰ পিচত কিতাপ ইংৰাজী অসমীয়া ভাষাত ছপা কৰিবই লাগিছে। তেওঁ পুথি ছপোৱাত যিমান অৰ্থ খৰচ কৰিছে তেওঁৰ দৰে সিমান আন কোনোবাজনে কৰিছে বুলি মই কব নোৱাৰো।"

১৯০২ চন মানৰ পৰা তেওঁ পুনৰ একনিষ্ঠভাৱে সাহিত্য সেৱাত আত্ম-নিয়োগ কৰে। চৰকাৰী দায়িত্ব পালনৰ পিচত দিনটোত যিকন সময় পাইছিল সেইকণ সাহিত্য সৃষ্টিত খৰচ কৰিছিল। ৰাজখোৱাই তেওঁৰ সাহিত্য সাধনাৰ আভাস দি এষাৰ বৰ বহুমূলীয়া কথা কৈছে—"মই বঙলা ভাষা আৰু বঙালীক ঘিণ নকৰোঁ। মই অসমীয়া ভাষা আৰু অসমীয়া মানুহক অতি ভাল পাওঁ ইমানেই। মোৰ মন্ত্ৰ অসমীয়াৰ উন্নতিৰ বাট মুকলি কৰা। যি সেই উন্নতিৰ বাটত ভেটা দিব তাকেই বাটৰ পৰা একতীয়া কৰিবলৈ যত্ন কৰোঁ; নহলে সেই বাটে কেনেকৈ আগুৱাম আৰু কেনেকৈ লক্ষ্য স্থানত উপস্থিত হমগৈ?" সাহিত্যৰ সাধক হিচাপে তেওঁৰ মন আছিল উদাৰ। সমন্বয় আৰু আপোচৰ আদৰ্শ আগত ৰাখি তেওঁ অসমীয়া ভাষা আৰু সাহিত্যৰ ক্ৰম বিকাশত আগভাগ লৈছিল। ই তেওঁৰ সাহিত্যিক জীৱনৰ মহত্ব।

মৌলিক আৰু সম্পাদিত গ্ৰন্থক ধৰি তেওঁৰ গ্ৰন্থৰ সংখ্যা প্ৰায় দুকুৰি। তেওঁ প্ৰধানকৈ কবিতা, নাট আৰু প্ৰবন্ধ লেখক। তেওঁৰ প্ৰথম কবিতাৰ পুথি 'অসমীয়া ভাই' ১৯১০ চনত গোলাঘাটৰ পৰা প্ৰকাশিত হৈছিল। এই গ্ৰন্থত দেশপ্ৰেমৰ ভাব হিলদল ভাঙি বাগৰি পৰিছে। পাতনিত গ্ৰন্থকাৰে লেখিছে—"চাৰিওপিনে চেপা-খুন্দাত অসমীয়াই ঠাৱৰিব নোৱাৰা হৈছে। দেশত হুলস্থুল হৈছে। অসমীয়াৰ অগ্নি পৰীক্ষাৰ সময় উপাস্থত। অসমত নতুন কলেজ হৈছে; নতুন ৰেল বহিছে; নতুন ডাক্তৰী স্কুল হৈছে; এতিয়া অসমীয়া শুই নাথাকি কাৰ্য্যদেৱীৰ চৰণত নিজক উছৰ্গি দিব লাগে। অসমৰ এনে বিপ্লৱৰ সময়ত তেওঁলোকক কামত উদ্গাই দিয়াই এই নিছলা জাতীয় কবিতা পুথিৰ ঘাই উদ্দেশ্য।"

১৯১০ চনত গোলাঘাটৰ পৰা তেওঁ ৰচিত 'সৰু লৰাৰ গান' শীৰ্ষক গীতৰ পুথি প্ৰকাশিত হয়। এই গীতবোৰ সৰু সৰু লৰা ছোৱালীৰ উপযোগীকৈ ৰচনা কৰা হৈছিল। ঈশ্বৰ ভক্তি, মাতৃ-ভক্তি, স্বদেশ-প্ৰীতি, প্ৰকৃতি আৰু ধেমালি সম্পৰ্কে গান কেইটি ৰচনা কৰা হৈছে।

মহাপুৰুষ শংকৰদেৱৰ দ্বাৰা ৰচিত গুণ-মালাৰ তেওঁ ইংৰাজীলৈ অনুবাদ কৰিও অসমীয়া সাহিত্য প্ৰচাৰ আৰু সম্প্ৰসাৰণত এক বিশিষ্ঠ ভূমিকা গ্ৰহণ কৰিছে। ১৯৩১ চনত ডিব্ৰুগড়ৰ পৰা পুনৰুত্থান নামৰ আন এখনি কবিতাৰ গ্ৰন্থ প্ৰকাশ কৰে। এই গ্ৰন্থৰ উপজীব্য বিষয় দেশ-প্ৰেম। ১৮২৮ শকত মঙ্গলদৈৰ পৰা তেওঁৰ আন এখনি গানৰ কিতাপ বাঁহী প্ৰকাশিত হয়। সকলো খিনি গীতৰ মাজেৰে প্ৰবল দেশ-প্ৰেমৰ ভাব এটি বিকশিত হৈছে। গ্ৰন্থৰ পাতনিত লেখকে উল্লেখ কৰিছে—"বৰ্ত্তমান কাল অসমীয়াৰ পক্ষে সংকটৰ যুগ। কৰ্মক্ষেত্ৰত প্ৰাণটাকি যত্ন নকৰিলে অসমীয়া বাচিব নোৱাৰে। মোৰ মনত বিশ্বাস হৈছে, ঐশ্বৰিক সাহায্য নহলে অসমীয়া জাতি ধ্বংস পাব নাইবা ঘৃনণীয় জীৱন ধৰিব। হৃদয়ৰ আবেগ এই ক্ষুদ্ৰ বাঁহীৰে প্ৰকাশ কৰিলোঁ। উদাৰ চৰিত গায়কসকলে ধৃষ্টতা মৰষিব। বাঁহীৰ গান বিলাক মঙ্গলদৈৰ মজলিছৰ বৈঠকত গোৱা হৈছিল।" ইয়াৰ বাহিৰেও মিলুৱাৰ বাতৰি দশ গীত, দেহাৰ প্ৰলয়, জীৱন সন্ধিয়া, পথত কবিতা আদি কবিতাৰ পুথি ৰচনা কৰি অসমীয়া কবিতাৰ সমৃদ্ধি সাধনত আগ ভাগ লৈছিল। তেওঁ এজন বিশিষ্ঠ অনুবাদকো আছিল। পৰম নিষ্ঠাৰে অসমীয়া কবিতাৰ তেওঁ অনুবাদ কৰিছিল। অনূদিত কবিতা গ্ৰন্থৰ ভিতৰত মাধৱদেৱৰ নামঘোষা, অনন্ত কন্দলিৰ কাণখোৱা, শ্ৰীশংকৰদেৱৰ বিপ্ৰ দামোদৰ আদি স্মৰণযোগ্য।

গবেষক আৰু প্ৰবন্ধ লেখক হিচাপেও তেওৰ পৰিচয় আছে। ১৯১০ চনত ইংৰাজীতে "সহশিক্ষা" নামেৰেও এখনি চমু গ্ৰন্থ ৰচনা কৰি অসমত সহ শিক্ষাৰ পৰ্যালোচনা কৰিছিল। "উজনি অসমৰ দেউৰী আৰু ছুটিয়া সম্প্ৰদায়" সম্পৰ্কেও তেওঁ এখনি গ্ৰন্থ ৰচনা কৰি সেই সম্প্ৰদায় সম্পৰ্কে জানিবলৈ ৰাইজক উৎসাহিত কৰিছিল। 'অসমত ভূতৰ বিশ্বাস" সম্পৰ্কেও এখনি গ্ৰন্থ যুগুত কৰিছিল। জনশ্ৰূতি আৰু জনবিশ্বাসৰ ওপৰত ভিত্তি কৰি এই গ্ৰন্থ খনি ৰচনা কৰা হৈছে।

১৯১৫ চনত অসম কমাৰ্চিয়েল কোম্পানীয়ে তেওঁৰ 'অসমৰ চমু বিবৰণ' নামৰ অসম বুৰঞ্জী প্ৰকাশ কৰে। ইংৰাজীত লেখা এই গ্ৰন্থ খনিত প্ৰাচীন অসম, আহোমৰ ৰাজত্ব মুছলমানৰ আক্ৰমণ, আহোম ৰাজত্বৰ অধঃপতন, মোৱামৰীয়া বিদ্ৰোহ, মানৰ আক্ৰমণ,



বৃটিছসকলৰ আগমণ, বৃটিছৰ প্ৰতি অসমীয়া প্ৰজাৰ আনুগত্য, কেপ্তেইন ৱেলছৰ অসমীয়া প্ৰজাৰ প্ৰতি ঘোষণা আদি কথা গ্ৰন্থ খনিত সংযোজন কৰা হৈছে।

১৯১০ চনত তেওঁৰ ৰচিত 'চিলেটৰ উপ-ভাষা' নামৰ গ্ৰন্থ প্ৰকাশিত হয়। এই গ্ৰন্থত তেওঁ ঘাইকৈ দেখুৱাবলৈ যত্ন কৰিছে যে ছিলেটৰ গ্ৰাম্য অঞ্চলত চলা উপভাষাৰ অসমীয়া ভাষাৰ লগত সাদৃশ্য আছে। বিশ্বাস কৰিবৰ থল আছে, মানৰ আক্ৰমণৰ সময়ত ব্ৰহ্মপুত্ৰ উপত্যকাৰ বহুতো লোক চিলেটৰ বিভিন্ন অঞ্চলত আশ্ৰয় লৈছিল আৰু তাৰ ফল স্বৰূপে চিলেটৰ বিশেষকৈ গ্ৰাম্য অঞ্চলৰ লোকৰ মুখত এতিয়াও অসমীয়া ভাষাটো অপভ্ৰংশ ৰূপত জীয়াই আছে।

তেওঁৰ 'অসমীয়া খণ্ড বাক্য কোষ' ১৯১৭ চনত ডিব্ৰুগড়ৰ ৰিহাবাৰীৰ অসম ষ্টোৰে প্ৰকাশ কৰে। পাতনিত ৰাজখোৱাই লেখিছে, "অসমীয়া খণ্ডবাক্য কোষিৰ অভাৱ বহু কালৰে পৰা অসমীয়া সাহিত্যৰ হিতাকাঙ্ক্ষীসকলে অনুভৱ কৰিছে। সেই অভাৱ কিঞ্চিৎ পৰিমাণে পূৰ্ণ কৰিবৰ নিমিত্তে আমি এই পুথিখনি যুগুত কৰিলোঁ। ইয়াত ২৩৮০টা খণ্ড বাক্য আছে।.........খণ্ডবাক্য বিলাকৰ শুদ্ধ ব্যাখ্যা দিবৰ নিমিত্তে আমি সাধ্যমতে পুৰুষাৰ্থ কৰিছো।"

১৯২৬ চনত ধুবুৰীত বহা অসম সাহিত্য সভাৰ নৱম অধিবেশনত তেওঁ সভাপতিত্ব কৰিছিল আৰু সভাপতিৰ আসনৰ পৰা তেওঁ এখনি বহুমূলীয়া অভিভাষণ পাঠ কৰিছিল। অসমীয়া সাহিত্যৰ অমূল্য গ্ৰন্থৰাজিৰ আলোচনা কৰাৰ উপৰিও তেওঁ অসমীয়া ভাষা আৰু সাহিত্যক আগুৰি থকা বিভিন্ন সমস্যাৱলীৰ বিষয়ে আলোচনা কৰিছিল।

অসমৰ জাতীয় উৎসৱ বিহুৰ বিষয়ে আলোচনা কৰি তেওঁ বিহু নামেৰেও এখনি গ্ৰন্থ যুগুত কৰিছে। গ্ৰন্থখনি ১৯১৭ চনত ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত হয়। লখিমী তিৰোতা, কছাৰী সন্মিলনৰ সভাপতিৰ ভাষণ, অসমৰ জনপ্ৰিয় প্ৰবাদবাক্য, জনশ্ৰূতিৰ ভেটিত অসমৰ চমু আভাস, অসমৰ মিৰি জনজাতি, অসমীয়া পুথিৰ তালিকা আৰু মহাসতী জয়মতী আদি আৰু আন আন প্ৰৱন্ধ তেওঁৰ উল্লেখ যোগ্য অৱদান।

তেওঁৰ সময়ৰ সাহিত্যসেৱী সকলে স্কুলীয়া ল'ৰা-ছোৱালীৰ উপযোগীকৈ পাঠ্যপুথি প্ৰস্তুত কৰাৰ ওপৰতো মনোনিবেশ কৰিব লগাত পৰিছিল। ৰাজখোৱা ডাঙৰীয়াও তেওঁৰ কালৰ এই নিয়মৰ ব্যতিক্ৰম আছিল বুলি কব নোৱাৰি। পাঠ্যপুথিৰ অভাৱ গুচাবৰ অৰ্থে তেওঁ লৰাপুথি, সাহিত্য প্ৰবেশ, লীলাৱতী বীজ গণিত আদি গ্ৰন্থ যুগুত কৰিছিল।

সাহিত্য ক্ষেত্ৰত তেওঁ অধিকভাৱে পৰিচিত নাট্য শিল্পী ৰূপেহে। তেওঁ এঘাৰখন

সৰু বৰ নাট ৰচনা আৰু প্ৰকাশ কৰি অসমীয়া নাট্য সাহিত্যৰ সমৃদ্ধি সাধন কৰিছে। তেওঁ ঘাইকৈ সামাজিক, পৌৰাণিক, আৰু প্ৰহসন শ্ৰেণীৰ নাট ৰচনা কৰিছিল।

১৮৯৪ চনত কলিকতাত পঢ়ি থাকোতে তেওঁ 'সেউতী কিৰণ' নামৰ সামাজিক নাট ৰচনা কৰি কলিকতাৰ পৰা প্ৰকাশ কৰে। শত্ৰুতাই প্ৰেমৰ ক্ষেত্ৰত কেনে বিষময় পৰিস্থিতিৰ সৃষ্টি কৰিব পাৰে তাকে নাটখনত চিত্ৰিত কৰিবলৈ যত্ন কৰা হৈছে। কম বয়সৰ ৰচনা কাৰণে নাটখনত কলা-কৌশল আৰু ঘটনা বিন্যাসত চমৎকাৰিত্ব ফুটি উঠা নাই। পদ্মনাথ গোহাঞি বৰুৱাৰ লগত লগলাগি 'ডেকা-গাভৰু' নামৰ নাটকীয় চিত্ৰ কেইটিমান সংযোজন কৰিও এখনি গ্ৰন্থ প্ৰকাশ কৰে। এই গ্ৰন্থক অশ্লীল গীতৰ সমাহাৰ বুলি কেনো বেজবৰুৱাই গ্ৰন্থকৰ্ত্তা দুগৰাকীক বৰ বেয়াকৈ সমালোচনা কৰিছিল।

তেওঁৰ পৌৰাণিক নাটক 'দুৰ্য্যোধনৰ উৰুভঙ্গ' ১৯০৩ চনত আৰু 'দক্ষযজ্ঞ' ১৯০৮ চনত প্ৰকাশিত হয়। প্ৰথমখন নাট মহাভাৰতৰ আৰু দ্বিতীয়খন ভাগৱতৰ কাহিনীৰ ভেটিত ৰচনা কৰা হৈছে। উৰুভঙ্গ নাটৰ পাতনিত উল্লেখ কৰা হৈছে—"অসমীয়াত নাটকৰ বৰ অভাৱ। অসমীয়া ভাষাৰ হিতাকাঙ্ক্ষীয়ে মাতৃৰ এই অভাৱ গুচাবলৈ পুৰুষাৰ্থ কৰিব লাগে। অসমীয়াত নাটক নাই। অসমীয়াত গান নাই। যেতিয়া আমাৰ প্ৰত্যেক থিয়েটাৰত অসমীয়া নাটকৰ অভাৱ নাথাকিব তেতিয়া আমাৰ মানুহৰ মুখে মুখে অসমীয়া গান শুনিবলৈ পোৱা যাব, তেতিয়াই জানিম আমাৰ ভাষাই প্ৰকৃততে উন্নতিৰ বাটত আগ বাঢ়িছে।" ৰাজখোৱাৰ পৌৰাণিক নাট দুখনৰ আখ্যান ভাগ দুৰ্বল, চৰিত্ৰ সৃষ্টিত মহত্ব ফুটি উঠা নাই আৰু নাট দুখনৰ সংলাপনেও দৰ্শকৰ হৃদয় স্পৰ্শ কৰিব নোৱাৰে।

প্ৰহসন ৰচক হিচাপে ৰাজখোৱা ডাঙৰীয়াই বিশেষ ধৰণৰ কৃতিত্ব দেখুৱাব পাৰিছে। তেওঁৰ উল্লেখযোগ্য প্ৰহসনবোৰ হল - দৰবাৰ (১৯০২), কুৰি শতিকাৰ সভ্যতা (১৯০৮), তিনিঘৈণী, অশিক্ষিতা ঘৈণী, টোপনিৰ পৰিনাম (১৯৩২), যমপুৰী (১৯৩১), চোৰৰ কুষ্টি (১৯৩১)। ইয়াৰ উপৰিও তেওঁ দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱাৰ লগত যুটীয়াভাৱে লগলাগি কলিযুগ নামৰ আন এখনি প্ৰহসন ৰচনা কৰে।

সামাজিক বিশেষ পৰিস্থিতি আৰু পৰিৱৰ্ত্তনৰ আৰ লৈ প্ৰহসনে জন্ম লাভ কৰে। পৰিবৰ্ত্তনে সামাজিক প্ৰগতিৰ পথ মুকলি কৰে; কিন্তু এনে সময়ত কেতবোৰ লোকে মুখেৰে প্ৰগতিৰ সমৰ্থন কৰিলেও কাৰ্য্যত কিন্তু কুসংস্কাৰ, অন্ধবিশ্বাস আৰু ভণ্ডামিহে প্ৰতিফলিত হৈ উঠে। ই সমাজৰ উন্নতিৰ পথত অতি ভয়াবহ বাধাৰ সৃষ্টি কৰে। এনে



সময়তে নিষ্ঠাবান সাহিত্যিকে প্ৰহসনক অস্ত্ৰ হিচাপে হাতত তুলি লয়। সমালোচক নৰেন্দ্ৰ নাথ শৰ্মাই প্ৰহসন সম্পৰ্কে এ[illegible]ইত কৈছে—"প্ৰহসনত সন্নিবিষ্ট হোৱা বিষয় আৰু পৰিস্থিতিৰ অন্তৰালত কোনো তথ্য বা সমস্যাৰ আভাস পোৱা নাযায়; জীৱন, জগত আৰু সমাজ সম্বন্ধে কোনো বিশেষ দৃষ্টি বা সমীক্ষা নাথাকে; ঘটনা বা পৰিস্থিতিৰ অন্তৰ্নিহিত মূল্য নাই। আন কথাত প্ৰহসন হ'ল এক মাত্ৰিক নাটক। গভীৰ অৰ্থব্যঞ্জক নোহোৱা কাৰণেই প্ৰহসনে ঘটনাৰ বৈচিত্ৰ্য, অস্বাভাবিকতা আৰু অসাধাৰনত্বৰ দ্বাৰা দৰ্শকৰ মন আকৰ্ষণ কৰিবলৈ চেষ্টা কৰে। মানুহৰ অসঙ্গতিপূৰ্ণ আৰু অস্বাভাবিক ব্যৱহাৰ, সামঞ্জস্যবিহীন ঘটনাৱলী আৰু সাধাৰণৰ সলনি বিশেষ কাৰ্য্য কলাপ প্ৰহসনে বিষয় বস্তুৰূপে বাছি লয়।"

১৯১২ চনত গোলাঘাটৰ পৰা তেওঁ ৰচিত 'অশিক্ষিত ঘৈণী' নামৰ প্ৰহসনখনি প্ৰকাশিত হয়। নাটখনিত অশিক্ষিত ঘৈণীয়ে উন্নতিৰ বাটত কেনেকৈ বিধি-পথালি দিয়ে তাৰ আমোদজনক বাতৰি আছে। পাতনিত নাট্যকাৰে লেখিছে—"এইখনি কিতাপ ১৯০৫ চনত লিখা হৈছিল। তেতিয়াৰ পৰা যে ইমান দিনলৈ ই পোহৰ দেখা নাই এই কথাৰ দ্বাৰাই অসমীয়া ষ্টেজৰ কিমান উন্নতি হৈছে বুজিব পৰা যাব। তথাপি প্ৰকৃত আশা বান্ধি কিতাপখনি উলিয়ালো। কিয়নো আশাই সংসাৰৰ ক্ৰম। অসমীয়াৰ উন্নতি নহব, এই কথা যদি কোৱা যায়, তেনেহলে তাক সংসাৰৰ ব্যতিক্ৰম বুলি ধৰিব লাগিব। কিন্তু অসমীয়াৰ উন্নতি কথাটি ব্যতিক্ৰম বোলাবলৈ আমি এতিয়াও সাজু নহওঁ। সেই দেখিয়েই ৰাইজে আজি অশিক্ষিতা ঘৈণীৰ লীলা দেখিবলৈ পাইছে।"

১৯৩১ চনত ডিব্ৰুগড়ৰ পৰা তেওঁৰ যমপুৰী নামৰ প্ৰহসন প্ৰকাশিত হয়। ইয়াত সামাজিক সুৰ এটিও প্ৰতিধ্বনিত হৈছে। এই নাটৰ ইন্দুমতী চৰিত্ৰটিয়ে সঙ্গীতৰ মাহাত্ম্যৰ ওপৰত বিশেষ মূল্য দিছে। এই চৰিত্ৰটিৰ মুখেৰে নাট্যকৰে কোৱাইছে—"আজি মই সকলোৰে আগত চিঞৰি কওঁ যে যি জাতিৰ মাজত গানৰ চৰ্চ্চা নাই, সেই জাতি উধাৰ নোৱাৰে। সকলো মানুহেই গান গাবলৈ যত্ন কৰক। দেখিব যাৱতীয় ওখ ভাববিলাকে সজীৱতা লাভ কৰিব। চতুৰ্বেদ গানৰ সমষ্টি মাথোন।"

ৰজা সপ্তম এডোৱাৰ্ডৰ অভিষেক উপলক্ষে তেওঁ দৰবাৰ নামৰ এখনি নাট ৰচনা কৰে। নাটখনি গোলাঘাটৰ পৰা ১৯০২ চনত প্ৰকাশিত হয়। অভিষেক উপলক্ষে নগৰত আয়োজন কৰা উৎসৱত যোগদান কৰিবলৈ অসমীয়া, বঙালী, মাৰোৱাৰী, মণিপুৰী নেপালী, মিৰি, নগা, কছাৰী আদি সম্প্ৰদায়ৰ লোক

নগৰত উপস্থিত হৈছে। তেওঁলোকৰ ভাষা আৰু উচ্চাৰণ বৈশিষ্ট্যই নাটখনিত হাঁহিৰ উদ্রেক কৰিছে।

দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱাৰ লগত লগ-লাগি তেওঁ যুটীয়াভাৱে কলিযুগ নামৰ ধেমেলীয়া নাট ৰচনা কৰে। নাটখনি ১৯০২ চনত শিৱসাগৰৰ পৰা প্ৰকাশিত হয়। স্বৰ্গৰ দেৱতা সকলে এখনি সভাপাতি পৃথিৱীত কেনেকৈ নাম, ধৰ্ম্ম, পূজা-পাতাল আদি প্ৰৱৰ্ত্তন কৰিব পাৰে তাৰ আলোচনা কৰে, কিন্তু আৰু তেওঁলোকে এই উদ্দেশ্য আগত ৰাখি গোসাই, ভকত, বামুণৰূপে পৃথিৱীত জন্ম গ্ৰহণ কৰে কিন্তু কলিয়ে তেওঁলোকৰ উদ্দেশ্য ব্যৰ্থ কৰি দিয়ে। দেৱতাসকলৰ ব্যৱহাৰে ইয়াত হাস্যৰসৰ অৱতাৰণা কৰিছে।

১৯০৮ চনত মঙ্গলদৈৰ পৰা কুৰি শতিকাৰ সভ্যতা নামৰ নাটখনি প্ৰকাশিত হয়। নাটখনিত শিক্ষিত ডেকাৰ ভণ্ডামিৰ মুখাখুলি দিয়া হৈছে। কুৰি শতিকাৰ শিক্ষিত ডেকাৰ পুৰণা ৰীতি-নীতিৰ ওপৰত আস্থা নাই অথচ নতুন নীতি-নিয়মকো আদৰি লোৱাৰ সাহস নাই। গোপনে জাতিভেদ প্ৰথাও আচৰণ কৰে, পূজা-পাতালো মানে অথচ প্ৰকাশ্যে তাৰ বিৰোধিতাও কৰে।

১৯২৮ চনত যোৰহাটৰ পৰা তিনি ঘৈণী নাট প্ৰকাশিত হয়। নাটখনিত একাধিক পত্নীয়ে সংসাৰ কেনে বিষময় কৰি তোলে তাৰ আভাস ধেমেলিয়া ভাৱে উত্থাপন কৰা হৈছে।

১৯৩১ চনত ডিব্ৰুগড়ৰ পৰা টোপনিৰ পৰিনাম ধেমেলিয়া নাট প্ৰকাশিত হয়। ই এখনি কৌতুক প্ৰহসন। টোপনি আৰু আত্মলীৰ বিয়াৰ চিত্ৰ ধেমেলিয়া ভাৱে নাটখনিত অঙ্কিত কৰি হাস্যৰসৰ সৃষ্টি কৰা হৈছে। টোপনি নামধাৰী শিক্ষিত যুৱকক এই নাটত বিদ্ৰূপ কৰা হৈছে।

১৯৩১ চনত ডিব্ৰুগড়ৰ পৰা চোৰৰ সৃষ্টি নাটখনি প্ৰকাশিত হয়। এই নাটত পতী-পত্নীৰ ভিতৰত সঘনে মনোমালিন্য হোৱা হুজোৱা নৱ-দম্পতীৰ পত্নী সলনি কৰি সিহঁতৰ জীৱনলৈ স্বাভাৱিক আৰু শান্তিপূৰ্ণ জীৱন ঘূৰাই অনাত এটি চোৰে সহায় কৰাৰ কাৰ্য্য অতি কৌতুক আৰু ধেমেলিয়াভাৱে চিত্ৰিত কৰি হাস্যৰসৰ অৱতাৰণা কৰা হৈছে।

বাজখোৱাৰ প্ৰহসনবোৰৰ মাজেৰে অসমীয়া যুৱকৰ কৰ্মবিমুখতা, অশিক্ষিত নাৰীৰ দ্বাৰা পৰিয়ালৰ অগ্ৰগতিত বিধি-পথালি, বহু পত্নী বিবাহৰ কুফল, শিক্ষিত যুৱকৰ ভণ্ডামি



সামাজিক অন্ধবিশ্বাস, জাতিভেদ প্ৰথাৰ যোগেৰে সামাজিক অনৈক্যৰ সৃষ্টি আদি প্ৰতিফলিত হৈছে। বেজবৰুৱাৰ দৰে তেওঁৰ কথনভঙ্গি নিটোল আৰু কলাপূৰ্ণ নহয়। পদ্মনাথৰদৰে গাৱলীয়া ধৰণ-কৰণ তেওঁ কৌতুকপূৰ্ণ ভাৱে ফুটাই তুলিব পৰা নাই। হেমচন্দ্ৰ বৰুৱাৰ দৰে ৰীতি ব্যংগাত্মক আৰু শ্লেষপূৰ্ণ নহয়। তেওঁ নিজস্ব ৰচনা-ৰীতিৰ মাজেৰে প্ৰহসনবোৰত হাস্যৰসৰ অৱতাৰণা কৰিছে। ই তেওঁৰ প্ৰহসনবোৰক মহত্ব দান কৰিছে। অসমীয়া সাহিত্যৰ এইজনে সেৱকে ১৯৫৫ চনৰ ২২ জুন তাৰিখে জীৱন নাটৰ সামৰণি পেলায়।

# ৺জয়দেৱ শৰ্ম্মা

( ৮ পিঠিৰ পৰা )

৺নীলকান্ত বৰুৱা আৰু এই লেখক ) পিচত লৈ আগৰণুৱা আছিল ৺পণ্ডিত জয়দেৱ শৰ্ম্মা। ইবিলাকৰ যত্ন আলোচনা আৰু কাৰ্য্যৰ ফলত সেই ভাগিবলৈ ধৰা কোম্পানী শেহান্তৰত এই সিদ্ধান্তত উপস্থিত হলগৈ যে, অসমীয়াৰ ভিতৰত যদি কোনোবাই কিনিবলৈ আগবাঢ়ে তেন্তে ঋণৰ পুজিত আদিকা থকা ৫০০্ শ টকা বাদে, ১৭০০্ টকাত বন্তি-প্ৰেছৰ সৰ্ব্বস্বত্ব আপোচত বিক্ৰী কৰা যাব। ওপৰত উনুকিউৱা চাৰিমূৰীয়া আলোচনাৰ সিদ্ধান্তত ধৰি থোৱা মতে, গা দেখাকৈ ৺জয়দেৱ পণ্ডিত আৰু গা-আঁৰকৈ এই লেখকে সেই সভা-স্থলতে সিমানতে বন্তি প্ৰেছৰ বোজাটো ধনেৰে বোকোচাত লৈ অসমীয়া সমাজৰ মান ৰক্ষা কৰিলে।

তাৰ পাচত ৺পণ্ডিতদেৱে দেখাকৈ আৰু এই লেখকে নেদেখাকৈ অৰ্থাৎ বেনামী কৈ সেই সমজুৱা বোজাটো বোকোচাত বান্ধি প্ৰাণকাতৰে আগুৱাবলৈ ধৰিলে। সিমানতে, জনসাধাৰণে বৰঙ্গণী স্বৰূপে যথাৰ্থতকৈ তেল-খৰছাত সহায় কৰাত, চলাওঁতা দুজনক গুপুতে বুদ্ধি পৰামৰ্শেৰে সহায় দিয়াত আৰু বন্তি প্ৰেছ কাৰ্য্যালয়ৰ কাৰ্য্যকাৰক ক্ৰমাৎ কমাই আনি খৰছাৰ সীমা নিচেই নিয়মীয়াকৈ বন্ধাত ঋণৰ পোখা বেচিকৈ বাঢ়িবলৈ নিদিয়াকৈ বন্তি আৰু দুবছৰ কাল যুটীয়াকৈ জ্বলিল। সেই বাবে সেই সময়ত এই লেখকে যে কেনে বিপাঙ্গত পৰিছিল তাক কোৱাৰ সকাম নাই। কিন্তু তেওঁ মুক্ত কণ্ঠে স্বীকাৰ কৰে যে অৰ্থব্যৱসায়ী ৺জয়দেৱ শৰ্ম্মা পণ্ডিতদেৱ সেই বিষমকৈ ক্ষতিগ্ৰস্ত হৈছিল। তেখেতে মানুহক টকা ধাৰলৈ দি ধনৰ কাৰবাৰ কৰিছিল ; তাৰ ভিতৰত ম'হ কাৰবাৰী নেপালীৰ লেখেই বেচি। সেই নেপালীবিলাক পাচলৈ খুটি লৰাই গৈ গৈ দীঘলীয়াকৈ বিয়পি পৰিছিল— উজনি গোলাঘাটৰ পৰা ভাঠি দল.........লৈকে ৺পণ্ডিতদেৱৰ ধৰুৱা নেপালীৰ ম'হ খুটি বিস্তাৰিত হৈছিল। সেইবোৰ তেখেতে নিজে চম্ভালিব লাগে ; কিয়নো তেতিয়া তেওঁৰ পুত্ৰ সন্তান নিচেই সৰু সৰু, বৰপুত্ৰ শ্ৰীমান মহাদেৱ শৰ্ম্মা তেতিয়া মুঠেই ৯।১০ বছৰীয়া নবালক। এনে অৱস্থাত পণ্ডিতদেৱে সময়ত 'বন্তি'ক জিলাত অকলে এৰি থৈ দিহিঙ্গে দিপাঙ্গে ম'হ খুটীয়ে খুটীয়ে অৰ্থ ব্যৱসায়ত আগৰ দৰে মুকলি-মূৰীয়াকৈ ফুৰিব নোৱাৰা হোৱাত তেখেতৰ বিষম



ক্ষতি হবলৈ ধৰে। সেই সুযোগতে কোনো নেপালী ধৰুৱা আঁতৰি গৈ গৈ নেদেখাই হল। ইমানতো কিন্তু একাগ্ৰচিতীয়া চহা অসমীয়া ৰত্ন ৺জয়দেৱ শৰ্ম্মা নটলিল ; 'বন্তি'ৰ প্ৰতি কৰ্ত্তব্যৰ পৰা তেখেত অকণো নিপিছলিল। 'বন্তি'ৰ সংসৰ্গত ৺পণ্ডিত জয়দেৱ শৰ্ম্মা দেৱ আৰু ভালেমান বিষম সমস্যাই বেৰি ধৰে। সেইবোৰ তেওঁ সৎসাহ আৰু নৈতিক বলেৰে পাৰ হৈছিল। তাৰ ভিতৰৰ গোটাচেৰেক মাথোন উল্লেকিয়াওঁ। যদ্যপি এই লেখকে তেখেতৰ গাৰ আঁৰ লৈ "বন্তি" সম্পাদিত কৰিছিল, তথাপি তাৰ সম্পাদকীয় দায়িত্ব সম্পূৰ্ণ ৺পণ্ডিত দেৱৰ ওপৰত ৰৈছিল। অতি-শয় বিশ্বস্ত যদিও, বাতৰি কাকতৰ সম্পাদকৰ কাৰ্য্য আনৰ হাতত এৰি দি নিশ্চিন্ত থকা বৰ টান। উদাৰচিতীয়া সৰল অন্তঃকৰণৰ ৺জয়-দেৱ শৰ্ম্মাৰ পক্ষে কিন্তু সি নিচেই নগন্য কথা। তেখেতৰ নীতি এই যে, পানীত নামিলে তিয়নী তিতিবই, তাৰ নিমিত্তে ভাবনাৰ সকাম নাই।

এসময়ত কোনো এটা সংখ্যাত এজন শিৱসাগৰীয়া অসম থলুৱা বঙ্গালীক 'আদবাঙ্গি' বোলা বাবে সম্পাদকৰ ওপৰত মানহানি মোকৰ্দ্দমা কৰা হয়। 'বন্তি'ৰ ওপৰত সেয়ে প্ৰথম গোচৰ। সেই বাতৰিত তেজপুৰৰ কুৰ্ব্বুধীয়া লোক এদল আনন্দত কিৰিলি মাৰি উঠিল। সিবিলাকৰ সভ্য-ভব্য আইনতে জনদিয়েক উপ্যাচি উপদেশ আগ বঢ়ালে যে, ততালিকে ক্ষমা প্ৰাৰ্থনাৰে সৈতে মিট্মাট্ কৰি পেলোৱা উচিত। চহা জয়দেৱ পণ্ডিত দেৱে কিন্তু অচল, অটল আৰু নীৰৱ, তেওঁ গাৰ আৱত-থকা জনৰ লগত মনোভাৱ নস-লোৱাকৈ কাকো একো নকয়। মুঠ কথা, তেখেত অলপো নহটিল। যথা সময়ত শিৱ-সাগৰত গোচৰ উঠিল। 'বন্তি'ৰ বুঢ়া সম্পাদক ৺জয়দেৱ শৰ্ম্মা পণ্ডিতদেৱে বুকু ফিন্দাই গৈ এইবুলি গোচৰ ফুচফাচকৈ উৰাই দি গুচ-ৰীয়া দলক ভেচ্ভেচীয়া কৰি থৈ আহিলগৈ যে, বাদীৰ ফৈদৰ বুজাতহে ভ্ৰম মাথোন ; যি আসোঁৱাহ লগা শব্দটোৰ ওপৰত গোচৰ খন থিয় হৈছিল, সি "আদ্যাঙ্গি" হে "আদ-বাঙ্গি" নহয়। অসমীয়া ব আৰু য এই দুই আখৰৰ আকৃতি প্ৰায় একে হেতুকে হে সেই ভ্ৰম প্ৰমাদ ঘটিবলৈ পালে ; অসম থলুৱা বঙ্গালীয়ে নিজাপী অসমীয়াৰে সৈতে সঙ্গতি পাতি বোৱা ভাৰখন "আদযাঙ্গি" নহৈ নো কি হব ? ৺গঙ্গা গোবিন্দ ফুকন, ফনিধৰ চলিহা, ৺অক্ষয় কুমাৰ ঘোষ বিপক্ষীত উকীল, ৺কালি প্ৰসাদ চলিহা সপক্ষৰ উকীল মুখ্যে শিৱসাগৰীয়া বিজ্ঞলোক সকলে 'বন্তি'ৰ বুঢ়া সম্পাদক চহা জয়দেৱ পণ্ডিতৰ প্ৰত্যুৎপন্নমতিত্ব নশলাগি নোৱাৰিলে।

আন এবাৰ "তেজপুৰ ৰেভিনিউ অফিচৰ কেলেঙ্কাৰী" বুলি এটা বৰ চোকা প্ৰবন্ধ 'বন্তি'ত

প্ৰচাৰিত হোৱাৰ বাবে সেই সময়ৰ ডেপুটি কমিচনাৰ মিঃ কেমিয়েড চাহাব অগ্নিশৰ্ম্মা হৈ উঠে। পিচে আমোলা মন্ত্ৰীৰ পৰামৰ্শ মতে অগ্নিশৰ্মা ডেপুটি কমিচনাৰে পণ্ডিত শৰ্ম্মা বন্তি সম্পাদকলৈ এইভাবে এখন টান চিঠি দি তেখেতৰ ঘৰলৈ টেকেলা পাচিলে যে, তেখেতে বাজে বাজে গৈ 'বৰচাহাব' বাহাদুৰক তেওঁ বঙ্গলাত দেখা ককিবগৈ লাগে চিঠিখনৰ সুৰত টনকিয়া ডেকাৰো কাচুতি হেবোৱাৰ কথা। সভ্য-ভব্য শিক্ষিত আইনত সম্পাদকেও কিজানি ততালিকে হজুৰৰ তেনেকুৱা হুকুক পালন নকৰাকৈ নোৱাৰিলে হেতেন। কিন্তু, আমাৰ চহা বুঢ়া সম্পাদকক তেনে খৰ-বতৰৰ গাজনীয়ে সমুলি টলাব নোৱাৰিলে। তেখেতে গহীনাই টেকেলাৰ মুখে এইভাৱে সমিধান পথালে যে "ততালিকে" আৰু 'বাজে বাজে' মাতি পঠিওৱাৰ মৰ্ম্ম আৰু অৰ্থ উদ্দেশ্য তেখেতে বুজিব নোৱাৰিলে, তথাপি তেখেতৰ সুবিধামতে পিচদিনা ১২ বজাত চাহাবক দেখা কৰিবগৈ। সেই উত্তৰ দি, তাৰ পাচতে কাছাৰি ঘৰৰ আগে-দিয়েই বুকু ফিন্দাই পাৰ হৈ আহি প্ৰথমে বাজে বাজে নিজৰ গাৰ আঁৰত থকা ভিতৰৰ বিশ্বাসীজনৰ ওচৰ পালেহি, দুইৰো মাজত হোৱা ভিতৰুৱা আলোচনা মতে পিচদিনা যথা সময়ত পণ্ডিতদেউ বৰ চাহাবৰ বঙ্গলাত উঠিলগৈ। চাহাবে বৰ চাহাবে নিজে মাচিয়া টানি আনি দি আথে-বেথে বহুৱাই সাজে-পাৰে নিভাঁজ অসমীয়া সম্পাদকক ইংৰাজীতে সম্ভাষণ কৰিলে। এখেতে ইংৰাজী নাজানো বুলি সমিচাৰ দিয়াত চাহাবে অলপ আচৰিত হৈ সুধিলে যে, তেন্তেনো ইংৰাজী-অসমীয়া (Anglo-Assamese) কাকত এখনৰ সম্পাদক এখেত কেনেকৈ হব পাৰিছে? তদুত্তৰত এখেতে একেষাৰ মাথোন উত্তৰ দিলে যে, সেই বিষয়ে আনে জানিবৰ বা আনক জনাবৰ প্ৰয়োজন দেখা নাযায়। চাহাব চুপ হল। তাৰ পাচত আচল কথা ওলাল। চাহাবে প্ৰথমতে মৰম লগাই সম্পাদক দেউক ভিতৰ বিশ্বাসত সুধিলে—(Confidentialv)যে, "ৰেভিনিউ অফিচৰ কেলেংকাৰী" বিষয়ক প্ৰবন্ধটোৰ লেখক কোন? সম্পাদক বুঢ়াই আচৰিত হৈ জলজলাই উঠি এইভাৱে সমিচাৰ দিলে যে, মিঃ কেমিয়েভৰ নিচিনা এজন সুশিক্ষিত আৰু সুবিজ্ঞ জিলাৰ গৰাকীয়ে বাতৰি কাকতৰ সম্প্যাদকীয় ধৰ্ম্ম সুবুজা আৰু নজনাৰ বাবে এখেত বৰ দুখিত। চাহাবে আকৌ চুপ মাৰিলে। আকৌ পাচত, অকাই পকাই নানা কৌশলে গৰম গৰম কথা শুনাই লেখকৰ নামটো উলিয়াবলৈ চাহাবে কাৰবাৰ কৰা দেখি, এখেতে এইবাৰ গিৰিপ কৰে উঠি, এইবুলি সমিধান দি গুচি আহিলে,—"চাহাব, আপুনি মোক আপোনাৰ বঙ্গলালৈ মাতি আনি এইভাৱে আচৰণ কৰাটো ভদ্ৰোচিত (Etiguethe) হৈছেনে? মই লেখকৰ নাম



নকওঁ; তাৰ বাবে আইনমতে মোৰ ওপৰত অভিযোগ আহিব পাৰে।" ইয়াত বাজেও এই শ্ৰেণীৰ বাদ-প্ৰতিবাদ অভিযোগ আদি চৰকাৰী আৰু বে-চৰকাৰীকৈ বিবিধ প্ৰসঙ্গত ভালেমান উঠিছিল; সেই সকলোতে নিৰ্ভীক সম্পাদক পণ্ডিত জয়দেৱ শৰ্ম্মা দেউৰ সৎসাহৰ বিশিষ্ট পৰিচয় দিছিল।

এইভাৱে বছৰ দিয়েক "বন্তী" চলোৱাৰ পাচত, এই লেখকে সাহিত্যিক পেঞ্চন পাই চৰ্কাৰী চাকৰিৰ পৰা অৱসৰ লয়। সেই সময়লৈকে আগৰ যুটীয়া ঋণ বাঢ়ি গৈ আকৌ আগৰ ২২০০৲ টকাত উঠিছিলগৈ। ইমানতে ছেগ বুজি পণ্ডিত দেউৱে অতি সৰলভাৱে এই লেখকক জানিবলৈ দিলে যে তেখেতে আৰু বন্তি সাঙ্গোৰত ৰব নোখোজে, যি হয় এটা সুদিহ্ধ সোনকালে কৰিব লাগে। দিনচেৰেক দুইৰো ভিতৰত গভীৰকৈ ভিতৰ বিশ্বাসৰ আলোচনা চলিল। তাৰ ফলত, তেখেতে উদাৰ চিত্তেৰে এই সিদ্ধান্ত দিলে যে, যদিহে তেখেতৰ আত্ম জীৱনী বন্তিকালে নুগ্মমুৱালৈকে 'অসম বন্তি' নুমুমোৱাকৈ ৰাখিবলৈ এই লেখক প্ৰতিশ্ৰুত হব পাৰে, তেন্তে তেখেতে তেখেতৰ ভাগৰ ঋণখিনি নিজৰ গাত মাৰি লৈ 'বন্তি'ৰ সৰ্ব্বস্বৰ্ত্ব এই লেখকক এৰি দিবলৈ তেখেত সাজু। শেহান্তৰত সেয়ে হলগৈ। তাৰ পাচত এই লেখকে ভিক্ষা জোলোঙাৰ কামিহাৰ ডিঙ্গি উজনি যোৰহাটৰ পৰা ভাঠিলৈ গোটেই অসম আৰু কলিকতালৈকে ভ্ৰমি 'বন্তি'ক ঋণ মুক্তলৈ অনাই সেই প্ৰতিশ্ৰুতি ৰক্ষা কৰিলে। এতিয়া তেওঁৰ জীৱন বন্তি নুমুমায়মানে যেন "অসম বন্তি" নুমুমায় এনে তেওঁৰ প্ৰাণৰ বাঞ্ছা।

'বন্তি' সংসৰ্গত বাজেও, ৺পণ্ডিত জয়দেৱ শৰ্মা দেউৰ সৎসাহ উদাৰচিত্ত, প্ৰশস্ত অন্তৰ আৰু উন্নত মনৰ পৰিচয় আন আন প্ৰসঙ্গতো এই লেখকে পাই লৈছে, আৰু যাৰে লগত তেখেতৰ এবাৰ দেখা সাক্ষাৎ আৰু কথা বাৰ্ত্তা হৈছিল তেওঁৰে তেখেতে মন আকৰ্ষণ কৰিছিল, তেওঁৱেই তেখেতলৈ মুগ্ধ হৈ নাচাই নোৱাৰিছিল। ৺ৰায় জগন্নাথ বৰুৱা বাহাদুৰে ("বি. এ. জগন্নাথ") ৺মহাৰাজ সপ্তম এডোৱাৰ্ডৰ অভিষেক দৰবাৰত যোগ দি বিলাতৰ পৰা উলটি আহোঁতে তেজপুৰবাসীৰ অনুৰোধত তেখেত তেজপুৰত দুদিন ৰয়হি। সেই প্ৰসঙ্গত সদৌ তেজপুৰবাসীয়ে তেখেতক এখনি অভিনন্দন পত্ৰ দিয়ে। অভিনন্দন পত্ৰখন অসমীয়াত এই লেখকৰ দ্বাৰাই লিখিত। তাক পাঠ কৰিছিল, সেই সময়ৰ সৰ্ব্বজনাগ্ৰণ্য ৰাইজৰ প্ৰতিনিধি "বন্তি"— সম্পাদক ৺জয়দেৱ শৰ্ম্মা পণ্ডিতদেৱে। তেখেতৰ স্পষ্ট, বিশুদ্ধ আৰু হৃদয়গ্ৰাহী সুৰৰ সেই অভিনন্দন পত্ৰ পাঠে সেই আহুত বিশিষ্ট আলহী পুৰুষছ আৰু সমবেত ৰাইজক মোহিত কৰিছিল। তাৰ পাচত, "বন্তিৰ"ৰ ঢ়া সম্পাদক ৺জয়দেৱ

পণ্ডিতদেউৰ লগত কথা-বাৰ্ত্তা হৈ, আৰু তেখেতৰ অমায়িক আচৰণলৈ লক্ষ্য কৰি যাবৰ সময়ত * জগন্নাথ বৰুৱা ৰায়বাহাদুৰে এনে আষাৰ মন্তব্য প্ৰকাশ কৰি যায় যে তেখেতৰ মনেৰে উন্নতমনা শুদ্ধচিতীয়া জয়দেৱ পণ্ডিত হেন এগছ পাগুৰি পিন্ধি গৌৰৱ বঢ়াবলৈ পোৱাটো তেজপুৰীয়া ৰাইজৰ বৰ সৌভাগ্যৰ বিষয়। আৰু সেই প্ৰসঙ্গতে সদৌ তেজপুৰ বাসীলৈ চাই সেই লোকমান্য জগন্নাথ বৰুৱা ডাঙৰীয়াই ইংৰাজীতে এই আষাৰ কথা কৈ যায়—

"I hope Tezpur will bad Assam one day"

*জয়দেৱ শৰ্ম্মা পণ্ডিত এজন নৈষ্ঠিক আৰু আদৰ্শ ব্ৰাহ্মণ আছিল। আদৰ্শ বুলিছো বাক্তে ভিতৰে তেওঁৰ ব্ৰাহ্মণত্বলৈ চাই। মুখত তেওঁৰ বামুণীয়া সাহ অন্তৰত তেওঁৰ বামুণীয়া পিট্। ততালিকে টিকুটিকৈ টিকণীৰ আগত খং উঠা আৰু মিনিটতে মিট্‌মিট্ কৈ সেই খং মাৰযোৱা স্বভাৱটো তেওঁ এজন নিভাজ বামুণৰ চানেকী। আৰু বৰণতো তেওঁ এজন পকা বামুণ; ৬০ বছৰীয়া বুঢ়া বয়সলৈকে তেওঁৰ পকা থেকেৰা যেন গালে মুখে সদায় তেজ ফুটি ওলায় ওলায়। অন্তৰ সাহপিটে বাহিৰত বুকু ফিন্দ্ খুৱাই ৰাখিছিল। তেওঁ এজন সদানন্দ পুৰুষ আছিল, তেওঁক নিৰানন্দ নেদেখিলোহঁক।

( ৰচনা ১৯ আঘোন, ১৮৪৯ শক, তেজপুৰ )



# ॥ সম্পাদকীয় ॥

**পৰলোকত ৰাজাজী :**

যোৱা ২৫ ডিচেম্বৰ তাৰিখে ভাৰতৰ ৰাজনীতিৰ ভীষ্মপুৰুষ, আন্তৰ্জাতিক খ্যাতিসম্পন্ন দাৰ্শনিক আৰু সাহিত্যিক চি, আৰ, ওৰফে ৰাজাজী, ওৰফে চক্ৰবৰ্ত্তী ৰাজাগোপালাচাৰীৰ নিজ বাসস্থান মাদ্ৰাজত পৰলোক প্ৰাপ্তি হয়। এই মৃত্যু বাৰ্ত্তা ভাৰতৰ ৰাজনীতিত যিদৰে দুৰ্ভাগ্যজনক, দৰ্শন আৰু সাহিত্য ক্ষেত্ৰতো বেদনাদায়ক। ৰাজাজী ৯৫ বছৰীয়া পুৰ্ণ বয়সত জীৱনৰ পৰা মেলানি মাগিলে সঁচা; কিন্তু এই মৃত্যুৰ লগে লগে গান্ধীজীৰ শেষ অন্তৰঙ্গ দাৰ্শনিক গৰাকীৰো জীৱনৰ অৱসান ঘটিল। ৰোগশয্যাত চটফটাই থাকিও ৰাজাজীয়ে 'মই সুখী' বুলি শেষ কথাষাৰ উচ্চাৰণ কৰিছিল। দাৰ্শনিক আত্মোপলব্ধীৰ ক্ষমতাই আছিল সেই সময়ত এই কথাষাৰ কʼব পৰাৰ একমাত্ৰ কাৰণ। নিজৰ মতবাদৰ স্থিতাৱস্থা ৰক্ষা কৰিবলৈ সেইবাবে এই ঋষিপুৰুষ গৰাকীয়ে কোনো সময়তেই সমালোচনা আৰু গৰিহণাকো ভ্ৰূক্ষেপ কৰা নাছিল আৰু কাৰোপৰা প্ৰশংসাৰ তানপাত্ৰ তুলি হাতত লবলৈও কেতিয়াও বিচৰা নাছিল। আনফালে ৰাজাজী আছিল ৰক্ষণশীলতাৰ ঘোঁৰবিৰোধী যদিও তেওঁক ৰক্ষণশীল বুলিহে কোৱা হয়। সামাজিক বৈষম্য নিবাৰণ, অস্পৃশ্যতা বৰ্জ্জন, মদ নিবাৰণ আদি আন্দোলনৰ ৰাজাজী আছিল প্ৰধানতম নেতা। ভাৰতীয় জীৱনধাৰাৰ অদম্যপুৰুষ আছিল ৰাজাজী।

এই বৈশিষ্ট্যৰ উপৰিও ব্যক্তি হিচাবে ৰাজাজীৰ নাম বহুকালৰ পৰাই ভাৰতীয় জীৱনধাৰাত চিৰস্মৰণীয় হৈ থাকিব। ৰাজাজী

স্বাধীন ভাৰতৰ প্ৰথম গৱৰ্ণৰ, ভাৰতৰ প্ৰথম আৰু শেষ ভাৰতীয় গৱৰ্ণৰ, প্ৰথম 'ভাৰত ৰত্ন', বিক্ৰীকৰৰ প্ৰথম বিধেয়ক, মদ নিবাৰণৰ প্ৰথম প্ৰবক্তা।

তামিল আৰু ইংৰাজী উভয় ভাষাতে সমানে বুৎপত্তি লাভ কৰা চক্ৰবৰ্তী ৰাজাগোপালাচাৰী প্ৰাচ্যৰ অন্যতম শ্ৰেষ্ঠ দাৰ্শনিক সাহিত্যিক। তেখেতৰ ৰামায়ণ, মহাভাৰত, গীতা উপনিষদৰ চিন্তাগধুৰ গ্ৰন্থ, মাৰ্কাচ অৰেলিয়াচৰ ব্যাখ্যা ভাৰতীয় সাহিত্যৰ অমূল্য গ্ৰন্থ। ৰাজনীতি বাদদিও দৰ্শন আৰু সাহিত্যই ৰাজাজীক অমৰ কৰি গৈছে, এটি যুগৰ পৰিসমাপ্তি সূচাইছে।

## এজ্‌ৰা পাউণ্ড :

যোৱা ২ নবেম্বৰ তাৰিখে আধুনিক বিশ্ব সাহিত্যৰ বহু বিতৰ্কিত কবি এজ্‌ৰা পাউণ্ডৰ ভেনিচ নগৰত লোকান্তৰ ঘটে। বিশ্ব সাহিত্যৰ বাবে বৰ বেদনাদায়ক খবৰ। আন সমস্ত কথা পৰিত্যাগ কৰিও এজৰা পাউণ্ডৰ ক্ষেত্ৰত এটা কথা স্বীকাৰ কৰিব লাগিব যে তেওঁ কবিসকলক এই শিক্ষা দি গৈছে যে স্বভাৱকবিত্ব কবিৰ ৰচনাৰ মূলবীৰ্য্য কেতিয়াও হব নোৱাৰে। কাৰণ, তেওঁ ভাবে, কাব্য ৰচনা এটি কঠিন পৰিশ্ৰমৰ কাম, অনুশীলন মূলক শক্তি আৰু চিন্তাৰ সূক্ষ্মতাই কবিতাৰ ৰস সৃষ্টি কৰিব পাৰে। সেই বাবেই এজ্ৰা পাউণ্ডে কবিতাৰ কঠিনতাৰ সমৰ্থক যদিও স্বচ্ছতাক অতীৱ প্ৰয়োজনীয় বুলি জ্ঞান কৰে। তেওঁৰ ৰচনা সম্পৰ্কে এইবোৰেই বিতৰ্কৰ প্ৰধান কাৰণ। একশ্ৰেণীৰ সমালোচকে এজৰা পাউণ্ডক মহাকবি আখ্যা দিয়ে আৰু আন একশ্ৰেণীয়ে তেওঁৰ কাব্য প্ৰতিভা স্বীকাৰ নকৰে। তেওঁ তেওঁৰ জেষ্ঠপ্ৰতিম উইলিয়ম বাট্‌লাৰ য়েট্‌চক উপদেশ দিবলৈ এৰা নাই, এলিয়টৰ কবিতা কাটি শব্দ আৰু শাৰী পৰিবৰ্ত্তন কৰিবলৈ পাহৰা নাই. জাপানী ভাষা নজনাকৈয়ে জাপানী 'নো' নাটক অনুবাদ কৰাৰ প্ৰয়োজনক অবহেলা কৰা নাই, বৰং যুক্তি আৰু কৃতকাৰ্য্যতাৰে সিবোৰ সম্পাদন কৰিছে – নিজৰ প্ৰতিভাৰ গুণেৰে। তেওঁ যি কৰিছে, য'লৈ গৈছে তাতেই হুলস্থূলৰ অৱতাৰণা কৰিছে। লণ্ডনত, পেৰিচত সাহিত্যৰ সমালোচনা কৰি আলোড়নৰ সৈতে ওলাইছে, ইটালীত অৰ্থনীতি আৰু বেঙ্কিঙৰ দুৰ্নীতিৰ বিষয়ে ব্যাখ্যা কৰি মানুহৰ দৃষ্টি আকৰ্ষণ কৰিবলৈও সক্ষম হৈছে। আৱশ্যক বুলি ধাৰণা কৰি ইহুদীসকলৰ বিপক্ষেও নিজৰ বক্তব্য প্ৰকাশ কৰিছে, বিশ্বাসঘাটক বুলি প্ৰমাণিতহৈ দ্বিতীয় মহাযুদ্ধৰ পাচতে বন্দী জীৱন যাপন কৰিছে, যুদ্ধপৰাধী হিচাবে বিচৰাধীন অৱস্থাত মানসিক ৰোগগ্ৰস্থ বুলি প্ৰমাণিতহৈ আত্মপক্ষ সমৰ্থনৰ অনুপযুক্ত তাৰ কাৰণত সুদীৰ্ঘ বাৰ বছৰ জুৰি মানসিক চিকিৎসালয়ত কটাবলগীয়া হৈছে। অথচ এই মানুহজনৰ ৰচনাই সমগ্ৰ বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰিছে আৰু নবেল পুৰস্কাৰৰ বাবেও কেবাবাৰো আলোচিত হৈছে। শেষত হাজাৰ হাজাৰ সাহিত্যিকৰ দাবী আৰু আবেদনত মানসিক চিকিৎসালয়ৰ পৰা মুক্তি পোৱাৰ পাচত মৃত্যুৰ কিছুদিন আগেয়ে হঠাং নিজে নিজৰ ওপৰত মন্তব্য কৰি উঠিল "অনুমান কৰো, সমগ্ৰ জীৱনজুৰি মই ভুল কৰি আহিছো। আজি মই নিজকে এজন অশিক্ষিত সাহিত্যিক বুলিয়েই অনুভৱ কৰোঁ।" ইয়াৰ পৰাই বুজিব পাৰি এজৰাপাউণ্ড মানুহজন কিমান অসাধাৰণ, কিমান চিত্তাকৰ্ষক।

বিতৰ্কৰ যিমানেই সৃষ্টি নহওক কিয়, এজ্‌ৰা পাউণ্ড মূলতঃ কবি। মৌলিক কবিতা, য়েট্‌চ্‌, এলিয়ট, ৰবীন্দ্ৰনাথৰ ওপৰত আলোচনা, ফৰাচী কবিসকলৰ বিষয়ে লিখা বিস্ময়কৰ ৰচনাসমূহ বাদদিও জাপানী নাট, চীনা কবিতাৰ অনুবাদ আৰু কনফুচিয়াচ্‌ৰ ওপৰত অকাট্য যুক্তিব্যাখ্যা এজৰা পাউণ্ডৰ লেখনীৰ অমূল্য উপহাৰ।

এজৰা পাউণ্ডৰ সৰ্বশ্ৰেষ্ঠ কাব্য কীৰ্ত্তি হ'ল—'কেণ্টোসমূহ'। তেওঁৰ 'কেণ্টোসমূহ'ৰ ৰচনা এতিয়াও অসমাপ্ত যদিও, তাৰ সৰ্বশেষ সংখ্যা ১১৬। ইয়াৰ বেছিভাগ তেওঁ বন্দী অৱস্থাতেই লেখা। 'কেণ্টোসমূহ'ত আছে প্ৰাচীন পুৰাণ ইতিহাসৰ ব্যাখ্যা আৰু আত্মজীৱনীমূলক ঘটনাপ্ৰবাহ।

এজৰা পাউণ্ডে তেওঁৰ জৈষ্ঠ্য, সমসাময়িক আৰু বয়সত কিছু কনিষ্ঠ বহু কবিৰ ৰচনাৰ বিপক্ষে যদিও নিজৰ মন্তব্য তীব্ৰভাষাৰে দি গৈছিল, তেওঁ আছিল তৰুণ কবিসকলৰ উৎসাহদাতা, প্ৰেৰণাৰ স্থল। তেওঁ সম্পাদনা কৰা 'দা প'য়েট্ৰী' নামৰ আলোচনীৰ যোগেদি নতুন এদল কবিৰ সৃষ্টি কৰিছিল, নতুন কবিতাৰ আন্দোলন গঢ়ি তুলিছিল। এলিয়টৰ 'ৱেষ্টলেণ্ড' এজ্‌ৰা পাউণ্ডৰ নামত উৎসৰ্গিত। সেয়া এজ্‌ৰা পাউণ্ডৰ প্ৰতিভাৰ প্ৰতি অন্য এক প্ৰতিভাৰ কলাত্মক অভিনন্দন মাথোন।

পাঠকৰ পৰিচয়ৰ বাবে এজৰা পাউণ্ডৰ ছুটা চুটি কবিতাৰ অনুবাদ আগবঢ়োৱা হ'ল—

### এপিটাফ্‌ :

ফু আই :
পাহাৰ-মেঘৰ
প্ৰেমেৰে মগ্ন ফু আই,
তেওঁ যে মৃত সুৰাপান কৰি
হায়!

লি পোঃ
লি পো মৰিল সুৰাপানেৰে
জোনক আলিঙ্গন কৰি খুজিছিল
তেওঁ পীত নদীৰ পানীৰ সাজেৰে।

মোক মাতিছে এয়া মৃত ৰমণীৰ নয়নে ।
প্ৰসৱ ৰাগীহীন প্ৰেমযে আছিল ইয়াত,
চুমাৰ চেকাৰে মছিব নোৱাৰা কামনাবোৰে ইয়াত
মৃত চকুৰে মোক মাতিছে সংগোপনে ।

**হৰেন্দ্ৰনাথ কলিতা :**

যোৱা ১ জানুৱাৰী তাৰিখে আৱাহন খ্যাতনামা সাহিত্যিক হৰেন্দ্ৰনাথ কলিতা ৮৪ বছৰ বয়সত পৰলোকপ্ৰাপ্তি ঘটিছে । সাহিত্যিক হিচাবে হৰেন্দ্ৰনাথ কলিতাই অসমযুত উচ্চতম শিখৰ পোৱা নাছিল সঁচা : কিন্তু আধুনিক অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ সংস্থাপনত কলিতাই যি অৱিহনা যোগাই গ'ল তাৰ প্ৰকৃত মূল্যায়ন হোৱা উচিত ।

১৯৪৪ চনত কলিকতাত ঘটা সাম্প্ৰদায়িক সংঘৰ্ষৰ সময়লৈকে হৰেন্দ্ৰনাথ কলিতা আছিল কলিকতা নিবাসী, ৰেল বিভাগৰ কৰ্ম্মচাৰী । অসমৰ শিক্ষিতলোকৰ মাজত হৰেণ কলিতা আছিল 'কলিকতাৰ কলিতা' নামেৰে জনাজাত । অৰ্থাৎ অসমৰ পৰা যিকোনো শিক্ষিতলোক কলিকতালৈ গলেই সহায় আৰু আশ্ৰয়ৰ প্ৰধানতম ব্যক্তি আছিল হৰেন্দ্ৰনাথ কলিতা । অকল সিয়েই নহয়, কলিকতাৰ অসমীয়া সাংস্কৃতিক জীৱনৰ হৰেন্দ্ৰনাথ কলিতা আছিল কেন্দ্ৰ স্থল । ব্যক্তি হিচাবে কলিতা আছিল সৎ আৰু সৰল । চাকৰিৰ ফালৰ পৰা আৰ্থিক অৱস্থাও আছিল টনকিয়াল । আৱাহন, পথিলী আদি আলোচনীৰ লগতো কলিতা পোনপটীয়াভাৱে জড়িত আছিল । এইবোৰ আলোচনীৰ গৌৰৱময় ভূমিকাত হৰেন্দ্ৰনাথ কলিতাৰ অৱদান অনস্বীকাৰ্য্য । কলিতাদেৱৰ সাহিত্য কৃতীও আছিল উচ্চ পৰ্য্যায়ৰ । তেখেতৰ দ্বাৰা অনূদিত ডিকেন্সৰ উপন্যাস Tale of two cities (দুখন নগৰৰ কথা) এখন উল্লেখযোগ্য অনুবাদ গ্ৰন্থ । তেখেতৰ ভালেমান গল্প আৰু কবিতাৰ আৱাহনৰ পাতত সিচৰিত হৈ আছে । 'আকাশৰ কথা' 'সাগৰৰ কথা' হৰেণ কলিতাৰ আন দুখনি শিশু আৰু কিশোৰৰ বাবে ৰচিত গ্ৰন্থ । এই গ্ৰন্থত তেখেতে ভাৰত চৰকাৰৰ পৰা শিশু সাহিত্যৰ সিতানত পুৰস্কৃত হৈছে । আমি জনাত চিৰিয়াখানাৰ জন্তুবোৰৰ বিষয়ে ৰচিত এখনি সুবৃহৎ গ্ৰন্থৰ পাণ্ডুলিপি প্ৰকাশন পৰিষদৰ দ্বাৰা গৃহীত হোৱাৰ পাচতো প্ৰশাসনীয় বেমেজালিৰ বাবে আজিও পোহৰলৈ অহা নাই । ই বৰ পৰিতাপৰ কথা । বৰ্ত্তমানৰ কৰ্মকুশল সচিব মহাশয়ে অতি সোনকালে এই গ্ৰন্থখনি প্ৰকাশৰ ব্যৱস্থা লব বুলি আমি আশাকৰোঁ । এই সৎ সাহিত্যিক গৰাকীৰ জীৱন আৰু দৰ্শনৰ ওপৰত আলোচনা হোৱা উচিত ।

চহকী হৰেণ কলিতা ১৯২৫ চনত অসমলৈ গুচি আহিছিল সাম্প্ৰদায়িক সংঘৰ্ষৰ বলি হিচাবে খালিহাতে গৰিব অৱস্থাৰে । সেই অৱস্থা আৰু টনকীয়াল নহ'ল, অসমৰ প্ৰকৃত সেই সুযোগ নঘটিল । নীৰৱ সাধক কলিতাদেৱে গুৱাহাটী বিশ্ববিদ্যালয়ত এটি সৰু চাকৰি লৈ জীৱিকা নিৰ্বাহ কৰিবলগীয়া হল । কলিতা, কলিতা হৈয়েই থাকিল । এবছৰৰ আগতে বিশ্ববিদ্যালয়ৰ চাকৰি পৰা অৱসৰ গ্ৰহণ কৰাৰ পাচত তেওঁ কগীয়া হৈ পৰিল । তথাপিও, তেওঁৰ কাপ চলিয়েই থাকিল । পৰিয়ালৰ হক বাধা নেওচি গুৱাহাটী নগৰৰ বাটলৈ এবাৰ ওলাই আহিলে চিনাকীলোক, হাস্পাতালত থকা ৰোগী সকলোৰে খবৰ-বাতৰি লৈহে ঘৰলৈ উভতিছিল । এই নীৰৱ প্ৰচাৰ বিমুখ সৎসাহিত্যিক গৰাকীয়ে কোনোৱে কব নোৱাৰাকৈ হঠাতেই যোৱা ১ জানুৱাৰী তাৰিখে নীৰৱে মেলানি মাগিলে । মৃত্যুৰ দুদিন পাচতহে বাতৰি কাকতে অসমবাসীক সেই দুখৰ বাৰ্ত্তা জনালে ।

**বিচিত্ৰনাৰায়ণ দত্তবৰুৱা :**

যোৱা ১১ জানুৱাৰীত অসমত গ্ৰন্থ উদ্যোগৰ শীৰ্ষস্থানীয় ব্যক্তি বিচিত্ৰনাৰায়ণ দত্তবৰুৱাৰ পৰলোকপ্ৰাপ্তি হয় । অসমীয়া মুষ্টিমেয় পাঠকৰ মাজত ব্যৱসায়িক দৃষ্টিকোণ আওকাণ এই গৰাকী মহানুভৱ ব্যক্তিয়ে তিনিশৰো অধিক অসমীয়া গ্ৰন্থ প্ৰকাশ কৰি যি মহত্বৰ চিনাকী দিলে, এই কথা অসমীয়া সাহিত্যই চিৰদিনেই সুঁৱৰিব ।

দত্তবৰুৱা অকল প্ৰকাশকেই নাছিল, একেধাৰে বিশিষ্ট গ্ৰন্থৰ লেখক, সম্পাদক আৰু শঙ্কৰী কলা কৃষ্টিৰ এক অনন্য পূজাৰী । তেখেতৰ দ্বাৰা ৰচিত গ্ৰন্থই ভাৰত চৰকাৰৰ দ্বাৰা পুৰস্কৃত হৈছিল । বিশেষকৈ কীৰ্ত্তন, দশম, ভাগৱত, গীতা, গুণমালা আদি আপুৰুগীয়া সম্পদৰ প্ৰকাশে দত্তবৰুৱাক ভাষা সংস্কৃতিৰ প্ৰকৃত সেৱকৰ স্থান দি গৈছে । তেখেতে দি যোৱা আৰ্থিক দান বিশেষকৈ শঙ্কৰী কৃষ্টি বিকাশৰ উদ্দেশ্য আৰু ভালেমান ছাত্ৰ-ছাত্ৰীলৈ আগবঢ়োৱা গ্ৰন্থৰ বিনামূলীয়া দান আৰু আৰ্থিক সাহায্যই তেখেতৰ মহানুভৱতাৰ প্ৰমাণ ।

প্ৰকাশন পৰিষদ বা তেনেকুৱা অনুষ্ঠানৰ ফালৰ পৰা দত্তবৰুৱাৰ জীৱনীৰ লগত সন্নিবিষ্ট ৰাখি মহৎ সাংস্কৃতিক কাৰ্য্যাৱলীৰ বিষয়ে গ্ৰন্থ প্ৰকাশিত হোৱা উচিত ।

**অসমীয়া আৰু বঙালী :**

সম্প্ৰতি অসমীয়া আৰু বঙালী সম্প্ৰীতি আৰু ভেদ বিষয়ক কেইটিমান প্ৰবন্ধ য'ত ত'ত প্ৰকাশিত হৈছে । এই প্ৰবন্ধটিৰ মূল ভেটী কেইমাহমানৰ আগতে গোটেই অসম জুৰি হোৱা বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম সংক্ৰান্তৰ নৈতিক আন্দোলন । এই প্ৰবন্ধ

কেইটিৰ ভিতৰত প্ৰখ্যাত সাহিত্যিক শ্ৰীঅন্নদা শঙ্কৰ ৰায়, বাংলা সাহিত্যৰ তৰুণ কবি শ্ৰীআশিস সান্যাল আৰু সাপ্তাহিক নীলাচল পত্ৰিকাৰ কিছুকালৰ সবৰৰহী লেখক কাছাৰৰ ডঃ সুহাষ চট্টোপাধ্যায় প্ৰধান। প্ৰথম সৎ ব্যক্তি দুগৰাকীয়ে সৎমনোভাৱেৰে সমস্ত অৱস্থা (অন্ততঃ তেখেতসকলৰ দৃষ্টিগোচৰ হোৱা) ব্যাখ্যা কৰি সুচিন্তিত যুক্তি দাঙি ধৰিছে। তেখেতসকলৰ সৎচিন্তা, প্ৰীতিমূলভ মনোভাৱ আৰু নিৰপেক্ষ যুক্তিৰ বাবে সম্ভাষণ জনাইছো। কিন্তু, এই সংক্ৰান্তত আমি এই কথা কোৱা উচিত হব যে ডঃ সুহাষ চট্টোপাধ্যায়ৰ সাপ্তাহিক 'দেশ' পত্ৰিকাত লেখা প্ৰবন্ধটি ভূল তথ্য আৰু পক্ষপাতিত্বমূলক চিন্তাধাৰাৰ এক চুৰান্ত নিদৰ্শন, অসমত হোৱা এই আন্দোলন সংক্ৰান্ত বিষয়ৰ ক্ষেত্ৰত এই কথাও উল্লেখনীয় যে কলিকতাৰ পৰা প্ৰকাশিত কেবাখনো বাতৰি কাকতৰ লগতে 'দেশ' পত্ৰিকাৰ ভূমিকাও সম্পূৰ্ণ পক্ষপাত দোষযুক্ত। বিশেষকৈ তাত প্ৰকাশ পোৱা কেবাটাও সম্পাদকীয় প্ৰবন্ধ আৰু 'দৃশ্যপট' নামৰ শিতানত নবাৰুণ গুপ্তৰ প্ৰবন্ধৰাজিয়ে অসমীয়া আৰু বাঙালীৰ মাজত গঢ়ি উঠা সম্প্ৰীতিৰ বাতাবৰণ ভালেখিনি কলুষিত কৰি তুলিছে। অসমীয়া বা বাঙালী কোনো শ্ৰেণীৰ সৎ-ব্যক্তিয়েই এনেধৰণৰ বিদ্বেষ আৰু পক্ষপাতিত্বমূলক মনোভাৱক প্ৰশ্ৰয় দিয়া উচিত নহয়। তাৰ দ্বাৰা মানুহৰ মাজত শত্ৰুতাৰ ভাব বাহি যোৱাৰ বাহিৰে কোনো লাভেই আশা কৰিব নোৱাৰি।

অসমীয়া আৰু বঙালীৰ বন্ধুত্ব আৰু সম্প্ৰীতিৰ ইতিহাস যিমানেই পুৰণি নহওক কিয়, মূলতঃ সি প্ৰয়োজনীয়। সেই প্ৰয়োজনৰ ওপৰতেই এখন দেশৰ ঐক্য আৰু ভৱিষ্যত নিৰ্ভৰ কৰিছে। এনেস্থলত সাম্প্ৰদায়িক অনুভূতিক প্ৰশ্ৰয় নিদি অধিকাৰ আৰু যুক্তিৰ প্ৰতিহে সকলোৱে মনোনিবেশ কৰা উচিত।

ভাৰতৰ সংবিধানে আধুনিক উন্নত ভাষা হিচাবে স্বীকৃতি দিয়া ভাষা অসমীয়া আৰু বাংলা। এখন ক্ষুদ্ৰ ৰাজ্যৰ গোটেই ভাৰতৰ জন সংখ্যাৰ পঞ্চাশ ভাগৰ এভাগৰ মাতৃ ভাষা, প্ৰশসনীয় ভাষা তেওঁলোকে শিক্ষাৰ মাধ্যম হিচাবে ব্যৱহাৰ কৰে। এইভাষা এক অনুপম অতীতৰ অধিকাৰী। আনফালে ভাৰতৰ জনসংখ্যা এক বুজন সংখ্যক জনসাধাৰণৰ ভাষা বাংলা। ই অকল প্ৰশাসনীয় বা শিক্ষাৰ মাধ্যমৰ ভাষাই নহয়, আজি বিশ্বৰ শ্ৰেষ্ঠতম আধুনিক ভাষা সাহিত্যৰ ভিতৰত অন্যতম বাংলা ভাষা। বাঙালী সকলক বাদ দিও ভাৰত কিয় বিশ্বৰ বিভিন্ন ঠাইৰ লোকে এই ভাষা শিকিবলৈ লৈছে। ভাৰতত অবাঙালী লোকৰ ভিতৰতো আটাইতকৈ বেছি সংখ্যক অসমীয়া মানুহে ভাষাৰ গ্ৰন্থ পঢ়ে। তেনেস্থলত যুক্তিৰে ঢুকি পাওক নাপাওক অসমৰ বিশ্ববিদ্যালয়ৰ মাধ্যম অসমীয়া হলে বংলা ভাষাৰ এধনিষ্ঠামানো অপকাৰ নহয়। এতেকে অসমৰ জনসাধাৰণৰ পিতৃভূমিৰ ভাষা অসমীয়াক অসমৰ বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম হিচাবে গ্ৰহণ কৰোতে কোনো লোকে বিৰুদ্ধাচৰণ কৰি তিক্ততাৰ সৃষ্টি কৰা নিষ্প্ৰয়োজন।

অসমৰ বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম অসমীয়া নহলে, পশ্চিমবঙ্গৰ বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম বাংলা নহলে ক'ত হব? পশ্চিমবঙ্গত অসমীয়া, অসমত বঙালী নে সমগ্ৰ দেশতে? চিৰকাললৈ অকল ইংৰাজীকে ৰাখি? নে প্ৰত্যেকখন ৰাজ্যৰ শিক্ষাৰ মাধ্যম ষোলটা ভাষাতে ব্যৱস্থা কৰি সমগ্ৰ দেশৰ কলেজসমূহৰ বৰ্ত্তমানৰ শিক্ষকৰ সংখ্যা ষোলগুণ বঢ়াই দি? (শেষৰ ব্যৱস্থাটি কৰিব পাৰিলে অৱশ্যে বৰ্ত্তমানৰ এম-এ, পাছ নিবনুৱাৰ সমস্যা নাইকীয়া হব পাৰে!)

সাংবিধানিক দিশৰ পৰা ৩৪৩ অনুচ্ছেদ অনুসৰি ভাৰতৰ ৰাষ্ট্ৰীয় ভাষা হিন্দী। কিন্তু হিন্দী ভাষীলোকৰ সংখ্যা ভাৰতৰ সমস্ত জনসংখ্যাৰ শতকৰা ত্ৰিশ ভাগৰ অধিক নহয়। তথাপিও জাতীয় মৰ্যাদা ৰক্ষা কৰিব লাগিলে অধিক সংখ্যক জনতাই ব্যৱহাৰ কৰা উন্নত ভাষা হিন্দীক ৰাষ্ট্ৰীয় ভাষা হিচাবে গ্ৰহণ কৰা জাতীয় প্ৰয়োজন। সাংবিধানিক দিশৰ পৰাও ৩৪৫ ৩৪৬ আৰু ৩৪৭ অনুচ্ছেদ অনুচ্ছেদ অনুসৰি অসমৰ ৰাজ্যিক তথা আঞ্চলিক ভাষা একমাত্ৰ অসমীয়া। পশ্চিম বঙ্গত সেই একেই কাৰণতে একমাত্ৰ বাংলা আৰু উত্তৰ প্ৰদেশত একমাত্ৰ হিন্দী, নেপালী আৰু উৰ্দ্দু নহয়।

প্ৰাথমিক পৰ্য্যায়ত সকলো ৰাজ্যতেই নিজৰ মাতৃভাষাৰে শিক্ষা লাভ কৰাৰ জনসাধাৰণৰ ন্যায্য অধিকাৰ আছে। মাধ্যমিক স্তৰত মাতৃভাষাৰ মাধ্যমেৰে শিক্ষা লাভ কৰিলেও ত্ৰিভাষা সূত্ৰানুসৰি ৰাষ্ট্ৰীয় আৰু আঞ্চলিক ভাষা শিক্ষা বাধ্যতামূলক। শিক্ষা তথা বিশ্ববিদ্যালয় আয়োগসমূহৰ সিদ্ধান্ত অনুসৰি বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম আঞ্চলিক ভাষাতে হব লাগে। মাধ্যমিক পৰ্য্যায়ত আঞ্চলিক ভাষাৰ বাধ্যতামূলক শিক্ষাৰ প্ৰধান কাৰণ যাতে আঞ্চলিক ভাষা ইতিমধ্যে আয়ত্ব কৰি বিশ্ববিদ্যালয়ত সকলো ছাত্ৰৰ কাৰণে শিক্ষাৰ মাধ্যম হিচাবে গ্ৰহণ কৰিবলৈ সহজ হয়। ই বৰ সহজ কথা। শিক্ষা লাভৰ ক্ষেত্ৰত প্ৰত্যেক ভাৰতীয়ই এই কথা মনত ৰাখি আগবাঢ়িলেহে বহু ভাষাৰ মিলনক্ষেত্ৰ আমাৰ দেশৰ ভাষিক সংঘৰ্ষৰ অৱসান হব। অসমৰ বাহিৰত থকা অসমীয়াসকলে এই দৃষ্টিকোণৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি চলা যিদৰে এক নৈতিক কৰ্ত্তব্য, অসমত বসবাস কৰা অনা অসমীয়া সকলেও সেই কৰ্ত্তব্য আৰু দায়িত্ববোধৰ পৰা আতৰা নিতান্ত অন্যায় তাকো চিন্তা নকৰি যদি সংঘৰ্ষৰ আশ্ৰয় লোৱা হয়, সংঘৰ্ষৰ বাবে জনসাধাৰণক প্ৰৰোচিত কৰিবলৈ যত্ন কৰা হয়, বাতৰি কাকত আৰু প্ৰচাৰ মাধ্যমসমূহে মিথ্যাবাদৰ আশ্ৰয় লয়, সি সমগ্ৰদেশৰ কাৰণে দুৰ্ভাগ্যজনক।

যুগসন্ধিৰ মোহনাত উপনীত প্ৰতিজন ভাৰতীয়ই এইকথা চিন্তা কৰা উচিত : প্ৰতিজন অসমীয়াই, প্ৰতিজন বঙ্গালীয়ে উপলব্ধি কৰা উচিত।

গাৱঁলৈ যাওঁগৈ ব'লা :

১৯৪৭ চনৰ ভাৰত বিভাজনৰ ফলত পঞ্জাব আৰু বঙ্গ খণ্ডিত হৈ দুখন স্বাধীন ৰাষ্ট্ৰৰ অংশত পৰিণত হ'ল, যাৰ ফলত এই দুয়োটি অঞ্চলৰ জনজীৱনত এক অপূৰণীয় আৰ্থিক আৰু মনস্তাত্বিক দুৰ্যোগৰ সৃষ্টি হ'ল। অসমৰো একাংশ (কৰিমগঞ্জ অঞ্চল বাদ দি চিলেট জিলা) তেতিয়াৰ পূৰ্ব পাকিস্তান আৰু বৰ্ত্তমানৰ বাংলাদেশৰ অন্তৰ্ভূক্ত হ'ল। অসমৰ কাৰণে সি বৰ ডাঙৰ লোকচান নাছিল সঁচা; কিন্তু তাৰ পৰবৰ্ত্তি কালত অসমৰ ওপৰত বুদ্ধিজীৱি ভগনীয়াৰ সোঁতৰ যি ঢেঁচা পৰিল, সিহে হৈ উঠিল অসমৰ বাবে মাৰাত্মক।

কাছাৰৰ চিলচৰ, কৰিমগঞ্জ, বদৰপুৰ হাইলাকান্দি আদি নগৰত ভৰি পৰিল বুদ্ধিজীৱি ভগনীয়া সকল। স্বাধীনতাৰ আগৰ কাছাৰ নিসন্দেহে এখন অনুন্নত জিলা আছিল। তাৰ ডিমাছা, মনিপুৰী, মাৰ, হাজং বৰ্মন, ৰাজবংশী, কছাৰী, কছাৰী মুছলমান ইত্যাদি সম্প্ৰদায়ৰ খিলঞ্জীয়া অসমৰ অধিবাসী সকল সঁচাকৈয়ে অনুন্নত আছিল। মূঠতে তেতিয়াৰ কাছাৰৰ অধিবাসী মাত্ৰেই অনুন্নত, উদাহৰণ হিচাবে কব পাৰি কাছাৰৰ দৈবজ্ঞ সম্প্ৰদায়ৰ লোক সকলকো অনুন্নত বুলি ধৰা হয়। এই অনুন্নত লোক সকলৰ মাজলৈ বুদ্ধিজীৱি ভগনীয়া লোকসকল আহি কৃষি, শিল্প, বেহাবেপাৰ ৰাজনীতি সকলোৰে ওপৰত নেতৃত্ব কৰিবলৈ ললে। স্থানীয় বোৰা লোকসকলৰ ভাষা, সংস্কৃতিৰ ওপৰত সহজেই তেওঁলোকে তেওঁলোকৰ প্ৰভুত্ব বিস্তাৰ কৰিলে। চহৰবোৰৰ পৰা আদিম অধিবাসী সকল গাৱঁলৈ গ'ল। চহৰবোৰ হৈ পৰিল নতুনকৈ অহা ভগনীয়া সকলৰ আবাসভূমি, ভিতৰুৱা আৰু গ্ৰামাঞ্চলেই হ'ল আদিম অধিবাসী সকলৰ বাসস্থান। অনুন্নত অধিবাসী সকল অনুন্নত হৈয়েই ৰ'ল : তেওঁলোকৰ বোবা ডিঙিৰ আৰু কণ্ঠস্বৰ ফুটাৰ সুযোগ নঘটিল। অসমৰ নেতা, শিক্ষাবিদ কোনেও তেতিয়া এইকথা চিন্তা নকৰিলে। চহৰবাসীৰ কৰাল গ্ৰাসত গ্ৰামবাসীৰ অস্তিত্ব বিলীন হৈ গ'ল। কাছাৰৰ চহৰবোৰৰ ছবিয়েই বাহিৰৰ চকুত হৈ উঠিল কাছাৰৰ মানুহৰ এক ভ্ৰান্ত চিত্ৰ।

স্বাধীনতাৰ পাচত কাছাৰলৈ যি সকল ভগনীয়া আহিছিল তেওঁলোকৰ মনলৈ আহিছিল আবাঙ্খাৰ এক অদম্য স্পৃহা। সেই স্পৃহাৰ সতে জৰিত আছিল প্ৰবঞ্চনাৰ ভয়াবহ জাল। বৃটিশ সকলে ভাৰতৰ জনসাধাৰণৰ মাজত পাৰ্য্যমানে তেওঁলোকৰ ভাষা, তেওঁলোকৰ ধৰ্ম, তেওলোকৰ স্বাৰ্থপূৰণত সহায়ক হোৱা শিক্ষা ব্যৱস্থা প্ৰচলনৰ যত্ন কৰিছিল। তেনেদৰেই কাছাৰলৈ অহা এই ভগনীয়া সকলে তেনে মনোবৃত্তিৰেই কাছাৰত প্ৰবেশ কৰি নিজৰ স্বাৰ্থ সিদ্ধিৰ কথা চিন্তা কৰিছিল। এতেকে কাছাৰৰ চহৰবোৰৰ চিত্ৰই কাছাৰৰ চিত্ৰ হ'ব নোৱাৰে, যিদৰে মিছনাৰী সকল আৰু ইংৰাজ শাসকসকল ভাৰতভূমি নহয়। কাছাৰৰ গাৱঁৰ, কাছাৰৰ গ্ৰামাঞ্চলত থকা অনুন্নত আৰু শোষিত জনসাধাৰণৰ চিত্ৰহে কাছাৰৰ চিত্ৰ। সেই চিত্ৰ পোহৰলৈ অহাৰ ব্যৱস্থা হোৱা উচিত।

কাছাৰৰ জনসাধাৰণৰ এতিয়া লাহে লাহে মাত ফুটিছে। কিন্তু, স্পষ্ট এতিয়াও হোৱা নাই। এতিয়া কাছাৰক চৰকাৰীভাবে বাংলাভাষী জিলা আখ্যা দিয়াত এইসকল লোকে আঘাত পাইছে। পাবই, যেহেতু কাছাৰ বাংলাভাষী নহয়। কাছাৰৰ খিলঞ্জীয়া জনসাধাৰণৰ কথিত ভাষা ডিমাছা, মণিপুৰী, মাৰ, বিষ্ণুপুৰী, কছাৰী ইত্যাদিহে, যিবোৰ অসমীয়া ভাষাৰ নিকটবৰ্ত্তী; অসমীয়াৰ লগত নলবৰীয়া, বৰপেটীয়া, ৰাজবংশী গোৱালপৰীয়া ইত্যাদি উপভাষাৰ যি সম্পৰ্ক ঠিক তেনেকুৱা। দুই এক স্বাৰ্থান্বেষী পণ্ডিতে মাধৱ কন্দলী, শঙ্কৰদেৱ, ভট্টদেৱ, পিতাম্বৰ দ্বিজ আদিক বাংলা সাহিত্যৰ অন্তৰ্ভূক্ত কৰিবলৈ চেষ্টা কৰাৰ দৰে কছাৰী ভাষাকো বাংলা ভাষাৰ উপভাষা বুলি ক'ব খোজা একো বিচিত্ৰ কথা নহয়। সেইবাবে মাত ফুটিবলৈ আৰম্ভ কৰা কাছাৰৰ খিলঞ্জীয়া এই লোকসকলৰ ভিতৰলৈ গৈহে কাছাৰক বুজা উচিত।

কুঁজি মন্থৰাৰ চৰিত্ৰ :

হিন্দু জনজীৱনত কুঁজী মন্থৰাৰ চৰিত্ৰই আমোদৰ খোৰাক বহন কৰিলেও ফিৰিঙটিয়ে খাণ্ডৱ দাহ কৰাৰ ইতিহাস আমাৰ চকুৰ আগত দাঙি ধৰে। মন্থৰাই ৰাণী কৈকেয়ীৰ ওচৰ চাপি কুবুদ্ধি নিদিয়া হেতেন ৰামৰ বনবাস নহয়, দশৰথৰ মৃত্যু নহয়, সীতাহৰণৰ দুৰ্ভাগ্যই ৰাম-সীতাৰ পাৰিবাৰিক জীৱনৰ দুঃখজনক পৰিণতি সম্ভৱ নহয়।

অসমৰ বৰ্ত্তমানৰ ভৌগোলিক চিত্ৰলৈ এবাৰ লক্ষ্য কৰিলেই এই কথা বুজিব পাৰি নগাসকল গ'ল। এই বিভেদৰ ক্ষেত্ৰত সম্ভৱতঃ মিছনাৰীসকলেই ললে কুঁজীৰ ভাও। মেঘালয়, মিজোৰাম গ'ল। তাত কোন কুঁজীয়ে চলনাৰ মন্ত্ৰজপ কৰিছিল সি আজিও অজ্ঞাত। অৰুণাচলক অৱশ্যে চৰকাৰে নিজেই অসমৰ বুকুৰ পৰা আঁতৰাই নিলে। এই আটাইবোৰেই দুৰ্ভাগ্যৰ বিষয়। অলপতে দুই এক ক্ষমতাভিলাষী নেতাই তথাকথিত উদয়াচল ৰাজ্যৰ দাবী কৰি এখনি কাল্পনিক মানচিত্ৰ ৰচনা কৰি অসমীয়া সংস্কৃতিৰ অন্যতম দূত বড়ো সম্প্ৰদায়ৰ লোকসকলৰ মাজত বিলাই প্ৰচাৰ কাৰ্য্য চলাইছে। এই প্ৰচাৰ কাৰ্য্য চলিছে এনে এক সন্ধিক্ষণত যি সময়ত বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম হিচাবে অসমীয়া

ভাষাক প্ৰতিষ্ঠা কৰাৰ ৰাজ্য জুৰি এক আন্দোলন গঢ়ি উঠিছে আৰু অসমীয়া ভাষা সংস্কৃতি বিদ্বেষী একশ্ৰেণীৰ লোকে তাত তুমুল বিৰুদ্ধাচৰণ কৰিছে। তথাকথিত 'উদয়াচল' নামৰ ৰাজ্য বিচাৰি কৰা আন্দোলন আন সময়ত গঢ়ি উঠিলেও এই বিষয়ে কবলগীয়া বিশেষ একো নাছিল। কিন্তু, যি মুহূৰ্ত্তত এই আন্দোলনৰ উকি শুনা গৈছে তাত কোনে প্ৰৰোচনামূলক ইন্ধন যোগাইছে এই কথা সহজে অনুমেয়। আগ-পাচ নাভাবি এই ক্ষমতাভিলাষী নেতাসকলে নিজৰ ঘৰ-খনলৈ চাই কুঁজী মন্থৰাৰ চৰিত্ৰ এবাৰ অধ্যয়ন কৰি চোৱা উচিত হ'ব।

তথাকথিত "উদয়াচল"ৰ দাবী কিমান যুক্তিযুক্ত সেই কথা পৰ্য্যালোচনা কৰা আমাৰ উদ্দেশ্য নহয়। উদ্দেশ্য মাত্ৰ এই কথা দাঙি ধৰাহে যে সতিনীৰ নাক কাটি যাত্ৰাভঙ্গ কৰিলে নিজৰ ঘৰখনৰহে অমঙ্গল। তাকে নকৰি নিজৰ ঘৰখনৰ ফালেহে এবাৰ লক্ষ্য কৰা উচিত। নিজৰ ঘৰখনৰফালেহে এবাৰ লক্ষ্য কৰা উচিত। নিজৰ ঘৰখন নিজেই চিনি পোৱা উচিত।

নিজৰ ভাষা আৰু সংস্কৃতিয়েইতো নিজৰ ঘৰ। নিজৰ বুলিবলৈ তাত কিহৰ উৎকৰ্ষ সাধন হৈছে আৰু কিহৰ অভাব ঘটিছে সেই-খিনি নিশ্চয় জনা উচিত। অসম নামৰ এই ঘৰখনত হিন্দু মুছলমান খ্ৰীষ্টিয়ান শিখ বৌদ্ধ জৈন সকলোৱেই একেলগে নাছোনে? বড়ো কোচ কছাৰী আহোম বামুণ কলিতা কেওট সকলোৱেই লগ লাগিয়েইতো আমি অসমীয়া হৈছো। কিন্তু,—অসমৰ যিসকল উচ্চ হিন্দু নামধাৰীলোক আছিল তেওঁলোক দেখোন ইতিহাসৰমতে পাচতহে আহিছে অসমলৈ? অসমলৈ অষ্ট্ৰিকসকল আহিছে, তিব্বত বৰ্মাসকল আহিছে, আৰ্য্যসকল আহিছে সকলোৱেই সং-মিশ্ৰণত গঢ়ি উঠা অসমীয়া ভাষা, অসমীয়া কৃষ্টি নহয় জানো? অতবোৰ মানুহ অসমলৈ আহিল, কাৰ বাৰু পূৰ্বৰ ৰীতি-নীতি পূৰ্বৰ ভাষা বৰ্ত্তি আছে। যদি থাকিলেহেঁতেন আমি একেধৰণৰ খানাৰ, একেধৰণৰ পোচাকৰ, উমৈহতীয়া সাহিত্যৰ কি প্ৰয়োজন বোধ কৰিলোহেঁতেন? হাজাৰ বছৰ আগৰ আচাৰ-ব্যৱহাৰ, হাজাৰ বছৰৰ আগৰ ভাষা দেখোন এধনিষ্ঠামানো সলনি নোহোৱালৈ থাকিলে-হেঁতেন! সেইবোৰ সকলো মিছা কথা। আমি আমাক নিজকেই পাহৰি যাব বিচা-ৰিছো। মিছাই আমি বড়ো কোচ কছাৰী আহোম কলিতা কেওত বামুণ ভেদভাব আনিছো। আমি সেই ভেদভাৱেৰে নিজেই নিজক প্ৰবঞ্চনা কৰি নিজেই নিজৰ হাতত প্ৰবঞ্চিত হৈছো। শস্য শ্যামলা অসমখনি যিদৰে কলিতা কেওত বামুণৰ, সেইদৰে আহোমৰ, সেইদৰে কছাৰীৰ। অসমীয়া ভাষা কোনো কোনো বিশেষ সম্প্ৰদায়ৰ নহয় সকলো শ্ৰেণীৰ অসমীয়াৰে। কাৰণ, সেই ভাষা কলিতা-কেওত-কোচ-বড়ো কছাৰী-আহোম সকলোৰে কণ্ঠস্বৰ, সকলোৰে শব্দেৰে গঠিত। 'আমাৰ নহয়' আমাক নালাগে' বোলা কথাবোৰ সকলোৱে এৰিব লাগিব। আমি আমাৰ ৰক্তেৰে সজা, আমি আমাৰ প্ৰতিভাৰে সঁজা প্ৰতিমাটি আমাৰ আমি দানবীয় হাতেৰে ভঙাৰ কুপ্ৰবৃত্তি যাতে নহয় তাৰ প্ৰতিহে আমি যত্নবান হোৱা উচিত।

আমাৰ গাওঁৰ নামবোৰ, আমাৰ নদীৰ নামবোৰ, আমাৰ সম্বন্ধবোধক শব্দবোৰ ক'ৰ পৰা আহিছে? বড়ো-কছাৰী সকলৰ কণ্ঠৰ পৰা নহয় নে? এইযে আমি ককালত টঙালি বান্ধো, মেখনি মাৰি পথাৰলৈ যাওঁ, জাকৈ চেপাৰে মাছ মাৰো, তাতশালখনত ৰ' বেৰণ্ডৰ ফুল বাচো, মেজী জ্বলাও, বিহুগীত গাও, নাচো,—কছাৰী সকলৰ দান নহয়নে? আমাৰ জুপুৰী ঘৰবোৰৰ আৰ্হি ক'ত পাইছো, পথা-ৰত টং ৰখা পদ্ধতি ক'ৰপৰা শিকিছো, নায়ক পতা, গাওবুঢ়া পতা নীতি-নিয়মবোৰ ক'ত পাইছো? খেতিৰ নাঙলখন, যুঁৰৰ জাপিটো অসমক কোনে দিলে? বাথৌপুজাৰ দেও-ধনীজনী আমাৰ মাৰৈ পুজালৈ কোনে মাতিলে? বাম্পেল খেদি খেদি আহিয়েই দেখোন মহখেদা গীতবোৰ গালো, ভঠেলি উৎসব পাতিলো। মহামাণিক্যই দেখোন মাধৱ কন্দলীৰ হতুৱাই ৰামায়ণ লিখালে। শঙ্কৰদেৱৰ বড়গীত দেখোন আমি একেলগেই শুনিলো। বিয়াল্লিচৰ ৰণতো দেখোন মদন ৰাউতা মনবৰৰ সতে কুশলকোঁৱৰ, কনকলতা ভোগেশ্বৰী থগীৰামে একেলগে জন্মভূমিৰ বাবে প্ৰাণাহুতি দিলে? আজি আমি জানো পাহৰিলে হব এই বিচিত্ৰ অসমভূমি, লুইতৰ বৰাকৰ পাৰৰ বিচিত্ৰ অসমীয়া কৃষ্টি? চৰাইদেউ জয়সাগৰৰ সংস্কৃতিৰ শাখা জানো কুণ্ডিল নগৰৰ সোনালী সোঁতৰ সতে মিলি সাগৰলৈ বৈ যোৱা নাই?

আধুনিক যুগলৈ আহোচোন! বিষ্ণুৰাভাক জানো অসমীয়া ভাষা-সংস্কৃতিৰ পৰা বাদ দিব পৰা যাব? যোগেশ দাস, মেদিনী চৌধুৰীৰ দৰে অসমীয়া কথা সাহিত্যিক কেইজন ওলাব? বিশ্বেশ্বৰ হাজৰিকাৰ শোভাকথাৰ দৰে শিল্পীও দেখোন অসমীয়া শিল্পকেই চহকী কৰিছে। অসমীয়া প্ৰবন্ধ মালাত দিয়া অৱিহনাও দেখোন আপুৰুগীয়া।

তেন্তে, আমি আজি নিজকেই চিনিবলৈ যত্ন নকৰো কিয়?

নিৰঞ্জন শৰ্ম্মাই ৰতন ব্ৰহ্মক ঠগিলে তাৰ বাবে নিৰঞ্জন আৰু ৰতন গোঁসাই ঘৰটো জগৰীয়া হব পাৰে জানো? আজি এচাম মানুহে এচাম মানুহক ঠগিছে। কোনোবাই নিৰঞ্জনকো ঠগিছে, ৰতনকো ঠগিছে। সেই ঠগবোৰৰ বিৰুদ্ধে নিৰঞ্জন আৰু ৰতন উভয়ে যুজাহে যুক্তিযুক্ত। তাৰবাবে দায়ী যি শ্ৰেণী সি হল অৰ্থনৈতিক দিশৰ শ্ৰেণীহে, উমৈহতীয়া ভাষা বা সংস্কৃতি নহয়। সেই দৃষ্টিকোনেৰে

চালেই ঠগ প্ৰতাৰক প্ৰবঞ্চকৰ চিনাক্তি সহজতেই ওলাব।

আহা, আমি আজি আমাৰ উমৈহতীয়া ভাষা আৰু সংস্কৃতিক আকোৱালি লওঁ, আমাৰ সোণালী অতীতৰ স্বাক্ষৰ বৈ লৈ যাও সোণালী ভবিষ্যতৰ বুকুলৈ আৰু বিচাৰি উলিয়াও সেই কুঞ্জী মন্ত্ৰাঞ্জনীক, যোনে সংগোপনে তাইৰ স্বাৰ্থান্ধ ধ্বনিৰে ফুচুলাই আছে আমাক আমাৰ বিপক্ষে।

শতাবাৰ্ষিকীৰ গৰ্ব :

এই বছৰৰ শেষ ভাগত, যোৱা ডিচেম্বৰ মাহত গোটেই অসমজুৰি দুগৰাকী সাহিত্যিকৰ জন্ম শতবাৰ্ষিকী পালন কৰা হৈছে। সাহিত্যিক দুগৰাকী হ'ল কণকলাল বৰুৱা আৰু বেণুধৰ ৰাজখোৱা। বৰুৱাদেৱৰ জন্ম ১৮৭২ চনৰ ১৬ ডিচেম্বৰ আৰু ৰাজখোৱা দেৱৰ জন্ম তাৰ পাচদিনৰ আগতে ১১ ডিচেম্বৰ। কণকলাল বৰুৱা মূলতঃ ঐতিহাসিক আৰু প্ৰত্নতত্ববিদ আৰু বেণুধৰ ৰাজখোৱা নাট্যকাৰ আৰু নিভাজ সাহিত্যৰ ৰচক। অসম সাহিত্য সভাৰ ১৯২৪ (কণকলাল বৰুৱা) আৰু ১৯২৬ (বেণুধৰ ৰাজখোৱা) চনৰ সভাপতি এই সাহিত্যিক দুগৰাকীৰ ক্ষেত্ৰত প্ৰত্যেকৰে একেটাকৈ স্বকীয় বৈশিষ্ট্য লক্ষ্য কৰা যায়। বুৰঞ্জী আৰু প্ৰত্নতত্ববিদ বৰুৱাদেৱে অতীত গৌৰৱময় দিনৰ সুস্পষ্ট প্ৰামাণ্য দৃষ্টান্তেৰে অসমৰ ভবিষ্যত নন্দনবদন কৰিবলৈ আৰু সাহিত্যিক ৰাজখোৱাদেৱে ন্যায্য অধিকাৰৰ পৰা বঞ্চিত হবলগীয়া অসম এখন বিচাৰিছিল। দুয়োগৰাকীৰেই জীৱন দৰ্শন অতীব তাৎপৰ্য্যপূৰ্ণ। এই বছৰটিত দুয়োগৰাকীৰ শতবাৰ্ষিকী উৎসৱ পালন আৰু বেছি তাৎপৰ্য্যপূৰ্ণ হৈ উঠিছে, যে বিশ্ববিদ্যালয়ৰ মাধ্যমৰূপে অসমীয়া ভাষাক প্ৰতিষ্ঠা কৰিবলৈ এই শতবাৰ্ষিকী উৎসৱৰ এমাহৰ আগতে অসমবাসীয়ে আন্দোলন কৰি এইসকল কৃতী-সন্তানৰ কাৰ্য্যাৱলী আলেঙ্গে আলেঙ্গে স্মৰণ কৰিছে। এইসকল মনিষীৰ জন্মৰ দ্বিতীয় শতক আৰম্ভ হোৱাৰ লগে লগে যেন সকলো দিশৰ পৰাই অসমীয়া জাতি আত্মপ্ৰতিষ্ঠ হবলৈ সক্ষম হয়— ইয়েই আমাৰ কামনা। এশ বছৰৰ পাচত স্মৰণ কৰা মনিষীসকলে অন্ততঃ ডেকা শক্তিক আদৰ্শৰ অনুপ্ৰেৰনাৰে উদ্বুদ্ধ নকৰাকৈ নাথাকে। দুয়োগৰাকী মনিষীৰ জীৱনৰ আধাৰত ৰচা দুটি প্ৰবন্ধ এই পত্ৰিকাত সেই উদ্দেশ্যে আগবঢ়োৱা হৈছে। জয়তু কণকলাল, জয়তু বেণুধৰ।

পুৰস্কৃত মালিক :

'মালিক' আধুনিক অসমীয়া সাহিত্যত এটি বিশিষ্ট নাম, অসমীয়া সাহিত্যৰ এক অবিচ্ছিন্ন অঙ্গ। তেখেতক ১৯৭২ চনৰ বাবে তেখেতৰ উল্লেখযোগ্য গ্ৰন্থ 'অঘৰী আত্মাৰ কাহিনী'' সাহিত্য একাডেমিৰ পুৰস্কাৰ দিয়া হৈছে। এই খবৰ প্ৰতিজন অসমীয়া সাহিত্য প্ৰেমীৰ বাবেই আনন্দদায়ক কাৰণ, মালিকক একাদেমী পুৰস্কাৰ দিয়াত কাৰো দ্বিধা বা সঙ্কোচৰ কাৰণ থাকিব নোৱাৰে। কিন্তু প্ৰশ্ন হয়, পঞ্চাশ খনতকৈও অধিক গদ্য সাহিত্যৰ (গল্প-উপন্যাস) গ্ৰন্থকাৰ, এক বিশিষ্ট দৃষ্টিশীল প্ৰতিভাৰ অধিকাৰী চৈয়দ আবদুল মালিকক কিয় তেখেতৰ ইতিমধ্যে প্ৰকাশিত ইমানবোৰ গ্ৰন্থ থকা স্বত্বেও এই পুৰস্কাৰ দিয়া হোৱা নাছিল। অথচ এই সময়ছোৱাৰ ভিতৰত গ্ৰন্থকৰ্ত্তাৰ নিজৰ ৰচনা বা সৃষ্টিতকৈ সম্পাদনা কৰা পৰ্য্যায়ৰ অসমীয়া গ্ৰন্থতো একাডেমী পুৰস্কাৰ দিয়া হল, ১৯৭১ চনকে ধৰি কেবাবাৰো অসমীয়া সাহিত্য এই পুৰস্কাৰ লাভৰ পৰা বঞ্চিত হল।

আজি পৰ্য্যন্ত মালিককে ধৰি অসমীয়া সাহিত্যত দহ গৰাকী সাহিত্যিকে সাহিত্য একাডেমি পুৰস্কাৰ পাইছে। তেখেতসকল হল—যতীন্দ্ৰনাথ দুৱৰা (স্বৰ্গগত), বেণুধৰ শৰ্মা, বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য, ডঃ বিৰিঞ্চিকুমাৰ বৰুৱা (স্বৰ্গগত), অম্বিকাগিৰি ৰায়চৌধুৰী (স্বৰ্গগত), ত্ৰৈলোক্যনাথ গোস্বামী, নলিনীবালা দেৱী, অতুলচন্দ্ৰ হাজৰিকা, লক্ষ্মীনাথ ফুকন আৰু চৈয়দ আবদুল মালিক। এইসকল প্ৰথিতযশা সাহিত্যিকৰ নিভাজ সৃষ্টিমূলীয়া সাহিত্যৰ বাবে দুৱৰা, অম্বিকাগিৰি আৰু নলিনীবালাক বাদ দি বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য, ডঃ বিৰিঞ্চিকুমাৰ বৰুৱা আৰু মালিকক উপন্যাসত পুৰস্কাৰ দিয়া হৈছে। এতিয়ালৈ নাটকত কোনো অসমীয়া গ্ৰন্থকাৰে এই পুৰস্কাৰ পোৱা নাই। অন্যান্য প্ৰান্তীয় সাহিত্যবোৰ ক্ষেত্ৰত কিন্তু নিভাজ সৃষ্টিমূলীয়া সাহিত্যৰ ওপৰতহে গুৰুত্ব আৰোপ কৰা দেখা যায়। উদাহৰণ হিচাবে আজিলৈ সাহিত্য একাডেমি পুৰস্কাৰ প্ৰাপ্ত ১৬ গৰাকী বাংলা সাহিত্যিকৰ ছয় গৰাকী কবি, পাচ গৰাকী উপন্যাসিক, এগৰাকী নাট্যকাৰ, এগৰাকী ভ্ৰমণ বৃত্তান্ত লেখক। হিন্দী সাহিত্যৰ ১৭ গৰাকী সাহিত্যিক, গুজৰাটী সাহিত্যৰ ১৪ গৰাকী সাহিত্যিক, কানাড়ী সাহিত্যৰ ১৫ গৰাকী সাহিত্যিক মালায়ালম সাহিত্যৰ ১৪ গৰাকী সাহিত্যিক মাৰাঠি সাহিত্যৰ ১৬ গৰাকী সাহিত্যিক উড়ীয়া সাহিত্যৰ ১২ গৰাকী সাহিত্যিক পঞ্জাবী সাহিত্যৰ ১২ গৰাকী সাহিত্যিকৰ ক্ষেত্ৰতো এনেকুৱা সংখ্যাই ওলাব। দ্বিতীয়তে এই পুৰস্কাৰৰ মাপকাঠি যদি অসমৰ ক্ষেত্ৰত আধুনিক দৃষ্টিভঙ্গীৰে চাব খোজা হয়, দেখা যাব চৈয়দ আবদুল মালিককে ধৰি এতিয়ালৈ প্ৰকৃতাৰ্থত তিনিগৰাকী আধুনিক অসমীয়া সাহিত্যিককহে এই পুৰস্কাৰেৰে সন্মান কৰা হৈছে। আন ভাৰতীয় ভাষাৰ ক্ষেত্ৰত কিন্তু তাৰ ব্যতিক্ৰম দেখা যায় আৰু আধুনিক জীৱনধাৰাৰ চিন্তা আৰু দৰ্শন পৰিপুষ্ট মৌলিক গ্ৰন্থসমূহৰ বাবেহে লেখকসকলক পুৰস্কৃত কৰা দেখা যায়। অসমত নতুন চিন্তাধাৰাৰ প্ৰতিযুক্ত সন্মান প্ৰদৰ্শন নকৰাৰ ফলতেই তাৰ ব্যতিক্ৰম হৈছে বুলি ভাবিবৰ থল আছে, যেহেতু আধুনিক লেখকসকলৰ

সৃষ্টি মূলীয়া কবিতা গল্প উপন্যাস নাটক আদিৰ প্ৰতি নিৰ্বাচক মণ্ডলীৰ দৃষ্টি গোচৰ হোৱা নাই।

মালিকৰ সাহিত্য ৰাজিৰ ক্ষেত্ৰত প্ৰধানকৈ এই কেইটা কথা লক্ষ্য কৰিব পাৰি— (১) মালিকৰ সৃষ্টি সকলো কালৰপৰাই বাস্তৱ আৰু জীৱনৰ অভিজ্ঞতাৰ ভেটিত। (২) তেখেতৰ পটভূমি সকলো সময়তে জীৱনৰ দাৰ্শনিক বা মনস্তাত্বিক সংগ্ৰামতকৈও সামাজিক শ্ৰেণী সংগ্ৰামৰ ওপৰত প্ৰতিষ্ঠীত। (৩) তেখেতৰ পৰিৱেশ সৃষ্টি নিৰ্খুট আৰু মনোৰঞ্জক, তাৰ মাজতে থিয়হৈ উঠে চাৰিত্ৰিক বৈশিষ্ট্য লৈ চৰিত্ৰ সমূহ ঘটনা প্ৰবাহৰ মাজে মাজে দেও দি দি। (৪) চিত্ৰবোৰৰ নৈপুন্য প্ৰকাশ পায় বেছি মনোগ্ৰাহী হৈ যেতিয়া মালিক চাহাবৰ কাপে অসমৰ গাৱঁলীয়া মানুহৰ ছবি আঁকি যায়। (৫) মালিকৰ ভাষাত এটি আমেজৰ সুৰ আছে, হাঁহিৰ খোৰাক আছে, কাব্যিক প্ৰৱণতা আছে। মালিকে সৃষ্টি কৰা চৰিত্ৰ সমূহত অভ্যাসগত কাৰ্য্যৱলীতকৈ ভাষাগত বৈশিষ্টাই, সিবোৰৰ সংলাপে পাঠকৰ মনত হাঁহি-কান্দোনৰ হাস্য আৰু করুণ ৰসৰ অৱতাৰণা কৰে।

সুদূৰ আমেৰিকাত পুলক গগৈ—

অসমীয়া শিল্প-সাহিত্যৰ ক্ষেত্ৰত আটাইতকৈ চুখলগা দিশ হ'ল বিশ্বজনীন প্ৰচেষ্টাৰ অভাৱ। স্বভাৱতে অসমীয়া মানুহমাত্ৰেই ঘৰৰ চাৰিবেৰৰ ভূমাত আবদ্ধথাকি আনন্দ পায়। নিজৰ অতীত আৰু বৰ্ত্তমান নিজে নিজে গুণানুকীৰ্ত্তন কৰিয়েই অসমীয়া মানুহ সুখী। ই এক প্ৰকাৰ নাৰ্চিচাৰ্জিম ৰোগ বুলিব পাৰি। অসমত উচ্চ সাহিত্যৰ সৃষ্টি নোহোৱাকৈ থকা নাই, উচ্চ শিল্পৰ সৃষ্টি নোহোৱাকৈ থকা নাই। কিন্তু আত্মপ্ৰশান্তিৰ ৰোগে অসমীয়া শিল্প-সাহিত্যক ৰাষ্ট্ৰীয় আৰু আন্তৰাষ্ট্ৰীয় মৰ্যদা লাভৰ পৰা বঞ্চিত কৰিছে।

সম্প্ৰতি পোৱা এক বাতৰিমতে অসমৰ ৩১ বছৰীয়া তৰুণ চিত্ৰশিল্পী পুলক গগৈয়ে যোৱা ৩ ডিচেম্বৰ তাৰিখে আমেৰিকা যুক্তৰাষ্ট্ৰ ভাৰ্জিনিয়াত এখন একক চিত্ৰ প্ৰদৰ্শনীৰ আয়োজন কৰিছে। ভাৰ্জিনিয়াৰ হজেচ্ গেলেৰীত আয়োজিত এই প্ৰদৰ্শনীখনি মুকলি কৰিছে আমেৰিকা যুক্তৰাষ্ট্ৰস্থ ভাৰতীয় ৰাষ্ট্ৰদূত শ্ৰীলক্ষীকান্ত ঝাই। বিদেশত শিল্পী হেমন্ত মিশ্ৰৰ বাহিৰে অসমীয়া চিত্ৰশিল্পীৰ একক প্ৰদৰ্শনীৰ আয়োজনৰ কথা জনা নাযায়। তৰুণশিল্পী গগৈয়ে অসমীয়া শিল্পৰ নমুনাৰে সুদূৰ আমেৰিকা বাসীক আকৃষ্ট কৰিবলৈ যি প্ৰচেষ্টাৰে আমেৰিকা পাইছে—ই নিশ্চয় শ্ৰীগগৈৰ নিজস্ব প্ৰচেষ্টা। অসমৰ চৰকাৰী ভাবে অবহেলিত শিল্পী সাহিত্যিক সকলৰ বাবে সচাকৈয়ে ই এক ডাঙৰ উদাহৰণ। এই উদাহৰণে প্ৰদৰ্শনীৰ মাধ্যমেৰে শ্ৰীগগৈৰ প্ৰতিভা যিদৰে বিদেশত প্ৰকাশিত হল, সেইদৰে অসমীয়া শিল্পবো বিশ্বজনীনতাৰ দিশ মুকলি হৈ বিদেশীৰ চকুত শ্ৰদ্ধাভাজন হৈ উঠাৰ সুবিধা ঘটিল। শ্ৰীগগৈ প্ৰতিজন অসমীয়াৰে ধন্যবাদাই। শ্ৰীগগৈৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিছো।

"অ' অসমীয়া ডেকা দল"—
অ' অসমীয়া ডেকা দল,
অ' অসমীয়া ডেকা দল,
আজি তোৰে তেজাল বদন
মলিন কিয় হ'ল ?'

জ্যোতি প্ৰসাদে অসমীয়া ডেকা শক্তিৰ অবনত দেহ ভঙ্গিমালৈ চাই আক্ষেপ কৰি গীত ৰচিছিল। অম্বিকাগিৰীয়ে ডেকা শক্তিক উত্তপ্ত কৰি তুলিছিল আৰু সমুখত ডেকা লৰাৰ দুৰ্বলতা দেখিলে তিৰস্কাৰ কৰিছিল, লাঠি দাঙি খেদি গৈছিল। আজি আক্ষেপ কৰিবলৈ জ্যোতিপ্ৰসাদ নাই, খেদি যাবলৈ অম্বিকাগিৰীও নাই।

কিন্তু, ডেকাশক্তি আছে॥ অসমৰ ছাত্ৰ আৰু যুৱকে এই ডেকাশক্তিৰ পৰিধি ৰচনা কৰিছে। ডেকাশক্তিয়ে যে নিজৰ ঐতিহ্য বহন কৰিব পাৰিব, বিশ্ববিদ্যালয়ৰ মাধ্যম সংক্ৰান্তৰ অলপতে বিৰতি লাভ কৰা ছাত্ৰ আন্দোলনে এইকথা সুচাইছে। সেই আন্দোলনে ছাত্ৰসকলৰ অন্তৰত থকা গভীৰ আত্মবিশ্বাস, দৃঢ়প্ৰতিজ্ঞা' লক্ষচ্যুতিহীনতা, অহিংসচেতনাত বিশ্বাস, নৈতিক সচেতনতা আৰু নাযদাবীৰ প্ৰতি অকুণ্ঠ সমৰ্থনৰ বাৰ্ত্তা বহন কৰি জনমানসক আকৰ্ষিত কৰিব পাৰিছে। এই বিশ্বাস আৰু দৰ্শন যদি অসমৰ ছাত্ৰ তথা ডেকাসমাজৰ চিৰকালৰ লগৰীয়া হৈ ৰয়, নিসন্দেহে নিকটবৰ্ত্তি ভৱিষ্যতত অসমৰ বুকুলৈ নামি আহিব সোণালী জীৱন। তাকেই কামনা কৰিছোঁ।

এই অনুপ্ৰেৰণা আৰু বিশ্বাসলৈ ছাত্ৰ আৰু যুৱক সমাজ নামি আহক অসমৰ সাহিত সংস্কৃতি-শিক্ষা শিল্প-বাণিজ্য বিজ্ঞান জগতলৈ। অসমৰ জীৱন প্ৰবাহৰ ঐতিহ্যই আমাৰ দেশৰ সকলো অঞ্চল, আনকি বিশ্বৰ সকলো দেশৰ সতে সমানে ফেৰ মাৰিবপৰা হওক—মহত্ব আৰু দৃষ্টান্তেৰে। অসমৰ ডেকা শক্তিয়ে অন্যায়ৰ বিপক্ষে ন্যায়ৰ চোকা বল্লম তৈয়াৰ কৰক, এখনি সোণালী অসম ৰচনা কৰক, অসম জয় জয় ময় ময় হওক।